# প্ৰবাহিনী

অষ্টম সংখ্যা

ধেমাজি স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয়
(২০২২-২৩ বৰ্ষ)

<u>সম্পাদক ঃ</u>
উপাসনা দেৱী

<u>তত্ত্বাৱধায়কদ্বয়ঃ</u>
ৰবী দত্ত নেওগ, মৌচুমী হাজৰিকা

*প্ৰীতি আৰু শুভেচ্ছাৰে...*

প্ৰতি,

শ্ৰীযুত/শ্ৰীযুক্তা..........................................................................

.......................................................................................... হাতত

উষ্ম আদৰেৰে ‘প্ৰবাহিনী’ৰ অষ্টম সংখ্যাটি অৰ্পণ কৰিলোঁ।

অধ্যক্ষ/সম্পাদক, প্ৰবাহিনী
ধেমাজি স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয়

**PRABAHINEE, DHEMAJI P.G.T. COLLEGE MAGAZINE**

***8th Issue, 2022-23***

*Edited by Upasana Devi, Published by Dhemaji P.G.T. College and Printed at Chitrangkan, Dhemaji Chariali-787057.*

**সম্পাদনা সমিতি**


মুখ্য উপদেষ্টা ঃ ড° বুদ্ধিন্দ্ৰ বৰুৱা
ড° কিলোমণি চুতীয়া


উপদেষ্টা ঃ বিনীতা গোহাঁই

তত্বাৱধায়িকা ঃ ৱবী দত্ত নেওগ
মৌচুমী হাজৰিকা

সম্পাদিকা ঃ উপাসনা দেৱী

সহ-সম্পাদক ঃ পৰাগজ্যোতি শইকীয়া

সদস্য/সদস্যা ঃ পূৰ্বাশ্ৰী সন্দিকৈ
পবিত্ৰ দিহিঙীয়া
পূবালীমা বড়া
ৰিমঝিম বুঢ়াগোহাঁই
বৰ্ণালী চাংমাই
আশা কোঁৱৰ
তুষাৰাণী হাজৰিকা
কাবেৰী গগৈ
স্বৰ্ণালী কোঁৱৰ
পাৰিজাত শইকীয়া


**-ঃ প্ৰকাশক ঃ-**
ধেমাজি স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয়

**- বেটুপাত -**
সূৰ্য্য বৰুৱা

**- অক্ষৰ বিন্যাস আৰু বৰ্ণ সংস্থাপন -**
অৰুণ বড়া

**-মুদ্ৰণ -**
চিত্ৰাংকণ, ধেমাজি চাৰিআলি
ভ্ৰাম্যভাষ ঃ ৯৯৫৭১৬৩৩৮৫

# উছৰ্গা

আদৰ্শ, ত্যাগৰ মৃত্যু নহয়, মৃত্যু হয় মাথোঁ শৰীৰৰ।

সময়ৰ তুলিকাই অশ্ৰুৰ তেজাল কণিকাৰে আদৰ্শ ব্যক্তিসকলৰ লগতে

মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা কালৰে পৰা

অশেষ ত্যাগ

আৰু

কষ্ট স্বীকাৰ কৰি

চিৰ বিদায় লোৱা মহান ব্যক্তিসকলক

মহাবিদ্যালয়ে সদায় মনত ৰাখিব। তেওঁলোকৰ চৰণত

অৰ্ঘ্য নিবেদি ২০২২-২৩ বৰ্ষৰ

**“প্ৰবাহিনী”**ক

উছৰ্গা কৰিলোঁ।

**সম্পাদনা সমিতি**

# কৃতজ্ঞতা স্বীকাৰ

এই সংখ্যাৰ "প্ৰবাহিনী"

আলোচনীখনিৰ প্ৰস্তুতি পৰ্বৰ পৰা সম্পূৰ্ণৰূপে

প্ৰকাশ হৈ উঠালৈকে জড়িত থকা মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষ, তত্ত্বাৱধায়কদ্বয়,

মহাবিদ্যালয়ৰ প্ৰতিজন শিক্ষাগুৰু, শুভেচ্ছা বাণী প্ৰেৰকসকল,

সমূহ অতিথি লেখক, বৰ্তমানৰ লেখক প্ৰশিক্ষাৰ্থী

আৰু

প্ৰাক্তন লেখক প্ৰশিক্ষাৰ্থী,

সমন্বয়ক সমিতিৰ সতীৰ্থবৃন্দ, সম্পাদনা সমিতি,

অংগ সজ্জা আৰু অলংকৰণ, বেটুপাতৰ শিল্পী

আৰু চিত্ৰাংকণ প্ৰেছৰ সমূহ কৰ্মকৰ্তালৈ

কৃতজ্ঞতা আৰু ধন্যবাদ

জ্ঞাপন কৰিলোঁ।

- **সম্পাদক**

**ৰণোজ পেগু**
মন্ত্ৰী
শিক্ষা, জনজাতি পৰিক্ৰমা (ভৈয়াম)
খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস আৰু
সংস্কৃতি (সংগ্ৰহালয় আৰু পুথিভঁৰাল
সঞ্চালকালয়)

সত্যমেৱ জয়তে

ব্লক - বি, তৃতীয় মহলা,
জনতা ভৱন, দিশপুৰ,
গুৱাহাটী - ৭৮১০০৬
দূৰভাষ ঃ ০৩৬১-২২৩৭০২৩
৯৯৫৪৭০৩৮২৫



## শুভেচ্ছাবাণী

ধেমাজি জিলাৰ অগ্ৰণী শিক্ষানুষ্ঠান ধেমাজি স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয়ৰ ২০২২-২৩ বৰ্ষৰ বাৰ্ষিক আলোচনী 'প্ৰবাহিনী' প্ৰকাশ কৰিবলৈ ওলোৱা বুলি জানিব পাৰি নথৈ আনন্দিত হৈছোঁ।

বাৰ্ষিক আলোচনীখন শিক্ষা প্ৰতিষ্ঠানটোৰ বাবে বৌদ্ধিক ভূষণ স্বৰূপ। ছাত্ৰ-ছাত্ৰীসকলৰ সৃজনীশক্তিৰ বিকাশৰ সুযোগ প্ৰদানৰ লগতে শিক্ষানুষ্ঠানখনৰ বৌদ্ধিক তথা সামগ্ৰিক বিদ্যায়তনিক পৰিৱেশৰ আভাস দাঙি ধৰাত বাৰ্ষিক আলোচনী এখনৰ গুৰুত্বপূৰ্ণ ভূমিকা থাকে। স্থাপনা কাল ১৯৯১ চনৰে পৰা শৈক্ষিক ক্ষেত্ৰতখনলৈ বিশেষ অৱদান আগবঢ়াই অহা ধেমাজি স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখনে শিক্ষাৰ্থী আৰু শিক্ষক-কৰ্মচাৰীৰ সৃষ্টিশীল প্ৰতিভা বিকাশৰ সুযোগ প্ৰদানৰ লগতে নানা বিষয় মননশীল ৰূপত দাঙি ধৰিব বুলি আশা ৰাখিছোঁ। মই 'প্ৰবাহিনী' আলোচনীখন প্ৰকাশৰ দায়িত্বত থকা সম্পাদনা সমিতিৰ প্ৰয়াসৰ শলাগ লৈছোঁ আৰু শুভেচ্ছা জ্ঞাপন কৰিছোঁ।

ইয়াৰ লগতে শিক্ষাৰ্থীসকলক প্ৰয়োজনীয় শিক্ষা আৰু দক্ষতাৰে জ্ঞানৱান কৰাৰ ক্ষেত্ৰত মহাবিদ্যালয়খনে নিষ্ঠাৱান সেৱা আগবঢ়াই যোৱাৰ কামনা কৰিছোঁ। শিক্ষক-শিক্ষয়িত্ৰী তথা পৰিচালনা সমিতিৰ সাধনা আৰু সমৰ্পিত সেৱাৰ সমন্বয়ত মহাবিদ্যালয়খন জ্ঞান-মন্দিৰ ৰূপে চিৰ জ্যোতিস্মান হৈ থাকক।

(ডাঃ ৰণোজ পেগু)

*Ankur Bharali, ACS*
*District Commissioner, Dhemaji*

*Tel : 03753-224046 (O)*
*03753- 224203 (R)*
*Fax: 03753-224393*
*E mail :dc-dhemaji@nic.in*



# শুভেচ্ছা বাণী

ধেমাজি স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয়ে প্ৰতিবছৰৰ দৰে এই বছৰো ২০২২-২৩ বৰ্ষৰ মহাবিদ্যালয় আলোচনী "প্ৰবাহিনী" প্ৰকাশৰ দিহা কৰিছে বুলি জানিব পাৰি পৰম আহ্লাদিত হৈছোঁ। ছাত্ৰ-ছাত্ৰীসকলৰ মাজত থকা সুপ্ত প্ৰতিভা বিকশিত কৰাৰ ক্ষেত্ৰত মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখনিয়ে এক যোগাত্মক ভূমিকা পালন কৰে। প্ৰৱাহিনী নতুন ৰূপেৰে উদ্ভাসিত হওক আৰু পঢুৱৈ সমাজৰ সমাদৰ লাভ কৰক।

সৰ্বশেষত ধেমাজি স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয়ৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰী তথা ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ।

**শ্ৰী অংকুৰ ভৰালী, অ.অ.সে.**
**জিলা আয়ুক্ত, ধেমাজি**

*শুভেচ্ছাৰ কথাৰে...*

# প্ৰবাহিনী প্ৰতি

প্ৰবাহিনী বুকুত
প্ৰবাহমান হওক
চিন্তা চেতনাৰ
ন-ন দিগন্তৰ...
কষ্ট সাধনাৰ
সুদূৰ প্ৰসাৰী ফল।
নতুন দিনৰ
নতুন আশাৰ
নতুন প্ৰভাতৰ গান।
প্ৰবাহিনীৰ প্ৰৱাহত
সৃষ্টি হওক
সোণালী ভৱিষ্যতৰ
সোণোৱালী পথ
প্ৰবাহিনী হওক
ন-সূৰুযে
উদ্ভাসিত কৰক পৃথিৱী
নতুন আলোকেৰে
এই কামনাৰে....

**প্ৰদীপ কুমাৰ দাস**
সদ্য অৱসৰপ্ৰাপ্ত অধ্যক্ষ,
ধেমাজি স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয়

OFFICE OF THE PRESIDENT, G.B.

**DHEMAJI P.G.T. COLLEGE**

P.O. DHEMAJI
Dist- Dhemaji-787057 (Assam)
email.id-dmjpgtc@gmail.com
Website-dhemajipgtcollege.org

Dr. Budhindra Boruah, M.Sc, M. Phil, Ph. D.
President, G.B.

Ph. No.-9435188529
8472949370

Ref. No. ..........    Date..........................



**প্ৰেৰক ঃ ড° বুদ্ধিন্দ্ৰ বৰুৱা**

অৱসৰপ্ৰাপ্ত অধ্যক্ষ, ধেমাজি মহাবিদ্যালয়
সভাপতি, পৰিচালনা সমিতি, ধেমাজি স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয়।

**প্ৰতি,**

**শ্ৰীমতী উপাসনা দেৱী,** সম্পাদিকা, 'প্ৰবাহিনী'

## শুভেচ্ছাবাণী

জনা যায় বিশ্ব বিশ্ৰুত সাহিত্যিক, কবি ডব্লিউ.বি.ইয়েট্চে বিশ্ব কবি ৰবীন্দ্ৰনাথৰ গীতাঞ্জলিৰ কবিতাবোৰ সমসাময়িক লেখক এজৰা পাউণ্ড, চি. এফ. এন্দ্ৰুছ, হেন্‌ৰি লেভিলচন আদিক আবৃত্তি কৰি শুনাই পৰমানন্দ লাভ কৰি ভূয়সী প্ৰশংসা কৰিছে। আনকি ৰবীন্দ্ৰনাথৰ নোবেল বঁটাৰ সন্মানাৰ্থে লণ্ডনত আয়োজিত এখন নৈশ ভোজমেলত শুভেচ্ছা জ্ঞাপন কৰি তেখেতৰ কবিতাৰ যুগজয়ী আবেদনৰ কথা উল্লেখ কৰে। যিকোনো মহান কৰ্মৰ শুভফল কামনাৰে শুভেচ্ছাবাণী জ্ঞাপন কৰি মানুহে আনন্দ লাভ কৰে। অভিনন্দন জ্ঞাপন, উত্তৰোত্তৰ উন্নতি, সৰ্বাঙ্গীণ দিশত সফলতা লাভ কৰিবলৈ লিখি পঠোৱা আন্তৰিকবাণীক গ্ৰন্থ, আলোচনী, মুখপত্ৰ, স্মৰণিকা আদিত লিপিবদ্ধ কৰি সম্পাদক আৰু উদ্যোক্তা তথা লেখকে অনুপ্ৰেৰণা লাভ কৰে। যিকোনো গ্ৰন্থৰ পাতনি, আগকথা আদিত সাহিত্যৰ নানা বৈশিষ্ট্য প্ৰতিফলিত হয়। মুখপত্ৰ, আলোচনী, স্মৰণিকা আদিত প্ৰকাশিত শুভেচ্ছাবাণীতো নান্দনিক ৰস, সৌন্দৰ্য আৰু সুকুমাৰ অনুভূতি সম্পৃক্ত হৈ থাকে। অৱশ্যে সংখ্যাধিক শুভেচ্ছাবাণীয়ে গ্ৰন্থখনৰ মূল্যৱান পৃষ্ঠা খৰচ নকৰাকৈ নাথাকে। গ্ৰন্থখনৰ ভিতৰচ'ৰাৰ লেখনি তথ্যসমৃদ্ধ, চিন্তামূলক, জ্ঞানসমৃদ্ধ, গৱেষণামূলক আৰু সৃজনীমূলক হোৱাৰ লগতে শুভেচ্ছাবাণীও মধুৰ হ'লে সোণতে সুৱগা চৰে।

ধেমাজি স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয়ৰ ২০২২-২৩ বৰ্ষত বাৰ্ষিক মুখপত্ৰ 'প্ৰবাহিনী' (অষ্টম সংখ্যা) প্ৰকাশৰ বাবে পূৰ্ণ প্ৰস্তুতি চলিছেবুলি জানিব পাৰি আনন্দ অনুভৱ কৰিছোঁ। এই মুখপত্ৰৰ বলিষ্ঠ লেখনিয়ে মহাবিদ্যালয়ৰ শৈক্ষিক বাতাবৰণ সুস্থ কৰি তোলাত সহায় আগবঢ়োৱাৰ উপৰিও শিক্ষক, কৰ্মচাৰী তথা শিক্ষাৰ্থীৰ মাজত এটা বৌদ্ধিক পৰিমণ্ডল গঢ়ি তোলাত অমূল্য বৰঙণি যোগাওক — এই আশাৰে

(ড° বুদ্ধিন্দ্ৰ বৰুৱা)
সভাপতি, পৰিচালনা সমিতি



# অধ্যক্ষৰ একলম

'প্ৰবাহিনী' ২১ বছৰীয়া হ'ল। ২১ বছৰে প্ৰৱাহিত হৈ থকা কথা যেতিয়াই জ্ঞাত হ'লোঁ, মোৰ মনটো 'প্ৰবাহিনী'ৰ জন্ম লগ্নলৈ উৰা মাৰিলে। হাতে লিখি প্ৰকাশৰ মুখ দেখুওৱা হৈছিল 'প্ৰবাহিনী'ক। আকাশবন্তি, ৰুবা, লেখন গগৈ, দীপেন গগৈ, মই নিজেও জড়িত থাকি এক সমূহীয়া প্ৰচেষ্টাৰে 'প্ৰবাহিনী'ক সজাই পৰাই তুলিছিলোঁ। 'প্ৰবাহিনী' এতিয়া আধুনিক হ'ল; পৰিপক্কও হ'ল। 'প্ৰবাহিনী'য়ে পৰিৱৰ্তনৰ লগত খোজ মিলাই আগবাঢ়ি গৈ থকা দেখি বৰ সুখী হ'লোঁ।

পৰিৱৰ্তনৰ লগে লগে বি.টিৰ ঠাইত বি.এড. হ'ল। একবছৰীয়া শিক্ষা বৰ্ষ দুবছৰীয়া হ'ল। পৰীক্ষা ব্যৱস্থা ষাণ্মাসিক হ'ল, পাঠ্যক্ৰমখনো অধিক কৰ্মকেন্দ্ৰিক হ'ল। পৰিৱৰ্তন আৰু সময়ৰ দাবীত ৪ বছৰীয়া সংহতিমূলক শিক্ষক শিক্ষা ব্যৱস্থা প্ৰৱৰ্তনৰ দিশে আগবাঢ়ি গৈ আছে। নতুন শিক্ষা নীতিৰ নিৰ্দেশনা অনুসৰি ২০৩০ চনৰ পৰা দুবছৰীয়া চলিত শিক্ষা বৰ্ষ বন্ধ হৈ যাব। এই মুহূৰ্তত আমি প্ৰথমেই নতুনত্বক আকোঁৱালি ল'বৰ বাবে মানসিকভাৱে প্ৰস্তুত হোৱাৰ সময় আহি পৰিছে। পৰিৱৰ্তনে সুন্দৰতা আনিব আৰু সময়ৰ চাহিদা পূৰণ কৰিব বুলি আমি আশাবাদী।

বৰ্তমান অসমত সৰহ সংখ্যক বেচৰকাৰী বি. এড. মহাবিদ্যালয় এশ এবুৰি সমস্যাৰ মাজেৰে চলি আছে। অন্যহাতে, নেচনেল কাউন্সিল ফৰ টিচাৰ এডুকেচনে বান্ধি দিয়া যোগ্যতা অনুসৰি শিক্ষকৰ অভাৱ। ভাল দৰমহা নোপোৱা চাকৰি কৰিবলৈ যোগ্যতা আহৰণ কৰিবলৈ আগ্ৰহী নহয় লোকসকল। আত্মনিয়োগ কৰি জীৱন আগবঢ়াই নিবলৈ আগ্ৰহীসকলক সুখী কৰিবলৈ গৈ মাধমাৰ পৰিছে জনসাধাৰণৰ ওপৰত। দুখীয়া লোকসকলৰ বাবে বি.এড. এতিয়া দূৰ আকাশৰ তৰাৰ দৰে। প্ৰৱেশ পৰীক্ষাত দক্ষতাৰে উত্তীৰ্ণ হৈয়ো, শিক্ষকতা বৃত্তিৰ প্ৰতি বহুত হেঁপাহ থকা সত্ত্বেও অৰ্থনৈতিক অনাটনৰ বাবে বঞ্চিত হৈ থাকিব লগা হৈছে।

গুণগত শিক্ষা বৰ্তমান সময়ত এক ডাঙৰ দাবী। বিশ্বাস কৰা হয় উপযুক্ত শিক্ষক শিক্ষাৰে শিক্ষিত লোকসকলেই এই দাবী পূৰণ কৰিবলৈ সমৰ্থবান। উপযুক্ত শিক্ষক শিক্ষাৰে শিক্ষিত কৰি তোলাৰ সিংহভাগ দায়িত্ব ডি.এল.এ, বি.এড় আৰু এম এড় পাঠ্যক্ৰমসমূহৰ। গতিকে এই পাঠ্যক্ৰমৰ লগত জড়িত শিক্ষক শিক্ষাবিদসকল প্ৰজ্ঞাৰ সাধক হোৱাতো নিতান্তই প্ৰয়োজন। জাতি গঢ়োঁতা ন-প্ৰজন্মক দিগ্ দৰ্শন কৰিবলৈ


দক্ষ, কৌশলী কৰি গঢ়ি শিক্ষকসকলক উলিয়াই পঠোৱাৰ দায়িত্ব শিক্ষক-শিক্ষাবিদসকলৰে। সেয়ে, এইসকল লোকৰ অৰ্থনৈতিক নিৰাপত্তা প্ৰদান কৰা চৰকাৰৰ এক নৈতিক দায়িত্ব।

মহাবিদ্যালয়ৰ আলোচনীৰ প্ৰতিটো পৃষ্ঠা হওক শিক্ষক-শিক্ষাৰ্থীসকলৰ সৃষ্টিৰ প্ৰতিফলন। সকলোৰে উত্তৰোত্তৰ কামনা কৰিলোঁ।

জয়তু ধেমাজি স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয়

অধ্যক্ষ
ড° কিলোমণি চুতীয়া
ধেমাজি স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয়

# তত্ত্বাৱধায়কৰ একলম...



জয়জয়তে ধেমাজি স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাৰ লগত জড়িত প্ৰতিগৰাকী নমস্য ব্যক্তিক প্ৰণিপাত জনাইছোঁ। ধেমাজিত শিক্ষক-প্ৰশিক্ষণ মহাবিদ্যালয়ৰ দৰে এখন শিক্ষানুষ্ঠান স্থাপন কৰিবলৈ সপোন দেখা আৰু সেই সপোনক বাস্তৱায়িত কৰিবলৈ অশেষ ত্যাগ আৰু শ্ৰম স্বীকাৰ কৰা মহান ব্যক্তিসকল আমাৰ বাবে সদায় শ্ৰদ্ধাৰ পাত্ৰ।

ভাষা-সাহিত্যই কোনো দেশ বা জাতিৰ অস্তিত্ব জীয়াই ৰাখে। ভাষা-সাহিত্য চৰ্চা আৰু সংৰক্ষণৰ প্ৰয়াসেৰে বিগত বৰ্ষসমূহৰ দৰে ধেমাজি স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয়ৰ আলোচনী 'প্ৰবাহিনী'ৰ অষ্টম সংখ্যা (২০২২-২৩) প্ৰকাশৰ পৰিকল্পনা কৰিছে। 'প্ৰবাহিনী'ৰ বুকুত প্ৰৱাহিত হৈ আছে ধেমাজিৰ লগতে অসমৰ বিভিন্ন প্ৰান্তৰ লেখকসকলৰ আৱেগ-অনুভূতি আৰু তথ্যসম্বলিত সাহিত্যৰাজি। সম্পাদনা সমিতিৰ তত্ত্বাৱধায়কৰ দায়িত্ব পালন কৰি আলোচনীখনি সুন্দৰ তথা সক্ষম ৰূপত প্ৰকাশৰ বাবে সহায়-সহযোগিতা আগবঢ়াবলৈ পায় আমি নিজকে ধন্য মানিছোঁ। 'প্ৰবাহিনী'ৰ পৰিকল্পনা, প্ৰস্তুতি, লিখনি সংগ্ৰহ, বৰ্ণাশুদ্ধি নিৰূপণ আদিত সক্ৰিয়ভাৱে জড়িত হোৱা সম্পাদিকা শ্ৰীমতী উপাসনা দেৱীৰ লগতে সম্পাদনা সমিতিৰ প্ৰতিগৰাকী বিষয়ববীয়াৰ একাগ্ৰতা আৰু কৰ্মতৎপৰতা দেখি আমি গৌৰৱ অনুভৱ কৰিছোঁ। আশা ৰাখিছোঁ, 'প্ৰবাহিনী'ত সন্নিবিষ্ট লিখনিসমূহে পাঠক সমাজৰ সমাদৰ লাভ কৰিব।

সদৌ শেষত ধেমাজি স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয়ৰ আলোচনী 'প্ৰবাহিনী'ৰ দীৰ্ঘায়ু কামনা কৰাৰ লগতে সংশ্লিষ্ট সকলোকে কৃতজ্ঞতা জ্ঞাপন কৰিলো।

মৌচুমী হাজৰিকা

শ্ৰীযুক্তা মৌচুমী হাজৰিকা
তত্ত্বাৱধায়ক
প্ৰবাহিনী

ববী দত্ত

শ্ৰীযুতা ববী দত্ত নেওগ
তত্ত্বাৱধায়ক
প্ৰবাহিনী

# সম্পাদকীয়



## শিক্ষা আৰু শিক্ষক

জয়জয়তে ধেমাজি স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয়ৰ সমূহ কৰ্মকৰ্তালৈ সম্পাদকীয়ৰ আৰম্ভণিতে সশ্ৰদ্ধ প্ৰণিপাত জনাইছোঁ। যিসকল অগ্ৰগণী ব্যক্তিৰ আশাশুধীয়া প্ৰচেষ্টাৰ ফলত আজি আমাৰ ধেমাজি স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয়খনি এই পৰ্যায়ত উপনীত হৈছে, এয়া আমাৰ কাৰণে বৰ গৌৰৱৰ বিষয়। এই সুযোগতে তেখেত সকলোলৈকো সশ্ৰদ্ধ সেৱা আগবঢ়ালোঁ।

আমাৰ স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয়ৰ অন্যতম প্ৰধান উদ্দেশ্য হৈছে— শিক্ষাৰ লগত জড়িত নতুন বা কৰ্মৰত শিক্ষক-শিক্ষয়িত্ৰীসকলে যাতে উঠি অহা কণ-কণ ছাত্ৰ-ছাত্ৰীসকলক শুদ্ধৰূপত নীতি-নিয়মৰ মাজেৰে অসমীয়াই হওক বা ইংৰাজী মাধ্যমেই হওক ভাষা শিকাত গুৰুত্ব আৰূপ কৰাৰ দক্ষতা অৰ্জন কৰে।

ভাষা এটা জাতিৰ গৌৰৱ। শিক্ষাৰ জৰিয়তে এটা জাতি সুন্দৰ ৰূপে পৰিগণিত হয়। শিক্ষা হৈছে এটা জীৱনজোৰা প্ৰক্ৰিয়া। শিক্ষা যিগৰাকীয়ে দিয়ে তেওঁ সেই বিষয়ৰ শিক্ষক। পুৰণিকালত গুৰু গৃহত থাকি, গছৰ তলত বহিয়েই নানা ধৰণৰ শিক্ষা গ্ৰহণ কৰি পাণ্ডিত্য অৰ্জন কৰিছিল। যেনে— দ্ৰোণাচাৰ্য্য, পৰশুৰাম, সন্দিপণি মুনি আদি গুৰুসকলে পঞ্চপাণ্ডৱ, কৰ্ণ, শ্ৰীকৃষ্ণ আদিক নানা ধৰণৰ শিক্ষা প্ৰদান কৰিছিল। যেনে— অস্ত্ৰ-বিদ্যা, ধনুবিদ্যা, মুষ্টিযুদ্ধ, ৰাজনীতি, সমাজনীতি আদি আজিও প্ৰচলিত হৈ আছে।

আমি পাঠ্যপুথিৰ জৰিয়তে বিদ্যা আৰ্জন কৰোঁ জ্ঞান লাভৰ কাৰণে। চাণক্য শ্লোকত কৈছে, "বিদ্যা দদাতি বিনয়ম" অৰ্থাৎ বিদ্যাই মানুহক বিনয়ী কৰে, নম্ৰ কৰে, বিদ্বান মানুহ সকলোৰে পূজনীয়। গতিকে আমি এনে গুণৰ অধিকাৰী হ'বলৈ যত্ন কৰিব লাগে। ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিত্ব বিকাশৰ বাবে শিক্ষকে গঠনমূলক পৰামৰ্শ দাঙি ধৰা উচিত। শিক্ষকজনক নিৰ্দেশক, পথপ্ৰদৰ্শক আৰু বন্ধু হিচাপে গণ্য কৰা হয়। তেওঁ চূড়ান্ত প্ৰশাসক নহয়। শিশু বা ছাত্ৰৰ বাহ্যিক, মানসিক আৰু আধ্যাত্মিক —কেউটা দিশতে সৰ্বগুণ সম্পন্ন কৰি তুলিবলৈ যত্ন কৰাই শিক্ষাৰ মুল লক্ষ্য। **Education means all round development of a child mental physical an spritual.**

আমি যদি শিক্ষকতা বৃত্তিটো দায়িত্ব আৰু কৰ্তব্যনিষ্ঠাৰে পালন কৰিব বিচাৰো, তেন্তে বিজ্ঞানে আৱিষ্কাৰ কৰি উলিওৱা নতুন নতুন সামগ্ৰী, যেনে— ৰেডিঅ', টেলিভিচন, কম্পিউটাৰ আদি দৃশ্য-শ্ৰাব্য

সঁজুলিসমূহ ব্যৱহাৰ কৰি তেওঁলোকৰ মনোযোগ আকৰ্ষণ কৰিব লাগিব। শিক্ষকজন কেৱল শিক্ষাদানতে সীমাবদ্ধ নাথাকি তেওঁক সমাজৰ একোজন আদৰ্শবান নেতা হিচাপে গণ্য কৰা হয়। তেওঁ যদি কেতিয়াবা অনৈতিক কাম কৰে সেই কামৰ প্ৰভাৱ গোটেই শিক্ষক সমাজে ভুগিব লগা হয়। বিদ্যালয়খন যদি কাৰখানা, তাত থকা প্ৰতিটো ইঞ্জিন হৈছে ছাত্ৰ আৰু এই কাৰখানাৰ ইঞ্জিনবোৰ যেনেকৈ ইঞ্জিনীয়াৰে ভাল কৰে তেনেকৈ বিদ্যালয়ত শিক্ষকসকলেও ছাত্ৰ-ছাত্ৰীক গঢ়ি ভৱিষ্যতৰ সু-নাগৰিক কৰি তুলে। যিহেতু তেওঁলোক দেশৰ মেৰুদণ্ড। সেয়েহে শিক্ষকজন বহু গুণৰ অধিকাৰী হোৱা উচিত। তেওঁৰ গুণসমূহ (**T= Talented, E= Education, A= Adorable, C= Charming, H=Helpful, E= Encouraging, R= Responsible**) শিক্ষক শব্দটোতে নিহিত হৈ আছে।

শিক্ষকজন সাধাৰণতে বন্ধু সুলভ হ'ব লাগে, আচৰণ সংযত হ'ব লাগে। তেওঁৰ ছাত্ৰৰ ওচৰত আত্মসন্মান বজাই ৰাখিব পৰাকৈ প্ৰচুৰ জ্ঞানৰ প্ৰয়োজন। সত্যবাদী, সজ, চৰিত্ৰবান, আৱেগিক নিয়ন্ত্ৰণ, একাগ্ৰতা, নিয়মানুবৰ্তিতা, নিৰপেক্ষতা, সহানুভূতিশীলতা, বিনম্ৰতা আদি গুণবোৰৰ পৰা শিক্ষকজন অসাধাৰণ গুণৰ অধিকাৰী হয়। তাৰোপৰি তেওঁলোক দেশ আৰু সমাজ সংস্কাৰক হিচাপে পৰিগণিত হয়। একোজন শিক্ষক এডাল মমবাতিৰ দৰে। মমডাল যেনেকৈ নিজে গলি গলি আনক পোহৰ দিয়ে, শিক্ষকজনেও নিজৰ সৰ্বস্ব উজাৰি ছাত্ৰক শিক্ষা দান কৰে। গতিকে শিক্ষকসকল সৰ্বত্ৰে পূজ্য, শ্ৰদ্ধা আৰু সন্মানৰ যোগ্য। শিক্ষক, ছাত্ৰ আৰু অভিভাৱকৰ সু-সমন্বয়ত এখন বিদ্যালয়ৰ শিক্ষাদান অধিক কাৰ্যকৰী হৈ উঠে। সমাজ এখন সুস্থ দিশত পৰিচালন হোৱাত সু-নাগৰিক গঢ়ি শিক্ষকসকলে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

শিক্ষক নিৰ্মাণৰ দৰে মহান কাৰ্যত আমাৰ ধেমাজি স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয় অগ্ৰগণী ভূমিকা বহন কৰি আহিছে। এই সুযোগতে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কিলোমণি চুতীয়া মহোদয়া, তত্ত্বাৱধায়িকা ববী দত্ত নেওগ, মৌচুমী হাজৰিকা মহোদয়াৰ লগতে শিক্ষাগুৰুসকললৈ শ্ৰদ্ধা নিবেদিলোঁ। সহ-প্ৰশিক্ষাৰ্থী আৰু অনুজ প্ৰতীম প্ৰশিক্ষাৰ্থীসকলক আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত তেওঁলোকৰ সহায়-সহযোগিতাৰ বাবে ধন্যবাদ জনাইছোঁ। যিসকল লেখকে তেওঁলোকৰ চিন্তা গধুৰ লেখনিৰে 'প্ৰবাহিনী'ৰ অষ্টম সংখ্যাটি সজোৱাত সহায় কৰিলে, তেওঁলোকলৈ কৃতজ্ঞতা জনালোঁ। আমাৰ অজ্ঞতাৰ বাবে অজানিতে ৰৈ যোৱা ভুল-ভ্ৰান্তিৰ লগতে যিসকল লেখকৰ লেখনি এই সংখ্যাত সন্নিৱিষ্ট কৰিব পৰা নগ'ল তাৰ বাবে সকলোৰে ওচৰত ক্ষমা আমি প্ৰাৰ্থী।

সদৌ শেষত, ধেমাজি স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয়খনি সৰ্বাংগ সুন্দৰ হৈ উজ্বলি উঠক আৰু আমাৰ মহাবিদ্যালয়ৰ গৌৰৱ গাঁথা বুকুত সামৰি 'প্ৰবাহিনী' এনেদৰেই চিৰ প্ৰৱাহিত হৈ থাকক প্ৰতিজন ব্যক্তিৰ হৃদয়ত...।

উপাসনা দেৱী

উপাসনা দেৱী

সম্পাদক

# মহাবিদ্যালয়ৰ গীত

কথা - প্ৰদীপ কুমাৰ দাস
সুৰ - ৰাজেন গোহাঁই

আজি এই শুভক্ষণত
আজি এই ৰূপোৱালী দিনৰ
বন্দিত তোমাৰ নাম
জনাই তোমাক প্ৰণাম।।
আজি এই................

উদুলি-মুদুলি তোমাৰ পদূলি
চৌদিশে উজ্বলিছে জ্ঞানৰ বন্তি
সুবাসিত ৰঞ্জিত ধৰণি
বন্দিত তোমাৰ নাম
জনাওঁ তোমাক প্ৰণাম।।

সময়ৰ ছন্দে ছন্দে
আমি গাওঁ জীৱনৰ গান
লভিছোঁ আশিস তোমাৰ
সাধিবলে মানুহৰ কল্যাণ
সেয়েহে আজি বন্দিত নাম
জনাওঁ তোমাক প্ৰণাম।।

পূৰ্ণতাৰ পথেৰে গতি কৰিবলৈ
দুহাত মেলি দিওঁ সঁহাৰি
যুগে যুগে সুন্দৰ সাধনাৰে
মহীয়ান হোৱা সবাৰে
সেয়েহে আজি বন্দিত নাম
জনাওঁ তোমাক প্ৰণাম।।❑

## সূচী পত্ৰ


**প্ৰবন্ধ সম্ভাৰ-**

**শিক্ষকৰ সপোন**
ড° ৰণদ্বীপ বড়া/১৭

**শিশুৰ সামাজিক আৰু ব্যক্তিত্বৰ বিকাশত পৰিয়াল আৰু বিদ্যালয়**
সুৰজিত বৰা/২২

**অসম আৰু অসমীয়া ঃ নৱপ্ৰজন্মৰ ৰুচি আৰু দৃষ্টিভংগী**
পঞ্চানন হাজৰিকা/২৫

**মাতৃভাষাৰ প্ৰকৃত ব্যৱহাৰ আৰু প্ৰয়োগত নাৰী সমাজৰ ভূমিকা**
বিনীতা চৌধুৰী গাৰোডিয়া/২৯

**ভাষা ঃ শিশুৰ বৌদ্ধিক বিকাশৰ অবিচ্ছেদ্য অংগ**
ববী দত্ত নেওগ/৩৫

**Empowerment of Women in Modern Society**
Dr. Krishna Bor Gohain/৩৯

**প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে কেনেকৈ প্ৰস্তুতি চলাব পাৰি ?**
ড° বুলজিৎ বুঢ়াগোহাঁই/৪৫

**ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০ আৰু উচ্চ শিক্ষাৰ বাবে সাৰ্থক পথ-প্ৰদৰ্শক আৰু নেতৃত্ববহনকাৰী শিক্ষকঃ এটি চমু আলোচনা**
ড° ৰুবা বুঢ়াগোহাঁই/৪৮

**শঙ্কৰদেৱৰ ৰচনাত প্ৰকৃতি বন্দনা**
ড° অন্নজ্যোতি গগৈ/৫৪

**বৰগীতৰ সাঙ্গীতিক বৈশিষ্ট্য**
ড° প্ৰশান্ত কুমাৰ খাউণ্ড/৬০

**অৰুপা পটংগীয়া কলিতাৰ উপন্যাসত মানসিক বিকাৰগ্ৰস্ত চৰিত্ৰ ('অয়নান্ত', মৃগনাভি' আৰু 'কুকুহাৰ' এক পৰ্যালোচনা)**
আকাশবন্তি গগৈ/৬৩

**টেমছুলা আও ঃ এক অসাধাৰণ নাৰী**
ড° চিত্ৰলেখা ফুকন/৬৮

**নৱ প্ৰজন্মৰ নৈতিক উত্তৰণত আধ্যাত্মিক শিক্ষা**
পৰাগজ্যোতি শইকীয়া/৭৪

**শিশুৰ ম'বাইল আসক্তি আৰু আমিবোৰ**
পাৰিজাত শইকীয়া/৭৯

**সমাজৰ দৃষ্টিত নাৰীৰ স্থান**
মনময়ুৰী বৰা/৮১

**শ্ৰীমদ্ভাগৱত গীতাত 'স্থিতপ্ৰজ্ঞ'ৰ ধাৰণা ঃ মানৱ জীৱন**
ৰিম্‌জিম্ বুঢ়াগোহাঁই/৮৩

**বিশ্বশিল্পী ড° ভূপেন হাজৰিকা সৃষ্টি আৰু কৰ্মৰাজি**
অঞ্জলি গগৈ/৮৫

**সাম্প্ৰতিক সময়ত বিজ্ঞান শিক্ষাৰ প্ৰয়োজনীয়তা**
পৰিস্মিতা দুৱৰা/৮৮

**বৰ্তমান সময়ত কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰভাৱ**
দ্বীপৰাণী চাংমাই/৯০

**SPORTS AS A CAREER**
Kaveri Gogoi/৯২

**'मैडम गीता रानी '-शिक्षा में बनी अनुप्रेरणा**
स्वर्णाली कौवर/৯৩

**CHANGES THAT WILL CHANGE INDIA**
Bithika Borgohain/৯৫

**মিচিং জনগোষ্ঠীসকলৰ কৃষিভিত্তিক উৎসৱ আলি-আয়ে-লৃগাঙৰ চমু আভাসঃ**
বিৰাচন মিলি/৯৬
**মিচিং জনগোষ্ঠীসকলৰ পৰম্পৰা উৎসৱ পঃৰাগ**
প্ৰণিতা পেগু/১০১
**অযোধ্যাৰ ৰাম মন্দিৰ**
দৃষ্টিৰাণী গগৈ/১০৪
**Effects of Stress among adolescents**
Meghna Boruah/১০৬

## গল্প গুচ্ছ-

**যুব মহোৎসৱ! যুব মহোৎসৱ!!**
ড° অনিল শইকীয়া/১০৮
**সেই ভালপোৱা এই ভালপোৱা**
কুঁকি কল্পিতা বৰা/১২৬
**প্ৰয়োজন**
তুষাৰাণী হাজৰিকা/১৩১
**উপলব্ধি**
ৰূপালী পেগু/১৩৫
**বান্ধোন**
ৰিমঝিম ডেকা/১৩৭

## অণুগল্প-

**মৰম**
দেৱব্ৰত চুতীয়া/১৩৯
**জীৱিকা**
তন্ময় হাজৰিকা/১৩৯
**'সুৰাত মগন'**
চন্দন দত্ত/১৪০

## কবিতাৰ কুঁকি-

**পঁইতা ভাত**
নিবেদিতা বড়া সন্দিকৈ/১৪১
**সময়ৰ দুঃখ**
মৌচুমী চুতীয়া দাস/১৪৪
**অনুভৱ**
মাধৱী দিহিঙ্গীয়া/১৪৫
**শেৱালি ফুলৰ দৰে**
গাৰ্ডিনা বুঢ়াগোহাঁই/১৪৬
**সমীকৰণ**
স্মৃতি চিৰিং ফুকন/১৪৬
**অনুভৱ**
শতৰূপা বৰা/১৪৭
**অশান্ত**
দুলুৰাণী বৰগোহাঁই/১৪৮
**ৰঙৰ সুবাস**
পূৰ্বাশ্ৰী সন্দিকৈ/১৪৮
**আঘোণ**
কৰিশ্মা বৰুৱা/১৪৯
**সপোন**
পৰিস্মৃতা বৰা/১৪৯
**ফাগুন**
মধুস্মিতা দলে/১৫০
**Dear Life**
Karishma Baruah/১৫০
**ভ্ৰমবিলাস**
বৰ্ণালী চাংমাই/১৫১
**লিমাৰিক**
এন্থনি বড়া/১৫২

## অনুভৱৰ স্বৰ-

**ধেমাজিৰ জীয়াবান, ল'ৰালিৰ জীয়াছবি**
কল্যাণী চাংমাই/১৫৩

## গ্ৰন্থ সমালোচনা-

**'বকুল ফুলৰ দৰে'ঃ এক চমু অৱলোকন**
অনিন্দিতা গগৈ/১৫৪

## ভ্ৰমণ কাহিনী-

**শ্বিলঙত এভুমুকি**
পূবালীমা বড়া/১৫৭

## নাটক-

**অন্যৰ প্ৰতি ব্যৱহাৰ**
গীতাশ্ৰী চুতীয়া/১৫৯

## ভিন্ন লেখ-

**"সকলো শক্তি তোমাৰ ভিতৰতে আছে, তুমি যিকোনো কাম আৰু সকলো কৰিব পাৰা"**
সুৰেন্দ্ৰ বৰুৱা/১৬৩
**হাঁহো আহক**
হৰিপ্ৰসাদ গগৈ/১৬৫

## চিত্ৰ শিল্প-

ডায়মণ্ড সোনোৱাল
পবিত্ৰ দিহিঙীয়া
লাকী সোনোৱাল
ত্ৰিবেণী ৰাইদঙ্গীয়া
দুলুৰাণী বৰগোহাঁই

# শিক্ষকৰ সপোন

ড° ৰণদ্বীপ বড়া
সহঃ অধ্যাপক
এল.টি.কে. কলেজ, লক্ষীমপুৰ

শিক্ষকৰ সপোন! বহুতৰ বাবে কথাটো আচহুৱা ধৰণৰ লাগিব পাৰে। শিক্ষক হোৱাই বা শিক্ষক হোৱাটো জীৱনৰ লক্ষ্য বুলি কোৱা হ'লেও বেলেগ কথা। চৰকাৰী চাকৰি এটা লাভ কৰাৰ পিছত ঘৰ-বাৰী, গাড়ী আদি সপোন পূৰ কৰাৰ অভিলাস জাগ্ৰত হ'ব পাৰে। কিন্তু শিক্ষকৰ আৰু কি সপোন থাকিব পাৰে!

মই গভীৰ আস্থাৰে বিশ্বাস কৰোঁ— লক্ষ্য(স্থান)সমূহ তেনেই চুটি। এক অৰ্থত ক্ষণস্থায়ী। মানুহৰ জীৱনত সময়ে সময়ে অনেক লক্ষ্যস্থান থাকে। মোৰ মনৰ কথাটো এনেধৰণৰ যে আপুনি বা মই ঘৰৰপৰা বিদ্যালয়-মহাবিদ্যালয়লৈ আহিলোঁ। এয়া এক লক্ষ্যস্থান। শিক্ষানুষ্ঠানতহে অথবা বিদ্যালয়, মহাবিদ্যালয়তহে আপোনাৰ বা মোৰ জ্ঞানৰ ভেটি নিৰ্মাণ হয়, চিন্তাৰ আখৰা-অনুশীলন হয়। ঘৰত সকলোৰে শিকে, সেই শিকাৰ কথা সুকীয়া। বিদ্যালয়-মহাবিদ্যালয়-বিশ্ববিদ্যালয়তহে আচলতে জ্ঞানৰ প্ৰসাৰ হয়, বিস্তৃতি লাভ কৰে। সপোনে বটবৃক্ষ ৰূপ ল'বলৈ পূৰ্ণ হাবিয়াস কৰে। সেয়ে লক্ষ্যস্থান বুলি কোৱাতকৈ মই ক'বলৈ ভালপাওঁ ভিজন। মহাবিদ্যালয়ৰ শিক্ষক হোৱালৈকে মোৰ লক্ষ্য আছিল। এতিয়াহে মোৰ প্ৰকৃত সপোনে মোক উদ্যমেৰে কাম কৰিবলৈ হেঁপাহ জাগ্ৰত কৰিছে। এই সপোনে মোক শুবলৈ নিদিয়ে। কথাষাৰ এনেদৰেও ক'ব পাৰি মানুহৰ লক্ষ্য তেনেই চুটি। সঠিক ভিজন আৰু সপোনৰ জৰিয়তেহে জীৱনৰ আচল ঈপ্সিত স্থানত উপনীত হ'ব পাৰি। ভিজনত সৰু সৰু লক্ষ্যবোৰ নিহিত থাকে। নৈবোৰ সাগৰত লীন যোৱাৰ দৰে। এককথাত লক্ষ্য য'ত শেষ, ভিজন তাৰপৰা আৰম্ভ হয়।

বহুতে ভবাৰ দৰে শিক্ষকতা মানে একেবোৰ কথাকে পুনৰাবৃত্তি কৰা মানুহ নেকি? কিছুসংখ্যকে তেনেকৈয়ে ভাবে। সেয়া আচৰিতধৰণে শিক্ষকসকলৰ বহুতে নিজেও তেনেদৰে ভাবে। গতিকে পাঠটোৰ কথাবোৰকে বেলেগ বেলেগ শৈলীত পুনৰাবৃত্তি কৰে।

তেনেস্থলত সাধাৰণ ৰাইজে ভবাটো মুঠেও অস্বাভাৱিক নহয়। তাতে নিৰ্দিষ্ট পাঠ্যক্ৰম আগবঢ়ায়েই যেতিয়া শিক্ষকৰনো আৰু কি পৰিশ্ৰম কৰিব লগা থাকে। সময়ত যাব, নিজৰ ভাগত পৰা পাঠৰ 'মুলভাৱ' আগবঢ়াব আৰু আজৰি। সঁচাকৈয়ে এনেদৰেই চলি আছে আমাৰ তথাকথিত শিক্ষা ব্যৱস্থা। কোনেও এই ব্যৱস্থাক লৈ সাংঘাতিক সৰৱ হোৱা পৰিলক্ষিত নহয়। আজিকালি এনেও প্ৰচাৰ নোপোৱা কথাত মাত নমতা স্বভাৱ এটা গঢ় লৈ উঠিছেই। সেয়ে শিক্ষাৰ নিচিনা কথাতটো ইমান বিশেষ একো গ্লেমাৰ নাই বুলিয়ে ভাবে। অথচ বিদ্বান ব্যক্তি আৰু জ্ঞানীজনে বিদ্যাই সমাজৰ মূল বুলি ভাবিছিল। সেয়ে সেই তাহানিৰেপৰা শিক্ষাৰ যোগেদি জ্ঞানৰ সমৃদ্ধি কৰা আৰু চিন্তাক যথোচিত কাৰ্যলৈ ৰূপান্তৰ কৰা দৃষ্টিগোচৰ হয়। আজি শিক্ষা— জ্ঞান আৰু প্ৰায়োগিক কথা বহুত পৃথক। পানী আৰু তেলৰ নিচিনা। অথচ শিক্ষা জীৱনৰ আধাৰ হ'ব লাগিছিল। চাউল, পানী ভাত হ'বলৈ জুই মুল আধাৰ হোৱাৰ দৰে। আজিকালি শিক্ষিত মানে কোনো কাৰ্যক্ষেত্ৰৰ একোগৰাকী কৰ্মদক্ষ ব্যক্তি নহয়। মানপ্ৰাপ্ত, উপযুক্ত ডিগ্ৰীধাৰী। তাৰমানে ই এটা আসোঁৱাহ আৰু চিন্তনীয় বিষয় নহয়নে?

শিক্ষা বুলিলে বা শিক্ষা সম্পূৰ্ণ সম্পন্ন হ'বলৈ যে কেৱল ছাত্ৰ-ছাত্ৰীৰ সম্পৰ্কক‍ে বুজা অভিভাৱকসকল, তেওঁলোকৰ বহুতেই নাভাবে এই শিক্ষা নামৰ ত্ৰিভুজটোৰ তেওঁলোকো সমানেই অংশীদাৰ। এটা বাহু ঢিলা হোৱা মানে ত্ৰিভুজটোও দুৰ্বল হৈ পৰা। অন্যহাতে ছাত্ৰ-ছাত্ৰী ভাল হ'লে শিক্ষকৰ সদনাম আহে আৰু বেয়া হ'লে শিক্ষকৰ দুৰ্নাম চৌপাশে বিয়পি পৰে। ছাত্ৰ-ছাত্ৰীক কি শিক্ষা দিছে, ইমান বেয়া আজিৰ ছাত্ৰ সমাজ। সেয়ে শিক্ষকতাৰ জৰিয়তে মই মোৰ অনুজ অথবা পিছৰ প্ৰজন্মৰ দায়িত্ব ল'ব খুজিছোঁ। এই দায়িত্ব কোনো গুণেই কম নহয়। ই সময়ৰ দলিল। মোৰ অলপ অৱহেলাই কিমানৰ জীৱন শেষ কৰিব পাৰে সেয়া ভালকৈ অনুধাৱন কৰিলেহে বুজিব পৰা যায়। নিজৰ সন্তানক ভাল বিদ্যালয়-মহাবিদ্যালয়ত পঢ়াই ভাল মানুহ কৰাৰ সপোন দেখা বহুত শিক্ষকেই নিজৰ শিক্ষানুষ্ঠানত পাল মৰা দৃষ্টিকটুভাৱে পৰিস্ফুট হয়। মই যদি মোৰ শিক্ষকতা জীৱনত কাৰোবাক আত্মবিশ্বাস জাগ্ৰত কৰিব নোৱাৰোঁ, আত্মপ্ৰত্যয় জন্মাব নোৱাৰোঁ, শিক্ষাৰ প্ৰতি আকৰ্ষিত কৰিব নোৱাৰোঁ, শিক্ষাৰ মূল উপলব্ধি কৰাব নোৱাৰোঁ, কাকোৱেই যদি কৰ্মময় জীৱনৰ সুন্দৰতা অনুধাৱন কৰাব নোৱাৰোঁ, জীৱনত সমাজৰ প্ৰতি থকা দায়বদ্ধতা উপলব্ধি কৰাব নোৱাৰোঁ, জীৱনত আনৰ প্ৰতি কেনেদৰে কৃতজ্ঞ হ'ব লাগে সেইকথা শিকাব নোৱাৰোঁ, তেনে মোৰো জীৱনৰ অসফলতা, বিফলতা, দুৰ্বলতাৰ বোজা কঢ়িয়াই ফুৰিব লাগিব। লোকচক্ষুৰ ওচৰত চিৰদিনলৈ অকৃতজ্ঞতাৰ বোজা বহন কৰি থাকিব লাগিব তথা সময়ৰ সোঁতত ময়ো এগৰাকী অনুপযুক্ত, প্ৰচেষ্টাহীন, অনুৰ্বৰ শিক্ষক হিচাপে দিন অতিবাহিত কৰাৰ লগতে কাৰোৱেই মানসপটত ঠাই ল'ব নোৱৰা, কোনো এগৰাকী ছাত্ৰ-ছাত্ৰীৰ মনত ৰেখাপাত কৰিব

নোৱৰা, সহজেই পাহৰি পেলাব পৰা শিক্ষকৰ আসন অলংকৃত কৰিব লাগিব।

ছাত্ৰ-ছাত্ৰীৰ প্ৰতি শিক্ষকৰ সময় কিমান, আন্তৰিকতা-সদিচ্ছা কিমান, শ্ৰেণীকোঠাৰ পিছত ছাত্ৰ-ছাত্ৰীসকলৰ কথাই শিক্ষকৰ মন ক্ষণিকৰ বাবে হ'লেও দোলায়িত কৰেনে তাতেই শিক্ষকৰ ব্যক্তিত্ব প্ৰতিবিম্বিত হয়। এই খিনিতে প্ৰণিধানযোগ্য যে শিক্ষকসকলে আশা আৰু কামনা কৰে ছাত্ৰ-ছাত্ৰীসকলে শিক্ষকক সন্মান কৰা উচিত। হয়, সেয়া সঁচা। কৰা উচিত আৰু সেয়া শ্ৰদ্ধাৰ লগতে কৃতজ্ঞতাবোধো।

মন কৰিবলগীয়া কথাটো হ'ল শিক্ষকসকলৰ সৰহ সংখ্যকেই নাভাবে যে ছাত্ৰ-ছাত্ৰীসকলে শিক্ষকক যিমান সন্মান প্ৰদান কৰে, সিমান সন্মানৰ গৰাকী ছাত্ৰ-ছাত্ৰীসকলো। তেওঁলোকেও শিক্ষকৰ পৰা সম-সন্মানেই পোৱা উচিত। কাৰণ ছাত্ৰ-ছাত্ৰীসকলৰ অবিহনে শিক্ষকৰ অস্তিত্বই বা ক'ত? তেওঁলোকৰ প্ৰতি সন্মানে শিক্ষকৰ মান নিম্ন নকৰে, ততোধিক উচ্চহে কৰে। এনে সন্মান আৰু সস্নেহত ছাত্ৰ-ছাত্ৰীসকলে নিজৰ মূল্য আৰু গুৰুত্ব অনুধাৱন কৰে। কাৰণ বিদ্যায়তনিক দিশত ছাত্ৰসমাজ আৰু শিক্ষক সমাজ এটা মুদ্ৰাৰ ইপিঠি-সিপিঠি সদৃশ।

জীৱনে মোক এনে হ'বলৈ শিকোৱা নাই। মোৰ অনুজৰ প্ৰতি এনে অৱহেলা কৰিবলৈ মোক বিবেকে কেতিয়াও অনুমতি নিদিয়ে। সেয়ে সকলোৰে ওচৰত মোৰ এয়া স্পষ্টীকৰণ— আমাক চকু দিয়ক, কি কৰিছোঁ চাওক। ইমান বেতন দিয়ে বুলি আক্ষেপ নকৰিব, কাম কৰাতো সহযোগ কৰক। আমাৰ পৰিৱেশ আমিয়েই সজাব লাগিব। মই মোৰ জীৱন শিক্ষাৰ নামত উৎসৰ্গা কৰিবলৈ বদ্ধপৰিকৰ। সেয়া আজিৰ কথা মুঠেই নহয়। আনুষ্ঠানিক উচ্চ শিক্ষা শেষ কৰাৰ পৰা প্ৰায় এটা দশকজুৰি মোৰ নিৰন্তৰ সাধনা এয়া। নিজৰ মনৰ সীমাবদ্ধতা অতিক্ৰম কৰিবলৈ অহৰহ প্ৰয়াস কৰিছোঁ। কথাবোৰ অন্তৰতম কোণৰ পৰা বুজিবলৈ, ভাবিবলৈ শিকিছোঁ। দেখিছোঁ— শিক্ষা দূৰৰ নহয়, একদম ওচৰৰ বিষয়, স্পৰ্শকাতৰ বিষয়। ইয়াক পাবলৈ কেৱল মেধাৰেই নহয়, মননশীল সাধনাও লাগিব। মনৰ উত্তেজনা, অৱসাদ, হতাশাত শিক্ষা নাথাকে। মনৰ পোহৰত, মনৰ উদ্যম, মনৰ ইচ্ছা-হাবিয়াস, নিৰৱচ্ছিন্ন প্ৰচেষ্টাতহে শিক্ষা থাকে। মনক সবল কৰি ৰখা, সক্ষম কৰি ৰখা এই কামটোৱেই সাম্প্ৰতিক সময়ত বৃহৎ প্ৰত্যাহ্বান। আমি মনৰ সবলতা বৃদ্ধিৰ বাবেই আজি এটা দশক ধৰি লৰৰি ফুৰিছোঁ। (পৰৱৰ্তী সময়ত কেনেকৈ পঢ়াইছোঁ, কি পঢ়াইছোঁ, ফলাফল কি পাইছোঁ লিখিবলৈ প্ৰয়াস কৰিম) বিধ্বস্ত মনবোৰ পুনৰুজ্জীৱিত কৰিবৰ বাবেই অতবোৰ আয়োজন কৰিছোঁ।

শিক্ষক হোৱা মানে এগছি বন্তি জ্বলোৱাৰ দৰে। যিয়ে চৌদিশ আলোকিত কৰে। যদি চাকি গছি ভাল নহয়, ফুটা থাকে, তেনে তেল পৰি অকালতে চাকি গছি নুমাব অথবা শলিতাডালি ভাল নহ'লে নিমিষতে নুমাব। সকলো ঠিকে ঠিকে জ্বলালেহে নিৰ্দিষ্ট সময়লৈকে চাকিগছিয়ে পোহৰ দিব।

শিক্ষক এজনৰ প্ৰতিচ্ছবি ৰোমন্থনে একোগৰাকী ছাত্ৰ-ছাত্ৰীৰ মন প্ৰশান্তিৰে ভৰাই তুলিব পাৰিব লাগিব। শিক্ষকৰ একোষাৰ কথাত একোগৰাকী ছাত্ৰ-ছাত্ৰীৰ বুকু ভৰাই তুলিব লাগিব, শাঁত পৰিব লাগিব। শিক্ষক একোগৰাকীৰ দুচকুৰ দীপ্ততাত অমল প্ৰেৰণা বৰষিব লাগে। শিক্ষক এজনৰ শৰীৰভংগীত আত্মবিশ্বাস প্ৰতিফলিত হ'ব লাগে।

শিক্ষক হ'বলৈ পোৱাটো কম সৌভাগ্যৰ কথা নহয়। শিক্ষকে বিজ্ঞানী, ডাক্তৰ, ইঞ্জিনীয়াৰ ইত্যাদি সব গঢ়ে। শিক্ষাৰ পোহৰ বিলায়। এয়া কম কথানে! তেনে ইমান মহান, অপৰিসীম দায়িত্বক আমি বহুতেই উপলব্ধি নকৰোঁ কিয়?

শিক্ষিত হৈ আমি কামক অৱহেলা কৰিবলৈ শিকোঁ। আচলতে কামক মৰ্যাদা দিবলৈহে শিকিব লাগে। কোনো কোনো কামক নিজৰ আয়ত্তলৈ আনিবলৈ প্ৰয়াসহে কৰিব লাগে। সকলোৰে কামক মৰ্যাদা দি কাম কৰিলেহে সকলোৰে উন্নতি হ'ব। শিক্ষকে শিক্ষকতাৰ বাবেই নতুন নতুন কৌশল শিকি কামেৰে অনুপ্ৰাণিত কৰিবলৈ প্ৰয়াস কৰিব লাগে। কাৰণ উপদেশতকৈ আৰ্হি ভাল। মানুহে কথাতকৈ কাম কৰি দেখুৱালেহে সহজতে যিকোনো লোক আকৰ্ষিত হয়।

যি শিক্ষকৰ নিজা একোটা 'ভিজন' নাই, তেওঁলোক মাথোন পাঠ্যক্ৰম পঢ়োৱা যন্ত্ৰ এটা মাথোন। শিক্ষক যদি এজোপা বৰগছ, তেনে বৰগছ এজোপাই নিজৰ বংশৰ নিচান তাৰ পুলি-পোখাৰে নিৰ্ণয় কৰে। ঠিক সেইদৰে শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ সফলতা, মানসম্পন্ন জীৱন প্ৰদানেৰে আত্মসক্ষমতা নিৰ্ণয় কৰে। শিক্ষকে নিজৰ জ্ঞান সাধনাৰে ছাত্ৰ-ছাত্ৰীৰ জীৱন প্ৰকৃতাৰ্থত আলোকিত কৰিব নোৱাৰিলে, শিক্ষকতাৰ জীৱন বৃথা। আনক শিকাবৰ কাৰণে নিজে কিমান বেছি শিকাৰ প্ৰয়োজন সেইকথা বেছিভাগ শিক্ষকে অনুধাৱন নকৰে। নিজৰ শৈক্ষিক সীমা পাৰ কৰি চাকৰিত মকৰল হোৱাৰ দিনৰপৰাই বেছিভাগ শিক্ষকে কিতাপৰ বাকচত শলা মাৰে। যিটো সমাজৰ বাবে, ছাত্ৰ-ছাত্ৰীৰ বাবেও ভয়ংকৰ কথা। বহুতে এনেকৈ গৰ্বৰে বুকু ফিন্দাই কোৱাও শুনো— মই পয়ত্ৰিশ বছৰ চাকৰি কৰিলোঁ, অমুক বছৰ কৰিলোঁ। কিন্তু তেওঁ কৰা কৰ্মস্থানত নতুন কি সংযোজন কৰিলে বুলি প্ৰশ্ন কৰিলে বা আন্তৰিকতাৰে সুধিলে ক'ব নোৱাৰে তেওঁ কি অৱদান আগবঢ়ালে। এয়াই আমাৰ কৰ্মৰ নমুনা। কৰ্মস্থানলৈ কোনোমতে অহা-যোৱা কৰাটোক নিশ্চয় সেৱা নুবুলিম।

একো নতুন কথা নপঢ়াকৈ বা চিন্তা নকৰাকৈ ৰাইজৰ ঘামৰ মূল্যৰে মোটা অংকৰ দৰমহা ল'লেই ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক জীৱন সুৰক্ষিত নহয়। এনে হ'লে মানসিকভাৱে দংশন হোৱা উচিত। ছাত্ৰ-ছাত্ৰীৰ সঁচাকৈয়ে কামত অহাকৈ, মানসিক উত্তৰণ হোৱাকৈ পঢ়োৱাটো একোগৰাকী শিক্ষকৰ নৈতিক দায়িত্ব। কালিলৈ সমাজৰ অত্যধিক উচ্ছৃংখলতাৰ বাবে শিক্ষকো কম জগৰীয়া নহ'ব।

বাহ্যিক দৃষ্টিত এঘণ্টাৰ ক্লাছটো কেৱল

এঘণ্টা। কিন্তু ভালকৈ গমি চালে দেখা যায় সেয়া মাথোন এঘণ্টা নহয়। ১০০ জন বা ২০০ জনৰ জীৱনৰ সেয়া সমূহীয়া এঘণ্টা। আজি ১০০/২০০ জন ছাত্ৰ-ছাত্ৰী উপস্থিত থকা এঘণ্টাৰ ক্লাছটো কালিলৈ ১০০/২০০ ঘণ্টা হ'বগৈ। আজি যদি ভাল কৰোঁ কালিলৈ ভাল হ'ব আৰু যদি বেয়া কৰোঁ কালিলৈ তাৰ পৰিণাম সকলোৱে ভুগিব লাগিব। আজিৰ আলোচনা, চিন্তা কালিলৈ কামত দিব লাগিব। কাৰণ সেয়া প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ জীৱনৰ বাবে বহুমূলীয়া এঘণ্টা। আজিৰ চিন্তাই কালিলৈ ভৱিষ্যৎ গঢ়িব।

মই গভীৰ আত্মপ্ৰত্যয়েৰে বিশ্বাস কৰোঁ যে এটুকুৰা কেঁচা লোহাক তাপ দি দি তাৰ ৰূপান্তৰ কৰিব পাৰি। সেয়া আমি সকলোৱে জ্ঞাত। সেইদৰে এটুকুৰা বাঁহৰ বুকুতো যেতিয়া দহন কৰা হয় তেতিয়া সেই বাঁহত পৃথিৱীৰ সুৰীয়া সুৰ তুলিব পৰা যায়। তেনেদৰে মানুহৰ জীৱনকো প্ৰণালীবদ্ধভাৱে আৰু সঠিক কৌশল প্ৰয়োগেৰে সৌন্দৰ্যময় আৰু মৰ্যাদাপূৰ্ণ কৰি তুলিব পাৰি। তাৰবাবে মাথোন লাগে শিকাওঁতাৰ আন্তৰিক সদিচ্ছা। যেনেদৰে কমাৰজনে সঠিককৈ যিকোনো সঁজুলিবোৰত সাঁচ দিয়ে, শিকাওঁতাজনেও শিকাওঁতে সজাগ আৰু মননশীল হ'ব লাগিব।

শিক্ষা প্ৰদান কৰা আৰু শিক্ষাৰ মূল্য উপলব্ধি কৰোৱাত শিক্ষকৰ অনেক ভূমিকা আছে। তাৰ বাবে শিক্ষকে প্ৰচুৰ মানসিক কছৰৎ কৰি বাতানুকূল পৰিৱেশ ৰচনা কৰি শিক্ষাৰ্থীৰ মনোযোগ আকৰ্ষণ কৰিবলৈ নিৰন্তৰ প্ৰয়াস অব্যাহত ৰাখিব লাগিব।

মাল্টিনেশ্চনেল কোম্পানীবোৰে যেনেকৈ তেওঁলোকে উৎপাদন কৰা সামগ্ৰীবোৰৰ প্ৰতি সহজতেই মানুহৰ দৃষ্টি আকৰ্ষণ কৰোৱায়, ঠিক তেনেদৰে ছাত্ৰ-ছাত্ৰীক শিক্ষাৰ প্ৰতি কেনেকৈ আকৰ্ষিত কৰিব লাগিব সেই কৌশলবোৰ উদ্ভাৱন কৰিব লাগিব। এয়া অসম্ভৱ নহয়। মাথোন লাগে শিক্ষকগৰাকীৰ আন্তৰিকতা আৰু সদিচ্ছা।

পৃথিৱীত এনেকুৱা একো নাই যি মৰম-দৰদ নুবুজে, যি ভালপোৱা নুবুজে, বদান্যতা নুবুজে। তাক মাত্ৰ যথাৰ্থত অনুশীলন কৰোৱাৰ দৰকাৰ। সেয়া তেনেই সৰু সৰু পদক্ষেপেৰেই আৰম্ভ কৰিলেই হ'ব। সৰু সৰু কথাই এদিন ডাঙৰ হয়, সৰু সৰু অনুশীলনে বৃহৎ সফলতা আনে। পদক্ষেপ, প্ৰয়াস প্ৰথম, কাৰ্যৰ সফলতা এদিন অৱশ্যম্ভাৱী।

আচলতে সকলো কৰ্মক্ষেত্ৰতে যিদৰে সদনাম আৰু বদনাম দুয়োটাই থাকে সেইদৰে শিক্ষকৰো সুনাম আৰু দুৰ্নাম থাকে। এয়া মেধা বা বুদ্ধিহীনতাৰ কথা নহয়। কৰ্মৰ প্ৰতি থকা সদিচ্ছাৰ অভাৱ। কৰিব লাগে বাবেহে কোনোমতে কৰাৰ বাবে। আন্তৰিকতা, শ্ৰদ্ধা নাথাকিলে কোনো কামতে মানুহে সন্তুষ্টিও নাপায়, সফলতাও নাপায়। ভালকৈ কৰিলে সদনামো আহিব, বদনামো আঁতৰিব। ❑

প্ৰবন্ধ সম্ভাৰ

# শিশুৰ সামাজিক আৰু ব্যক্তিত্বৰ বিকাশত পৰিয়াল আৰু বিদ্যালয়

সুৰজিত বৰা, সহকাৰী শিক্ষক
ঢকুৱাখনা উচ্চতৰ মাধ্যমিক বিদ্যালয়

সামাজিক প্ৰাণী হিচাপে মানুহে নিজকে ব্যক্তিসকলৰ লগত বা সমাজৰ লগত সমাযোজন কৰিব বিচাৰে। শিশুৰ প্ৰথম পৰ্যায়ত দুটা আচৰণ পৰিলক্ষিত হয়। যেনে— দৈহিক প্ৰয়োজন ভিত্তিক আৰু প্ৰবৃত্তি পৰিচালিত বিধৰ। বাল্যকালৰ প্ৰথম পৰ্যায়ত বা আগতীয়া বাল্যকালত শিশুৰ সামাজিক বিকাশ আৰম্ভ হয়। সামাজিকীকৰণ প্ৰক্ৰিয়াৰ মাজেৰে শিশুৱে সমাজৰ ৰীতি-নীতি, আইন-কানুন, নিয়ম-শৃংখলা আৰু সামাজিক মানদণ্ড বুজি সমাজৰ আন আন সদস্যৰ লগত পাৰস্পৰিক সম্বন্ধ গঠন কৰে।

সামাজিকীকৰণ প্ৰক্ৰিয়া ব্যক্তিৰ বাবে অতি প্ৰয়োজনীয়। সামাজিকীকৰণৰ যোগেদি ব্যক্তিয়ে পৰস্পৰৰ মাজত ভাৱৰ আদান-প্ৰদান কৰি ইজনে সিজনক জানিবলৈ বা বুজিবলৈ যত্ন কৰে। সামাজিকীকৰণৰ যোগেদি শিশুৱে ব্যক্তিকেন্দ্ৰিক মনোভাৱৰ অৱসান ঘটাই সমাজকেন্দ্ৰিক ভাবৰ বিকাশ সাধন কৰিব পাৰে।

প্ৰাক্-বাল্যকালৰ সামাজিক বিকাশক প্ৰাপ্তবয়স্ক কালৰ বিকাশৰ লগত তুলনা কৰিব নোৱাৰি। (সাধাৰণতে বাল্যকালৰ প্ৰথম পৰ্যায় অৰ্থাৎ আগতীয়া বাল্যকাল ৬ বছৰৰ পৰা ৮/৯ বছৰ বয়সলৈকে ব্যাপি থাকে। বাল্যকালক 'স্কুলীয়া বয়স' বুলিও কোৱা হয় বাবে আগতীয়া বাল্যকালৰ স্তৰটোক নিম্ন প্ৰাথমিক স্তৰ **(Lower Primary stage)** বুলি কোৱা হয়।) এই কালছোৱাত শিশুৰ সামাজিক বিকাশৰ বৈশিষ্ট্য সুকীয়া। শিশুৰ বৃদ্ধি, বিকাশেও সামাজিকীকৰণত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। গৃহ পৰিৱেশ, সামাজিক পৰিৱেশো এটা সামাজিকীকৰণৰ গুৰুত্বপূৰ্ণ উপাদান। তিনিটা বিশেষ দিশে সামাজিকীকৰণত প্ৰভাৱ পেলায়। সেইবোৰ হ'ল — বংশগতীয় প্ৰভাৱ, ভৌতিক অৱস্থা আৰু সাংস্কৃতিক পৰিৱেশ।

ব্যক্তি আৰু সমাজ পাৰস্পৰিকভাৱে জড়িত। সমাজ অবিহনে ব্যক্তি তিষ্ঠি থাকিব নোৱাৰে আৰু ব্যক্তি অবিহনে সমাজ তিষ্ঠি থাকিব নোৱাৰে। মানুহে সমাজ পাতি ভাল পায়, নিজকে সামাজিক পৰিৱেশৰ দ্বাৰা প্ৰভাৱিত হৈ বিকাশ লাভত অৰিহণা যোগায়। শিশুৰ ব্যক্তিত্ব সমাজ এখনৰ ওপৰতো নিৰ্ভৰ কৰে। সামাজিকীকৰণৰ দ্বাৰা ব্যক্তিয়ে নিজৰ আচৰণৰ সংশোধনো কৰে। সমাজ এখনত সহযোগিতা আৰু

প্ৰতিযোগিতা উভয়ৰে প্ৰয়োজন আছে। পৰিয়াল বা সমাজ এখন পৰিচালনা কৰিবলৈ সহযোগিতাৰ প্ৰয়োজন হয়। মানুহৰ বিকাশৰ মূল আহিলা হ'ল প্ৰতিযোগিতা। মানুহে প্ৰতিযোগিতাৰ মনোভাৱেৰে নিজকে আগুৱাই লৈ যাব পাৰে।

শিশুৱে বিকাশৰ ক্ৰমাগত প্ৰক্ৰিয়াৰে আগবাঢ়ি কিছু পৰিপক্কতা লাভ কৰাৰ পিছত আনুষ্ঠানিক শিক্ষাৰ আৰম্ভ হয়। এনেধৰণৰ অনুষ্ঠানৰ মাজত শিশুৱে নিজৰ সমনীয়াসকলক লগ পায় আৰু সিহঁতৰ মনত সামাজিক চেতনায়ো নতুন গতি লাভ কৰে। এনেধৰণে শিশুৰ মনত সামাজিকীকৰণৰ ভাবে গঢ় লয়। সামাজিকীকৰণ লাহে লাহে সামাজিক সত্বালৈ ৰূপান্তৰিত হয়। শেহতীয়া বাল্যকাল বা ৮/১০ বছৰ বয়সত শিশুৰ মনত সামাজিক মনোভাৱ অতি দৃঢ় হয়। এনে সময়ৰ পৰা শিশুৰ মনত দলীয় প্ৰবৃত্তিয়ে পূৰ্ণ ৰূপ গ্ৰহণ কৰে। শিশুৱে দলীয়ভাৱে কাম কৰি আনন্দ লাভ কৰে আৰু বৃহৎ দল বান্ধি বিকাশশীল আৰু সৃষ্টিশীল কৰ্মত নিয়োজিত হয়। এনেধৰণৰ ভাৱধাৰাই শিশুৰ মনত সমাজপ্ৰীতিমূলক চেতনাৰ বিকাশ আৰম্ভ কৰাৰ লগতে ১০/১১ বছৰ বয়সত যৌথ বা দলবদ্ধভাৱে কাম কৰাৰ প্ৰৱণতাও শক্তিশালী হয়। শিশুসকলে দলবদ্ধ কাম, যেনে— খেলা-ধূলা, সাংস্কৃতিক অনুষ্ঠান, প্ৰদৰ্শনী, বিনোদনমূলক কাম-কাজত অংশগ্ৰহণ কৰি আনন্দ অনুভৱ কৰে। এনেধৰণৰ সামাজিক চেতনাবোধে শিশুৰ মনত সহযোগিতা, আত্মত্যাগ, দলীয় সন্মানবোধ ভাবৰ বিকাশ হয়।

শেহতীয়া বাল্যকালত শিশুৰ যৌন চেতনাৰ বিকাশ হৈ উঠে যদিও তেওঁলোকৰ যৌনতাৰ কোনো প্ৰকাশ নঘটে আৰু শিশুসকলে নিজৰ নিজৰ লিংগৰ মাজত বন্ধুত্ব স্থাপন কৰে। অৰ্থাৎ ল'ৰাই ল'ৰাৰ লগত আৰু ছোৱালীয়ে ছোৱালীৰ লগত বন্ধুত্ব স্থাপন কৰে। এই স্তৰত শিশুসকলৰ প্ৰাৰম্ভিক পৰ্যায়ত বিপৰীত লিংগৰ প্ৰতি কোনো আকৰ্ষণৰ মনোভাৱৰ বিকাশ নহয়। সামাজিক চেতনাৰ বিকাশত শিশুসকলৰ দেহ-মানসিক পৰিপক্কতাই প্ৰভাৱ বিস্তাৰ কৰে। সমাজৰ সদৰ্থক মনোভাৱৰ প্ৰভাৱ শিশুৰ সামাজিক চেতনাৰ বিকাশ সাধনত প্ৰেৰণা যোগায় আৰু পৰিপক্কতাৰ লগে-লগে সামাজিকভাৱে গ্ৰহণযোগ্য আচৰণৰহে বিকাশত গুৰুত্ব আৰোপ কৰে। শিশুৰ বুদ্ধিয়েও সামাজিক বিকাশত প্ৰভাৱ বিস্তাৰ কৰে। শিশুৰ বুদ্ধিগত যোগ্যতা বংশানুক্ৰমিক প্ৰভাৱৰ দ্বাৰা নিৰ্ধাৰিত হয়। বুদ্ধিয়ক পিতৃ-মাতৃ বা বংশৰ শিশুসকলে নিজৰ যোগ্যতাৰে অতি সহজে সকলো সামাজিক আচৰণ আৰু অভিজ্ঞতা আহৰণ কৰি ল'ব পাৰে। বুদ্ধিমানীসকলে সমাজখন নিজ যোগ্যতাৰে নতুন দিশলৈ আগবঢ়াই লৈ যোৱাত অৰিহণা যোগায়।

শিশুৰ ব্যক্তিত্ব বিকাশত পৰিয়ালৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ । পৰিয়ালত ল'ৰা-ছোৱালীৰ জন্মগত কিছুমান গুণৰাজিৰ বিকাশ সাধন হয়। পৰিয়ালেই শিশুৰ শিক্ষাৰ প্ৰথম কঠীয়াতলী। গৃহ পৰিৱেশত পিতৃ-মাতৃ আৰু পৰিয়ালৰ আন ব্যক্তিসকলৰ তত্বাৱধানত ল'ৰা-ছোৱালীৰ বৃদ্ধি আৰু বিকাশ প্ৰক্ৰিয়া পৰিচালনা কৰিবলৈ চেষ্টা কৰা হয়। গৃহ পৰিৱেশতেই শিশুৱে মৰম-চেনেহৰ মাজত পিতৃ-মাতৃ আৰু জ্যেষ্ঠজনৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ ক্ৰিয়া আচৰণ প্ৰদৰ্শন কৰে। বাল্যকালত শিশুৰ দৈহিক, মানসিক, সামাজিক, আৱেগিক, নৈতিক আদি দিশৰ প্ৰতি পৰিয়াল সচেতন হয়। শিশুৰ জীৱনত ইতিবাচক চিন্তাধাৰাৰ সৃষ্টি কৰি সৰ্বাত্মক বিকাশ প্ৰক্ৰিয়াক সফল কৰাৰ দায়িত্ব পৰিয়ালৰ কিয়নো ব্যক্তিত্ব বিকাশ বা গঠনৰ মূল

উপাদান হ'ল পৰিয়াল। পৰিয়ালৰ মাধ্যমেৰে শিশু ডাঙৰ-দীঘল হয়। পৰিয়ালৰ সদস্য বা জ্যেষ্ঠজনৰ আচৰণ, দৃষ্টিভঙ্গীৰ ওপৰত শিশুৰ চৰিত্ৰৰ প্ৰতিফলন ঘটে। পৰিয়ালৰ তত্ত্বাৱধানতেই শিশুৰ প্ৰথম সামাজিকীকৰণ সম্ভৱ হয়। শিশুৰ সৰ্বাঙ্গীণ বিকাশৰ বাবে পৰিয়ালৰ সহায়ৰ প্ৰয়োজন হয়। খেল-ধেমালিৰ যোগেদি শিশুৰ শাৰীৰিক বিকাশ হয়। শিশুৱে গৃহ পৰিৱেশতেই নৈতিক শিক্ষা, ধৰ্মীয় শিক্ষা, অনুশাসনৰ শিক্ষা, আদৰ্শবোধৰ শিক্ষা, অভ্যাস গঠনৰ শিক্ষাৰে শিক্ষিত হৈ ব্যক্তিত্বৰ বিকাশ সাধন কৰিবলৈ বিচাৰে। শিশুৰ মৌলিক প্ৰয়োজনসমূহ পৰিয়ালতেই পূৰ্ণ হয়। শিশুৱে নিজৰ দেহ-মানসিক প্ৰয়োজনসমূহ পূৰণৰ জৰিয়তে ল'ৰা-ছোৱালীক নতুন পৰিৱেশত সমাযোজন কৰাত সহায় কৰে। শিশুৰ নিজ যোগ্যতা, সম্ভাৱনীয়তা আৰু আৰ্থ-সামাজিক দিশৰ এখন বাস্তৱ চিত্ৰ ঘৰুৱা পৰিৱেশত সম্ভৱ হয়। সমাজৰ বাবে প্ৰয়োজনীয় সামাজিক গুণৰ বিকাশ পৰিয়ালৰ মাজত সম্ভৱ হয়। সামাজিক অনুষ্ঠান বা দিৱস উদযাপনৰ জৰিয়তে সামাজিক আদৰ্শ, পৰম্পৰা, বিশ্বাস আদিৰ সৈতে মিলি যাবলৈ সুবিধা হয়। শিশুসকলক নিয়মানুবৰ্তিতা আৰু কৰ্তব্যপৰায়ণতা সম্পৰ্কে আদৰ্শ প্ৰদানৰ জৰিয়তে সমাজ সেৱা কৰাৰ মনোভাৱ গঢ়ি তোলাত সহায় কৰে। শিশুৰ মাজত মানসিক আৰু আৱেগিক বিকাশৰ বাবে সুখ-শান্তি আৰু মৰম-চেনেহৰ বান্ধোনেৰে মধুৰ সম্পৰ্ক পৰিয়ালতেই গঠন হয়। ঘৰুৱা সমস্যা সমাধানৰ জৰিয়তে শিশুৰ সামাজিক সমস্যাৰ সমাধানৰ জ্ঞান প্ৰদান কৰা উচিত। গৃহ পৰিৱেশত শান্তিময় পৰিৱেশ বৰ্তাই ৰখাত পিতৃ-মাতৃয়ে সজাগ হোৱা উচিত। সমাজ এখনত শান্তি তেতিয়াহে বৰ্তি থাকে, যেতিয়া প্ৰত্যেক ঘৰত শান্তিময় পৰিৱেশে বিৰাজ কৰে। ❑

উদীৰ্ষ্ব নাৰ্য্যভি জীৱলোকং
গতাসুমেতমুপশেষ এহি। হস্তাগ্ৰাভস্য
দিধিষোস্তৱেদং পত্যুৰ্জনিত্বমভি সংবভূব।।
(অথৰ্ববেদ-১৮.৩.২)

অৰ্থাৎ- হে নাৰী, মৃত পতিৰ বিয়োগত শোকাকুল হৈ লাভ কি? বাস্তৱ জীৱনলৈ উভতি আহা। পুনৰায় তোমাৰ পাণিগ্ৰহণকাৰী পতিৰ লগত তোমাৰ পত্নীত্ব তৈৰী হ'ব।

ইয়ং নাৰী পতি লোকং বৃণানা নিপদ্যত
উপত্ব্য মৰ্ত্ত্য প্ৰেতম্। ধৰ্মং পুৰাণমনু
পালয়ন্তী তস্মৈ প্ৰজাং দ্ৰবিণং চেহ ধেহী।।
(অথৰ্ববেদ-১৮.৩.১)

অৰ্থাৎ- হে মনুষ্য, এই স্ত্ৰী পুনৰ বিবাহৰ আকাঙ্খা কৰি মৃত পতিৰ পিছত তোমাৰ নিকট আহিছে। সেই সনাতন ধৰ্মক পালন কৰি যাতে সন্তানাদি আৰু সুখভোগ কৰিব পাৰে।

প্ৰবন্ধ সম্ভাৰ

# অসম আৰু অসমীয়া ঃ নৱপ্ৰজন্মৰ ৰুচি আৰু দৃষ্টিভংগী

পঞ্চানন হাজৰিকা
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ
পদ্মনাথ গোহাঞিবৰুৱা চৰকাৰী আদৰ্শ মহাবিদ্যালয়, কাকপথাৰ।

স্বকীয় ঐতিহাসিক পৰম্পৰা আৰু নৃগোষ্ঠীয় বৈচিত্ৰ্যই প্ৰদান কৰা বিপুল সাংস্কৃতিক বৈভৱেৰে অসমৰ সামাজিক-সাংস্কৃতিক পৰিচয় একক আৰু বিশিষ্টতাপূৰ্ণ। প্ৰাক-ঔপনিৱেশিক কালৰ পৰাই অসমে যুঁজাৰু জাতিৰ সংগ্ৰামী ইতিহাসো বহন কৰি আহিছে। ঔপনিৱেশিক যুগৰ কৃষক বিদ্ৰোহৰ মাজেৰে আৰম্ভ হোৱা সাম্ৰাজ্যবাদ বিৰোধিতা আৰু পশ্চিমীয়া শিক্ষাৰে শিক্ষিত নতুন অসমীয়া শিক্ষিত মধ্যবিত্তৰ ভাষিক আত্মপ্ৰতিষ্ঠাৰ মাজেৰে অসমীয়া জাতীয়তাবাদৰো জন্ম। মধ্যযুগৰ ক্ষণজন্মা পুৰুষ শংকৰদেৱে নিৰ্মাণ কৰা উদাৰ-প্ৰগতিশীল, মানৱতাবাদী-গণতান্ত্ৰিক ভাবধাৰাৰ সামাজিক-সাংস্কৃতিক চিত্ৰপটতে পৰৱৰ্তী কালত লক্ষ্মীনাথ বেজবৰুৱা, পদ্মনাথ গোহাঞিবৰুৱা, জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণুপ্ৰসাদ ৰাভাৰ পৰা ভুপেন হাজৰিকালৈকে বৰেণ্য অসমীয়াই তেওঁলোকৰ যুগজয়ী কীৰ্ত্তি ৰাখিছিল। একেদৰে আনন্দৰাম ঢেকিয়াল ফুকনে পৰিচয় কৰাই দিয়া প্ৰথম আধুনিক বৌদ্ধিকতা, হেমচন্দ্ৰ বৰুৱাপ্ৰদত্ত বৈয়াকৰণিক আৰু বৰ্ণবিন্যাসৰ বিজ্ঞানসন্মত ৰূপৰ ভাষা, গুণাভিৰাম বৰুৱাৰ সমাজ সংস্কাৰকামী আৰু যুক্তিবাদী জীৱন তথা সাহিত্য আছিল জাতি হিচাপে নৱজন্মৰ প্ৰাকক্ষণত অসমীয়া সত্তাক গঢ়ি তোলা কেইটামান গুৰুত্বপূৰ্ণ প্ৰসংগ। পৰৱৰ্তী কালত সেই প্ৰেক্ষাপটতে অসমীয়া সাহিত্য-সংগীত আৰু চিত্ৰকলাৰ বিকাশ হৈছিল— গঢ় লৈছিল এক নিজস্ব আৰু সমৃদ্ধ ৰূপ। শংকৰদেৱৰ চৰ্চাৰ মাজেৰে বেজবৰুৱা, বাণীকান্ত কাকতি, মহেশ্বৰ নেওগ, হীৰেন গোহাঁই লৈকে আধুনিক অসমীয়া বুদ্ধিজীৱীসকলে প্ৰমান কৰি দেখুৱাইছিল অসমীয়াত্বৰ মহত্ব আৰু পুনৰাৱিষ্কাৰ কৰিছিল বৈষ্ণৱ পৰম্পৰাই আমাৰ সমাজ-সাহিত্যক দি থৈ যোৱা আপুৰুগীয়া সম্পদসমূহ। অনেক বাদানুবাদ আৰু বিতৰ্ক অতিক্ৰম কৰি বেজবৰুৱা প্ৰভৃতি লেখকসকলে কৃষিভিত্তিক উৎসৱ 'বিহু' ক অসমীয়াত্বৰ প্ৰতীক হিচাপে উপস্থাপন কৰি এক ধৰ্মনিৰপেক্ষ আৰু কৃষিকেন্দ্ৰিক সংস্কৃতিৰ মহিমা প্ৰতিষ্ঠা কৰিছিল। বিৰল বৰ্ণাঢ্য লোকজীৱন আৰু লোক ঐতিহ্যক সংগীত-চিনেমালৈ আনিছিল জ্যোতিপ্ৰসাদে, বিষ্ণুৰাভাই দিছিল গান-কবিতাত শ্ৰমজীৱী

মানুহৰ তেজাল স্পন্দন, ভুপেন হাজৰিকাৰ মাজেৰে আমাৰ লোক সংস্কৃতি বা সত্ৰীয়া পৰম্পৰাৰ হৈছিল সুদূৰপ্ৰসাৰী আন্তৰ্জাতিক সংযোগ। অসমীয়া সাহিত্যইও অসমীয়াত্বৰ পৰিচয় স্থাপন আৰু গৌৰৱ কৰিব পৰা সাহিত্যিক-পৰম্পৰাৰ ধাৰাবাহিকতাৰ মাজেৰে আমাৰ জাতিটোক কম সমৃদ্ধ কৰা নাই। 'জীৱনৰ বাটত' উপন্যাসৰ মাজেৰে বিৰিঞ্চি কুমাৰ বৰুৱাই মহাকাব্যিক পৰিসৰত আঁকি থৈ যোৱা অসমীয়া জাতীয় জীৱন আৰু লোক পৰম্পৰা, নৱকান্ত বৰুৱাৰ কবিতাৰ মাজেৰে অহা নব্য নগৰ চেতনা, সৌৰভ কুমাৰ চলিহাৰ গল্পত দেখা পোৱা আধুনিক সমাজ আৰু পৌৰবাস্তৱ, মামনি ৰয়চম গোস্বামীৰ উপন্যাসত ভৌগোলিক মানচিত্ৰক অতিক্ৰম কৰি যোৱা আৰ্ত মানুহৰ জীৱন কথা— অসমীয়া সাহিত্যৰ যুগ নিৰপেক্ষ সম্পদ হিচাপে সদায়ে স্বীকৃত। জ্যোতিপ্ৰসাদ পৰৱৰ্তী কালত ভুপেন হাজৰিকা, পদুম বৰুৱা, ভবেন্দ্ৰনাথ শইকীয়া, জাহ্নু বৰুৱাৰ পৰা সাম্প্ৰতিক ৰিমা দাসলৈকে অসমীয়া চিনেমাই গৌৰৱ কৰিব পৰা এক সমৃদ্ধ পৰম্পৰাকেই বহন কৰি আহিছে। তেনেকৈ নীলপৱন বৰুৱা বা বেনু মিশ্ৰৰ কলাকৃতিও আমাৰ সংস্কৃতিৰ মহাৰ্ঘ সম্পদ।

জাতি এটাৰ সকলো ইতিবাচক-নেতিবাচক পৰম্পৰাৰ উত্তৰাধিকাৰ সদায়েই পৰৱৰ্তী প্ৰজন্মটোলৈ প্ৰবাহিত হয়। পুৰণি প্ৰজন্মই প্ৰস্তুত কৰি থৈ যোৱা প্ৰেক্ষাপটতে নতুনে ন-আৱিষ্কাৰ, ন-উদ্ভাৱন, ন-চেতনাৰ সন্ধান কৰে। সাংস্কৃতিক-সাহিত্যিক সম্পদসমূহ সদায়ে জীয়াই থাকে অন্তহীন চৰ্চা, পুনঃ পুনঃ আলোচনা, সাধনা আৰু পৰিৱেশণৰ মাজেৰে। সেই ফালৰ পৰা নতুন প্ৰজন্মই হ'ব লাগে এনে চৰ্চা-সাধনাৰ সূত্ৰধাৰ। উদাহৰণস্বৰূপে উপযুক্ত পৰিৱেশন, চৰ্চা, পাঠ আলোচনা বা শ্ৰোতাৰ শ্ৰৱণ আগ্ৰহ অবিহনে 'বৰগীত' এটাই তাৰ যুগনিৰপেক্ষ আবেদন ধৰি ৰাখিব নোৱাৰে। পুৰণিক জানিবলৈ, শিপাক জানিবলৈ আৰু আত্মপৰিচয়ৰ প্ৰতি থকা নতুনৰ আগ্ৰহেহে পূৰ্বজ সকলৰ মহৎ কৰ্মসমূহক কালজয়ী কৰি ৰাখে।

সাম্প্ৰতিক অসমত নৱ প্ৰজন্মৰ ৰুচিৰ অৱক্ষয় আৰু দৃষ্টিভংগীৰ পৰিৱৰ্তন বিভিন্ন মাধ্যমত উত্থাপিত আৰু চৰ্চিত অভিযোগ। নব্বৈ দশকৰ পৰৱৰ্তী কালত জন্ম হোৱা প্ৰজন্মটো— যি নতুন অৰ্থনীতি আৰু বিশ্বায়নে অনা পৰিৱৰ্তন আৰু বৃহৎ পুঁজিৰ প্ৰতিযোগিতাৰ প্ৰভাৱত ডাঙৰ হৈছে, বোধপ্ৰাপ্ত হৈছে, তেওঁলোকৰ চিন্তা আৰু উপলব্ধিৰ পৃথিৱীখনো দ্ৰুতগতিত সলনি হৈছে। নতুন প্ৰজন্মৰ ৰুচিৰ পৰিৱৰ্তনৰ কথা পাতিবলৈ যাওঁতে বিশ্বায়নে অনা সামাজিক-সাংস্কৃতিক আৰু ৰাজনৈতিক পৰিৱৰ্তনসমূহক অতিক্ৰম কৰি যাব নোৱাৰি। বিশ্বায়নৰ যুগত জাতি-ৰাষ্ট্ৰৰ ধাৰণাৰ অৱলুপ্তিৰ প্ৰেক্ষাপট আলোচনা কৰিবলৈ যাওঁতে অখিল ৰঞ্জন দত্তই দুটামান গুৰুত্বপূৰ্ণ প্ৰসংগ উত্থাপন কৰি লিখিছে— ''আজি বিশ্বায়নৰ যুগত এক পুঁজিবাদী অৰ্থনীতি নিৰ্মাণৰ যি প্ৰচেষ্টা চলিছে, সেই প্ৰক্ৰিয়াত উল্লিখিত সাংস্কৃতিক চেতনা বা পৰম্পৰাগত মূল্যবোধ প্ৰতিবন্ধক হৈ উঠিব পাৰে। সেই দিশটোৰ প্ৰতি একচেতিয়া পুঁজি অত্যন্ত সতৰ্ক। গতিকে অৰ্থনীতিৰ উদাৰীকৰণ বা ব্যক্তিগতকৰণ প্ৰক্ৰিয়াৰ সমান্তৰালভাৱে এক সাংস্কৃতিক আগ্ৰাসনো গঢ়ি তোলা হৈছে। গণ মাধ্যমসমূহে অবিৰত আৰু উদ্দেশ্যপ্ৰণোদিতভাৱে

জীৱনবোধৰ এক সাৰ্বজনীন আৰু সময়োৎকৃষ্ট ছবি চাৰিওফালে বিলাব ধৰিছে। জীৱনৰ চৰম সফলতা ক'ত— সেই সম্পৰ্কেও ভিন্ন প্ৰচাৰ চলাব ধৰিছে। চিন্তাসৰ্বস্ব ভোগ চেতনা মানুহৰ মূৰত ভৰাই দিয়া হৈছে। ইয়াক কোৱা হৈছে সংস্কৃতিৰ সমসত্বীকৰণ (**Homogenization of culture**) কিন্তু ই সমসত্বীকৰণ নহয়, ই এখন সমাজক আত্মসংস্কৃতিৰ পৰা বিচ্ছিন্ন কৰি তোলাৰ প্ৰচেষ্টা।" (বিশ্বায়নৰ আলিদোমোজাত সমাজ-সভ্যতা, পৃ. ২৭) আত্মসংস্কৃতিৰ পৰা সচেতনভাৱে হোৱা এই বিচ্ছিন্নকৰণৰ আটাইটকৈ তাৎক্ষণিক আৰু দৃশ্যমান প্ৰভাৱ পোৱা গৈছে নৱপ্ৰজন্মৰ ৰুচি আৰু দৃষ্টিভংগীৰ পৰিৱৰ্তনৰ মাজত।

একৈশ শতিকাত ডাঙৰ হোৱা অসমৰ নৱপ্ৰজন্মৰ পৃথিৱী আমাৰ দৰে নব্বৈ দশকত জন্ম হৈ এই দশকত যৌৱনপ্ৰাপ্ত হোৱা প্ৰজন্মতকৈয়ো বেলেগ। জাতীয়তাবাদী সংগ্ৰামৰ অৱক্ষয় আৰু সশস্ত্ৰ সংগ্ৰামৰ জুই-ধোঁৱাৰ স্মৃতি আৰু কিছু মচ নোখোৱা তেজৰ চিটিকনিৰ মাজত আমাৰ জন্ম। বৰ বিশেষ নহলেও আমাৰ শৈশৱৰ গাঁওবোৰত কাণ ভগা মাইক এটাৰে আহি থকা জ্যোতি সংগীত, ৰাভা সংগীতেৰে শিপাৰ লগত পৰিচয় কৰোৱাৰ অকৃত্ৰিম আৰু নিভাঁজ যত্ন কিছু আছিল। পৰিৱৰ্তনৰ স্বপ্নৰে গাঁৱে গাঁৱে মইনা পাৰিজাত কৰি নতুন প্ৰজন্মৰ আত্ম উত্তৰণৰ বাট কাটি দিয়া কিছু উৎসৰ্গিত মনৰ অগ্ৰণী ডেকা ল'ৰা আছিল। সেই সময়ো এতিয়া দ্ৰুত গতিত সলনি হৈছে। মানুহৰ হাতত সময় কমিছে— ৰাজহুৱা পৰ্যায়ত নিস্বাৰ্থভাৱে সেৱাসুলভ কামৰ বাবে আগবাঢ়ি অহা তৰুণৰ মুখ ব্যক্তিকেন্দ্ৰিক-প্ৰতিযোগিতামুখী মানুহৰ ভিৰত নোহোৱা হৈআহিছে। পূৰ্বতে উল্লেখ কৰি অহা বিশ্বায়ন আৰু বজাৰ অৰ্থনীতিয়ে মানুহৰ মানসিক চাহিদা পূৰণৰ উপকৰণসমূহো সলনি কৰিছে। তথ্য প্ৰযুক্তিৰ অভূতপূৰ্ব চমক আৰু অগ্ৰগতিয়ে প্ৰকৃতাৰ্থত সমগ্ৰ বিশ্বক এখন গাঁৱলৈ ৰূপান্তৰ কৰাৰ লগে লগে প্ৰজন্মৰ ৰুচি আৰু দৃষ্টিভংগীলৈও আহিছে পৰিৱৰ্তন। উদাহৰণস্বৰূপে একক পৰিয়ালৰ ধাৰণাৰ সম্প্ৰসাৰণ হোৱাৰ লগে লগে বা আধুনিক কৰ্মব্যস্ত জীৱনত এয়া অৱশ্যম্ভাৱী হৈ উঠাৰ বাবে আইতাৰ মুখৰ সাধু আজিৰ প্ৰজন্মৰ বাবে সঁচাকৈয়ে হৈ পৰিছে অবাস্তৱিক আৰু অপ্ৰায়োগিক। আনকি সাধু কোৱা নামৰ সেই বিশেষ কলাটোৱে এতিয়া লুপ্তপ্ৰায়। তাৰ ঠাইত দৃশ্য-শ্ৰব্যৰ মাজেৰে সমগ্ৰ বিশ্বৰ শিশুৱে একেইবোৰ কাৰ্টুন চৰিত্ৰ দেখিছে, একেইবোৰ কাহিনী শুনিছে, কাৰ্টুন চৰিত্ৰৰ সৈতে একেলগে হাঁহিছে-কান্দিছে। ভালদৰে নেটৱৰ্ক নোপোৱা অসম প্ৰদেশৰ কোনো সীমান্তৱৰ্তী, প্ৰান্তীয় গাঁৱতো তিনিবছৰীয়া শিশুৱেও ম'বাইলত কাৰ্টুন চলি থাকিলেহে ভাত খায়। এই পৰিপ্ৰেক্ষাই বুজাইছে— প্ৰজন্মৰ ৰুচিৰ পৰিৱৰ্তনৰ পৰ্যায় আজি কি ধৰণৰ। কেৱল শিশুৱে নহয়, যুৱ প্ৰজন্মৰ প্ৰত্যেকৰে হাতে হাতে ম'বাইল— হাততেই অদেখা পৃথিৱীৰ ৰহস্যৰ সমস্ত চাবি কাঠী। বনভোজত, উৰুকাত, একত্ৰিশ ডিচেম্বৰত উচ্চগ্ৰামত বাজি থকা গানবোৰ শুনক— গভীৰ জীৱনবোধতকৈ তাৎক্ষণিক আনন্দৰ হৈ চৈ আৰু তৰল, ল'ৰামতীয়া ধেমালি যেন লগা গানৰে কদৰ বেছি। সাহিত্যৰ ক্ষেত্ৰটো একেই উদাহৰণ। কিতাপৰ পাঠক কমি গৈছে— এই অভিযোগ চাৰিওফালে। তাৰ পিছতো অৱশ্যে অসমীয়া ভাষাতো বছৰে বছৰে দেধাৰ কিতাপ প্ৰকাশ

পাইছে। কিন্তু বেষ্ট চেলাৰ যেন লগা কিতাপবোৰৰ তালিকা চাওক— তাৰে কিমানখন কিতাপ ক্লাছিক পৰ্যায়ৰ, কিমানখন কিতাপ সময়ৰ বাছনিত 'সাহিত্য' বুলি লৈ যাব পৰা? যশস্বী কাহিনীকাৰসকলৰ প্ৰসংগ বাদ দি দেখা যায় যে, চছিয়েল মিডিয়াত জনপ্ৰিয় লেখক-লেখিকাৰে কিতাপৰ বিক্ৰী আজিকালি ভাল হয়। জনপ্ৰিয় সাহিত্য মানেই সদায়ে নিশ্চয় বেয়া সাহিত্য নহয়— কিন্তু চছিয়েল মিডিয়াই ভাল সাহিত্য বা অৱশ্য পঠনীয় সাহিত্যৰ বাছনিৰ ক্ষেত্ৰখনত যে এক বিৰাট নৈৰাজ্য আনি দিছে, সেই কথাও কিন্তু মিছা নহয়। সেয়ে মনত ৰখা দৰকাৰ, দীঘলীয়া সময়ৰ, ধাৰাবাহিক সাধনাৰ পৰিৱৰ্তে এটা ৰাতিতেই 'চেলিব্ৰেটী' হৈ যোৱা বা 'চেলিব্ৰেটী' কৰি তুলিব খোজা এই প্ৰৱণতা শিল্প অথবা সমাজ— কাৰোৰে বাবে সন্তোষজনক কথা নহয়।

নৱপ্ৰজন্মৰ ৰুচি আৰু দৃষ্টিভংগীৰ পৰিৱৰ্তনক আটাইটকৈ প্ৰভাৱিত কৰা কাৰকটোৱেই হ'ল— মাতৃভাষাৰ প্ৰতি উদাসীনতা। মাতৃভাষাৰ প্ৰতি আগ্ৰহ আৰু শ্ৰদ্ধাৰ অবিহনে সাহিত্য-সংগীত-শিল্পকলা-চিনেমা— কোনো ক্ষেত্ৰতেই তৰুন প্ৰজন্মই উল্লেখনীয় বৰঙণি আগবঢ়াব নোৱাৰে বা পূৰ্বজসকলৰ কৰ্মকো জীয়াই ৰাখিব নোৱাৰে। বিশ্বায়ন পৰৱৰ্তী সময়ত ইংৰাজী ভাষাৰ মাধ্যমৰ বিদ্যালয়সমূহৰ প্ৰতি অভিভাৱকসকলৰ অসীম আগ্ৰহ বাঢ়ি আহিল। বিষয় শিক্ষণ বা আয়ত্বত কৈ 'ইংৰাজী' শিক্ষণক বেছি গুৰুত্বপূৰ্ণ বুলি ভবাৰ বা ভবোৱাৰ এক প্ৰৱণতা আৰম্ভ হ'ল। একেসময়তে চৰকাৰ-প্ৰশাসনে মাতৃভাষা মাধ্যমৰ বিদ্যালয়সমূহৰ উন্নীতকৰণ বা আধুনিকীকৰণৰ ক্ষেত্ৰত দেখুওৱা চূড়ান্ত অৱহেলা-উপেক্ষাইও ব্যক্তিগত খণ্ডৰ ইংৰাজী মাধ্যমৰ বিদ্যালয়সমূহক অপ্ৰতিদ্বন্দ্বী কৰি তুলিলে। যাৰ ফলত সৃষ্টি হ'ল নিজৰ মাটি আৰু মানুহৰ লগত সম্পৰ্কৰহিত এটা প্ৰজন্ম। তেওঁলোক সলসলীয়া ইংৰাজী কোৱা বিশ্ব নাগৰিক হ'বলৈ গ'ল ঠিকেই— কিন্তু থলুৱা সংস্কৃতি-পৰম্পৰা আৰু আত্মপৰিচয়ৰ প্ৰতি হৈ উঠিল চৰম উদাসীন। অতি সাম্প্ৰতিক সময়ত মাতৃভাষা মাধ্যমৰ বিদ্যালয়সমূহ আৰু অধিক চক্ৰান্তমূলক ভাৱে বন্ধ কৰি দিয়াৰ পৰিৱেশ অনা হৈছে। ডিজিটেল তথ্য সংৰক্ষণৰ অলেখ মেৰপেচ আনি আৰু আনুষংগিক কাম-কাজত শিক্ষকৰ অধিক সময় খৰচ কৰাই শিক্ষকসকলকো হতাশাগ্ৰস্ত কৰি তোলাৰ অভিযোগ উঠিছে। মাতৃভাষা মাধ্যমৰ শিক্ষানুষ্ঠানৰ এই বিধ্বস্ত-বিপন্ন অৱস্থাৰ অৱসান নঘটালৈকে প্ৰকৃতাৰ্থত এটা ৰুচিশীল আৰু জাতিৰ প্ৰতি দায়বদ্ধ প্ৰজন্ম গঢ়ি তুলিব পৰা নাযাব।

বিশ্বমুখী দৃষ্টিভংগীৰ বাবে আমি ইউৰোপীয় চিন্তা-চেতনাৰ হুবহু অনুকৰণ নকৰিলেও হয়। শংকৰদেৱ অথবা জ্যোতিপ্ৰসাদেই এই বিশ্ব-চেতনাৰ আটাইটকৈ সুযোগ্য অগ্ৰদূত। অসমৰ তৰুণ প্ৰজন্মই আত্মপৰিচয়ৰ প্ৰতি সজাগ আৰু সংবেদনশীল হৈ বিশ্বনাগৰিক হওঁক। নিজৰ ভাষা-কৃষ্টি-শিল্প, নিজৰ ঐতিহ্য-ভুগোল, নিজৰ পৰিৱেশ-জলবায়ু— এইসমূহৰ প্ৰতি থকা সতৰ্কতা-সংবেদনশীলতাৰেহে আজিৰ তৰুণ হৈ উঠিব সময়ক হাতৰ মুঠিত ৰাখিব পৰা এটা সৃষ্টিশীল-দায়িত্বশীল প্ৰজন্ম।

আমিও বিশ্বৰে অংশ— সমগ্ৰ বিশ্বইও জানো আমালৈ এদিন মুৰ তুলি চাব নালাগিব? ❑

# মাতৃভাষাৰ প্ৰকৃত ব্যৱহাৰ আৰু প্ৰয়োগত নাৰী সমাজৰ ভূমিকা

বিনীতা চৌধুৰী গাৰোডিয়া
অৱসৰপ্ৰাপ্ত অধ্যক্ষ
ধেমাজি বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়

'শিশুৰ অন্তৰ হয় বিকশিত
স্নেহৰ পৰশ পাই
মাতৃয়ে যেতিয়া বুকুত সাবতি,
দুগালত চুমা খায়'।

মাতৃ! কিযে এক মধুময় শব্দ। হৃদয়ত ৰজনজনাই যায়— তুমি মোৰ মাতৃ, তুমি মোৰ আই। মাতৃৰ মুখৰ পৰা শিশুয়ে প্ৰথম কথা শুনে। জন্মদায়িনী মাতৃৰ পৰা শিকা সেই অমৃতময় ঠুনুক-ঠানাক কথা পিছলৈ ভাষাত পৰিণত হয় আৰু ভাব প্ৰকাশৰ মাধ্যম হৈ পৰে। মাতৃ ভূমি যিয়েই নহওক, মাতৃভাষা কিন্তু মাতৃৰ মুখেৰে নিসৃত আৰু সন্তানে কথা ক'ব পৰা হোৱাৰ পাছত ব্যৱহাৰ কৰা ভাষাই নিশ্চয়কৈ 'মাতৃভাষা'। মাতৃ যেনেদৰে আদৰৰ, মাতৃভাষাও ব্যক্তি, সমাজ আৰু দেশৰ বাবে আদৰৰ, আনহাতে গৌৰৱৰ সমল। মাতৃভাষাৰ উন্নতি আৰু উচিত ব্যৱহাৰৰ ওপৰত দেশ এখনৰ সভ্যতা-সংস্কৃতি আৰু স্থায়ীত্ব নিৰ্ভৰ কৰে। মাতৃভাষাৰ প্ৰথম ব্যৱহাৰ আমাৰ ঘৰখন। পৰিয়াল আৰু নিজ নিজ সমাজৰ একে ভাষা কোৱা ব্যক্তিৰ সৈতে ভাবৰ আদান-প্ৰদানৰ বাবে কৰোঁ। একেভাষী ব্যক্তিৰ লগত নিজৰ ভাষাৰে আলাপ-আলোচনা কৰি ভাল লাগে আৰু এই পৰিৱেশত নিজ ভাষা-ভাষী লোকক বেছি আপোন যেন ভাব হয়। এয়া মানৱ প্ৰকৃতি। এনেদৰে একোটা জাতি সত্বাক স-সন্মানে জীয়াই ৰাখিবলৈ, সমাজ, দেশক প্ৰগতিৰ পথেৰে আগুৱাই নিবলৈ, যি জাতীয় চেতনা, জাতীয় ঐক্য মনোভাৱৰ প্ৰয়োজন তাৰ অংশীদাৰ আমি সকলোৱে হ'ব লাগিব। নিজৰ মাতৃভুমিৰ পৰা দূৰলৈ গ'লে কৰবাত যদি কাৰোবাৰ মুখত নিজ মাতৃভাষাৰে কথা কোৱা শুনো কেনে ভাল লাগে তাক কথাৰে বুজাব নোৱাৰি, অনুভৱ হে কৰিব পাৰি। নিজ মাতৃ, ভগ্নী

ভাতৃৰ কথাৰ মোৰ যেন হৃদয়ত বাজি উঠে। এয়া নিজ মাতৃভাষাৰ প্ৰতি থকা প্ৰেম বা সেই ভাষাটোৰ মহত্ব। উপজিয়ে যি মাত শুনিছোঁ, যি অমিয়া কথাৰে মুখত হাঁহি আৰু দুখত চকুপানী টুকিছোঁ, মনৰ বৰ্ণিল আৱেগ আৰু অনুৰাগ প্ৰকাশ কৰিছোঁ, এনে মাতৃভাষাক উত্তৰণৰ বাবে আমৰণ প্ৰয়াস কৰিব লাগিব। যি ব্যক্তিয়ে নিজ মাতৃভাষাক অৱহেলা কৰি অন্য ভাষাক হাড়ে-হিমজুয়ে উচ্চ স্থান প্ৰদান কৰি উন্নতিৰ জখলাত বগাব বিচাৰে, তেনে লোকক মেৰুদণ্ডহীন বুলি কোৱা হয়। কাৰণ প্ৰতিগৰাকী ব্যক্তিৰ নিজ ভাষাৰ প্ৰতি সন্মান, ইয়াৰ উচিত ব্যৱহাৰ, প্ৰচাৰ আৰু প্ৰসাৰৰ নিৰন্তৰ চিন্তাই তেওঁৰ জাতিটোৰ মেৰুদণ্ড সবল কৰে।

ভাষাৰ ব্যৱহাৰেৰে আমি বৰ্ণনা কৰো নিজ নিজ উপলব্ধি। সেই উপলব্ধিৰ বিষয়ে শুদ্ধৰূপত শুনি, বুজি পাবলৈ হ'লে নিশ্চয় শুদ্ধ শব্দ প্ৰয়োগ কৰি কথা ক'ব লাগিব, লিখিব লাগিব বা য'ত দৰকাৰ হয় সুস্থ ৰূপতহে ব্যৱহাৰ কৰিব লাগিব, বিকৃত ৰূপত নহয়। যি কোনো ভাষাৰ অস্তিত্ব ইয়াৰ অপৰ্যাপ্ত ব্যৱহাৰ আৰু বিকাশৰ ওপৰত নিৰ্ভৰ কৰে। বৰ্তমান সময়ত দেখা গৈছে, আধুনিকতাৰ ধামখুমীয়াত পৰি ব্যক্তি বিশেষে নিজ মাতৃভাষাক বিকৃত কৰি তাৰ লগত অন্য ভাষাৰ কটু সংমিশ্ৰণ ঘটাই কথা কয়। ফলত নিজ ভাষাটোক অৱমাননা কৰা যেন ভাব হয়। উদাহৰণস্বৰূপে, অসমীয়াৰ মাতৃভাষাকে ল'ব বিচাৰিছোঁ। অৱশ্যে অন্য জনগোষ্ঠীৰ মাতৃভাষাৰ ক্ষেত্ৰতো বোধ হয় ব্যতিক্ৰম নহ'ব। সেয়েহে নিজ নিজ মাতৃভাষাৰ অধ্যয়ন হ'ব লাগে। মাথোঁ ভাব বিনিময়ৰ বাবে ব্যৱহাৰ কৰিলেই নহ'ব।

অসমীয়া ভাষাৰ যিবোৰ শব্দ আছে সেই শব্দৰ শক্তি অপৰিমেয়। সেই শব্দৰ প্ৰয়োগ কৰি পৃথিৱীৰ সকলো মহৎ চিন্তা, ঘটনা, আৱিষ্কাৰৰ কাহিনী, আধ্যাত্মিক তত্ব আদি পৰ্যাপ্তভাৱে প্ৰকাশ কৰিব পাৰি। শব্দৰ শক্তিৰে অসমীয়া ভাষা চিৰ শক্তিশালী। ইংৰাজসকল অহাৰ বহু আগতহে অসমীয়া ভাষাৰ মান্যতা এক সুকীয়া ৰূপেৰে মহীয়ান আছিল। অসমীয়া ভাষাত শব্দৰ ব্যাপক শক্তি আৰু মহিমা মাধৱ কন্দলী, শংকৰ গুৰু, মাধৱ গুৰু, হেমচন্দ্ৰ বৰুৱা, লক্ষ্মীনাথ-বাণীকান্ত-জ্যোতি-বিষ্ণুৱে সৃষ্টিৰ মাজেৰে পৰিপূৰ্ণ ৰূপত প্ৰমাণিত কৰি গৈছে। ভাৰতবৰ্ষৰ মান্যভাষা সংস্কৃত, অসমীয়া ভাষাৰো জননী; গতিকে সমৃদ্ধ। কিন্তু অসমীয়া ভাষাত ব্যৱহৃত শব্দবোৰৰ মহিমা বিগত সময়ত বিকৃত হোৱা যেন অনুভৱ হৈছে। শব্দক বিকৃত কৰাৰ আৰু ভুল শব্দ ব্যৱহাৰৰ প্ৰৱণতা আজি অসমীয়া ভাষীসকলৰ মাজতো দেখিবলৈ পোৱা গৈছে। কিন্তু অসমীয়া ভাষাৰ সেই পূৰ্বৰ জ্যোতি কোনোপধ্যেই আমি ম্লান হ'বলৈ দিব নোৱাৰোঁ। আমাৰ জাতীয় জীৱনৰ মহান স্বাৰ্থতে শুদ্ধ আৰু অবিকৃত শব্দৰ ব্যৱহাৰ অপৰিহাৰ্য। মান্য ভাষাৰ শুদ্ধ প্ৰয়োগেৰে আমাৰ জাতীয় জীৱনৰ অনেক ব্যাখ্যা আৰু বিসংগতিৰ পৰা ৰক্ষা পাব পাৰোঁ। অতি মাৰ্জিত শব্দেৰেও ব্যক্তিয়ে প্ৰয়োজন সাপেক্ষে কঠিন ভাৱ প্ৰকাশ কৰিব পাৰে। বহুবাৰ সংকটৰ সন্মুখীন হৈয়ো অসমীয়া ভাষাই হাৰ মনা নাই। ভাষা ৰক্ষাৰ হেতু বহু শ্বহীদে প্ৰাণ বিসৰ্জন দিছে। 'চিৰ চেনেহী মোৰ ভাষা জননী'ৰ শিৰৰ মুকুট আমি অসমীয়াই কেতিয়াও অৱনমিত হ'ব নিদিওঁ। এয়া আমাৰ জাতীয় পণ হ'ব লাগিব।

আমাৰ প্ৰতিখন ঘৰ, প্ৰতিখন সৰু-বৰ শিক্ষানুষ্ঠান বা ব্যক্তি বিশেষে কৰ্মৰত হৈ থকা সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠান, ৰাজহুৱা স্থান আদিত এনে পৰিৱেশ সৃষ্টি কৰিব লাগিব যে প্ৰত্যেকেই অসমৰ অসমীয়া ভাষাক যেন সন্মান কৰে আৰু ইয়াৰ বাবে ভাষাটো শুদ্ধ ৰূপত ব্যৱহাৰ হ'ব লাগে। দৰকাৰ হয় যদি ইয়াৰ বাবে প্ৰবল জনমত, জনসমৰ্থন গঠন কৰি আৰু বিশেষকৈ নিজ ভাষাৰ প্ৰতি শ্ৰদ্ধা আৰু সচেতনতা আনিবলৈ চেষ্টা কৰিব লাগিব। অসমৰ মাতৃভাষা অসমীয়া যদিও সমানভাৱে ইংৰাজীত এই ৰাজ্যৰ এটা এৰাব নোৱাৰা ভাষা হিচাপে স্বীকৃত, বিশেষকৈ চৰকাৰী কাৰ্যালয় বহু সংখ্যক শিক্ষানুষ্ঠান আৰু অন্যান্য প্ৰতিষ্ঠানত ইংৰাজী ভাষাৰ প্ৰাধান্য দেখা যায়। অসমীয়া জাতিৰ সহনশীলতাৰ সুযোগ লৈ বৰ্তমান অনুষ্ঠান-প্ৰতিষ্ঠানে নিজৰ নামফলকখনতো অসমীয়া ভাষাক স্থান দিয়া নাই। ভাৰতৰ অন্য ৰাজ্য কিন্তু ইয়াৰ ব্যতিক্ৰম। বংগ, পাঞ্জাৱ, দক্ষিণাত্য, গুজৰাট আদিত নিজ ৰাজ্যৰ মাতৃভাষাতহে নামফলক বা বিশেষ স্থানৰ চিনাকি স্তম্ভৰ নাম উল্লেখ থকা দেখা যায়। আমি বিচাৰিছোঁ সমগ্ৰ অসমজুৰি অসমীয়া ভাষাৰ শুদ্ধ শব্দ প্ৰয়োগৰ এক ভাষা সংস্কৃতিৰ আলোড়নত আমাৰ লিখক, বুদ্ধিজীৱি, সাংবাদিক, সাংস্কৃতিৰ কৰ্মী, ৰাজনীতিক ব্যক্তি, নাৰী সমাজ, বিদ্যাৰ্থীসকলে সক্ৰিয় ভূমিকা গ্ৰহণ কৰি কাৰ্যকৰী ব্যৱস্থা অনতিপলমে ল'ব লাগিব। নহ'লে বহু পলম হৈ যাব। আমি অসমীয়া সংখ্যা লঘিষ্ঠ ভাষা-ভাষী হৈ পৰিব লাগিব। এই ক্ষেত্ৰত বাণীৰ সাধক সাহিত্যকৰ্মীসকলৰ দায়িত্ব গুৰুতৰ। দেশৰ অন্য প্ৰান্তৰ দৰে অসমতো চতুৰ্থ স্তম্ভ, যাক আমি 'মিডিয়া' বুলি সন্মান কৰোঁ, তেওঁলোকে অসমত অসমীয়া ভাষাৰ ব্যৱহাৰ বহুলভাৱে কৰি সমাজত প্ৰতিপন্ন কৰিব পাৰে যে অসমত অসমীয়া ভাষাৰ প্ৰয়োগ অনিবাৰ্য। নৱ প্ৰজন্ম বা শিশুসকল যাতে অসমীয়া ভাষাৰ প্ৰতি আকৃষ্ট হয় তাৰ বাবে নতুন নতুন সমল উদ্ভাৱন কৰাটোও এক গুৰুত্বপূৰ্ণ বিষয়। আজিকালি এটা প্ৰসংগই প্ৰায় চিন্তান্বিত কৰে সেয়ে হ'ল শিশুৱে সহজে ইংৰাজী ভাষা আয়ত্ব কৰে। কিয়নো সেই ভাষা শিকিব পৰাকৈ পৰ্যাপ্ত মাধ্যম আছে। ইংৰাজী ভাষা শিকিব পৰাকৈ বিভিন্ন মাধ্যম, যেনে— ব্লগছ, কাৰ্টুন ছবি, ভিডিঅ', নাচ-গানৰ জৰিয়তে বিদ্যালয়ৰ পাঠ্যপুথিৰ শিক্ষা। অৱশ্যে কিছুমান আঞ্চলিক ভাষাৰ ক্ষেত্ৰতো সেই সুবিধা নাই বুলি ক'ব নোৱাৰি। আমি বহু অভিভাৱকেও ইংৰাজীৰ তুলনাত অসমীয়া ভাষাটো হীন বুলি ভাবিবলৈ শিশুসকলক সুযোগ দিওঁ। ভাষাৰ ক্ষেত্ৰত আমাৰ মধ্যবৃত্তীয় মানসিকতা অদ্ভুত। বৰ্তমান জোৰ পুৰি হাত পালেহি। নিজৰ ভাষা-সংস্কৃতি ৰক্ষাৰ্থে অন্ততঃ মাতৃভাষা অসমীয়া ব্যৱহাৰৰ ক্ষেত্ৰত নৱপ্ৰজন্মৰ যাতে বিৰাগ নাহে তাৰ প্ৰতি সচেতন হ'ব লাগিব। যদি ভাষাটো ব্যৱহাৰৰ ক্ষেত্ৰত জ্যেষ্ঠসকলে অৱজ্ঞা কৰোঁ, তেন্তে সেই ভাষাৰ মাজেদি বিকাশ লভা পৰম্পৰাৰ পৰা জানো সিহঁত বঞ্চিত নহ'ব? সিহঁতৰ ভেটি সবল হ'ব জানো? অৱশ্যে নিজৰ ভাষাটো শুদ্ধকৈ নজনাতো যিদৰে দুৰ্ভাগ্যজনক আনৰ ভাষা নিশিকো বুলি বা ব্যৱহাৰ নকৰোঁ বুলি কোৱাটোও এক গোড়ামী হ'ব। যি নহওক কিবা দুৰ্বলতা থাকিলেও মাক মাকেই আৰু মাতৃভাষা, বুকুৰ উম মাতৃভাষাৰেই। ইয়াৰ দ্বাৰাই গঠিত হ'ব 'ভাষিক জাতীয়তাবাদ'। জাতি, ভেটি ৰক্ষাৰ বাবে অমোঘ অস্ত্ৰ।

মাতৃ মুখৰ অমৃত শব্দই মাতৃভাষা। এনে মধুৰতম ভাষাক হৃদয়ত স্থাপন কৰি প্ৰতিপাল কৰাটো প্ৰত্যেক জননীৰ সন্তানৰ দায়িত্ব। ইয়াৰ বাবে নিখুঁত তালিম দিব লাগিব নিশ্চয় মাতৃগৰাকীয়ে। সমূহ নাৰী সমাজক প্ৰতিনিধিত্ব কৰিব মাতৃসকলে। কাৰণ সকলো মাতৃয়েই নাৰী সমাজৰ একোগৰাকী সদস্য। জীৱন পৰিক্ৰমাত বিভিন্ন দায়িত্ব পালন কৰে একোগৰাকী মাতৃয়ে বা নাৰীয়ে। মাতৃ ৰূপিণী নাৰীৰ দায়িত্ব যেনেদৰে বেছি তেনেদৰে সমাজত নাৰীসকলৰ স্থান-মান সুকীয়া আৰু দায়িত্বও মন কৰিবলগীয়া। সেয়েহে মাতৃ ভাষাক ব্যৱহাৰ আৰু বিকাশৰ ক্ষেত্ৰত নাৰীয়ে সময়োচিত সিদ্ধান্ত লৈ আগবাঢ়িব লাগিব।

আজিৰ নাৰী সমাজৰ প্ৰায় চাৰি ভাগৰ তিনি ভাগেই চৰকাৰী, বেচৰকাৰী কামত নিয়োজিত হৈ আছে। শিক্ষিতৰ সংখ্যাও খুব কম নহয়। সকলো দিশতে পুৰুষৰ সম-পৰ্যায়ত কৰ্মৰত হৈ আছে। সেয়েহে ঘৰত মাতৃয়ে আৰু বাহিৰতো মাতৃভাষাৰ ব্যৱহাৰৰ ক্ষেত্ৰত উচিত চিন্তা কৰিব লাগিব নাৰীয়ে। আজিৰ নাৰীয়ে নিজ সন্তানক মাতৃভাষাৰ প্ৰতি কেনেকৈ আকৃষ্ট কৰিব পাৰি জানিব লাগিব। যেনে— ঘৰৰ অন্য ব্যক্তিৰ লগত বা সন্তানৰ লগত কথা-বতৰা পাতোতে 'এংলো ষ্টাইলত' কেইটামান শব্দ, অসমীয়া কেইটামান ইংৰাজী-হিন্দী শব্দ মিহলি কৰি কৈ কথাখিনি শ্ৰুতিকটু কৰিব নালাগে। অসমৰ অসমীয়াই যদি শুদ্ধ অসমীয়াত কথা ক'বলৈ মন কৰে, তেনেহ'লে শব্দৰ অভাৱ নাই বুলি আগতে উল্লেখ কৰা হৈছে। তাকে নকৰি সন্তানক অসমীয়া ভাষাৰ পৰিৱৰ্তে বেলেগ ভাষাৰ কথা ক'লেহে যে আধুনিকতা ৰক্ষা পৰিব তেনে অনুভৱ কৰাটোও ভুল। বৰ্তমান অসমীয়া ভাষাৰ সংকট কাল। আমি অসমীয়া সকল যেন সংখ্যালঘু ভাষিক পৰিয়াল হৈ পৰিছোঁ। এই কথা প্ৰতিগৰাকী নাৰী-পুৰুষে উপলব্ধি কৰিব লাগিব। বিদ্যালয়ৰ মাধ্যম যিয়ে নহওক লাগে, ব্যক্তি স্বাধীনতাই আমাক যিকোনো বিদ্যালয়তে সন্তানক পঢ়ুৱাৰ অধিকাৰ দিছে। উচ্চ শিক্ষাৰ বাবে ইংৰাজী নহ'লেও হ'ব বুলি কোৱাৰ সাহস আমি বৰ্তমান গোটাব পৰা নাই। কাৰণ বিজ্ঞান-প্ৰযুক্তি বিদ্যাৰ লগত ফেৰ মাৰিব পৰাকৈ অসমীয়া ভাষাৰ অত্যাধুনিক সমল নাই। কিন্তু ভাষাৰ প্ৰয়োগ আৰু ব্যৱহাৰৰ কথাটো সুকীয়া। যি ভাষা পঢ়িলেও বা লিখিলেও আমি চিন্তা কৰো সদায় নিজৰ মাতৃভাষাতহে, অনুভৱ কৰোঁ নিজৰ মাতৃভাষাতহে, অনুভৱৰ প্ৰতিক্ৰিয়া প্ৰদৰ্শন কৰো মাতৃভাষাতহে। অন্যভাষা শুদ্ধভাৱে বুজিবলৈ মাতৃভাষাই সহায় কৰে বুলি মোৰ নিজস্ব ধাৰণা। সেয়েহে আমি নাৰীসকলে ঘৰখনত নিজৰ মাতৃভাষাৰে কথা বতৰা কোৱা, নিজ ভাষাৰে ঘৰত আলোচনা কৰা। সাধু কোৱা, সৰু বৰ আলোচনী পঢ়া, আমাৰ ৰীতি-নীতি, পৰম্পৰাক গুৰুত্ব দি পালন কৰা, বাতৰি-কাকত পঢ়া, নিজ ভাষাত সাহিত্য চৰ্চা কৰা এই দিশবোৰ মন কৰিব লাগে। আনহাতে সম্বন্ধসমূহৰ ব্যৱহাৰ, যেনে— মম, ডাড, আন্টি, আংকল, ব্ৰো, চিচ্ ইত্যাদিৰ সলনি মা-দেউতা, ককা-আইতা, খুড়া-খুৰী, মাহী, পেহী, জেঠাই, আইজনী-মাইজনী আদি মনোমোহা সম্বন্ধ বুজোৱা অসমীয়া ভাষাৰ শব্দবোৰৰ ব্যৱহাৰ কৰিবলৈ শিশুক সৰুৰে পৰা যদি মাতৃ বা অন্য জ্যেষ্ঠ মহিলাই শিকায়, তেতিয়া অসমীয়া পৰম্পৰা ৰক্ষা হ'ব। ৰীতি-নীতি আৰু কিছু পৰম্পৰাক আমি বিজ্ঞানৰ দোহাই দি পৰিত্যাগ কৰাৰ দৰে হৈছে। উদাহৰণস্বৰূপে— ঘৰত

পুৰা-গধূলি গুৰুজনাৰ বা অসমীয়া ভাষাৰ অন্য স্তুতি গীত বা প্ৰাৰ্থনা আদি শিশুক লগত লৈ গোৱাৰ ব্যৱস্থা নাৰীসকলে কৰিব লাগিব। যিটো আমাৰ দিনত এৰাব নোৱৰা দায়িত্ব আছিল। বৰ্তমান একক পৰিয়ালৰ শিশুক মাতৃগৰাকীয়েই এনেবোৰ অভ্যাস কৰাব লাগিব। অসমৰ মহান গুৰুসকলৰ ৰচনা, অন্য সৃষ্টি সম্পৰ্কে মহিলাসকলে শিশুক অৱগত কৰিব লাগিব, তেতিয়াহে মহান সৃষ্টিকৰ্তাৰ প্ৰতি তেওঁলোক আগ্ৰহান্বিত হ'ব। অসমীয়া ভাষাৰ ব্যৱহাৰ আৰু উন্নতিৰ ক্ষেত্ৰত অতীজৰে পৰা প্ৰবল ঘাত-প্ৰতিঘাতৰ সন্মুখীন হৈয়ো আমাৰ বৰণ্যে ব্যক্তিসকলৰ কৰ্মৰাজি, জীৱন বীক্ষাৰ সঁচা নিদৰ্শন আজিৰ নাৰীয়ে নিজৰ সন্তানক বিভিন্ন কৰ্মপন্থাৰে দেখুৱাই দিব লাগিব। যাতে নতুন প্ৰজন্মই, সেই ব্যক্তিসকল, তেওঁলোকৰ সৃষ্টি ৰাজি যে অসমৰ মাতৃভাষাৰ লগত এৰাব নোৱাৰা সম্বন্ধ—এই সম্পৰ্কে জানিব পাৰে। এই অসমীয়া ভাষাৰ ওজাসকল যে পাশ্চাত্য শিক্ষাৰে শিক্ষিত হ'লেও নিজৰ ভাষাক হৃদয় বেদীত স্থাপন কৰি আইমাতৃ অসমীৰ সেৱা ভাষাৰ বিকাশৰ দ্বাৰা কৰি গৈছে এনেবোৰ ধাৰণা নাৰী সমাজে তেওঁলোকৰ সন্তানক সুন্দৰকৈ বুজাব পাৰিব লাগে। মাতৃ ভাষাৰে যিকোনো কথা বুজাত সহজ সেইবাবে নতুন চামৰ বুনিয়াদ ৰচনা কৰিবলৈ হ'লে মাতৃভাষাৰ বহুল প্ৰয়োগ হ'ব লাগিব। প্ৰয়োগ সুন্দৰভাৱে হ'লে ভাষাটোৰ বিকাশো ক্ষীপ্ৰতৰ হ'ব। বৰ্তমান নাৰী সমাজে গুৰি ধৰিলে সকলো কামে সিদ্ধ হয়। সচৰাচৰ ঘৰুৱা কাম, যেনে— ৰাতিপুৱা সোনকালে উঠি প্ৰাতঃভ্ৰমণলৈ যোৱা, গা-ধোৱা ঘৰ বা গোচল ঘৰলৈ গৈ দাঁত মাজি বাল্টিত নলীয়েদি অহা পানী গোটাই চাবোন দি গা-ধোৱা, খোৱা মেজত বহি আহাৰ গ্ৰহণ কৰা বিদ্যালয়ৰ সাজ পৰিধান কৰি খোৱা পানী, কিতাপ, বহী লৈ বিদ্যালয়লৈ যোৱা, ঘূৰি আহি ঘৰুৱা কাম কৰা ইত্যাদি। এই কামখিনি কৰোঁতে আমি কিমানটা ইংৰাজী শব্দ ব্যৱহাৰ কৰোঁহক? কিন্তু নকৰিলেও হয় দেখোন, বুজি পোৱাত একে অসুবিধা নহয়। এয়া মাত্ৰ অভ্যাস বা 'ফেচন'। কিয় আমি মাতৃভাষাৰ প্ৰয়োগ কৰিবলৈ কুণ্ঠাবোধ কৰোঁ? মাতৃসকলে ইয়াৰ আৰম্ভণি কৰিব লাগিব। বিদেশী ভাষাৰ অচিনাকি সুৰৰ মোহ ত্যাগ নকৰিলে মাতৃভাষাৰ বিকাশ অসম্ভৱ। আজিৰ নাৰী সমাজে ঘৰখনৰ বাহিৰতো মাতৃভাষা অসমীয়াৰ ব্যৱহাৰ আৰু প্ৰয়োগত উচিত ভাগ লোৱাৰ সময় আহি পৰিছে। ইয়াতে উল্লেখ কৰিব পাৰি অসমৰ ভাষা আন্দোলনত নাৰী সমাজৰ ভুমিকাৰ কথা কোনেও পাহৰি যোৱা নাই। ৰক্তাক্ত হোৱা সেই আন্দোলনৰ পাছত 'অসম চৰকাৰী ভাষা আইন' (অসম আইন নং ৩৩, ১৯৬০) খন গ্ৰহণ কৰি অসমীয়া ভাষাক ৰাজ্য ভাষা তথা চৰকাৰী ভাষা হিচাপে স্বীকৃতি দিয়ে।

বৰ্তমান অসমৰ প্ৰায় সকলো চৰকাৰী-বেচৰকাৰী অনুষ্ঠান, প্ৰতিষ্ঠানত কৰ্মৰত মহিলাসকলে তেওঁলোকৰ বিভাগত প্ৰচলিত বিধি-বিধানৰ হাত পুথিৰে পৰা আদি কৰি লেখন যন্ত্ৰ, মুদ্ৰণ যন্ত্ৰ আদিত যাতে অসমীয়া শব্দ লিখনৰ হয় তাৰ বাবেও চিন্তা কৰিব লাগিব। আমাৰ বৌদ্ধিক দিশত বহু মহিলাই সুনাম অৰ্জন কৰিছে। গ্ৰন্থ লেখনিৰ মাজেৰে, কৰ্মশালা, আলোচনা চক্ৰ আদিৰ মাজেৰে তেওঁলোকে মাতৃভাষা অসমীয়াৰ গুৰুত্ব সহকাৰে বিকাশ কৰিব পাৰে। আচল কথা ক'বলৈ হ'লে, আমি প্ৰতিজন

অসমীয়াই নীচাত্মিকতাবোধত ভোগা নাইনে? বিশেষকৈ মাতৃভাষা প্ৰয়োগৰ ক্ষেত্ৰত। মাতৃভাষা অসমীয়াত লিখিলে বা কথা ক'লে আমাক নজনা মানুহ বুলি কোনোবাই ভাবিব। গতিকে ভুলে শুদ্ধই ইংৰাজী লিখি পণ্ডিতালি কৰোঁ। আচলতে আমি বহুতে ইংৰাজী ভাষাটো শুদ্ধকৈ লিখিব নোৱাৰোৱেই নিজ মাতৃভাষাটোও শুদ্ধকৈ লিখিব নোৱাৰো। কোন দিশে গৈ আছো বাৰু আমি? সঁচা, এনেদৰে থাকিলে ত্ৰিপুৰাৰ "কোকবৰোক" ভাষাৰ দৰে আমাৰ সুৰীয়া, সুৱদী অসমীয়া ভাষাটোও এলাগী হৈ যাবলৈ বেছিদিন নালাগিব। আমাৰ আশা, এয়া যেন বাস্তৱত পৰিণত নহয়। বহু মহিলা অসম সাহিত্য সভাৰ দৰে শক্তিশালী জাতীয় মঞ্চৰ লগত জড়িত। গতিকে তেওঁলোকে ভাষা-সাহিত্যৰ প্ৰয়োগ আৰু বিকাশৰ ক্ষেত্ৰত তীব্ৰ পদক্ষেপ ল'ব লাগিব। নতুন কিছু সমলৰ চিন্তা ভাষা শিক্ষাৰ ক্ষেত্ৰত অতি জৰুৰী বুলি নাৰী সমাজে চিন্তা কৰি মাধ্যম আৱিষ্কাৰ কৰিব পৰাটো নাৰী সমাজৰ বাবে গৌৰৱৰ কথা হ'ব। অৱশ্যে এই বিষয়ৰ চিন্তা সাৰ্বজনীন হোৱাটো দৰকাৰ।

শিশুৱে মাক-দেউতাক, অভিভাৱকৰ পৰা পৃথিৱীখন চোৱাৰ, জনাৰ এক দৃষ্টিভংগী পাব পাৰে। কিন্তু দৃষ্টিভংগীৰ স্বৰূপটো কেনেকুৱা হ'ব? যিদৰে এটা ডাঙৰ টাৱাৰ পৰা চৌপাশৰ বিস্তৃত অঞ্চল চাব পাৰি, একেদৰেই আঞ্চলিক এক ভিত্তিৰ পৰা পৃথিৱীখনক বিচাৰ-বিশ্লেষণ কৰিব পাৰি। যদি খোপনিয়েই নাথাকে, তেন্তে সি কেনেকৈ সম্ভৱ হ'ব? ভাৰত ৰত্ন ভূপেন হাজৰিকাৰ চিন্তা— "আমি অসমীয়া নহওঁ দুখীয়া বুলি সান্ত্বনা লভিলে নহ'ব, আজিৰ অসমীয়াই নিজক নিচিনেলে অসম ৰসাতলে যাব" গীতটিয়েও বিশ্বপ্ৰেম, অসমপ্ৰেমৰ কথা খুব সুন্দৰকৈ কৈছে। সঁচাকৈ "আজিৰ অসমীয়াই নিজক নবচালে অসমতে মগনীয়া হ'ব", "মোৰ আইক ভাল পাওঁ বুলিলে আনৰ আইক জানো ঘৃণ কৰা বুজাব", 'বিশ্বপ্ৰেম বিনন্দীয়া বুলি অনুভৱ কৰা প্ৰতিজন অসমীয়া', 'আপোন মাতৃৰ অশ্ৰু নমচিলে বিশ্বপ্ৰেম হ'ব বৃথা' ইত্যাদি। ❑

"আপুনি যে এজন ভাল শিক্ষক হ'বৰ বাবে চিন্তা কৰে,
তাৰ অৰ্থ হ'ল আপুনি ইতিমধ্যেই এজন ভাল শিক্ষক।"
— জোডি পিকোল্ট

"জীৱনৰ বাবে মই মোৰ পিতৃৰ ওচৰত ঋণী,
কিন্তু ভালকৈ জীয়াই থকাৰ বাবে মোৰ শিক্ষকৰ ওচৰত ঋণী।"
— আলেকজেণ্ডাৰ দ্য গ্ৰেট

# ভাষা ঃ শিশুৰ বৌদ্ধিক বিকাশৰ অবিচ্ছেদ্য অংগ

ববী দত্ত নেওগ
সহকাৰী অধ্যাপিকা
ধেমাজি স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয়

সৰল মনৰ শিশুসকলক কোনো এটা কথা শিকোৱা বা বুজোৱাটো এক জটিল প্ৰক্ৰিয়া। শৈশৱৰ কালছোৱাত শিশুসকলৰ নিজাববীয়াকৈ কোনো সিদ্ধান্ত লোৱা বা বিচাৰ-বিবেচনা কৰিব পৰা শক্তি নাথাকে কাৰণে কেতিয়াবা ভুলকৈ শুদ্ধ বুলি, বেয়াকৈ ভাল বুলি ভাবি নকৰিবলগীয়া কামো কৰা দেখিবলৈ পোৱা যায়। সেই সময়ছোৱাত শিশুৱে নিজৰ ভৱিষ্যত প্ৰয়োজনীয়তাৰ কথাও অনুভৱ কৰিব নোৱাৰে। সেইবাবে নতুন কথা এটা শিকাটো সম্পূৰ্ণৰূপে তেওঁলোকৰ ইচ্ছা-অনিচ্ছাৰ ওপৰত নিৰ্ভৰ কৰে। সহজ-সৰল থুনুকা মনৰ অধিকাৰী শিশুৱে খেল-ধেমালি আৰু আনন্দ-উল্লাসেই জীৱনৰ সৰ্বোচ্চ বুলি ভাবে। লক্ষ্য কৰিলে দেখিবলৈ পোৱা যায় যে, শিশুৱে সদায় সহজ আৰু তেওঁলোকে মনত আনন্দ পোৱা কথা আৰু কামৰ প্ৰতিহে বেছিকৈ আকৃষ্ট হয়। আনুষ্ঠানিক শিক্ষা বা পঢ়া-শুনা কৰিবলৈ আৰম্ভ কৰি কিছুমান অনুশাসনৰ মাজত সোমাই পৰাটো তেওঁলোকৰ বাবে একেবাৰে অপ্ৰিয় । এনে সীমাবদ্ধতাৰ পৰা নিজকে মুক্ত কৰিবলৈ গৈ কোনো কোনোৱে নিজা কৌশলেৰে মিছাৰ আশ্ৰয় লৈ পঢ়াৰ পৰা আঁতৰি থাকিবলৈকো বিচাৰে। সেয়েহে, আনুষ্ঠানিক বা অনানুষ্ঠানিকভাৱেই হওক যিকোনো বিষয়ৰ শিক্ষা প্ৰদান কৰিবলৈ যাওঁতে শিশুৰ মনক অধ্যয়ন কৰি তেওঁলোকৰ বয়স, মানসিক ক্ষমতা আৰু ৰুচিৰ ওপৰত নিৰ্ভয় কৰি কাৰ্যক্ৰমণিকা প্ৰস্তুত কৰি ল'ব লাগিব। পৰৱৰ্তী সময়ত শিক্ষণ-শিকন কাৰ্য ফলপ্ৰসু কৰিবলৈ পৰ্যায়ক্ৰমে উপযুক্ত কৌশল আৰু পদ্ধতিৰ সহায়ত কাৰ্যাৱলীসমূহ আগবঢ়াই নিব লাগিব। শিশুৱে আখৰ লিখা-পঢ়া কৰিবলৈ আগ্ৰহ প্ৰকাশ নকৰাৰো কিছুমান কাৰণ আছে। প্ৰাথমিক পৰ্য্যায়ত শিশুক বৰ্ণক্ৰম পদ্ধতিৰে হাতৰ আখৰ লিখিবলৈ শিকোৱা হয়। বৰ্ণক্ৰম পদ্ধতিত প্ৰথমতে বৰ্ণমালাৰ স্বৰ বৰ্ণ তাৰ পিছত ব্যঞ্জন বৰ্ণ শিকোৱা হয়। এই পদ্ধতিত তেওঁলোকক একোটা বিশেষ আখৰ লিখি দিয়া হয় আৰু সেই আখৰ অনুসৰি শিশুৱে লিখিবলৈ অভ্যাস কৰে। এই পদ্ধতি অবৈজ্ঞানিক। মনস্তাত্বিক দৃষ্টিৰে বিশ্লেষণ কৰি চালে দেখা যায় শিশুৱে সেই অৰ্থহীন আখৰবোৰ লিখি একো আনন্দ অনুভৱ নকৰে কাৰণ এই আখৰবোৰৰ লগত শিশুৰ বাস্তৱ জীৱনৰ অভিজ্ঞতাৰ কোনো সম্পৰ্ক নাথাকে। ফলস্বৰূপে আখৰ লিখা-পঢ়া কৰিবলৈ তেওঁলোকে আগ্ৰহ প্ৰকাশ নকৰে। হাতৰ-আখৰ লিখিবলৈ শিকোৱা অন্যতম পদ্ধতি হৈছে ভাষাক্ৰম

পদ্ধতি। ভাষাক্ৰম পদ্ধতি অনুসৰি শিশুৱে প্ৰথমে মৌখিকভাৱে ভাষাজ্ঞান আয়ত্ব কৰিব যেনে—ভাষাৰ ব্যৱহাৰ, আখৰৰ আকাৰ আৰু ভাষাৰ অৰ্থ সমন্ধে কিছু জ্ঞান লোৱাৰ পাছত হাতৰ আখৰ লিখিবলৈ শিকিব। ভাষাক্ৰম পদ্ধতি অনুযায়ী শিশুৰ পৰিচিত সহজ-সৰল শব্দৰ জৰিয়তে বৰ্ণমালা শিকাব পাৰি। এই পদ্ধতি শিক্ষাতত্ত্ব আৰু মনোবিজ্ঞানৰ ভিত্তিত প্ৰতিষ্ঠিত ।

শিশুৰ শিক্ষাদান প্ৰক্ৰিয়াৰ লগত মনোবিজ্ঞানৰ এক এৰাব নোৱাৰা সম্পৰ্ক আছে । মনোবিজ্ঞান অধ্যয়নৰ এটা গুৰুত্বপূৰ্ণ বিষয় হৈছে ভাষা আহৰণ অৰ্থাৎ ভাষা শিশুৱে কেনেকৈ শিকে? শিশুৰ দৈহিক, মানসিক আৰু সংজ্ঞানাত্মক বিকাশৰ লগত ভাষা আহৰণ, প্ৰক্ৰিয়াটো সাঙোৰ খাই আছে। ভাষা হৈছে, এটা বৌদ্ধিক আহিলা যাৰ সহায়ত কোনো ব্যক্তিয়ে প্ৰণালীবদ্ধভাৱে চিন্তা, কল্পনা আৰু পৰিকল্পনা কৰিব পাৰে। প্ৰাথমিক পৰ্যায়ত ভাষাৰ অবিহনেও মানসিক বিকাশ হ'ব পাৰে যদিও পাছৰ সময়খিনিত ভাষাই মানসিক বিকাশত বিশেষভাৱে প্ৰভাৱ বিস্তাৰ কৰে। ভাষাৰ যোগেদি ভাবৰ-আদান প্ৰদান হয়। শিশুৰ বৌদ্ধিক বিকাশৰ কাৰণে ভাবৰ আদান-প্ৰদান অতি আৱশ্যকীয়। ৰুচ মনোবিজ্ঞানী ভাইগটস্কি **(Lee Semonovitch Vygotsky)**-এ বিশ্বাস কৰে যে শিশুৰ ভাষাৰ বিকাশ আৰু বৌদ্ধিক বিকাশ দুটা স্বতন্ত্ৰ প্ৰক্ৰিয়া। তেওঁৰ মতে শিশুৰ অন্ততঃ দুবছৰ বয়সলৈকে ভাষাৰ বিকাশ আৰু বৌদ্ধিক বিকাশ এই দুয়োটা পদ্ধতি পৃথক হৈ থাকে। পৰৱৰ্তী সময়ত ভাষাৰ জৰিয়তে শিশুৱে চাৰিওফালৰ পৰিৱেশৰ পৰা জ্ঞান, ধ্যান-ধাৰণা আদি আহৰণ কৰে আৰু সেইবোৰে শিশুৰ বৌদ্ধিক বিকাশত সহায় কৰে। সেইকাৰণে তেখেতে ভাষাক শিশুৰ বৌদ্ধিক বিকাশৰ অবিচ্ছেদ্য অংগ বুলি গণ্য কৰে। কোনো কোনো পণ্ডিতে মত পোষণ কৰে যে, শিশুৱে বয়স্কসকলৰ পৰা ভাষা অনুকৰণ কৰি আয়ত্ব কৰে। শিশুৱে জন্মৰ পিছৰ পৰাই ভাষা আনে কোৱা শুনে আৰু চাৰি-পাঁচমাহ মান বয়সত শিশুৱে কলকলাবলৈ আৰম্ভ কৰে। কলকলনিৰ যোগেদি শিশুৱে ভাষা ক'বলৈ ব্যৱহৃত হোৱা অংগসমূহৰ অৰ্থাৎ বাগিন্দ্ৰিয়ৰ অনুশীলন কৰে। এই কলকলনিৰো এটা নিৰ্দিষ্ট পদ্ধতি আছে। পৃথিৱীৰ সকলো শিশুৱে কিছুমান ধ্বনি যেনে— বা-বা, মা-মা, দা-দা আদি ধ্বনিবোৰ নিৰ্দিষ্ট ক্ৰমত উচ্চাৰণ কৰা দেখিবলৈ পোৱা যায়। শিশুৱে প্ৰথমে সদায় সহজে উচ্চাৰণ কৰিব পৰা ব্যঞ্জন ধ্বনিৰ লগত এটা স্বৰ ধ্বনি উচ্চাৰণ কৰে। বয়স বাঢ়ি অহাৰ লগে লগে প্ৰায় দুবছৰ মানৰ ভিতৰত শিশুৱে শুনি থকা মাতৃভাষাৰ শব্দৰ উপযুক্ত ব্যৱহাৰ কৰিব পৰা হয়। এই ক্ষেত্ৰত শিশুৱে বয়স্কসকলক অনুকৰণ কৰি মাতৃভাষা শিকে বুলি আমি মানি ল'ব লাগিব। কেতিয়াবা শিশুৱে কোনেও ব্যাকৰণৰ নিয়ম শিকাই নিদিয়াকৈয়ে নিজে কিছুমান নিয়ম শিকি "দেউতাই মোক মৰম কৰে", "দেউতা আজি ঘৰত নাই" আদি বাক্য ক'বলৈ লয়। অৰ্থাৎ "দেউতাই" আৰু "দেউতা" কোন প্ৰসঙ্গত ব্যৱহাৰ হ'ব শিশুটিয়ে জানে। এই কথাই প্ৰমাণ কৰে যে শিশুৱে কেৱল অনুকৰণ কৰিয়েই ভাষাৰ এই সূক্ষ্ম কথাবোৰ আৰু অন্তহীন বাক্যবোৰ হয়তু আয়ত্ত কৰিব নোৱাৰে। তেওঁলোকে নিজৰ পৰিৱেশত শুনি থকা ভাষাৰ মাজত লুকাই থকা ব্যাকৰণৰ নিয়মবোৰ নিজে আৱিষ্কাৰ কৰি লয় আৰু সেই নিয়মবোৰ অজানিতেই তেওঁলোকৰ মজ্জাগত **(internalized)** হৈ যায়। ভাষাবিজ্ঞানীয়ে ভাষা এটা বিশ্লেষণ কৰোঁতে যেনেদৰে ভাষাৰ নিয়মবোৰ বিশ্লেষণ কৰে তেনেদৰে নিজে গ'ম নোপোৱাকৈয়ে শিশুৱেও ভাষা বিজ্ঞানীৰ দৰে

কাম কৰে। সেয়ে ভাষাতত্ত্ববিদ নৌম চমস্কিয়ে শিশুক **Linguistics in the cradle** বুলি অভিহিত কৰিছে। শিশুৱে ভাষাৰ নিয়মবিলাক সঠিকভাৱে প্ৰয়োগ কৰিলেও কেতিয়াবা অশুদ্ধ শব্দও বাক্যত ব্যৱহাৰ কৰা দেখা যায়। এজন অসমীয়া শিশুৱে আৱিষ্কাৰ কৰি লয় যে— 'ন' বা 'না' শব্দৰ আগত ব্যৱহাৰ কৰিলে নিষেধাত্মক অৰ্থ প্ৰকাশ কৰে। তেনে নিয়ম ৰক্ষা কৰি-যায়-নাযায়, কৰে-নকৰে আদি প্ৰয়োগ কৰে। ভাষাত থকা ব্যতিক্ৰমবোৰৰ সম্পৰ্কে অৱগত নোহোৱাৰ কাৰণে একে নিয়মকে প্ৰয়োগ কৰিবলৈ গৈ শিশুৱে 'পাৰে'ৰ বিপৰীতে 'নাপাৰে' বুলিও কোৱা শুনিবলৈ পোৱা যায়। কেতিয়াবা শিশুৱে আনে নোকোৱা, আনৰ পৰা নুশুনা নতুন বাক্য ব্যৱহাৰ কৰিও সৃজনিশীলতাৰ পৰিচয় দিয়ে। ইয়াৰ পৰা জানিব পাৰি শিশুৱে বয়স্কলোকৰ ভাষা অন্ধভাৱে অনুকৰণ নকৰে, নিজে আৰ্জন কৰা ভাষা জ্ঞান বাস্তৱত যিকোনো পৰিস্থিতিত ব্যৱহাৰ কৰাৰ ক্ষমতা শিশুৱে জন্মগতভাৱে লাভ কৰে। ভাষা নিয়ন্ত্ৰণ কৰে মগজুৱে। সেয়েহে ভাষা বিকাশৰ বাবে শিশু জৈৱিকভাৱে পৰিপক্ক হোৱা প্ৰয়োজন।

শিশুৰ ভাষা আহৰণ প্ৰক্ৰিয়া জন্মগত হোৱাৰ হেতুকে শিশুৱে মাতৃভাষা স্বাভাৱিক বিকাশৰ প্ৰক্ৰিয়াতে শিকিব পাৰে। তথাপিও ভাষা এটা সম্পূৰ্ণভাৱে আয়ত্ব কৰিবলৈ বিশেষভাৱে প্ৰয়োজন হয় অনুৰুক্তি **(motivation),** অভ্যাস **(Drill),** অনুকৰণ **(immitation)** আৰু দ্বিৰুক্তি **(repetition)**। শিশুৱে খেলি ভাল পায়। সেয়েহে উচ্চাৰিত ধ্বনি আৰু শব্দ লৈ সিহঁতে নিজৰ আৰু আনৰ সৈতে খেলে আৰু খেলৰ মাজেৰে ভাষাৰ অনুশীলন কৰে। ভাষা শিক্ষণত শিশুৰ বয়সৰ উপযোগীকৈ ধ্বনি আৰু শব্দৰ লগত খেলিব পৰা খেল প্ৰস্তুত কৰি ল'ব পাৰিলে ভাষা শিক্ষণ অধিক কাৰ্যকৰী, আকৰ্ষণীয় আৰু আনন্দদায়ক হয়। তাৰোপৰি তেওঁলোকৰ বাস্তৱ জীৱনৰ অভিজ্ঞতাৰ লগত সম্পৰ্ক ৰক্ষা কৰি কাহিনী সজাই নাইবা উপমাৰ সহায়ত শিক্ষণীয় বিষয়টো উপস্থাপন কৰিলে তেওঁলোকৰ মনত আগ্ৰহ, উৎসাহ আৰু অনুপ্ৰেৰণা জন্মিব লগতে মন-মগজুও সক্ৰিয় হৈ থাকিব। শিশুক বিভিন্ন ধ্বনি আৰু আখৰৰ ব্যৱহাৰৰ কথা শিকাওতে শিক্ষণৰ মূলসূত্ৰসমূহ উপযুক্তভাৱে প্ৰয়োগ কৰাটো অতি প্ৰযোজন। সৰলৰ পৰা জটিললৈ অগ্ৰসৰ হোৱা, জনা কথাৰ পৰা নজনা কথালৈ, উদাহৰণৰ পৰা সূত্ৰলৈ আগবঢ়া আদি হৈছে শিক্ষণৰ মূলসূত্ৰ। শিশুৰ দৈনন্দিন জীৱনত পৰিচিত কিছুমান জনা কথাৰ সহায়ত নজনা কথাবোৰ উপস্থাপন কৰি বিশ্লেষণ কৰিব পাৰিলে শিকণ সুদৃঢ় হয়। উদাহৰণস্বৰূপে— অসমীয়া ভাষাৰ ধ্বনি আৰু আখৰ ব্যৱহাৰৰ বিষয়ে শিকাবলৈ যাওঁতে এনেধৰণৰ কিছুমান কৌশলৰ সহায় ল'ব পাৰি । অসমীয়া ভাষাৰ স্বৰ ধ্বনি ঔ (অউ) আৰু ঐ (অই) ধ্বনি দুটাক দ্বি-স্বৰ ধ্বনি বুলি কোৱা হয় কাৰণ একেটা নিশ্বাসতে দুটা স্বৰ-ধ্বনি একেলগে উচ্চাৰিত হৈ যদি এটা অক্ষৰত পৰিণত হয়; তেনেহ'লে তাক দ্বি-স্বৰ ধ্বনি বোলে। ইয়াত অ আৰু ই ধ্বনি সংযোগত ঐ আৰু অ আৰু উ ধ্বনিৰ সংযোগত ও ধ্বনিৰ সৃষ্টি হৈছে। অৰ্থাৎ এটা অক্ষৰ উচ্চাৰণ কৰোঁতে দুটা স্বৰ ধ্বনি একেলগে উচ্চাৰিত হয়। তাকে সহজ কৰি দৈনন্দিন জীৱনত ব্যৱহৃত 'এক গুলিত দুই চিকাৰ' বাক্যাংশাৰীৰে বিষয়বস্তুটো বুজাই দিব পাৰিলে তেওঁলোকে আনন্দৰ মাজেৰে এই শিক্ষা গ্ৰহণ কৰিব পাৰিব। অসমীয়া ভাষাৰ বানান পদ্ধতিত কিছুমান আখৰ সকলো স্থানতে ব্যৱহাৰ নহয়। আমি জানো যে ঙ, ণ, ড়, ঢ়, য়, ৰ, ৎ, ং, ঃ, ঁ আদি আখৰবোৰ বানানত শব্দৰ আগত ব্যৱহাৰ নহয়। সেই

কথাটোকে যদি সহজ ভাষাত কাহিনীৰ আকাৰে ক'বলৈ বিচাৰো 'ঙ, ণ, ড়, ঢ়, য়, ৰ, ৎ, ং, ঃ, ঁ' আদি আখৰকেইটা বৰ ভয়াতুৰ শব্দৰ আগত সিহঁত বহিব নোৱাৰে। সাহসী নহয় কাৰণে আগত যাব নোৱাৰি এই আখৰকেইটা শব্দত দুটা আখৰৰ মাজত বা শেষত অৱস্থান কৰে। তাৰ মাজৰে ৎ, ং, ঃ, ঁ এই আখৰকেইটাৰ অন্য এটা গুণ হ'ল ইহঁত দুৰ্বল। সিহঁতে মাত্ৰাৰ বোজা একেবাৰে সহিব নোৱাৰে। মাত্ৰা ব্যৱহাৰ কৰাৰ লগে লগে ৎ আৰু ং-এ ৰূপ সলনি কৰি (উচ্চাৰণ একে ৰাখি) 'ৎ' ই 'ত' আৰু 'ং' ই 'ঙ'-ৰ আকাৰ লয়। ৰূপ সলনি কৰিলেও উচ্চাৰণ কিন্তু একে থাকে। তেনেদৰে 'ং' (অনুস্বাৰ), 'ঃ' (বিসৰ্গ) ই স্বৰ আৰু ব্যঞ্জনক সাৰথি কৰি পাছত বহিব পাৰে। স্বৰ ধ্বনিৰ পাছত বহে কাৰণে 'অনুস্বাৰ' (অনু মানে পিছত)। কপৌফুলক পৰজীৱি উদ্ভিদ বুলি কোৱা হয়। কাৰণ এই উদ্ভিদবিধক গা-গছ বা অন্য খোপনি ধৰিব পৰা আশ্ৰয়ৰ প্ৰয়োজন। তেনেদৰে অসমীয়া বৰ্ণমালাৰ অপৰিহাৰ্য অঙ্গ হ'লেও ঁ (চন্দ্ৰবিন্দু)য়ে আশ্ৰয় নহ'লে স্বতন্ত্ৰভাৱে উচ্চাৰিত হ'ব নোৱাৰে, ই সদায় স্বৰৰ আশ্ৰয়তহে স্থিতি ল'ব পাৰে। তেনেহ'লে ঁ (চন্দ্ৰবিন্দু)ক পৰজীৱি উদ্ভিদ কপৌফুলৰ লগত তুলনা কৰিব পাৰো। অসমীয়া বৰ্ণমালাৰ 'য়' আৰু 'ৱ' ক অৰ্ধ-স্বৰ **(Semi-Vowel)** বুলি কোৱা হয় ।ব্যঞ্জনৰ তালিকাত অন্তৰ্ভুক্ত হৈ আছে যদিও দুয়োটাই (য়, ৱ) স্বৰ আৰু ব্যঞ্জনৰ মধ্যৱৰ্তী অৱস্থানত উচ্চাৰিত হয়। তাকে সহজভাৱে বুজাবলৈ অৰ্ধ-স্বৰক 'গধুলি বেলা' ৰ লগত তুলনা কৰিব পৰা যায়। যেনেদৰে দিন আৰু ৰাতিৰ মাজৰ সময় খিনিক 'গধুলি' (গধুলি ঃ সং.গো-ধুলি, ঘৰলৈ গৰু-গাই চপাই অনাৰ সময়, বেলি মাৰ যোৱাৰ সময়) বোলা হয় তেনেদৰে স্বৰ আৰু ব্যঞ্জনৰ মধ্যৱৰ্তী স্থানত উচ্চাৰণ হোৱাৰ কাৰণে 'য়' আৰু 'ৱ'-ক অৰ্ধ-স্বৰ বুলি কোৱা হয়। আমাৰ ঘৰৰ ওচৰৰ প্ৰাথমিক বিদ্যালয়ত পঢ়ি থকা ল'ৰাজনে 'ঙ' আখৰটো মনত ৰাখিব নোৱাৰি সদায়েই লিখোতে ভুল কৰে। এদিন তেওঁক খুউব মৰমেৰে মই ক'লোঁ— আমাৰ নামঘৰত যে পাগুৰি মাৰি ভকতজন বহি থাকে, 'ঙ' আখৰটোও দেখিবলৈ তেনেকুৱা। গাঁৱৰ ল'ৰা হোৱাৰ কাৰণে পাগুৰি মৰা ভকতৰ লগত তাৰ চিনাকি আছে আৰু উপমাটোৰ লগত 'ঙ' আখৰটোৰ আকৃতিটো নিজে মিলাই ল'ব পাৰিলে। সেয়ে উপমাৰ সহায়ত আখৰটো মনত ৰাখিবলৈ সুবিধা হ'ল আৰু পুনৰ 'ঙ' আখৰটো তেওঁ নাপাহৰা হ'ল । এয়া মাথোন কেইটামান সামান্য উদাহৰণহে।

ভাষা শিক্ষণ কাৰ্য সুচাৰুৰূপে আগুৱাই নিবলৈ যথেষ্ট সুবিধা, সহযোগ আৰু উপযুক্ত পৰিৱেশৰ প্ৰয়োজন। সেই হেতুকে শিক্ষক-অভিভাৱকসকলে অভিৰুচি আৰু প্ৰণালীবদ্ধভাৱে শিক্ষণৰ সূত্ৰসমূহ যথাযথভাৱে প্ৰয়োগ কৰি ভাষা শিক্ষা দিব পাৰিলে শিক্ষণ-শিকণ প্ৰক্ৰিয়া সহজ আৰু সুচল হৈ পৰিব। ❑

সহায়ক গ্ৰন্থপঞ্জী ঃ ১। নগেন ঠাকুৰ **(পালি-প্ৰাকৃত-অপভ্ৰংশ ভাষা আৰু সাহিত্য)**

২। ড° উপেন্দ্ৰনাথ গোস্বামীঃ **(ভাষা-বিজ্ঞান)**

৩। মদন শৰ্মা ঃ **(অসমীয়া মাতৃভাষা শিক্ষণ পদ্ধতি)**

৪। নাহেন্দ্ৰ পাদুন (সম্পাদিত)ঃ **(ভাষাৰ তত্ত্ব-কথা)** আদৰণি সমিতি, অসম সাহিত্য সভাৰ ঊণষষ্ঠিতম অধিৱেশন, শিৱসাগৰ।

# Empowerment of Women in Modern Society

Dr. Krishna Bor Gohain
Assistant Professor
Department of English
Dhemaji Girls' College

**Introduction :**

"An enlightened women is a source of infinite energy"
– Swami Vivekananda

Women constitute a large number of poor, unemployed, socially and economically backward groups in our society. In rural areas especially, women are deprived of their economic status. Women are the most vulnerable group affected by poverty. All over the world women are known for their hard work and their contribution to family. The rural women can be regarded as the backbone of India's economy because basically India is an agricultural country and women are the main labour-force working in the agricultural fields besides doing their daily household duties.

The well known Indian actress and entrepreneur Preity Zinta once in her acceptance speech at the University of East London, mentioned that she was grateful to her parents for being supportive of her interests and emphasized on the importance of women empowerment. She said "……. I would like to rewind and go when I was a little girl, my father, he always told me that Indian girls, when they are little, they are dependent on their fathers' when they are married they are dependent on their husbands and when they are older they are dependent on their sons. So, I do not want you to be like that. I want you to be independent. I want you to have a mind of your own. And the only way you can do that is if you are financially independent, you can work. So I always had that mindset that I wanted to work…….."

**What is women empowerment :**

The words "Women empowerment" are made up of two words " women" and "power". Giving someone power or authority is referred to as empowerment. The term "women empowerment" means the act or action of empowering someone or something: the granting of the power, right or authority to perform various acts or duties. It means that people are equal citizens. They are respected and confident in their communities.

According to World Vision of Australia women's empowerment can be defined to promoting women's sense of self-worth, their ability to determine their own choices, and their right to influence social changes for themselves and others.

According to European Institute for gender equality "women's empowerment has five components: women's sense of self worth; their right to have and to determine choices; their right to have access to opportunities and resources ; their right to have power to control their own lives, both within and outside the home; and their ability to influence the direction of social change to create a more just social and economic order nationally and internationally.

Women's empowerment may be defined in several ways, including accepting women's view points, making an effort to seek them and raising the status of women through education, awareness literacy and training.

The origin of the concept of empowerment go back to the civil rights movement in the USA in the 1960. It has since then been interpreted differently and filled with new meanings and is today used in such different sectors as business, social work, development discourses and by advocates of very different political agendas. The empowerment of women is located within the discourse and agenda of gender equality and is increasingly being taken in the agendas of international development organizations perhaps more as a means to achieve gender equality than as on end in itself.

Need for Women Empowerment:

The status of women in India has been subject to many great changes over the past few millenniums. In early vedic period women enjoyed equal status with men. Rig-veda and Upanishads mention several names of women sages and seers notably Gargi and Maitri. However later, the status of women began to deteriorate approximately from 500 B.C. the situation worsened with invasion of Mughals and later on by European invaders. There are some other articles too which ensure rights of women e.g. no discrimination by the state [Article 15(1)] equality of opportunity (Article 16) etc. Feminist activism picked up momentum in India during later 1970s. No doubt women have the potentials to achieve an equal footing with men. But it is the social practices and male attitudes that are making an effective and invisible barrier preventing women from rising

above a certain point.

According to the Chairperson of Child Right Commission, Professor Rameshwari Pandya (2008) Empowerment has become the key solution to many social problems. Empowerment of women leads to benefit not only to the individual woman and to women groups, but also to the families and community as a whole through collective action for development.

Women need to gain the amount of power that men have. In India, women are still facing different obstacles in male-dominated cultures. The things are related to women's status and their future. Women are still victim of abuse and violent crimes. According to Global survey conducted by Thomson Reuters, India is the fourth most dangerous country in the world and worst country for women to live amongst in the G20 countries. There are so many maternal deaths and millions of girl children are aborted in India. Hence there is a need for upliftment of women socially, economically and politically. The ground reality is deprivation, degration and exploitation of women specially women from rural areas and those belonging to deprived sectors of the society.

Feeling the need of women empowerment the conscious constitutional Framers ensured that the principle of Gender Equality is enshrined in the Indian Constitution in its Preamble, Fundamental duties and Directive Principles. Moreover, the Constitution also empowers the states to adopt measures of positive discrimination in favor of women. The Ministry for Women and Child Development was established. The National Policy for the empowerment of women (2001) was an important step taken by the government of the time for accelerating the pace of women empowerment. The Swayamsidha Programme and STEP (a Programme of Support to Training-cum-Employment for women) are important programmes. Some other schemes namely Beti Bachao Beti Padhao, One-Stop Centre, Women Helpline Scheme and Ujjawala are some schemes for women empowerment.

**How to empower women :**

Here I would like to tell before you two stories of two brave and successful ladies who inspire me a lot. One is Muniba Mazari, the Iron lady of Pakistan and the other is IAS officer Savita Pradhan. Muniba got married at the age of 18 but faced an unhappy and abusive marriage. Her life took a dramatic turn in 2007 when she was involved in a terrible car accident that left her paralyzed from the waist down. At the age of 21, she found herself confined to a wheel chair, facing a future drastically different from the one she had imagined. Doctors said she would never walk, paint, or have children. Her husband divorced her after the accident. She chose to embrace her life and turn her tragedy into opportunity; began painting in the hospital, founded "Muniba's canvas", adopted a

son named Nael, becoming single mother.

She became Pakistan's first wheelchair using model, working for brands like Pond's. She was chosen by Pond's as Pond's Miracle woman. She was appointed national ambassador for UN women Pakistan and UNICEF goodwill ambassador. She also became a singer and a television host for Pakistan Television. Her journey has inspired millions worldwide with her message of hope.

Muniba Mazari says, "I believe in the power of words, many people speak before they think. But I knew the value of words. They can heal your soul. They can damage you forever. So I always try to use positive words in my life wherever I go. They call it adversity. I call it opportunity. They call it weakness, I call it strength. They call me disabled. I call myself differently abled. They see my disability, I see my ability. There are some incidents that happen in your life and those incidents are so strong, they change your DNA. Those incidents or accidents are so strong that they break you physically. They deform your body. But they transform your soul. The real happiness does not lie in money or success or fame but on gratitude." So be grateful, be alive and live every moment."

She proved that determination overcome adversity while disability overcomes hidden potential.

Another story is of Savita Pradhan whose journey starts from domestic violence survivor to IAS officer. This story of Savita Pradhan tells about how despite facing unimaginable challenges, she become an IAS officer. Her journey is a testament to the indomitable spirit that triumphs over adversity. Despite facing unimaginable challenges including domestic violence, battling personal demons leading to an attempt to end her life and working tirelessly at a beauty parlour to make ends meet, Savita emerged as a beacon of resilience and determination.

Born into a tribal family, in Mandai village, Madhya Pradesh, Savita faced financial challenges that hindered her educational pursuits. Despite this, scholarship during her schooling became the pivotal reason her parents allowed her to continue her studies. Remarkably she became the first girl in her village to complete class 10. Her academic interests leaned towards science nurturing dreams of becoming a doctor. At the age of 16 years old, as she neared the completion of her education, a wealthy family proposed marriage, drastically altering the course of her life.

Following her marriage, Savita found herself in a distressing situation with her inlaws, endowing a series of degrading restriction at home. These limitation included being deprived of the simple act of sharing meals at the dinner table and relegated instead to eating her meal only after everyone had finished. There were instances when she ran out of food and was forbidden from preparing more for herself Resorting to desperate mea-

sures, she sometimes had to take her meal to the bathroom to eat in solitude. Moreover, she was prohibited from expressing joy freely and was bound by a rule of laughing aloud.

In addition to these demeaning circumstances, Savita's husband was abusive, subjecting her to physical violence and death threats. Despite bearing two children, the cycle of assault and harassment persisted relentlessly with her in-laws. After enduring unbearable torment, Savita reached a breaking point and made the harrowing decision to end her life. One fateful day, as she stood on the brink, her mother-in-law observed her from a window while she prepared to hang herself from the ceiling fan.

Despite this chilling sight, Savita's mother-in-law remained a silent spectator offering no intervention or help. It was at that moment of turmoil that Savita came to a stark realization - sacrificing her life for individuals who showed no regard for her well-being was an exercise in futility. Determined to break free from the oppressive environment, Savita made a courageous choice to leave her home. She carved a path forward by establishing a beauty salon and offering tuition to children, tirelessly striving to make ends meets. Throughout the ardous journey, her family provided unwavering support, encouraging her as she enrolled in a B.A. programme in Public Administration.

Displaying exceptional dedication and perseverance, Savita not only pursued her studies but excelled, achieving the top position in the examinations in Bhopal. Later on, she discovered the opportunity to appear for the state Civil Services examination and undertook the challenges, successfully cracking it on her initial attempt. At the age of 24 she secured the esteemed position of chief municipal officer. Following her divorce Savita's life took another turn. She steadily ascended the ranks within the government hierarchy, currently holding the esteemed role of joint director of urban administration for Gwalior and Chambal regions.

She also has a YouTube channel called "Himmatwali Ladkiya". Her awe-inspiring tale is not just about cracking the prestigious UPSC (Union Public Service Commission) exams, it is a saga of unwavering courage, unwavering persistence and unyielding faith in her dreams against all odds. Savita's story is a powerful reminder that, with unwavering dedication and unbreakable spirit, one can overcome even the darkest moments and achieve the seemingly impossible.

By the above two stories we found that the greatest thing one must possess is self control. If one has the capacity to control the situation, she can manage her thereafter. In her first International Women's Day Muniba shares: "No one can empower a woman but herself, when you empower yourself you empower your whole generation."

Education is one of the vital factors for the upliftment of women. Unless and until Savita obtains her education she could not be able to become an IAS Officer. The Gov-

ernment is always trying to improve the condition of women. The different schemes by Government have been mentioned above. The first and foremost priority should be given to the education of women, which is the grassroots problem. According to Mahatma Gandhi, " If you educate a man you educate an individual, but if you educate a women you educate an entire family." Education is a powerful tool of social transformation. Hence, education for women has to be paid special attention. Women should be allowed to work and should be provided enough safety and support to work. Through economic empowerment women's emancipation could be realized. Strict implementation of programme and acts should be there to curb the mal-practices prevalent in the society. Strict measures should be taken for the implementation of present diagnostic techniques Act 1994, which prohibits any prenatal diagnostic techniques and sex selection abortions. Dowry prohibition acts and other legislations pertaining to women emancipation must be implemented strictly.

**Conclusion :**

The expectations regarding the women of the new millennium are very high. There is no chance for the welfare of the world unless the condition of women is improved. It is not possible for a bird to fly on only one wing, said Swami Vivekananda. But through centuries societies in the world over have been trying to fly on only one wing denying women their rightful place.

The empowerment of women has become one of the most important concerns of 21st century not only at national level but also at the international level. Government initiatives alone would not be able achieve goal. The whole society must take initiative to create a climate in which there is no gender discrimination, women have opportunities for self decision making and participating in the social, political and economic life of the country with a sense of equality. At last we expect that there would not be any need of the term 'women empowerment' in future. ❑

**References :**

1. Pawar, M.R. : Women Empowerment Issue and Challenges
2. Kashyap, Rajni : Empowerment and status of women in Modern India.
3. Devi, Dr. Namita : Empowerment of Rural Women
4. From various websites.

# প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে কেনেকৈ প্ৰস্তুতি চলাব পাৰি?

ড° বুলজিৎ বুঢ়াগোহাঁই
কেৰিয়াৰ পৰামৰ্শদাতা তথা
মুৰব্বী, যান্ত্ৰিক অভিযান্ত্ৰিক বিভাগ,
অসম ডন বস্ক' বিশ্ববিদ্যালয়

আজিকালি প্ৰতিবছৰে সৰ্বভাৰতীয় বা ৰাজ্যিক পৰ্যায়ত বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষা অনুষ্ঠিত হয়। এনে পৰীক্ষাসমূহৰ প্ৰস্তুতি চলোৱাৰ আগতে শিক্ষাৰ্থীসকলে অফিচিয়েল ৱেবছাইট গৈ পৰীক্ষাৰ আৰ্হি বিতংকৈ বুজি ল'ব লাগে আৰু উপযুক্ত অধ্যয়ন সামগ্ৰী সংগ্ৰহ কৰি পৰীক্ষাসমূহ বাবে প্ৰস্তুতি চলাব লাগে। শিক্ষাৰ্থীসকলে সঘনাই বিভিন্ন কিতাপৰ পৰা যথেষ্ট তথ্য আহৰণ কৰে, যিবোৰ বেছিভাগ অপ্ৰাসংগিক আৰু অপ্ৰয়োজনীয়। এই অভ্যাস পৰিহাৰ কৰিব লাগে। পাঠ্যপুথিৰ প্ৰতিটো শাৰী পঢ়িব লাগিব, ধাৰণাসমূহ বুজি ল'ব লাগিব আৰু মুখস্থ কৰিব লাগিব। প্ৰতিযোগিতামূলক পৰীক্ষাসমূহত উত্তীৰ্ণ হ'বলৈ কোচিং লোৱাটো প্ৰয়োজনীয় বুলি বহুতৰে মনত এক ভুল ধাৰণা থকা দেখা যায়। কিন্তু এনেবোৰ পৰীক্ষাত উত্তীৰ্ণ হ'বৰ বাবে কোচিং ল'বই লাগিব বুলি কোনো কথা নাই। শিক্ষাৰ্থীসকলে ছিলেবাছ অনুসৰি নিয়মীয়াকৈ অধ্যয়নৰ উপৰিও পুৰণি প্ৰশ্নকাকত সমূহ কম আৰু নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত সমাধান কৰিবলৈ চেষ্টা কৰিলেও উত্তীৰ্ণ হোৱাত সহায় হ'ব।

ছিলেবাছ অনুসৰি বিষয়সমূহ পুনৰীক্ষণ কৰিলে শিক্ষাৰ্থীসকলে পৰীক্ষাত যিকোনো ধৰণৰ প্ৰশ্নৰ উত্তৰ কৰিবলৈ অধিক আত্মবিশ্বাস অৰ্জন কৰাত সহায় কৰিব। সময়মতে পুনৰীক্ষণ কৰিলে এজন শিক্ষাৰ্থীৰ পৰীক্ষাৰ সময়ত হোৱা উদ্বেগ আৰু মানসিক চাপৰ মাত্ৰা হ্ৰাস কৰাত সহায় কৰে। শিক্ষাৰ্থীসকলে এক কঠোৰ ৰুটিন মানি চলিব লাগিব। শিক্ষাৰ্থীসকলে সময় ব্যৱস্থাপনাৰ অভ্যাস কৰিব লাগিব। শিক্ষাৰ্থীসকলে ইন্টাৰনেটৰ পৰা সহায় লোৱাৰ উপৰিও প্ৰতিযোগিতামূলক পৰীক্ষাসমূহত উত্তীৰ্ণ হোৱা সকলৰ পৰা দিহা-পৰামৰ্শ গ্ৰহণ কৰিলেও উপকৃত হ'ব।

ম'ক (Mock) পৰীক্ষাৰ যোগেদিও পৰীক্ষাৰ বিন্যাসৰ সৈতে পৰিচিত হোৱাত সহায় কৰে।

ম'ক পৰীক্ষাৰ ডিজাইন এনেদৰে কৰা হয় যাতে আবেদনকাৰীয়ে পৰীক্ষাৰ অনুভৱ কৰিব পাৰে। পৰীক্ষাৰ সমস্যাবোৰ সমাধান কৰাটো সহজ হয় যেতিয়া ইয়াৰ প্ৰস্তুতি পৰীক্ষা কৰা হয়। কিন্তু কম সময়ৰ ভিতৰতে সকলোবোৰৰ উত্তৰ দিয়াটো প্ৰত্যাহ্বানজনক। শিক্ষাৰ্থীসকলে নিৰ্দিষ্ট সময়ৰ ভিতৰত নমুনা সমস্যা সমাধানৰ চেষ্টা কৰি প্ৰকৃত পৰীক্ষাৰ পৰিৱেশত নিজৰ প্ৰদৰ্শন উন্নত কৰিব পাৰে।

এই প্ৰতিযোগিতামূলক পৰীক্ষাসমূহৰ কিছুমানত সাধাৰণ জ্ঞানৰ পৰীক্ষাও লোৱা হয়। সাধাৰণ জ্ঞান দুই প্ৰকাৰত ভাগ কৰিব পৰা যায়। পৰম্পৰাগত সাধাৰণ জ্ঞান (Traditional General Knowledge) আৰু সাম্প্ৰতিক ঘটনা প্ৰবাহ (Current Affairs)। সাধাৰণ জ্ঞান যিহেতু একে দিনাই গোটোৱা সম্ভৱ নহয় ইয়াৰ বাবে শিক্ষাৰ্থীসকলৰ দীঘলীয়া প্ৰস্তুতিৰ প্ৰয়োজন। পৰম্পৰাগত সাধাৰণ জ্ঞান আহৰণ কৰিবলৈ বিদ্যালয়ৰ প্ৰথম শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈকে সকলো বিষয়ৰ পাঠ্যপুথি আৰু এই সকলোবোৰ বিষয়ৰ আনুষংগিক প্ৰসংগ পুথি অধ্যয়ন কৰিব লাগিব। সাম্প্ৰতিক ঘটনা প্ৰবাহৰ জ্ঞান আহৰণ কৰিবৰ বাবে দৈনিক বাতৰি কাকত তথা বিভিন্ন আলোচনীৰ নিয়মীয়াকৈ পঢ়াৰ অভ্যাস গঢ়ি তুলিব লাগিব। যিহেতু, দৈনিক বাতৰি কাকত এখনৰ প্ৰথম পৃষ্ঠাৰ পৰা শেষৰ পৃষ্ঠালৈ জানিবলগীয়া বহুত কথা থাকে। সেইদৰে নিয়মীয়াকৈ ৰেডিঅ'ৰ বাতৰি অনুষ্ঠান শুনি আৰু টেলিভিছনৰ বাতৰি অনুষ্ঠানবোৰৰ পৰা আহৰণ কৰা জ্ঞানবোৰ লিপিবদ্ধ কৰি ৰাখিব লাগে। তাৰোপৰি, সাংখ্যিক হিচাপ-নিকাচৰ সক্ষমতা (Numerical Ability), গাণিতিক সক্ষমতা (Mathematical ability), বিচাৰ-বুদ্ধিৰ সক্ষমতা (Reasoning), ভাষা বুজা (Language Comprehension), মৌখিক সক্ষমতা (Verbal Ability), পৰিমাণগত সক্ষমতা (Quantitative ability), বিশ্লেষণাত্মক দক্ষতা (Analytical Skills) আদি বিষয়সমূহৰ অনুশীলনো কৰাটো দৰকাৰ। প্ৰায়বোৰ প্ৰতিযোগিতামূলক পৰীক্ষাত প্ৰশ্নৰ উত্তৰ ভুল হ'লে ঋণাত্মক নম্বৰ দিয়ে। গতিকে শিক্ষাৰ্থীসকল সাৱধান হ'ব লাগে আৰু উত্তৰ অনুমান কৰাটো এৰিব লাগে। শিক্ষাৰ্থীসকলে দীঘলীয়া সময়ৰ প্ৰস্তুতি লগতে নিয়মীয়া অনুশীলন অব্যাহত ৰাখি পৰীক্ষাৰ বাবে প্ৰস্তুতি চলালে এই প্ৰতিযোগিতামূলক পৰীক্ষাত উত্তীৰ্ণ হ'ব পাৰিব। শিক্ষাৰ্থীসকলৰ সুবিধাৰ বাবে এনে একাংশ প্ৰতিযোগিতামূলক পৰীক্ষাৰ বিষয়ে উল্লেখ কৰা হ'ল। সেইবোৰ হ'ল কেন্দ্ৰীয় লোকসেৱা আয়োগ (ইউ.পি.এছ.চি.)ৰ অসামৰিক সেৱাৰ পৰীক্ষা, ভাৰতীয় বন সেৱা পৰীক্ষা, অভিযান্ত্ৰিক সেৱা পৰীক্ষা, সংযুক্ত চিকিৎসা সেৱা পৰীক্ষা, সংযুক্ত প্ৰতিৰক্ষা সেৱাৰ পৰীক্ষা, সংযুক্ত ভু-বিজ্ঞানী পৰীক্ষা, ভাৰতীয় অৰ্থনীতি পৰিসংখ্যা সেৱা পৰীক্ষা, ৰাষ্ট্ৰীয় প্ৰতিৰক্ষা আৰু নৌ একাডেমী পৰীক্ষা, কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনী পৰীক্ষা; ষ্টাফ ছিলেকচন কমিছনৰ সংযুক্ত স্নাতক পৰ্যায়ৰ পৰীক্ষা, সংযুক্ত উচ্চতৰ মাধ্যমিক (১০+২) পৰ্যায়ৰ পৰীক্ষা, ষ্টেনোগ্ৰাফাৰ গ্ৰেড 'চি' আৰু 'ডি' পৰীক্ষা, কনিষ্ঠ অভিযন্তা (অসামৰিক, যান্ত্ৰিক, বৈদ্যুতিক আৰু পৰিমাণ জৰীপ আৰু চুক্তি) পৰীক্ষা, দিল্লী আৰক্ষী আৰু কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীৰ উপ-পৰিদৰ্শক পৰীক্ষা, কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীত কনিষ্টবল (জিডি), এছ এছ এফ, অসম ৰাইফলছত

ৰাইফলমেন (জিডি) আৰু নাৰ্কটিকছ কণ্ট্ৰল ব্যুৰোত চিপাহী পৰীক্ষা, কনিষ্ঠ হিন্দী অনুবাদক, কনিষ্ঠ অনুবাদক আৰু জ্যেষ্ঠ হিন্দী অনুবাদক পৰীক্ষা, মাল্টি টাস্কিং (নন-টেকনিকেল) ষ্টাফ আৰু হাভালদাৰ (চিবিআইচি আৰু চিবিএন) পৰীক্ষা; বিশ্ববিদ্যালয় অনুদান আয়োগে (ইউ জি চি)' পৰিচালনা কৰা ৰাষ্ট্ৰীয় যোগ্যতা বাচনি পৰীক্ষা; বৈজ্ঞানিক আৰু ঔদ্যোগিক গৱেষণা পৰিষদৰ সংযুক্ত প্ৰশাসনিক সেৱা পৰীক্ষা; কেন্দ্ৰীয় শিক্ষকৰ যোগ্যতা পৰীক্ষা (চিটিইটি); ৰাজ্যিক শিক্ষকৰ যোগ্যতা পৰীক্ষা; অসম লোকসেৱা আয়োগৰ সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষা; বিভিন্ন মণ্ডলৰ ৰেলৱে ৰিক্ৰুইটমেণ্ট ব'ৰ্ডে বিভিন্ন পদৰ বাবে পতা পৰীক্ষা; বেংকিং খণ্ড আৰু অন্যান্য ইঞ্চিউৰেঞ্চ কোম্পানীৰ পৰীক্ষা বিভিন্ন পদৰ বাবে পতা পৰীক্ষা; মেনেজমেন্ট টেষ্ট (এম.এ.টি., চি.এ.টি. আদি); গ্ৰেজুৱেট এপটিটিউড টেষ্ট ইন ইঞ্জিনীয়াৰিং (জি.এ.টি.ই.); লগতে ৰাষ্ট্ৰীয় যোগ্যতা তথা প্ৰৱেশ পৰীক্ষা (এনইইটি); যুটীয়া প্ৰৱেশ পৰীক্ষা (জেইই) আদি। ❑

"যদি এখন দেশ দুৰ্নীতিমুক্ত আৰু সুন্দৰ মনৰ জাতি হৈ উঠিব লাগে,
তেন্তে মই দৃঢ়ভাৱে অনুভৱ কৰোঁ যে সমাজত তিনিজন মূল সদস্য আছে,
যিয়ে এটা পৰিৱৰ্তন সাধিব পাৰে। তেওঁলোক হ'ল— পিতৃ, মাতৃ শিক্ষক।"
— ড° এ পি জে আব্দুল কালাম

"শিক্ষাৰ দহ ভাগৰ ন ভাগ হৈছে অনুপ্ৰেৰণা।"
— আনাটোল ফ্ৰাংক

"স্কুল মোৰ মন্দিৰ, পঢ়াই মোৰ লক্ষ্য, শিক্ষক মোৰ ভগৱান, কিতাপেই মোৰ বন্ধু।"
— মহাত্মা গান্ধী

প্ৰবন্ধ সম্ভাৰ

# ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০ আৰু উচ্চ শিক্ষাৰ বাবে সাৰ্থক পথ-প্ৰদৰ্শক আৰু নেতৃত্ববহনকাৰী শিক্ষকঃ এটি চমু আলোচনা

ড° ৰুবা বুঢ়াগোহাঁই
সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ
ধেমাজি বালিকা মহাবিদ্যালয় ফোন নং-৯৮৬৪৭৩০৩৯৩

**আৰম্ভণিঃ**

উচ্চ শিক্ষা এখন দেশৰ সঞ্জীৱনী শক্তি আৰু জ্ঞানভিত্তিক সমাজৰ অবিচ্ছেদ্য অংগ। বৰ্তমান শিক্ষাৰ উদ্দেশ্য হ'ল সামাজিক উন্নতি আৰু বিকাশৰ লগতে নেতৃত্বৰ প্ৰশিক্ষণ। জীৱনত আগবাঢ়ি যাবলৈ আৰু নিৰ্দিষ্ট লক্ষ্যত উপনীত হ'বলৈ শিক্ষাই হৈছে পৰম সম্পদ। শিক্ষা অবিহনে কোনো মানুহেই স্বয়ং সম্পূৰ্ণ হ'ব নোৱাৰে। অতীতৰে পৰা বৰ্তমানলৈ শিক্ষাৰ ক্ষেত্ৰখনত আমূল পৰিৱৰ্তন আহি পৰিছে। গুৰু গৃহত থাকি ছাত্ৰই আহৰণ কৰা শিক্ষা বৰ্তমান বিদ্যালয়-মহাবিদ্যালয় বিশ্ববিদ্যালয় পৰ্যায় পাইছেহি। শিক্ষাৰ মাধ্যমেৰে মানুহে নতুন চিন্তা আৰু জীৱনৰ নতুন পথ বিচাৰি, বুদ্ধি আৰু জ্ঞানৰ বিস্তাৰ কৰি জগতৰ ভাল-বেয়া বিচাৰ কৰাৰ শক্তি লাভ কৰিব পাৰে। জীৱনত আগবাঢ়ি যাবলৈ আৰু নিৰ্দিষ্ট লক্ষ্যত উপনীত হ'বলৈ শিক্ষাই হৈছে পৰম সম্পদ। শিক্ষা অবিহনে কোনো মানুহেই স্বয়ং সম্পূৰ্ণ হ'ব নোৱাৰে। ভাৰতীয় শিক্ষা ব্যৱস্থাত উচ্চ শিক্ষাক জ্ঞানৰ বিশেষীকৰণৰ শিক্ষা বোলা হয়। কিয়নো এই শিক্ষাই মানৱ জীৱনৰ সৈতে জড়িত সমস্যাবোৰৰ উপযুক্তভাৱে সমাধান কৰিব পাৰে। উচ্চ শিক্ষাই মানুহে সন্মুখীন হোৱা জটিল সামাজিক, সাংস্কৃতিক, নৈতিক, আধ্যাত্মিক আৰু অৰ্থনৈতিক আদি বিষয়বোৰত দৃষ্টিপাত কৰাত সহায় কৰে। ছাত্ৰ-ছাত্ৰীসকলক সামাজিক, ৰাজনৈতিক, প্ৰশাসন, শিক্ষা, উদ্যোগ, বাণিজ্য আদি সকলো দিশতে নেতৃত্ব দিব পৰাকৈ উচ্চ শিক্ষাই শিক্ষা দিয়ে। ইয়াৰ উপৰি সমাজৰ লোকৰ মাজত থকা অন্ধবিশ্বাস, কু-সংস্কাৰ আৰু সংকীৰ্ণতাৰ ভাব নিৰ্মূল কৰাত সহায় কৰে। বৰ্তমান উচ্চ শিক্ষাৰ ক্ষেত্ৰখনলৈ মন কৰিলে দেখা যায় ছাত্ৰ-ছাত্ৰীৰ কাৰ্যক্ষম হোৱাকৈ উচ্চ শিক্ষাৰ পাঠ্যক্ৰমে বিষয়সমূহ সামৰি ল'ব পৰা নাই। এই বিষয়সমূহ অধ্যয়নৰ ফলত ভৱিষ্যত সংস্থাপনৰ অভাৱত পৰি শিক্ষাৰ্থীসকলে অন্য ধৰণৰ জীৱন-জীৱিকা

বাছি ল'বলগীয়া হৈছে। এনে কৰাৰ ফলত তেওঁলোকে পূৰ্বতে গ্ৰহণ কৰা শিক্ষাৰ উপযুক্ত প্ৰয়োগ হোৱা দেখা নাযায়। সেয়েহে ভাৰত চৰকাৰে শিক্ষা ব্যৱস্থাৰ পৰিৱৰ্তনৰ উদ্দেশ্যে ৰাষ্ট্ৰীয় শিক্ষানীতি- ২০২০ প্ৰৱৰ্তন কৰে।

উচ্চ শিক্ষা হ'ল মানুহৰ মনক জ্ঞানৰ পোহৰে আলোকিত কৰাৰ প্ৰধান আহিলা। এনে শিক্ষাই মানুহক বিভিন্ন জটিল পৰিস্থিতিৰ সন্মুখীন হ'লেও সকলো জটিলতাৰ সমাধান উলিওৱাত সহায় কৰে। বৰ্তমান সময়ত উচ্চ শিক্ষাৰ ক্ষেত্ৰখনলৈ বহুতো প্ৰত্যাহ্বান আহি পৰিছে। এনে প্ৰত্যাহ্বান দূৰীকৰণৰ বাবে ভাৰত চৰকাৰে ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ আঁচনি প্ৰৱৰ্তন কৰে। শিক্ষাৰ্থীসকলে কেনে শিক্ষা গ্ৰহণ কৰিলে ভৱিষ্যতে কৰ্ম সংস্থাপন তথা নিজকে প্ৰতিষ্ঠিত কৰিব পাৰিব তাৰ বাবে সাৰ্থক পথ প্ৰদৰ্শক আৰু নেতৃত্বৰ প্ৰয়োজনীয়তা আহি পৰিছে। এনে প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি আমাৰ আলোচনাটি যুগুত কৰা হৈছে।

**ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ আৰু উচ্চ শিক্ষাঃ**

ৰাষ্ট্ৰীয় শিক্ষানীতি হ'ল একবিংশ শতিকাৰ প্ৰথম নীতি, যিখনে আমাৰ দেশৰ বহুতো বিকাশশীল ক্ষেত্ৰত স্পৰ্শ কৰাৰ লক্ষ্য ৰাখিছে। ভাৰতীয় পৰম্পৰাগত প্ৰমূল্যক গঢ় দিয়া আৰু নতুন ব্যৱস্থাৰ সৃষ্টি কৰাৰ অৰ্থে প্ৰশাসনীয় ব্যৱহাৰ লগতে শিক্ষা প্ৰণালীৰ পৰিচালনা আৰু গঠন, পুনৰীক্ষণ আৰু শুধৰণি কৰি একবিংশ শতিকাৰ অভিলাষী লক্ষ্য গ্ৰহণ কৰা হৈছে। শিক্ষাক কেৱল বোধশক্তি বিকাশ, সাক্ষৰতা আৰু সংখ্যা গণনা আৰু উচ্চ পৰ্যায়ৰ বোধশক্তি দ্বাৰা বিশ্লেষণাত্মক, চিন্তা আৰু সমস্যা সমাধান কৰিব পৰা শক্তিৰ বিকাশৰ আহিলা স্বৰূপেই নহয়, সামাজিক, নৈতিক আৰু আৱেগিক, শৃংখলাৱদ্ধতা সৃষ্টিতো এই শিক্ষাৰ মূল আদৰ্শৰূপে গ্ৰহণ কৰা হৈছে। ৰাষ্ট্ৰীয় শিক্ষানীতিৰ মতে আমাৰ শিক্ষা ব্যৱস্থাৰ প্ৰধান উদ্দেশ্যই হ'ল, যুক্তিসন্মত চিন্তা আৰু কাৰ্য কৰিব পৰা, দয়া পৰায়ণ আৰু সমমৰ্মীতা থকা, সাহসী আৰু উদ্যমী, বৈজ্ঞানিক মানসিকতা থকা, ন্যায়পৰায়ণতা আৰু মূল্যবোধসম্পন্ন সৃষ্টিশীল কল্পনাশক্তিৰে পৰিপূৰ্ণ সৎ ব্যক্তিৰ বিকাশ সাধন কৰা। ইয়াৰ লক্ষ্যই হ'ল কৰ্মৰত, উৎপাদনক্ষম আৰু অৰিহণা যোগাব পৰা ব্যক্তিৰ দ্বাৰা সমদৰ্শী, সকলো দিশকে সামৰিব পৰা এখন সমাজ নিৰ্মাণ কৰা।

ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০-এ পূৰ্বৰ ১০+২ পদ্ধতিৰ শিক্ষা ব্যৱস্থাৰ পৰিৱৰ্তন ঘটাই নতুন শিক্ষণ পদ্ধতি আৰু পাঠ্যক্ৰমক ৩ ৰ পৰা ১৮ বছৰলৈকে সামৰি ৫+৩+৩+৪ কৰিছে। বৰ্তমান প্ৰথম শ্ৰেণী ৬ বছৰৰ পৰা আৰম্ভ হোৱা বাবে ৩-৬ বছৰৰ শিক্ষাক ১০+২ আৰ্হিৰে সামৰিব পৰা নাছিল। নতুন শিক্ষানীতিয়ে ৫+৩+৩+৪ পদ্ধতিত ৩ বছৰৰ শিশুকো 'প্ৰাৰম্ভিক শিশু পৰিচৰ্যা আৰু শিক্ষা'ৰ ভেটিত সামৰিছে। ইয়াৰ উদ্দেশ্য হৈছে ভাল সামগ্ৰিক শিক্ষণ, বিকাশ আৰু সুচাৰুৰূপে উন্নতি সাধন কৰা। উচ্চ শিক্ষাই দেশৰ বহনক্ষম জীৱন আৰু অৰ্থনৈতিক উন্নয়নৰ ক্ষেত্ৰত বিশেষভাৱে অৰিহণা যোগায়। একবিংশ শতিকাৰ

প্ৰয়োজন অনুসৰি উচ্চ মানদণ্ড সম্পন্ন উচ্চ শিক্ষাই উন্নত, গভীৰ, সৰ্বাংগীণ আৰু উদ্ভাৱনীমূলক মানৱ সম্পদ গঠনৰ ওপৰত গুৰুত্ব আৰোপ কৰে। সামাজিক স্তৰত উচ্চ শিক্ষাই এখন উজ্জীৱিত, সামাজিকভাৱে সচেতন, জ্ঞানযুক্ত আৰু কৌশলী ৰাষ্ট্ৰ নিৰ্মাণৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিব লাগে যি নিজৰ সমস্যাবোৰৰ বাবে সমাধান বিচাৰি ল'ব পাৰে। উচ্চ শিক্ষাই শিক্ষাৰ্থীক জ্ঞান প্ৰদানৰ লগতে উদ্ভাৱনৰ ভেটি নিৰ্মাণ কৰিব লাগে, যাৰ জৰিয়তে দেশৰ অৰ্থনীতিলৈ গুৰুত্বপূৰ্ণ বৰঙণি যোগাব পাৰে। গতিকে উচ্চ শিক্ষাৰ মূল লক্ষ্য হ'ব ব্যক্তিৰ কৰ্মসংস্থাপনৰ বাবে ব্যাপক সুযোগৰ সৃষ্টি কৰা। ই সামাজিকভাৱে সক্ৰিয় এখন সুখী, সহযোগী উৎপাদনক্ষম, উদ্ভাৱনীমূলক, উন্নতিকামী আৰু সমৃদ্ধ ৰাষ্ট্ৰৰ নিৰ্মাণত ভূমিকা গ্ৰহণ কৰিব পাৰে। বৰ্তমান উচ্চ শিক্ষাৰ ক্ষেত্ৰখনত বহুতো সমস্যা দেখিবলৈ পোৱা যায় আৰু তাৰ ফল শিক্ষাৰ্থীসকলে ভুগিবলগীয়া হয়। এনে কেইটামান সমস্যা এনেধৰণৰ—

* কম সংখ্যক উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানৰ বাবে সামাজিক, আৰ্থিকভাৱে পিছপৰা অঞ্চলৰ শিক্ষাৰ উপলব্ধতা সীমিত হোৱা দেখা যায়।
* সীমিত শিক্ষক আৰু প্ৰতিষ্ঠানৰ স্বায়ত্ব শাসনৰ অভাৱ।
* শিক্ষক আৰু প্ৰতিষ্ঠানৰ পৰিচালকসকলৰ যোগ্যতাভিত্তিক কৰ্মজীৱন পৰিচালনা আৰু পদোন্নতিৰ অনুপস্থিতি।
* অধিকাংশ মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ত গৱেষণাৰ বিষয়টোত কম গুৰুত্ব আৰোপ আৰু বিভিন্ন বিষয়ত স্বীকৃতিপ্ৰাপ্ত গৱেষণাৰ অভাৱ।
* উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানত উপযুক্ত নেতৃত্ব আৰু পৰিচালনাৰ অভাৱ।
* বৌদ্ধিক কৌশল আৰু শিকনৰ ফলাফলৰ ওপৰত কম গুৰুত্ব প্ৰদান।
* প্ৰাৰম্ভিক স্তৰত বিশেষীকৰণৰ জৰিয়তে শিক্ষাৰ্থীৰ অধ্যয়ন পৰিসৰ সীমিত কৰি বিভিন্ন বিষয়ৰ অনমনীয় পৃথকীকৰণ।
* অসংখ্য স্বীকৃতিপ্ৰাপ্ত বিশ্ববিদ্যালয়ত নিম্ন মানৰ স্নাতক পৰ্যায়ৰ শিক্ষা।

উপৰোক্ত সমস্যাসমূহ দূৰীকৰণ বাবে নিম্নোক্ত কাৰ্যসূচী হাতত ল'ব লাগিব—

* উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানত স্থানীয় ভাষাত শিক্ষা আগবঢ়োৱা উচিত।
* শিক্ষাৰ্থীয়ে বিচৰা ধৰণে ভিন্ন বিষয়ৰ স্নাতক পাঠ্যক্ৰমৰ প্ৰচলন হ'ব লাগিব।
* প্ৰতিষ্ঠানৰ স্বায়ত্ব শাসন প্ৰতিষ্ঠা।
* শিক্ষাৰ্থীসকলৰ অভিজ্ঞতা অধিক ব্যাপক কৰি তুলিবলৈ পাঠ্যক্ৰম, মূল্যায়ন আৰু শিক্ষাৰ্থীৰ প্ৰতি সমৰ্থনক এক নতুন ৰূপ প্ৰদান কৰিব লাগিব।
* শিক্ষক আৰু প্ৰতিষ্ঠানৰ স্বচ্ছতা তথা প্ৰতিষ্ঠানমূলক নেতৃত্বৰ স্থান যোগ্যতাৰ জৰিয়তে নিৰ্ধাৰণ কৰা।

* শিক্ষকসকলৰ কৰ্মজীৱনৰ বিকাশ শিক্ষণ, গৱেষণা আৰু সেৱাৰ জৰিয়তে নিৰ্ধাৰণ কৰা।
* উচ্চ শিক্ষাৰ প্ৰতিষ্ঠাসমূহক শৈক্ষিক আৰু প্ৰশাসনিক স্বায়ত্ব শাসনযুক্ত উচ্চ অৰ্হতাসম্পন্ন পৰিষদৰ দ্বাৰা পৰিচালনা কৰা।
* গৱেষণাৰ মানদণ্ড বৃদ্ধি আৰু বিশ্ববিদ্যালয় তথা মহাবিদ্যালয়বোৰত গৱেষণাৰ হাৰ বৃদ্ধি কৰাৰ বাবে ৰাষ্ট্ৰীয় গৱেষণা ন্যাস স্থাপন কৰা।

**বিষয়ৰ আলোচনাঃ**

উচ্চ শিক্ষাই দেশৰ সুশৃংখল জীৱন আৰু অৰ্থনৈতিক উন্নয়নৰ ক্ষেত্ৰত বিশেষভাৱে অৰিহণা যোগায়। বৰ্তমান সময়ৰ প্ৰয়োজন অনুসৰি উচ্চ শিক্ষাই উন্নত, সৰ্বাংগীণ আৰু উদ্ভাৱনীমূলক মানৱ সম্পদ গঢ়াৰ ক্ষেত্ৰত অধিক গুৰুত্ব আৰোপ কৰে। উচ্চ শিক্ষাই ব্যক্তিৰ চৰিত্ৰ গঢ়াত সহায় কৰাৰ লগতে বৌদ্ধিক বিকাশ, বৈজ্ঞানিক মানসিকতা, সৃষ্টিশীলতা, সেৱাৰ মনোভাৱ বিকাশত সহায় কৰে। বিজ্ঞান, কলা, কাৰিকৰী আৰু বৃত্তিমুখী আদি দিশৰ ফালে শিক্ষাৰ্থীসকল অগ্ৰসৰ হোৱাৰ ক্ষেত্ৰতো বিশেষভাৱে প্ৰাধান্য দিয়ে উচ্চ শিক্ষাই। এই ক্ষেত্ৰত এজন শিক্ষকৰ যথেষ্ট ভূমিকা দেখা যায়। কেনেধৰণৰ বিষয় শিক্ষাৰ্থীসকলে নিৰ্বাচন কৰিব, কোনবোৰ বিষয়ে তেওঁলোকক ভৱিষ্যতে স্বাৱলম্বী কৰাত সহায় কৰিব, কলা, বাণিজ্য, বিজ্ঞান আৰু বৃত্তিগত বিষয় বাচনি কৰোঁতে শিক্ষকজন ছাত্ৰ-ছাত্ৰীৰ পথপ্ৰদৰ্শক হ'ব লাগিব। কিয়নো শিক্ষকসকলেই শিক্ষা ব্যৱস্থাৰ প্ৰাথমিক সংশোধনৰ মুখ্য কাৰক। শিক্ষাৰ্থীসকলক সুচাৰুৰূপে পৰিচালনা কৰাৰ ক্ষেত্ৰত শিক্ষকে যৎপৰোনাস্তি চেষ্টা কৰাতো আৱশ্যক। শিক্ষকসকল ছাত্ৰ-ছাত্ৰীৰ বাবে বন্ধু হোৱাৰ লগতে পথ-প্ৰদৰ্শক আৰু নেতৃত্ববহনকাৰী ব্যক্তি, গতিকে উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানৰ শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব দিয়া উচিত। সাৰ্থক পথ-প্ৰদৰ্শক আৰু নেতৃত্বৰ জৰিয়তেহে উচ্চ শিক্ষা অনুষ্ঠানৰ সৃষ্টিশীলতা আৰু বিকাশ সম্ভৱ। সকলো আগশাৰী অনুষ্ঠানৰ আঁৰত সততে দেখা যায় শক্তিশালী আত্ম দিশদৰ্শক আৰু উচ্চ শিক্ষিত নেতৃত্বকাৰৰ নিযুক্তি। অনুষ্ঠানৰ সকলো মুৰব্বী আৰু নেতৃত্বত থকা ব্যক্তি উচ্চ শৈক্ষিক অৰ্হতা সম্পন্ন আৰু প্ৰশাসনীয় অৰ্হতা থকা তথা নেতৃত্ব ল'ব পৰা গুণ সম্পন্ন হ'ব লাগিব। ইয়াৰ উপৰি তেওঁলোকে যিকোনো জটিল পৰিস্থিতি চম্ভালিব পৰা গুণৰ অধিকাৰী হ'ব লাগিব। সেই বাবে নতুনকৈ শিক্ষক নিযুক্তি দিয়াৰ ক্ষেত্ৰত যিসকল উচ্চ শিক্ষিত তথা সুযোগ্য আৰু নেতৃত্ব দিব পৰা গুণৰ অধিকাৰী তেওঁলোকক নিযুক্তি দিব লাগে যাতে শিক্ষাৰ্থীসকলে তেনে শিক্ষকৰ পৰা উচ্চ শিক্ষা গ্ৰহণ কৰিব পাৰে আৰু বিষয় বাছনি কৰিবলৈ পৰামৰ্শ লাভ কৰে। তাৰোপৰি সকলো উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানেই নেতৃত্ব বহন কৰিব পৰা সাংস্কৃতিকভাৱে উচ্চ মান সম্পন্ন হৈ উঠাত শিক্ষকে অৰিহণা যোগায়। শিক্ষকসকলৰ লগতে শিক্ষাৰ্থীসকলক উৎসাহিত কৰিব পৰাকৈ উচ্চ শিক্ষা প্ৰতিষ্ঠানৰ মুৰব্বীসকলৰ সামাজিক দায়বদ্ধতা, সমূহীয়াভাৱে কৰ্ম কৰাৰ প্ৰৱণতা তথা বিভিন্ন লোকৰ সৈতে কাম কৰাৰ যোগাত্মক দৃষ্টিভংগী থাকিব লাগিব। কিয়নো এওঁলোকৰ দায়বদ্ধতা তথা প্ৰেৰণাই উচ্চ শিক্ষাৰ ক্ষেত্ৰখনত যথেষ্ট প্ৰভাৱ পেলায়।

উচ্চ শিক্ষা প্ৰতিষ্ঠানৰ সফলতাৰ আটাইতকৈ গুৰুত্বপূৰ্ণ কাৰণটো হ'ল ইয়াৰ শিক্ষকৰ গুণমান আৰু শিক্ষাৰ্থীসকলৰ মাজত নিজকে বিলাই দিয়া। শিক্ষাৰ্থীসকলক অনুপ্ৰাণিত কৰিবলৈ সকলো শিক্ষক সুখী, উদ্যমী হৈ থকাৰো প্ৰয়োজন। শিক্ষকসকলে তেওঁলোকৰ ছাত্ৰক প্ৰতিষ্ঠান আৰু কৰ্মৰ প্ৰতি অনুপ্ৰাণিত, কৰিব লাগে। বিভিন্ন উদ্ভাৱনীমূলক কাম কাজত আগভাগ লোৱা উৎসাহী আৰু দক্ষ নেতৃস্থানীয় ব্যক্তিৰ উপস্থিতি বৰ্তমান সময়ত শিক্ষাৰ ক্ষেত্ৰখনত অতি দৰকাৰী।

শিক্ষাৰ্থীসকল হ'ল শিক্ষা ব্যৱস্থাটোত মূল অংশগ্ৰহণকাৰী। উচ্চ মানদণ্ডৰ শিক্ষণ-শিকনৰ বাবে এটি সুন্দৰ পৰিৱেশৰ প্ৰয়োজন। এই ক্ষেত্ৰত ক্ৰীড়া, সংস্কৃতি, চিত্ৰকলা আদিত অংশগ্ৰহণ কৰিবলৈ শিক্ষাৰ্থীসকলক পৰ্যাপ্ত সুবিধা প্ৰদান কৰিব লাগে। প্ৰতিখন শৈক্ষিক প্ৰতিষ্ঠানতে মানসিক আৰু আৱেগৰ লগত জড়িত সমস্যাবোৰৰ সমাধান কৰাৰ বাবে একোটাকৈ পৰামৰ্শদানৰ ব্যৱস্থা থাকিব লাগে। লগতে গ্ৰাম্য অঞ্চলৰ পৰা অহা শিক্ষাৰ্থীসকলৰ বাবে ছাত্ৰাৱাসৰ সুবিধা আৰু অন্যান্য সুবিধাসমূহ প্ৰদান কৰিলেহে উচ্চ শিক্ষাৰ ক্ষেত্ৰখনত শিক্ষাৰ্থীসকল আগবাঢ়ি যোৱাত সহায়ক হ'ব। শিক্ষকসকলে ছাত্ৰ-ছাত্ৰীসকলক সকলো প্ৰকাৰে সহায় সহযোগ কৰাটো বাঞ্চনীয়। সময়ে সময়ে মেন্টৰিং বা পৰামৰ্শদানৰ জৰিয়তে শিক্ষাৰ ক্ষেত্ৰত শিক্ষাৰ্থীসকলে সন্মুখীন হোৱা বিভিন্ন সমস্যাসমূহ সমাধান কৰিবলৈ প্ৰয়াস কৰাটো শিক্ষকৰে একোটা কৰ্ম। বৰ্তমান সময়ত উচ্চ শিক্ষাৰ শিক্ষানুষ্ঠানসমূহত শিক্ষাৰ্থীসকলক পৰামৰ্শ তথা নেতৃত্বদানৰ বাবে বিভিন্ন কমিটি গঠন কৰা হয়। এই কমিটিসমূহে শিক্ষাৰ্থীসকলৰ বিভিন্ন সমস্যাবোৰ সমাধান কৰি ছাত্ৰ-ছাত্ৰীসকলক লক্ষ্যত উপনীত হোৱাত সহায় কৰে। মন কৰিবলগীয়া কথা এয়ে যে এই কমিটিৰ বিষয়ববীয়াসকল একোজনকৈ শিক্ষক।

শিক্ষকসকলৰ সহায়-সহযোগিতাৰ ভিত্তিতেই একোখন শিক্ষানুষ্ঠানৰ শৈক্ষিক মানদণ্ড নিৰূপিত হয়। গতিকে তেওঁলোকৰ শিক্ষণৰ দায়িত্ববোৰ অত্যধিক হ'ব নালাগে আৰু শিক্ষক-শিক্ষাৰ্থীৰ অনুপাত উচ্চ হ'ব নালাগে। শিক্ষকসকলৰ শিক্ষণৰ কাৰ্য মনোগ্ৰাহী তথা শিক্ষাৰ্থীসকলৰ লগত কথোপকথন, গৱেষণা তথা অন্যান্য বিশ্ববিদ্যালয় সংক্ৰান্তীয় কাম-কাজৰ বাবেও পৰ্যাপ্ত সময় থাকিব লাগে। উচ্চ শিক্ষাৰ ক্ষেত্ৰত শিক্ষক বদলিকৰণ বা স্থানান্তকৰণ কৰিব নালাগে যাতে তেওঁলোকে যি অনুষ্ঠানত নিযুক্ত হ'ব তাৰ প্ৰতি এটা দায়িত্ববোধৰ লগতে সমাজৰ সৈতে জড়িত আৰু নিয়োজিত হৈ থকা বুলি অনুভৱ কৰিব পাৰে। ইয়াৰোপৰি শিক্ষকসকলক পাঠ্যক্ৰম আৰু শিক্ষানীতি প্ৰণয়ন কৰিব পৰাকৈ স্বাধীনতা দিব লাগে। লগতে পাঠ্যক্ৰমৰ কিতাপ প্ৰস্তুত আৰু শিক্ষণ সঁজুলি ধাৰ্য কৰা, প্ৰকল্প প্ৰস্তুত আৰু মূল্যায়নৰ কাম-কাজো শিক্ষকে স্বাধীনভাৱে কৰিব পাৰে। বিভিন্ন উদ্ভাৱনীমূলক কামত ছাত্ৰ-ছাত্ৰীসকলক নিয়োজিত কৰিবলৈ শিক্ষকেই সৰ্বশ্ৰেষ্ঠ অনুপ্ৰেৰক আৰু পৰামৰ্শদাতা সেয়েহে উচ্চ শৈক্ষিক আৰু সেৱাৰ দায়িত্ব থকা তথা নেতৃত্ব আৰু প্ৰশাসনীয় গুণ থকা শিক্ষকক চিনাক্ত কৰি নেতৃত্বৰ বাবে প্ৰশিক্ষণ প্ৰদান কৰাৰ ক্ষেত্ৰতো অধিক গুৰুত্ব প্ৰদান কৰা উচিত।

**সামৰণিঃ**

শেষত আমি ক'ব পাৰোঁ যে উচ্চ শিক্ষা হ'ল জ্ঞান ভিত্তিক সমাজৰ এক অবিচ্ছেদ্য অংগ আৰু শিক্ষকসকল হ'ল শিক্ষণ পদ্ধতিৰ হৃদপিণ্ড। ৰাষ্ট্ৰীয় শিক্ষা নীতি-২০২০-এ উচ্চ শিক্ষাৰ ক্ষেত্ৰখনত দেখা পোৱা আসোঁৱাহসমূহ আৰু সেইবোৰ আঁতৰাবলৈ কিছুমান নীতি ৰূপায়ণ কৰিছে। অৱশ্যে যিকোনো নীতিৰ কাৰ্যকাৰিতা ইয়াৰ ৰূপায়ণ প্ৰক্ৰিয়াৰ ওপৰত নিৰ্ভৰ কৰে। নীতিসমূহ সফল ৰূপায়ণৰ বাবে সুসংগত বিধি ব্যৱস্থাৰে পৰিচালিত হ'ব লাগিব। আমাৰ উপৰোক্ত আলোচনাৰ পৰা এনে কিছুমান সিদ্ধান্তত উপনীত হ'ব পাৰি যে—

* উচ্চ শিক্ষাৰ ক্ষেত্ৰখনত শিক্ষকজন শিক্ষাৰ্থীসকলৰ বন্ধু আৰু পথ প্ৰদৰ্শক হোৱা উচিত।
* শিক্ষাৰ্থীসকলক সু-নেতৃত্ব দি ভৱিষ্যতে সু-নাগৰিক তথা স্বাৱলম্বী হোৱাত প্ৰেৰণা যোগাব লাগিব শিক্ষকসকলে।
* উচ্চ শিক্ষা অনুষ্ঠানৰ মুৰব্বীসকলেও শিক্ষক নিৰ্বাচন কৰাৰ ক্ষেত্ৰত উচ্চ যোগ্যতা সম্পন্ন তথা নেতৃত্ববহনকাৰী লোককহে নিযুক্ত দিব লাগিব।
* লগতে শিক্ষানুষ্ঠানৰ মুৰব্বীসকলৰ সামাজিক দায়বদ্ধতা আৰু কাম কৰাৰ যোগাত্মক দৃষ্টিভংগী থাকিলেহে শিক্ষকসকল আৰু শিক্ষাৰ্থীসকলে তেওঁৰ পৰা প্ৰেৰণা লাভ কৰিব।
* উচ্চ শিক্ষাৰ বিষয় বাছনি কৰাৰ ক্ষেত্ৰত শিক্ষকসকলে পথ প্ৰদৰ্শক আৰু নেতৃত্বৰ ভূমিকা ল'ব লাগিব।

গতিকে নতুন শিক্ষানীতিয়ে সকলো পৰ্যায়তে শিক্ষকসকলক সমাজৰ অতি প্ৰয়োজনীয় আৰু সন্মানজনক মৰ্যাদা প্ৰদান কৰা উচিত, কাৰণ তেওঁলোকেই প্ৰকৃতাৰ্থত সু-নাগৰিক গঢ়াৰ পথ-প্ৰদৰ্শক তথা নেতৃত্ববাহক ব্যক্তি। ❑

**সহায়ক গ্ৰন্থপঞ্জীঃ**

১। চলিহা, ড° বেদ কুমাৰ, তৰুণ শইকীয়া, ৰুণু বৰা শইকীয়া (সম্পাদনা)ঃ স্বাধীনোত্তৰ কালৰ ভাৰতৰ শিক্ষা, প্ৰথম প্ৰকাশ, জুলাই- ২০২১, বিদ্যাভৱন, যোৰহাট-১ (ছপা)।

২। চলিহা, ড° বেদ কুমাৰ, তৰুণ শইকীয়া, ৰুণু বৰা শইকীয়া (সম্পাদনা)ঃ ভাৰতীয় শিক্ষাত নৱ পৰিক্ৰমা, প্ৰথম প্ৰকাশ, জানুৱাৰী, ২০১৪, বিদ্যাভৱন, যোৰহাট-১ (ছপা)।

Internet: https://www.education.gov. in.

প্ৰবন্ধ সম্ভাৰ

# শঙ্কৰদেৱৰ ৰচনাত প্ৰকৃতি বন্দনা

ড° অন্নজ্যোতি গগৈ
অৱসৰপ্ৰাপ্ত উপাধ্যক্ষা
ধেমাজি মহাবিদ্যালয়

শংকৰদেৱ আছিল একেধাৰে ধৰ্ম প্ৰচাৰক, সমাজ সংস্কাৰক, কবি, নাট্যকাৰ, গীতিকাৰ, অনুবাদক, নৃত্য বিশাৰদ, চিত্ৰকৰ আদি অনেক অসাধাৰণ গুণৰ অধিকাৰী অৱতাৰী পুৰুষ। সেয়ে প্ৰিয়তম শিষ্য মাধৱদেৱে শংকৰদেৱক সৰ্বগুণাকৰ ৰূপে অভিহিত কৰিছিল। অসমৰ সমাজ জীৱনৰ এনে এটা দিশ নাই যিটো দিশত শংকৰদেৱে অৱদান আগবঢ়োৱা নাই। গুৰুজনাৰ অমূল্য সৃষ্টিৰাজিৰ ফাঁকে ফাঁকে প্ৰকৃতি বন্দনাই ভুমুকি মাৰিবলৈ পাহৰা নাই। বিশেষকৈ কাব্যবনত প্ৰকৃতিৰ ৰেহৰূপ সুন্দৰভাৱে ফুটি উঠিবলৈ সক্ষম হৈছে। শ্ৰীমদ্ভাগৱতৰ দশম স্কন্ধত গ্ৰীষ্ম, বৰ্ষা আৰু শৰৎ কালৰ বৰ্ণনাত প্ৰকৃতি জগতে যেন প্ৰাণ পাই উঠিছে।

শ্ৰীমন্ত শংকৰদেৱে গ্ৰীষ্ম বৰ্ণনাত কৈছে যে গ্ৰীষ্ম কালত শৰীৰক সূৰ্যৰ তাপে দাহ কৰে। দশোদিশ পানীৰে ওপচি পৰে। বন লতায়ো লহপহকৈ বাঢ়ি আহি ফলে-ফুলে জাতিষ্কাৰ হয়। সমগ্ৰ বৃন্দাবন বোকাই-পানীৰে ভৰি পৰে, যাক সূৰ্যৰ প্ৰখৰ তাপেও শুহিব নোৱাৰে। তেনে পৰিৱেশৰ বৃন্দাবনতে শ্ৰীকৃষ্ণই লগৰীয়াৰ সৈতে নৃত্য কৰে। কৃষ্ণ বৎসলসকলে কৃষ্ণৰ গুণানুকীৰ্ত্তন কৰে।

গুৰুজনাই বৰ্ষা ঋতুক ভয়াবহ ৰূপত বৰ্ণনা কৰিছে—

"বহে খৰ্ব বায়ু নুশুনিয় মাতবোল।
গগনক ঢাকি মহা মেঘৰ আন্দোল।।
ঘনে ঘনে দেই আতি বিজুলী চমক।
লাগে তিৰি মিৰি আসি চক্ষুত চমক।।
জুই আঙ্গনি জ্বলৈ অতি বাৰিষা নিশাত।
নকৰৈ প্ৰকাশ তাত নক্ষত্ৰে সাক্ষাত।।
যেন কলিযুগে বেদশাস্ত্ৰ হৰৈ ছন্ন।
প্ৰকাশে পাষণ্ড শুনৈ তাবেসে বচন।।

বহৰৈ বিপথে অতি ক্ষুদ্ৰ নদী যত।
কৰৈ অকাৰ্য্যক যেন ধনৰ গৰ্ব্বত।।”

শংকৰদেৱে বৰ্ষা বৰ্ণনাত মেঘৰ গাজনি, চকুচাত মৰা বিজুলি, খাল-বাম ভৰাই সমগ্ৰ পৃথিৱীখনেই সমুদ্ৰ সদৃশ হোৱা দেখুৱাইছে। যেন অতদিনে পৃথিৱী শুকাইহে আছিল আৰু বাৰিষা আগমনৰ লগে লগে পুনৰ যেন পৃথিৱী সজীৱ হৈ উঠিছে। ধনৰ গৰ্বত যেনেকৈ মানুহে অনীতি, ব্যভিচাৰ কৰে, বাৰিষাৰ প্ৰভাৱত যেন নদ-নদীয়েও কাৰো বাধা নামানি বিপথগামী হৈছে; য'ত বানপানীৰ কবলত পৰি সেউজ সুকোমল ঘাঁহনি ডৰাও গেলি-পচি শেষ হৈছে। এনে প্ৰতিকূল পৰিৱেশতো মানুহে হৰিকীৰ্ত্তন কৰিবলৈ এৰা নাই। বৰঞ্চ শিত গোপসকলে কৃষ্ণক আগুৰি নৃত্যহে কৰিছে।

শংকৰদেৱে গ্ৰীষ্ম আৰু বৰ্ষাকালক যিমানে মানুহৰ অপ্ৰীতিকৰ ঋতু কৰি বৰ্ণনা কৰিছে, তাৰ বিপৰীতে শৰৎ কালক অতি সুকোমল আৰু মনোমোহা ৰূপত তুলি ধৰিছে।

“সুন্দৰ শৰত কাল বসন্তোধিক
ভৈলা আনন্দিত দেৱে দেখি তাৰ শ্ৰীক।।
ফুলে ফলে জাতিষ্কাৰ বৃক্ষ নিৰন্তৰে।
মধুপান মত্ত হয়া গুঞ্জৰে ভ্ৰমৰে।।
ময়ূৰে আৱাৰ কৰৈ পৰ্বতক ছানি।
শুনি সদা কোকিলৰ কুহু কুহু ধ্বনি।।
পুষ্পিত কমলে সৰোবৰ আছে ৰঞ্জি।
ভুঞ্জি ৰাজহংসে তাত মৃণাল উভঞ্জি।।
জলচৰ পক্ষী তেজৈ সুললিত নাদ।
সুগন্ধ বতাহে মনে মিলাৱে আহ্লাদ।।
পুষ্প সুৰভি গন্ধে মোহে দিশ পাশ।
দেখিয়া কৃষ্ণৰ মহা মনত উল্লাস।।
সেহি বৃন্দাবনে মেলি গাই গৰু জাক।
গোপগণে সঙ্গে ৰঙ্গে দিলা বংশী ডাক।।”

শংকৰদেৱে শৰৎ কালক বসন্ত ঋতুতকৈয়ো সুন্দৰ বুলি বৰ্ণনা কৰিছে। বৰ্ষাকাল যোৱাৰ লগে লগে বাৰিষাৰ ঘন ক'লা ডাৱৰ শুকুলা ডাৱৰলৈ পৰিৱৰ্তন হয়, লগে লগে প্ৰকৃতিৰ বুকুলৈ সুন্দৰ পৰিৱৰ্তনৰ সূত্ৰপাত হয়। গুৰুজনাৰ মতে শৰৎ কালৰ সমান আন কোনোটো ঋতুৱে সুখকৰ নহয়। তেৱাঁৰ শৰত বৰ্ণনাত ফুটি উঠিছে কেনেদৰে শৰৎ কালত পৃথিৱী মাতৃ ফলে-ফুলে জাতিষ্কাৰ হৈ উঠে; ভোমোৰায়ো ফুলৰ মৌ চুহিবৰ বাবে গুঞ্জৰি থাকে, ময়ুৰ চৰায়ে পেখম নৃত্য কৰে, কুলি চৰাইৰ কুউ কুউ মাতে মন পৰশে আৰু ফুলৰ গোন্ধে চাৰিওফালে সুগন্ধি বিয়পায়।

গুৰুজনাই ‘ভাগৱত’ৰ দশম স্কন্ধৰ ‘শৰৎ বৰ্ণনা’তো ফুটাই তুলিছে শৰতৰ অপৰূপ সৌন্দৰ্য।

"গগন নিৰ্মল স্বচ্ছ ভৈয় জল
দুৰ গৈল মেঘগণ।
মহাসুখকৰ সুৰভি শীতল
বহে বায়ু সৰ্বক্ষণ।।"

গুৰুজনাৰ অসমীয়া সাহিত্যলৈ শ্ৰেষ্ঠ অৱদান 'কীৰ্তন'ৰ 'ৰাসক্ৰীড়া'ত প্ৰকৃতি পুনৰ বন্দিত হৈছে। শৰৎ কালৰ বিতোপন জোনাক ৰাতি গোপীসৰৰ সৈতে শ্ৰীকৃষ্ণৰ ৰাসক্ৰীড়াই যেন প্ৰাণ পাই উঠিছে। 'ৰাসক্ৰীড়া'ত বৰ্ণিত হৈছে এনেদৰে—

"আপুনি গাৱন্ত গীত মোহন।
ফুৰন্ত ৰঞ্জি দিব্য উপবন।।
যমুনা বালি দেখি সুকোমল।
পদ্ম গন্ধী বাতে আতি শীতল।।"

সেইদৰে 'কীৰ্তন'ৰ 'হৰমোহন' অধ্যায় প্ৰকৃতিপ্ৰেমৰ চূড়ান্ত নিদৰ্শনৰূপে অভিহিত কৰিব পাৰি। ইয়াত অসমৰ চিনাকি ফুল, ফল, চৰাই, মাটি, পানী, বায়ু আদি একোৱেই যেন বাদ পৰা নাই। জকমকাই ফুলি থকা দুকুৰিতকৈও অধিক থলুৱা ফুলৰ জীৱন্ত বৰ্ণনা অতি মনোৰম।

"শিৰীষ সেউতি তমাল মালতী
লৱঙ্গ বাগী গুলাল।
কৰবীৰ বক কাঞ্চন চম্পক
ফুল ভৰে ভাঙ্গে ডাল। (৫৩৪)
শেৱালি নেৱালী পলাশ পাৰলি
পাৰিজাত যুতি জাই।
বকুল বন্দুলি আছে ফুলি ফুলি
তাৰো সীমা সংখ্যা নাই। (৫৩৫)

তদুপৰি গুৰুজনাই কুঁজীৰ বাঞ্চা পুৰণত প্ৰকৃতিৰ অনুপম সৌন্দৰ্য প্ৰকাশ কৰিছে।

"মলয় চন্দন সুগন্ধীত ঘ্ৰাণ
মালতী চম্পা শিৰীষ।
অগৰু ধূপৰ ধুম্ৰে আমোদিত
বাসয় দিশ বিদিশ।।"

সেইদৰে 'নাৰদৰ কৃষ্ণ দৰ্শন'ত প্ৰকৃতি ৰূপ-ৰসত কবি মোহিত হৈছে।

"দিব্য সৰোবৰ পুষ্পিত বনে।
পড়িয়া নাদ ত্যজে পক্ষীগণে।।
চম্পা পাৰিজাত সুৰভি ৰসে।

নৱ লক্ষদেৱ গৃহ প্ৰকাশে।।”

শংকৰদেৱৰ অনুবাদ সাহিত্যতো প্ৰকৃতিৰ ৰূপ ৰস ফুটি উঠিছে। গৰখীয়া বেশেৰে কৃষ্ণ বলৰাম বৃন্দাবনলৈ যোৱাৰ প্ৰসংগত শংকৰদেৱে নৈসৰ্গিক শোভা ফুটাই তুলিছে। এই বৰ্ণনাত অনুবাদৰ ভাৱধাৰাতকৈ মৌলিক কবিতাৰ দৰেহে ভাব-ভাষা প্ৰকাশ পাইছে।

“শৰত কালৰ ৰাত্ৰি অতি বিতোপন।
বহুবিধ পুষ্পে বিকশিত বৃন্দাবন।।
দেখি যোগমায়া বলে হৰিষে তহিত।
ৰাসক্ৰীড়া কৰিতে কৃষ্ণৰ ভৈল চিত।।”

শংকৰদেৱ প্ৰকৃততে এজন নিভাঁজ প্ৰকৃতিপ্ৰেমী, পৰিৱেশৰ প্ৰতি সদা সচেতন তথা দূৰদৰ্শী ব্যক্তি আছিল। আজিৰ পৰা পাঁচশ বছৰৰ আগেয়ে তেৰাই পৰিৱেশৰ বাবে চিন্তা-চৰ্চা কৰাৰ যি এক কাঠামো গঢ় দি থৈ গ'ল আজিৰ একৈচ শতিকাত তাৰ প্ৰয়োজনীয়তা মৰ্মে মৰ্মে উপলব্ধি কৰিব পাৰি। কিয়নো বৰ্তমান পৰিৱেশৰ প্ৰতি যি ভাবুকি আহিব ধৰিছে গুৰুজনাই পঞ্চদশ শতিকাতেই বিজ্ঞানসন্মত দৃষ্টিভঙ্গীৰে চালি-জাৰি চাবলৈ ভক্তগণক সকিয়াই দিছিল।

গুৰুজনাই দীৰ্ঘকাল তীৰ্থ ভ্ৰমণ কৰিবৰ বাবে উত্তৰ ভাৰত ভ্ৰমণ কৰিছিল। প্ৰথমবাৰ ৩৯ বছৰ বয়সত তীৰ্থ ভ্ৰমণৰ বাবে বাৰ বছৰ কাল ৰাজ্যৰ বাহিৰত আছিল। সেইদৰে দ্বিতীয়বাৰ ৯১ বছৰ বয়সত ছমাহ কাল তীৰ্থ ভ্ৰমণৰ কাৰণে গৈছিল। এনেদৰে তীৰ্থ ভ্ৰমণ কৰোঁতে তেওঁ বহুতো উদ্ভিদৰ সঁচ আনি অসমৰ থান, সত্ৰৰ চৌপাশত ৰোপণ কৰিছিল। বৰদোৱাত শংকৰদেৱে কিছুমান প্ৰয়োজনীয় গছ ৰোপণ কৰাই প্ৰকৃতিৰ কল্যাণ সাধিছিল। বৃন্দাবনৰ পৰা অনা কদমৰ গুটি আৰু শিলিখাৰ গুটি নিজ হাতে ৰোপণ কৰিছিল। *(পুৰাৰাম মহন্তৰ 'বৰদোৱা চৰিত' পৃঃ ২১১ আৰু ড° সঞ্জীৱ বৰকাকতিৰ 'পূৰ্ণাঙ্গ কথা গুৰু চৰিত' পৃঃ ৭৫)*। পাটবাউসী থান তেৰাৰ সুপৰিকল্পনাৰ সুন্দৰ নিদৰ্শনস্বৰূপ।

পৰিৱেশ বিজ্ঞানৰ এক অন্যতম মুখ্য দিশ হ'ল স্বচ্ছ, পৰিস্কাৰ-পৰিচ্ছন্নতাৰ প্ৰতি গুৰুত্ব আৰোপ। স্বচ্ছ, নিকা পৰিৱেশে আমাৰ স্বাস্থ্য তথা সমাজ জীৱনত কেনে ইতিবাচক প্ৰভাৱ পেলায় তাক দোহৰাৰ প্ৰয়োজন নাই। নামঘৰত জোতা-চেণ্ডেল সোমোৱাটো নিষেধ। ই স্বাস্থ্য বিজ্ঞানৰ সূত্ৰ মানি চলে। কিয়নো জোতা বা চেণ্ডেলত ৰোগৰ বীজাণুৱে থিতাপি ল'ব পাৰে। নিত্য কৰ্ম কৰাৰ পাছত গা-পা ধুই পৰিষ্কাৰ কাপোৰ পিন্ধি নামঘৰৰ ভিতৰত প্ৰৱেশ কৰাৰ নিয়ম গুৰুজনাই প্ৰৱৰ্তন কৰি গৈছে। ইও নিতান্তই স্বাস্থ্যসন্মত তথা বিজ্ঞানসন্মত দিশ। মাহ-প্ৰসাদ বিলাওতে বিলনীয়াই মুখত কাপোৰ এখন বান্ধিহে বিলোৱাৰ নিয়ম। তেনে কৰি বৈজ্ঞানিক মানসিকতাৰ উৎকৃষ্ট চানেকি গুৰুজনাই মধ্যযুগতে দি থৈ গৈছে।

শংকৰদেৱে ভালদৰে উপলব্ধি কৰিছিল যে গজন, ভ্ৰমণ, উৰণ, বুৰণ এই চাৰিবিধ জীৱৰ পৃথিৱীৰ পৰিৱেশ ৰক্ষা কৰাত ওতঃপ্ৰোত সম্পৰ্ক বিৰাজমান। জগতৰ এই চাৰিমুঠি জীৱতে চৈতন্যময় হৰি বিয়পি আছে। সেই হৰিক উপলব্ধি কৰিব নোৱাৰাৰ বাবেহে আমি জীৱ হত্যাত ৰত হওঁ। শংকৰদেৱে বাল্যকালৰ পৰাই জীৱ হিংসা কিম্বা হত্যা মহাপাপ ৰূপে উপলব্ধি কৰিছিল। 'কথা গুৰুচৰিত' ত উল্লেখ আছে—

"আৰু সবে শিশু বটা খেদে
আন সবে দুই চাৰিহে পায়,
গুৰুজনে একোকোঁচ ধৰে।
সবেটি চাই চিন্তি এৰি দিয়ে পুনু।।"

উৰণীয়া জীৱৰো যে পৰিৱেশ ৰক্ষাত গুৰুত্বপূৰ্ণ ভূমিকা আছে সেই কথা উপলব্ধি কৰিয়েই বোধ হয় তেৰাই বটা চৰাইবোৰ এৰি দিছিল। আন আন জীৱৰ প্ৰতিও গুৰুজনা দয়াশীল আছিল। চাৰিমুঠি জীৱই সমতা ৰক্ষা কৰি পৃথিৱীত বসবাস কৰিব পৰা মূল আধাৰ হৈছে বায়ু, পানী, তাপ আৰু মাটি। এই আধাৰক প্ৰদূষণমুক্ত কৰি ৰখাটোৱেই হৈছে প্ৰকৃতি সংৰক্ষণৰ মূল মন্ত্ৰ।

প্ৰকৃতি সংৰক্ষণৰ ক্ষেত্ৰত গজন জীৱ গছ-গছনিয়ে যে মুখ্য ভূমিকা পালন কৰে সেয়া শংকৰদেৱে মৰ্মে মৰ্মে উপলব্ধি কৰিছিল। কিয়নো উৰণ আৰু ভ্ৰমণ জীৱ সমষ্টিৰ বসবাসৰ মূল আধাৰ হ'ল গছ-গছনি। গছ-গছনিৰ আশ্ৰয়তহে অন্যান্য জীৱজগতে জীয়াই থকাৰ সম্বল বিচাৰি পায়। আজিৰ মানৱে এই কথা জানিও নুবুজাৰ ভাও ধৰে। বৰ্তমান পৰিৱেশৰ ওপৰত মানুহে যি ধ্বংসলীলা চলাব লাগিছে সিয়ে বৰ্তমান তথা ভৱিষ্যত প্ৰজন্মৰ বাবে এক অশুভ ইংগিত বহন কৰিছে। উদ্ভিদ সংৰক্ষণৰ বাবে গুৰুজনাই নানান কাহিনী সৃষ্টি কৰি গৈছে, ভাগৱত শাস্ত্ৰত বৰ্ণিত তেনে এটা কাহিনী হ'ল—

"প্ৰাচীন বৰ্হি নামৰ ৰজাজনৰ দহজন পুতেক আছিল। তেওঁলোক দশ প্ৰচেত নামেৰে জনাজাত আছিল। তেওঁলোক আছিল হৰিভক্ত আৰু প্ৰজাপতি। তেওঁলোকে দেৱৰ্ষি নাৰদৰ উপদেশমতে বহুদিন কঠোৰ তপস্যা কৰি হৰি দৰ্শন লাভ কৰিবলৈ সমৰ্থ হৈছিল। হৰিৰ পৰা আদেশ আৰু আশীৰ্বাদ লৈ স্বগৃহলৈ ওভতাৰ পথত দশ প্ৰচেতে দেখিলে যে বিভিন্ন গছ-গছনি গজি তেওঁলোকৰ পথ বন্ধ কৰি পেলালে। গছ-গছনিৰ ওপৰত তেওঁলোকৰ বৰ খং উঠিল আৰু তপোবনৰ দ্বাৰ পথ ৰুদ্ধকাৰী গছ-গছনিবোৰ ভস্মীভূত কৰিবলৈ ধৰিল। সেই ধ্বংসকাৰ্য দেখি বৃক্ষৰাজ সোমে দশ প্ৰচেতক ভৎসনা কৰি ক'লে—

"প্ৰজাপতি হুয়া কোনে প্ৰজাক ধ্বংসাহা।
বৃক্ষে জীৱে সম্পৰ্কিত বিচাৰি দেখাহা।।
বৃক্ষহীন ভৈলে জানা নৰৈব জগত।
জগতৰে শক্তি বীৰ্য আছন্ত বৃক্ষত।।
জগতৰে মঙ্গলাৰ্থে বৃক্ষৰ স্ৰজন।
পৰ উপকাৰী বৃক্ষ কৰিও ৰক্ষণ।।"

বৃক্ষৰাজ সোমৰ কথাত দশ প্ৰচেতৰ চেতনা আহিল। কৃতকৰ্মৰ বাবে অনুতপ্ত হৈ বাকী থকা গছ-গছনিবোৰ সংৰক্ষণ তথা বংশবৃদ্ধিৰ ব্যৱস্থা কৰিলে। এই ৰূপকধৰ্মী কাহিনীটোৰ জৰিয়তে গুৰুজনাই প্ৰকৃতি সংৰক্ষণৰ গুৰুত্ব সম্পৰ্কে বুজনি দি গৈছে। আজিৰ 'গছ থাকিলেহে মানুহ থাকিব' বুলি দিয়া ধ্বনি কাহিনীটোত বৃক্ষৰাজ সোমে কোৱা 'বৃক্ষহীন ভৈলে জানা নৰৈব জগত' কথাষাৰৰ সমাৰ্থক স্বৰূপ।

মহাপুৰুষ শংকৰদেৱে কেৱল উপদেশমূলক বাৰ্তাহে যে ভক্তগণক দিছিল তেনে নহয়। নিজে

হাতে-কামে গছৰ পুলি ৰোপণ কৰি এক আদৰ্শৰ চানেকি ৰাখি থৈ গৈছে। বিভিন্ন থান আৰু সত্ৰসমূহৰ চৌহদত আম, জামু, শিলিখা, আমলখি, আঁহত, নিম, কদম, নাহৰ, বকুল, সাঁচি, বেল আদিৰ পুলি ৰুই পৰিৱেশ সংৰক্ষণৰ গুৰুত্ব বিষয়ে ৰাইজক সজাগ কৰি থৈ গৈছে। আজিও সত্ৰ আৰু থানসমূহত সুস্থ, নিটোল প্ৰাকৃতিক পৰিৱেশ বৰ্তি থকা দেখা যায়।

সেইদৰে 'এক বৃক্ষ দশ পুত্ৰ সম' অৰ্থাৎ এজোপা গছ দহজন পুত্ৰৰ সমান বুলি শংকৰদেৱে পাঁচশ বছৰৰ পূৰ্বেই কৈ গৈছে। আজিৰ প্ৰেক্ষাপটত এইষাৰ কথাৰ প্ৰাসঙ্গিকতা অতি বেছি। এজোপা উদ্ভিদ ৰক্ষাত বা ধ্বংসত মানুহৰ কেনে ইতিবাচক বা নেতিবাচক প্ৰভাৱ থাকিব পাৰে, সেয়া শংকৰদেৱে উপলব্ধি কৰি ভক্তগণক সজাগ হ'বলৈ পৰামৰ্শ আগবঢ়াইছিল। গুৰুজনা কাহিনী, ধৰ্মীয় আলোচনাৰে বিভিন্ন প্ৰাকৃতিক পৰিৱেশৰ লগত চিনাকি কৰি দিয়াত সিদ্ধহস্ত আছিল। কৃষিৰ লগতে উদ্যান শস্য, ফুলনি আদিৰ উপকাৰিতাৰ বিষয়ে সময় উপযোগী আলোচনা আগবঢ়াইছিল আৰু লেখনিত সেইবোৰ প্ৰকাশ কৰিছিল।

মুঠৰ ওপৰত শংকৰদেৱৰ ৰচনাত ভক্তিৰস, নৱৰসৰ সমান্তৰালভাৱে প্ৰকৃতিৰ সকলো চিত্ৰ সজীৱ হৈ উঠা দেখা যায়। সাম্প্ৰতিক সময়ত প্ৰকৃতিৰ যি ধ্বংসাত্মক কাৰ্য চলিব লাগিছে তাৰ পৰা পৰিত্ৰাণ পোৱাৰ একমাত্ৰ উপায় হ'ল প্ৰকৃতিৰ লগত সমিলমিলেৰে বাস কৰিবলৈ শিকাটো। প্ৰকৃতিৰ পৰা অহৰহ আহৰণ কৰাতকৈ প্ৰকৃতিক ওলোটাই কিবা দিব পৰাটোতহে কৃতিত্বৰ পৰিচয় বহন কৰে। মহাপুৰুষজনাই প্ৰকৃতিক যেনেদৰে বন্দিত কৰি থৈ গ'ল আজিৰ প্ৰজন্মই তাৰ গূঢ়াৰ্থ উপলব্ধি কৰিব নোৱাৰিলে আমাৰেই বিপদ অনিবাৰ্য। ❑

"সৃষ্টিশীল অভিব্যক্তি আৰু জ্ঞানৰ মাজত আনন্দ জগাই তুলিব পৰাটো শিক্ষকৰ সৰ্বোত্তম কলা।"

— এলবাৰ্ট আইনষ্টাইন

"এটি সুশিক্ষিত মনত সদায় উত্তৰতকৈ প্ৰশ্ন বেছি থাকে।"

— হেলেন কেলাৰ

প্ৰবন্ধ সম্ভাৰ

# বৰগীতৰ সাঙ্গীতিক বৈশিষ্ট্য

ড° প্ৰশান্ত কুমাৰ খাউণ্ড
সংগীতজ্ঞ

অসমৰ জাতীয় জীৱনৰ অঙ্গাঙ্গী সম্পৰ্ক আছে বৰগীতৰ লগত। মহাপুৰুষীয়া সংস্কৃতিৰ লগত জড়িত প্ৰতিজন অসমীয়াই বৰগীতক এক উচ্চ আসনত ৰাখিছে। জগতগুৰু শ্ৰীমন্ত শঙ্কৰদেৱ আৰু তেৰাৰ প্ৰপন্ন শিষ্য মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱ বিৰচিত ৰাগ আৰু ধ্ৰুং যুক্ত গীতসমূহক বৰগীত বুলি কোৱা হয়, যাৰ দ্বাৰা ভগৱন্ত কৃষ্ণক উপাসনা কৰা হয়। এই কথা ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাদেৱ আৰু ড° বাণীকান্ত কাকতিদেৱে কৈছে। মহাপুৰুষ গুৰুজনাই বৰগীতক কেৱল "গীত" বুলিহে কৈছে। পণ্ডিত কালিৰাম মেধিদেৱে বৰগীতক **Songs Celestial** বুলি কৈছে।

মহামুনি সাৰঙ্গদেৱ প্ৰণিত "সঙ্গীত ৰত্নাকৰ" শাস্ত্ৰত সঙ্গীতৰ সূত্ৰ এনেধৰণে লিখিছে, "গীত, বাদ্য আৰু নৃত্য এই তিনিও কলাক একে লগে সঙ্গীত বুলি কোৱা হয়।" তেৰাৰ লিখনিৰ তত্ত্ব মতে উল্লেখিত তিনিটা কলাৰ ভিতৰত গীতেই হৈছে শ্ৰেষ্ঠ কলা। আনহাতে পৌৰাণিক দৰ্শন মতে চৌষষ্ঠি কলাৰ ভিতৰত সঙ্গীতেই হৈছে শ্ৰেষ্ঠ কলা। বৰগীতসমূহ যদিও ঈশ্বৰ উপাসনাৰ মাধ্যম কণ্ঠ সংগীত, ইয়াৰ শব্দ গাঁথনি, কাব্যিক সৌন্দৰ্য আৰু ৰচনাশৈলী বহুত উচ্চ মানদণ্ডৰ । এই গীতসমূহৰ দ্বাৰা আত্মা আৰু পৰমাত্মাৰ মিলনৰ কথা পোৱা যায় ।

হিন্দুস্থানী সঙ্গীত পদ্ধতি মতে যেনেকৈ গীতৰ দুটা ভাগ যেনে— স্থায়ী আৰু অন্তৰা থাকে তেনেকৈ বৰগীততো ধ্ৰুং আৰু পদ থাকে। ধ্ৰুং শব্দৰ অৰ্থ ধ্ৰুৱা অথবা ধুৱা। অন্তৰাৰ নিচিনাকৈ পদ দুটা বা তাতোধিক থাকে। শেষৰ পদ চৰণত লিখকৰ নাম উল্লেখ থাকে। এই চৰণটোক "ভণিতা" বুলি কোৱা হয়। অৱশ্যে শ্ৰীমন্ত গুৰুজনাৰ ছয়ভাগ যড় ছন্দৰ বৰগীতত ভণিতা পোৱা নাযায়। পদৰ শেষৰ চৰণত লিখকৰ নাম উল্লেখ থকা পৰম্পৰাটো হিন্দুস্থায়ী সঙ্গীতৰ ভজন, গজল আদি গীততো পোৱা যায় ।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাই বাৰকুৰি অৰ্থাৎ দুশ চল্লিশ ভাগ বৰগীত লিখিছিল যদিও বেছি ভাগ বৰগীতৰ পুথি জুইত জাহ যোৱাত বৰ্তমান চৌত্ৰিশ (৩৪) ভাগ বৰগীতহে আমি পঢ়িবলৈ পাওঁ। গুৰুজনাৰ নিৰ্দেশত মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱে এশ সাতাৱন্ন (১৫৭) ভাগ বৰগীত ৰচনা কৰিছিল। বৰ্তমান আমি এই সমস্ত বৰগীত পঢ়িবলৈ পাওঁ। বৰগীতসমূহৰ ভাষা হৈছে ব্ৰজাৱলী ভাষা। দুয়োজনা মহাপুৰুষৰ বৰগীতসমূহ বিভিন্ন ৰাগত বন্ধা আৰু পদছন্দ, দুলৰী ছন্দত আৰু লেচাৰি ছন্দত ৰচনা কৰা।

গুৰুজনাৰ বৰগীতসমূহৰ দৰ্শন হৈছে পূৰ্ণব্ৰহ্ম শ্ৰীকৃষ্ণ অথবা শ্ৰীৰামৰ অভয় চৰণত শৰণ লৈ ভকতে মুক্তি লাভ কৰাৰ এক সুগম পথ। যেনে-

ধ্ৰুং— নাৰায়ণ কাহে ভকতি কৰো তেৰা ।
মেৰি পামৰু মন মাধৱ ঘনে ঘন ঘাতক পাপ নাছোড়া ।।
পদ— যত জীৱ জঙ্গম কীট পটঙ্গম
অগনগ জগ তেৰি কায়া।
সৱকহু মাৰি পূৰত উহি উদৰ
নাহি কৰত ভুত দায়া ।। ১।।
ঈশ স্বৰূপে হৰি সৱ ঘটে বৈঠহ
যৈচন গগন বিয়াপি।
নিন্দা বাদ পিশুন হিংসা হৰি
তেৰি কৰহো হামু পাপী ।। ২।।
কাকু শঙ্কৰ কয় কৰু কৰুণা নাথ
যো নো ছাৰোহো ৰাম বাণী।
সৱ অপৰাধক বাধক তুৱা নাম
তাহে শৰণ লেহু জানি ।। ৩।।

"নাৰায়ণ কাহে ভকতি কৰো...." ধনশ্ৰী ৰাগৰ বৰগীত। আনহাতে শ্ৰীশ্ৰী মাধৱদেৱ মহাপুৰুষ জনাৰ বৰগীতত শিশু অথবা কিশোৰ কৃষ্ণৰ দুষ্টালি আৰু মাক যশোদাৰ বাৎসল্য প্ৰেমৰ বৰ্ণনা পোৱা যায়। যেনে-

ধ্ৰুং— বিৰিন্দা বনে খেলে যশোদা নন্দ লালনা ।
যো হৰি সকল ভুৱন একু পালক
সো হৰি বনে বৎস পালনা ।।
পদ— কোটি মদন জিনি বাজত যদুমণি
নৱ জলধৰ তনু শোহনা।
ত্ৰিবলি বলিত অঙ্গ ভঙ্গ ৰুচিৰ ৰঙ্গ
ৰসিক ভুৱন মন মোহনা ।।
বাম ললিত ভুজ মূলে মিলিত ৰাম
কপোল ভঙ্গৰ ভ্ৰুৱ চালনা।
ঈষত ঈষত হাসি বাঁশীৰ মধুৰ ধ্বনি
মণিময় জুড়া ভালি টালনা ।।
নবীন গুঞ্জাৰ হাৰ গ'লে গজ মুকুতাৰ

মালা কদম্বকেৰি দুলনা।
ৰতন মঞ্জীৰ মণি ঝুৰয় চৰণ মহ
মাধৱ কহ ভৱ তুলনা ।।৩।।

"বিৰিন্দাবনে খেলে যশোৱা নন্দ লালন"...... বেলোৱাৰ ৰাগৰ বৰগীত। আমি বিভিন্ন তালত বৰগীতসমূহ পৰিৱেশন কৰোঁ যদিও মহাপুৰুষ দুজনাৰ লিখনিত ৰাগযুক্ত বৰগীতৰ লগত তালৰ উল্লেখ পোৱা নাযায়।

বছৰৰ ছটা ঋতুত যেনেকৈ প্ৰকৃতিৰ বেলেগ বেলেগ পৰিৱেশ পোৱা যায় ঠিক তেনেকৈ চৌৱিচ ঘণ্টাজোৰা দিনটোৰ ভিতৰত প্ৰহৰ অনুপাতে বেলেগ বেলেগ পৰিৱেশ পোৱা যায়। এই প্ৰহৰ অনুপাতে ৰাগযুক্ত বৰগীতৰ গায়ন সময় বেলেগ বেলেগ। ঠিক তেনেকৈ ৰাগ অনুপাতে গীতৰ শব্দ গাঁথনিও বেলেগ বেলেগ। ভাৰতীয় সঙ্গীতৰ ভিত্তি শাস্ত্ৰ "সঙ্গীত ৰত্নাকৰ" পুথিৰ মতে চৌৱিচ ঘণ্টাত প্ৰহৰৰ সংখ্যা আঠটা। ভাৰবৰ্ষত সূৰ্য উদয়ৰ সময় ৰাতিপুৱা ছয় বজাত আৰু সূৰ্য অস্তৰ সময় সন্ধ্যা ছয় বজাত ধৰা হয়। এই ছয় বজাৰ পৰা তিনি ঘণ্টাকৈ হিচাপ কৰি দিনৰ ভাগত চাৰি প্ৰহৰ আৰু ৰাতি ভাগত চাৰি প্ৰহৰ। ৰাতিপুৱা আৰু গধূলি পৰিৱেশন কৰিবলগা ৰাগসমূহক সন্ধি প্ৰকাশ ৰাগ বুলি কোৱা হয়। অৰ্থাৎ দিনৰ আধা ডেৰ ঘণ্টা আৰু ৰাতিৰ আধা ডেৰ ঘণ্টা সংযোগহে এটা প্ৰহৰ সৃষ্টি হৈছে। যেনে কৌ, অহিৰ আৰু শ্যাম ৰাগ গোৱাৰ সময় ৰাতিপুৱা চাৰে চাৰি বজাৰ পৰা চাৰে সাত বজালৈ। আনহাতে মধ্যাহ্ন অৰ্থাৎ দুপৰীয়া গাব লগা বসন্ত ৰাগৰ গায়ন সময় দিনৰ চাৰে দহ বজাৰ পৰা ডেৰ বজালৈ। ৰাগৰ সূত্ৰ শাস্ত্ৰত এনে ধৰণে আছে, "যো হয়ং ধ্বনি বিশেষস্ত স্বৰবৰ্ণ বিভুষিতাঃ ৰঞ্জকোজনচিত্তাকৰ্ষণং ৰাগঃ কথ্যৈতে বুঁধ্যে"।

বিতৎ বাদ্য খোলবাদ্য, পাটিতাল, বেপনিবাদ্য আৰু বাঁহী এইকেইটা বাদ্যযন্ত্ৰ বৰগীতৰ লগত সংগত কৰা হয়। হিন্দুস্থানী সংগীতৰ খেয়ালৰ লগত তবলা সংগত কৰোঁতে যেনেকৈ ঠেকা, তেহাই আৰু পৰণ বজোৱা হয় ঠিক তেনেকৈ বৰগীতৰ লগত খোল বাদ্য সংগত কৰোঁতে মান, ঘাত আৰু চোক বজোৱা হয়। ৰাগযুক্ত খেয়াল গাওঁতে যেনেকৈ জাতি, অংগ, বাদী, সমবাদী নিয়ম মনা হয়, ঠিক তেনেকৈ ৰাগযুক্ত বৰগীত গাওঁতেও জাতি, অঙ্গ, বাদী, সমবাদী আদি নিয়ম মনা হয়। খেয়াল গোৱাৰ প্ৰাক মুহূৰ্তত পকড়ৰ ওপৰত ভিত্তি কৰি ৰাগালাপ গোৱা হয়। বৰগীত গোৱাৰ প্ৰাক মুহূৰ্তত ৰাগচানেকিৰ ওপৰত ভিত্তি কৰি ৰাগালাপ গোৱা হয়। সাতে পাঁচে মিলালে বৰগীতসমূহক শাস্ত্ৰীয় সংগীত বুলি ক'ব পাৰি। কাৰণ ইয়াৰ গায়ন শৈলী সঙ্গীত ৰত্নাকৰ শাস্ত্ৰৰ অধীন। বৰগীতসমূহৰ লগতে কীৰ্ত্তন, নামঘোষা, অংকীয়া গীতসমূহকো শাস্ত্ৰীয় সংগীত বুলি ক'ব পাৰোঁ। সত্ৰীয়া নৃত্যকলাই যেনেকৈ ৰাষ্ট্ৰীয় স্বীকৃতি লাভ কৰিলে, ঠিক তেনেকৈ মহাপুৰুষ দুজনাৰ গীতসমূহ আৰু খোল বাদ্যই ৰাষ্ট্ৰীয় স্বীকৃতি লাভ কৰিব লাগে। ❑

লিখকঃ ডাঃ প্ৰশান্ত কুমাৰ খাউণ্ড, মোবাইল নম্বৰ ঃ ৯৬৭৮২৪৫৮০৯

আধাৰ গ্ৰন্থঃ ১। "বৰগীত মুকুৰ"ঃ গোলাপ মহন্ত
২। "সঙ্গীত জিজ্ঞাসা"ঃ ৰাম প্ৰসাদ ৰায়

# অৰূপা পটংগীয়া কলিতাৰ উপন্যাসত মানসিক বিকাৰগ্ৰস্ত চৰিত্ৰ ('অয়নান্ত', মৃগনাভি' আৰু 'কুকুহাৰ' এক পৰ্যালোচনা)

আকাশবন্তি গগৈ
স্নাতকোত্তৰ শিক্ষয়িত্ৰী
বৰদলনি উচ্চতৰ মাধ্যমিক বিদ্যালয়

মানুহৰ মন অতিশয় জটিল। মানুহৰ দৈনন্দিন অভিজ্ঞতা, চৌপাশৰ পৰিবেশ, বিভিন্নজনৰ স'তে হোৱা সম্পৰ্কৰ ফলত মানুহৰ মনত উঠা আবেগ-যুক্তিৰ জোৱাৰেই নিয়ন্ত্ৰিত কৰে মানুহৰ কাৰ্যাৱলী। এই কাৰ্যাৱলীসমূহৰ মাজেৰে মানুহে সমাজৰ বুকুত স্থিৰ কৰি লয় নিজৰ বাবে একোটা স্থান। একোজন ব্যক্তিৰ ব্যৱহাৰেই তেওঁৰ পৰিচয়। সেই পৰিচয় প্ৰোথিত হয় ভিন্নজনৰ মনৰ দাপোনত। কিন্তু কেতিয়াবা কিছুমান মানুহৰ জীৱনলৈ এনে কিছুমান মুহূৰ্ত আহে যেতিয়া তেওঁ নিজৰ পৰিচয়ৰ সেই স্ফটিক মূৰ্তি ভাঙি চুৰ্ণ-বিচুৰ্ণ কৰি আচৰণ কৰে অস্বাভাৱিক। তেওঁৰ চিন্তা, হাৱ-ভাৱ, আচৰণ সকলোতে আহি পৰে অসংলগ্নতা। তেওঁৰ সকলো আচৰণতে আহি পৰে পৰিবৰ্তন। তেওঁ পাহৰি যায় আপোন পৰিচয়, চৌপাশৰ পৃথিৱীখনৰ স'তে তেওঁৰ সম্বন্ধ, সামাজিক ৰীতি-নীতি আনকি জীৱনে দাবী কৰা মৌলিক প্ৰয়োজনীয়তাখিনিও। কিবা এক খঙত, কিবা এক অভিমানত, কিবা এটা পোৱাৰ দাবীত যেন তেওঁ ওভতগোৰে নাচে, দলিয়াই পেলায় সকলোবোৰ সামাজিক দায়বদ্ধতা আৰু নিজৰ মাজতে সৃষ্টি কৰি লোৱা কাল্পনিক জগতখনত অনাই-বনাই ঘূৰি ফুৰে আপোন ইচ্ছানুসৰি। তেওঁলোকে ভ্ৰুক্ষেপ নকৰে কাকো; কাৰো প্ৰতি মন-কাণ দিবলৈ সময় নাই তেওঁলোকে, কিন্তু যেতিয়াই কোনোবাই বাধা প্ৰদান কৰে তেওঁলোকৰ নিজস্ব পৃথিৱীৰ কক্ষপথত, তেওঁলোকে সুদাই নেৰে কাকো।

কিয় হয় এনেকুৱা? কিয় এটি সুন্দৰ জীৱনে হেৰুৱাই পেলায় জীৱনৰ সুন্দৰতা?? কিয় হৈ পৰে বিকাৰগ্ৰস্ত মানসিকতাৰ বলি??? এনেবোৰ প্ৰশ্নৰে যুক্তি সংগত উত্তৰ বিছাৰি মনোবিজ্ঞানৰ বিভিন্ন ধাৰাৰ সৃষ্টি কৰিছে আধুনিক মনোবিজ্ঞানীসকলে। মানুহৰ কাৰ্যাৱলী, চিন্তা-ধাৰণাৰ নিতে ন ন অধ্যয়ন চলিব

লাগিছে। মনোবিজ্ঞানীসকলেও নতুন নতুন ব্যাখ্যা আগবঢ়াইছে। আনকি মানসিক বিকাৰগ্ৰস্ত ব্যক্তিসকলক পুনৰ জীৱনৰ সেন্দুৰীয়া পথলৈ ঘূৰাই অনাৰ বাবে উন্নত চিকিৎসাৰো ব্যৱস্থা কৰা হৈছে।

সাহিত্য সমাজৰ দাপোন। বিশ্বৰ বিভিন্ন ভাষাৰ সাহিত্যতো এনেধৰণৰ মানসিক বিকাৰগ্ৰস্ত চৰিত্ৰৰ প্ৰতিফলন ঘটিছে অতীজৰে পৰা। বিশেষতঃ সাম্প্ৰতিক বিশ্বৰ সাহিত্য জগতখনত মানৱ মনৰ এই অস্বাভাৱিক অৱস্থাই বিশেষ গুৰুত্ব লাভ কৰা দেখা যায়। বিশ্ব সাহিত্যত শ্বেক্‌ছপিয়েৰৰ নাট, ভাৰ্জিনিয়া উলফৰ উপন্যাস, এডগাৰ এলেন পোৰ গল্প আদিত অস্বাভাৱিক মানসিকতাৰ চৰিত্ৰ দেখিবলৈ পোৱা যায়। ঠিক সেইদৰে অসমীয়া সাহিত্যতো অতি সাম্প্ৰতিক কালছোৱাত ৰীতা চৌধুৰীৰ 'নয়না, তৰালি, সুজাতা', 'পপীয়া তৰাৰ সাধু'; অনুৰাধা শৰ্মা পুজাৰীৰ 'কাঞ্চন' আদি উপন্যাসত মানসিক বিকাৰগ্ৰস্ত চৰিত্ৰ দেখিবলৈ পোৱা যায়। মানসিক বিকাৰগ্ৰস্ততাক ৰচনাত সফলভাৱে উপস্থাপন কৰিবলৈ সক্ষম হোৱা সমসাময়িক আন এগৰাকী জনপ্ৰিয় ঔপন্যাসিকা হৈছে অৰূপা পটংগীয়া কলিতা। অৰূপা পটংগীয়া কলিতাৰ তিনিখন উপন্যাসিকা 'অয়নান্ত', 'মৃগনাভি', আৰু 'কুকুহা'ৰ তিনিটা মূল চৰিত্ৰই চৌপাশৰ পৰিবেশৰ প্ৰতিকূলতাৰ লগত তাল ৰাখিব নোৱাৰি হেৰুৱাই পেলাইছে মানসিক ভাৰসাম্যতা আৰু বলি হৈ পৰিছে মানসিক বিকাৰগ্ৰস্ততাৰ। লেখিকাৰ অন্য এখনি জনপ্ৰিয় উপন্যাস 'ফেলানী'তো বিধ্বস্ত সময়ে বধিৰ আৰু ক্ৰমশঃ মানসিক বিকাৰগ্ৰস্ত কৰি তোলা পাৰ্শ্ব চৰিত্ৰ সুমলা আছে যদিও প্ৰস্তুত লেখাত বাকী তিনিখন উপন্যাসত পৰিস্ফুত হোৱা চৰিত্ৰকেইটিৰ বিকাৰগ্ৰস্ততা, ঔপন্যাসিকাৰ দৃষ্টিত এনে অস্বাভাৱিকতাৰ কাৰণ তথা ঔপন্যাসিকাৰ উপস্থাপন ৰীতিৰ ওপৰতহে এটি সম্যক অধ্যয়ন চলাবৰ চেষ্টা কৰা হৈছে।

নাৰী স্বভাৱতেই চালিত হয় আবেগ-অনুভূতিৰ দ্বাৰা। পুৰুষৰ দৰে যুক্তি-বুদ্ধিৰে তেওঁলোকে নিয়ন্ত্ৰণ নকৰে জীৱনৰ কক্ষপথ। চকুৰ আগৰ পৃথিৱীখন, সংস্পৰ্শলৈ অহা ব্যক্তিসমূহ তথা নিতে লাভ কৰা অভিজ্ঞতাসমূহৰ সমন্বয়ত গা কৰি উঠা আবেগেহে প্ৰকৃতাৰ্থত পৰিচালিত কৰে এগৰাকী নাৰীক। কিন্তু যেতিয়া এই নিয়ন্ত্ৰণকাৰী শক্তি ৰুদ্ধগতি হৈ পৰিব লগা হয় আকস্মিকতে কোনো বাহ্যিক কাৰণবশতঃ তেতিয়াই ভিতৰৰ সত্তাই বাহিৰৰ পৃথিৱীৰ লগত সংগতি হেৰুৱাই পেলায় আৰু নাৰীগৰাকীৰ আচৰণত ফুটি উঠে অসংলগ্নতা। পটংগীয়া কলিতাৰ তিনিওখন উপন্যাসতে দেখা যায় তিনিওটি চৰিত্ৰই মানসিক ভাৰসাম্যতা হেৰুৱাই পেলাইছে নিষ্পেষণৰ বলি হৈ। সমাজৰ তথাকথিত সভ্যতা, ক্ষমতা আৰু বিলাসিতাৰ নিগনি দৌৰত নিজৰ বিবেককো বিক্ৰী কৰি দিবলৈ সাজু থকা আজিৰ মানুহে মাথোঁ চিনি পায় টকা আৰু সম্পত্তি। মৰম, ভালপোৱা, সততা, উদাৰতা আদি মানসিক গুণসমূহে হেৰুৱাই পেলাইছে আদৰ আৰু স্বীকৃতি। এনে সময়তে প্ৰস্তুত তিনিওখন উপন্যাসৰ তিনিওটি চৰিত্ৰ উপস্থিত হৈছেহি বুকুত বহুতো আশা-ভালপোৱাৰ কৰণি সজায়। কিন্তু আজিৰ সমাজত তেওঁলোকে তাল ৰাখিব পৰা নাই। নিষ্ঠুৰ সমাজৰ কঠিন হাতোৰাৰ চেপাত হেৰাই গৈছে সিহঁতৰ মনৰ দৃঢ়তা।

স্বাধীনতাৰ আগৰ আৰু পাছৰ কেইবছৰমানৰ সমাজ ব্যৱস্থা, বিশেষতঃ সমাজত নাৰীৰ স্থান, পৰিৱৰ্তনৰ

টো আদিক সুন্দৰভাৱে জলজল পট্‌পট্‌কৈ দাঙি ধৰা 'অয়নান্ত' উপন্যাসখনৰ এটি মুখ্য চৰিত্ৰ ৰুমা; নায়িকা বীণাপাণিৰ 'ৰুমা বাইদেউ'। সুন্দৰ, বগা, লাহীদেহৰ ৰুমা বাইদেউ এটি সাংস্কৃতিক মনৰ গৰাকী। ৰুমাই অৰ্গেন বজায়, গান গায়, কিতাপ পঢ়ে, লাহী দীঘল দীঘল আঙুলিকেইটাৰে ধুনীয়াকৈ নাৰিকলৰ মিঠাই বনায়। বৃটিছৰ পদলেহী কৰুণা বৰুৱাৰ ছোৱালী হৈও তাই প্ৰেমত পৰে স্বাধীনতা সংগ্ৰামী ডেকা যতীনৰ আৰু বৃটিছৰ ৰেল বগৰোৱা আত্মত্যাগী সংগ্ৰামী মহানন্দ বৰুৱা আৰু যতীনক সহায় কৰি পৰোক্ষভাৱে হ'লেও ভাৰতৰ স্বাধীনতা সংগ্ৰামত অৰিহণা যোগায়। সেই সময়ৰ নাৰীয়ে নিজ ইচ্ছা অনুসৰি একো কৰিব নোৱাৰিছিল, মুখ ফুটাই ক'বও নোৱাৰিছিল আপোন ইচ্ছা-আকাংক্ষা। তাৰ শাস্তি আছিল ভয়ানক। যতীনে আঁকা ৰুমাৰ ফটোখনৰ কথা বীণাই সুধোঁতে ৰুমাই তাৰ ইংগিত দি কৈছেঃ 'তুমি ছবিখনৰ কথা কাকো নক'বা দেই।"

ঃ 'ক'লে কি হ'ব?' স্বভাৱজাত কৌতুহ'লেৰে তাই সুধিলে।

ঃ 'মোক শিকলিৰে বান্ধি মাৰিব।'

ঃ 'কোনে মাৰিব?' ইমান মৰম লগা ৰুমা বাইদেউক কোনোবাই মাৰিব পাৰিবনে?

ঃ 'চবেই মাৰিব মাজনী। মাৰি মাৰি মোক শেষ কৰি দিব। দেউতাই মোক শেষ কৰি দিব। দেউতাই মোক গুলীয়াই মাৰিব।' ৰুমাৰ চকুহালৰ পৰা পানী পৰিছে।'

ৰুমাই তাইৰ ইচ্ছাৰ কথা ক'ব নোৱাৰিলে। নিষ্ঠুৰ 'হাইঠা চৰাই' কৰুণা বৰুৱাৰ ক্ষমতা আৰু টকাৰ ভয়ত যতীনেও ৰুমাক নিজৰ কৰিবলৈ সাহস কৰিব নোৱাৰিলে। টকাৰ খকত মৌজাদাৰ বৰুৱাই ৰুমাক বিয়া দিয়ে 'চাহাবক ছাগলী খুউৱা বদমাচ' ঠিকাদাৰ এটালৈ। এইখিনিতে ৰুমাৰ জীৱনলৈও আহি আহিছে আন্ধাৰ। প্ৰিয়জনৰ লগতে নিজৰ আদৰ্শকো হেৰুৱাই ৰুমা ভাঙি পৰিছে সম্পূৰ্ণকৈ আৰু মানসিক ভাৰসাম্য হেৰুৱাই হৈ পৰিছে বলিয়া। বীণাৰ দেউতাকে বীণা সম্পৰ্কে কৰা উক্তি 'তাই মৰমৰ বশ। বান্ধিবলৈ গ'লে বলিয়া হ'ব' সঁচা হ'ল ৰুমাৰ ক্ষেত্ৰত। দেউতাকে ৰুমাক বান্ধিবলৈ গৈছিল টকাৰে, ক্ষমতাৰে, কিন্তু বিয়াৰ এমাহো নহওঁতেই তাই ঘুৰি আহিল পাগলী হৈ। এইবাৰ সঁচাকৈয়ে তাইক বান্ধি থ'লে হাতীবন্ধা শিকলিৰে। তগৰ ফুলৰ দৰে শুভ্ৰ, মমতাময়ী ছোৱালীজনী ক'লা হৈ গ'ল; দীঘল চুলিবোৰো ঠায়ে ঠায়ে এৰাই গ'ল; মিঠা গান গোৱা মানুহজনীয়ে এতিয়া এবাৰ হি হিয়াই হঁহা, এবাৰ হুকহুকাই কন্দা হ'ল। যেন নিয়ৰত তিতা ফুল এপাহ কোনোবাই ভাঙি মুচৰি পেলালে।

টকাই মানুহক অন্ধ কৰে, ক্ষমতাই মানুহক পাহৰাই দিয়ে নিজৰ পৰিচয়, শিপা, জীৱনৰ অন্তিম সত্য। টকা, ক্ষমতা, বিলাসত মতলীয়া হৈ পৰা কৰুণা বৰুৱাৰ হাউলীত নিজৰ ঔৰষজাত সন্তানৰ বাবেও স্থান নহ'ল। মানসিক বিকাৰগ্ৰস্ত ৰুমাই জন্ম দিয়ে এটি ধুনীয়া কন্যাসন্তান 'তগৰ'ক। নন্দ বৰুৱাৰ পত্নী যশোদা আৰু নাতিনী বীণাপাণিৰ যত্নত কোনোমতে জীয়াই থাকিল তগৰ। সেয়া এক অন্য কাহিনী। ধৰ্ম প্ৰচাৰক মিছনেৰী মিচন এটাই এটা সময়ত ৰুমাক লৈ যায় তেওঁলোকৰ তত্ত্বাৱধানলৈ। হস্পিতেলত চিকিৎসা

আগবঢ়োৱাত তাই বহু পৰিমাণে ভাললৈ আহে যদিও হেৰাই যোৱা চেতন মনটো আৰু তাই ঘূৰাই নাপালে। খোৱাবস্তু পালে ভাটৌৰে কুটাদি কুটি খোৱাৰ বাহিৰে পৃথিৱীৰ আন একো বস্তুৰ প্ৰতি তাইৰ কোনো ভ্ৰূক্ষেপ নাই।

'আমি তিৰোতা মানুহে কি কাম নিজৰ হেঁপাহ মতে কৰিব পাৰোঁ?', 'জীয়ৰী কালত তিৰোতাক বাপেকে চায়, সেন্দুৰ পিন্ধাৰ পাছত স্বামীয়ে, পাছৰছোৱাত পেটৰ পোৱে চায়।'— 'অয়নান্ত'ত বীণাপাণিৰ আইতাকৰ উক্তি দুটাৰ ঠিক প্ৰতিফলনেই যেন পটংগীয়া কলিতাৰ অন্য এখন উপন্যাসিকা 'কুকুহা' (গৰিয়সীত প্ৰকাশিত, নৱেম্বৰ, **২০০২,** ফেব্ৰুৱাৰী, **২০০৩**)ৰ মূল নাৰী চৰিত্ৰটি। আঁকুহি-বাঁকুহি, ঘৰ ঘৰ কৰি মৰা, মানুহজন, ল'ৰা তিনিটাকে সৰ্বস্ব বুলি ভবা মানুহজনীৰ দুখ কুলাই পাচিয়ে নধৰা হয় গিৰিয়েকৰ মৃত্যুৰ পাছত। কৰ্মসূত্ৰে বিভিন্ন স্থানত বসবাস কৰা পুতেকহঁতৰ কোনোটোৱেই লগত ৰাখিব নোখোজে আপোন জন্মদাত্ৰী মাতৃক। মাকৰ মূল্য তেওঁলোকৰ বাবে অলংকাৰখিনি আৰু ভাড়াঘৰৰ ভাড়াখিনিতহে। বিলাসিতা, আড়ম্বৰপূৰ্ণ জীৱনৰ পাছত দৌৰি ফুৰা পুতেক-বোৱাৰীয়েকে মাকক দিব লগা ন্যূনতম ভাত-কাপোৰখিনিও যোগান নধৰা হ'ল। নিজৰ নিজৰ স্বয়ং সম্পূৰ্ণ সংসাৰখনত মাক যেন এটা অনাৱশ্যক, উল্কাপিণ্ডহে। 'সিহঁতে তোমাক মোতকৈ সুখত ৰাখিব', 'চিন্তা নকৰিবা, উকীল মাতি চব ঠিক কৰি থৈ যাম।' বুলি কোৱা গিৰিয়েকজনে কৰিব নোৱৰা কামটো তেওঁৰ বছেৰেকীয়াৰ পিছতে চহী কৰি দি কৰাৰ পিছত মানুহজনীৰ নিজলৈ ঠাই অকণ নোহোৱা হ'ল। ঠিকাদাৰ বৰপুত্ৰই ভনীয়েকৰ ঘৰত বিয়া খাবলৈ যোৱাৰ অজুহাততে এক্‌জিকিউটিভ পুতেকৰ ওচৰত থোৱাৰ পিছত মাকজনীৰ ঠাই হ'লগৈ ওপৰ মহলাৰ এচুকৰ এখন সৰু খিৰিকিযুক্ত এটা কোঠা। কৰ্ম ব্যস্ততাৰ অচিলাতে মানুহজনীক তলা বন্ধ কৰি ৰখা হ'ল কোঠাটোত। খোৱা-বোৱাৰ নামত কেতিয়াবা এচকল ব্ৰেড, ওচৰৰ ঘৰৰ ফপৰীয়া চুলিৰ ছোৱালীজনীয়ে দলিয়াই দিয়া বিস্কুট কেইখন আৰু বেংকৰ অফিচাৰণী বোৱাৰীয়েকে দিয়া স্লিপিং টেবলেটকেইটা। এটা সময়ত 'ভাত ঐ', 'পানী ঐ' বুলি চিঞৰি চিঞৰি অৱশেষত দুৰ্গন্ধময় আন্ধাৰ কোঠাটোতে দেহত্যাগ কৰিব লগা হয় মানসিকভাৱে খণ্ড-বিখণ্ড হোৱা 'পাগলী' মানুহজনীয়ে।

বিয়া কি বস্তু বুজি পোৱাৰ আগতেই বিধৱা হোৱা 'মৃগনাভি'ৰ সোণতৰা বুজন হোৱাৰ পাছতে প্ৰেমত পৰে তেওঁৰ সহকৰ্মী আদিত্য বৰুৱাৰ; সপোন দেখে কৈশোৰত ভৰি দিও দিও সন্তান সোণমণি, তেওঁ আৰু বৰুৱাই মিলি পুনৰ এখন সংসাৰ গঢ়াৰ। কিন্তু যিখন সমাজে বিধৱাৰ পুনৰ বিবাহক সহজভাৱে ল'ব নোৱাৰে তেনে এখন সমাজত সোণতৰাই কেনেকৈ পুনৰ প্ৰেম আৰু বিবাহৰ কথা ভাবিব পাৰে? সেয়ে বৰুৱাৰ অতীৱ আগ্ৰহৰ স্বত্বেও সোণতৰাই পাৰ্যমানে নিজকে সংযত কৰি নিৰুত্তৰ হৈ আহিছিল। কিন্তু যেতিয়াই বৰুৱা আৰু তেওঁৰ মাজৰ সম্পৰ্কক ৰহস্যময় নাম দি তেওঁৰ সম্পৰ্কীয় আৰু চৌপাশৰ মানুহবোৰে বুবু-বাবা আৰম্ভ কৰি দিলে, আনকি বেলেগৰ কথা শুনি বৰুৱাক অত্যন্ত ভালপোৱা সোণমণিয়েও সোণতৰাক কটু কথা শুনায়, তেতিয়াই তাই প্ৰেম আৰু কৰ্তব্যৰ দোমোজাত পৰি হেৰুৱাই পেলায় মানসিক

ভাৰসাম্য। যিজনী সোণতৰাই উচ্চশিক্ষা লাভৰ, সুন্দৰ ছবি অঁকাৰ ইচ্ছাক জলাঞ্জলি দি অনিচ্ছাসত্ত্বেও কেৱল ঘৰৰ কথা মানি বিয়াত বহিবলৈ মত দিব পাৰিছিল, স্বামীৰ দুশ্চৰিত্ৰক সহ্য কৰি যাব পাৰিলে, বিধৱা হোৱাৰ বাবে বিভিন্নজনৰ নেতিবাচক কথাও সহজেই হজম কৰি গ'ল, সেইজনী সোণতৰাই নিজৰ সৰ্বস্ব বুলি ভবা সোণমণি আৰু বুকুৰ মাজত ক্ৰমাৎ থিতাপি ল'বলৈ আৰম্ভ কৰা বৰুৱাক হেৰুৱাই দিয়াৰ ভয়ত ভাঙি পৰে ডোখৰ ডোখৰকৈ। ডিলিউচনত ভোগা সোণতৰাই অনুভৱ কৰে উজ্বল সাজ পিন্ধা কম বয়সীয়া যুৱতী এজনীয়ে তেওঁৰ প্ৰেমিক বৰুৱাক আঁতৰাই লৈ গৈছে, পেটুৱা বৰজনাকহঁতে কিবা কিবি কৈছে, সোণমণি আঁতৰি গৈছে তেওঁৰ কাষৰপৰা। সকলোকে হেৰুৱাই নিঃস্ব হৈ পৰিছে সোণতৰা। তাই ভাগি পৰিছে, ক্ৰোধত ফাটি পৰিছে আৰু বৰজনাক যেন চেহেৰাৰ মানুহক মাৰিবলৈ খেদি গৈছে।

এইখন উপন্যাসিকাত অৱশ্যে উপন্যাসিকা পটংগীয়া কলিতাই অন্য দুখন উপন্যাসৰ তুলনাত কিছু ইতিবাচক দিশ এটা দাঙি ধৰিছে। আন দুখন উপন্যাসত যিদৰে প্ৰেম-ভালপোৱাৰ অভাৱত বিকাৰগ্ৰস্ত চৰিত্ৰ দুটিয়ে অকালতে মৃত্যুক সাৱতি ল'ব লগা হৈছে, এইখন উপন্যাসিকাত তেনে হ'ব লগা হোৱা নাই। হয়তো সমাজত পৰিৱৰ্তনৰ ঢৌ এটা আহিছে, মনবোৰ পৰিৱৰ্তন আদৰি ল'ব পৰাকৈ দৃঢ় হৈছে বুলি দেখুৱাবৰ বাবে অথবা অজেয় প্ৰেমৰ মৃত্যুহীন বিজয় দেখুৱাবৰ বাবেই উপন্যাসিকাই মিলনান্তক সমাপ্তিৰে উপন্যাসখন শেষ কৰিছে। কাহিনীৰ শেষৰ ফালে ডিলিউচনত ভোগা সোণতৰাক অসমৰ বাহিৰৰ এখন হস্পিতেলত ভৰ্তি কৰোৱা হৈছে। এবছৰ তাত চিকিৎসা গ্ৰহণ কৰি তেওঁ আৰোগ্য লাভ কৰে আৰু শক্তিশালী মনেৰে কেৱল তেওঁৰ বাবেই বাট চাই থকা বৰুৱাক আদৰি লয়। ইতিমধ্যে সোণমণিয়েও মাকৰ অসুখৰ কাৰণ নিজেই বুলি বুজিব পাৰি বৰদেউতাকহঁতৰ ওচৰলৈ নগৈ বৰুৱাৰ ওচৰলৈ গুছি আহে। আৰু এটি সুখী সংসাৰৰ কল্পনাৰে উপন্যাসিকাখনিৰ যৱনিকা পৰে।

অৰূপা পটংগীয়া কলিতাৰ আনবোৰ উপন্যাসৰ দৰে 'অয়নান্ত', 'কুকুহা', 'মৃগনাভি'ত সামূহিক সামাজিক পটভূমিত নাৰী জীৱনৰ চিত্ৰ একোখন উজ্জ্বলকৈ জিলিকি উঠিছে। কেনেকৈ পুৰুষতান্ত্ৰিক সমাজ এখনে থুনুকা নাৰী জীৱন একোটাক খণ্ড-বিখণ্ডকৈ বিধ্বস্ত কৰি পেলায়, কেনেকৈ বিলাস আৰু আধুনিকতাৰ পাছত ঘূৰা মানুহে ক্ৰমাৎ হেৰুৱাই পেলায় মৰম, ভালপোৱা, মমতা, কৰ্তব্যবোধ আদি মানবীয়তা, তাৰ উজ্জ্বল দৃষ্টান্ত পটংগীয়া কলিতাৰ উল্লিখিত উপন্যাসকেইখন। ৰচয়িতাৰ নিজৰ ভাষাতে এওঁলোক 'মোৰা পোকে ধৰা সমাজখনে বিধ্বস্ত কৰা নাৰীৰ প্ৰতিভূ।' এওঁলোক কেৱল ৰুমা, সোণতৰা বা কুকুহাৰ অসহায় নাৰীগৰাকী নহয়, জীৱনৰ বিভিন্ন স্তৰত বিভিন্নজনৰ দ্বাৰা লাঞ্ছিতা, নিষ্পেষিতা, শোষিতা এওঁলোক সহজ-সৰল মাটিৰ সীতা। এওঁলোকৰ মানসিক বিকাৰগ্ৰস্ততা কেৱল এক ব্যাধি নহয় বৰঞ্চ সকলোধৰণৰ লাঞ্ছনা-নিষ্পেষণৰ এক মৰ্মস্পৰ্শী প্ৰতিবাদ; নিজকে শেষ কৰি দিও মানৱতাৰ হকে যুঁজাৰ এক নিৰ্মম প্ৰত্যাহ্বান।■

প্ৰবন্ধ সম্ভাৰ

# টেমছুলা আও ঃ এক অসাধাৰণ নাৰী

ড° চিত্ৰলেখা ফুকন
সহযোগী অধ্যাপিকা
অসমীয়া বিভাগ
বিহপুৰীয়া মহাবিদ্যালয়

প্ৰচণ্ড ইচ্ছাশক্তি, ধৈৰ্য আৰু একাগ্ৰতা থাকিলে হাজাৰ প্ৰতিকূল পৰিৱেশকো নেওচি মানুহে সফলতাৰ উচ্চ শিখৰত আৰোহণ কৰিব পাৰে। পৃথিৱীৰ সকলো সফল ব্যক্তি সোণ-ৰূপৰ চামুচ মুখত লৈ জন্মগ্ৰহণ কৰা নাই। নিজৰ প্ৰবল ইচ্ছা শক্তিৰে জীৱনৰ সকলো বাধা-বিঘিনি আৰু প্ৰত্যাহ্বান নেওচি পৰৱৰ্তী জীৱনত সফল তথা চিৰ পৰিচিত ব্যক্তি হৈ পৰাৰ উদাহৰণ অনেক আছে। তেনে এগৰাকী স্বনামধন্য তথা অনন্য নাৰী হ'ল নাগালেণ্ডৰ আও জনগোষ্ঠীৰ টেমছুলা আও। তেখেত এগৰাকী কবি, গল্পকাৰ, লোক-সংস্কৃতিৰ গৱেষক, NEHU বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপিকা, ডিমাপুৰৰ উত্তৰ-পূব সাংস্কৃতিক কেন্দ্ৰৰ সঞ্চালক ইত্যাদি। টেমছুলা আওৱে ইমানখিনি পাবলৈ ভাবিব নোৱৰা কষ্টৰ মুখামুখি হৈছিল। এক কথাত ক'বলৈ হ'লে, হিচাপহীন দুখ-যন্ত্ৰণাৰ বাট অতিক্ৰম কৰি তেওঁ সফলতাৰ উচ্চ শিখৰত আৰোহণ কৰিছিল। তেওঁ নিজেই নিজৰ শৈশৱ কালছোৱা "ভাঙি টুকুৰা-টুকুৰ হোৱা এটা কোঙা শৈশৱ" (**Fractured Childhood**) বুলি উল্লেখ কৰিছে। টেমছুলা আওৰ জন্ম হৈছিল ১৯৪৫ চনত যোৰহাটত। দেউতাক ইম্‌নামাথুংবা চাংকিৰি তেতিয়া যোৰহাটত থকা বৰভেটা মিছন কম্পাউণ্ডাৰ খ্ৰীষ্টিয়ান হস্পিটেলৰ ছুপাৰ ভাইজাৰ হিচাপে নিযুক্ত আছিল। সেই হস্পিটেলৰ কোৱাৰ্টাৰ এটাতে তেওঁলোকে বসবাস কৰিছিল। ছটা সন্তানৰ ভিতৰত টেমছুলা আও আছিল ঘৰখনৰ তিনি নম্বৰ সন্তান। তেওঁৰ ওপৰত দুজন ককায়েক আৰু তলৰ দুজন ভায়েক আৰু এজনী ভনীয়েক আছিল। টেমছুলা আও দ্বিতীয় শ্ৰেণীত পঢ়ি থকা সময়তেই, দেউতাক ঢুকুৱাৰ ন মাহৰ পাছত মাক ন'কিনটেম্‌লা লংকুমেৰো ঢুকাই থাকিল। এমাডিমা ল'ৰা-ছোৱালী ছটাৰ 'পানীত হাঁহ নচৰা' অৱস্থা হ'ল। যন্ত্ৰণাদায়ক শৈশৱৰ সেই দিনবোৰত সৰু-সৰু ল'ৰা-ছোৱালীকেইটাই কেতিয়াবা এসাঁজ খাবলৈ পাইছিল আৰু কেতিয়াবা এসাঁজো নোখোৱাকৈ পাৰ কৰিছিল। ককায়েক দুয়োটাই ভাৰাতীয়া হিচাপে ফুটবল খেলি কেতিয়াবা খোৱাৰ যোগাৰ কৰিছিল। তেওঁলোক থকা ঘৰটোৰ চাল উৰুখিছিল, দুৱাৰ-খিৰিকীবোৰ কব্জাৰপৰা সুলকি পৰিছিল। উৰুখা চালৰ

পৰা পানী পৰি পৰি বিচনাৰ কাপোৰ তিতি পচি তাৰ পৰা দুৰ্গন্ধ ওলাইছিল আৰু তাত শুব নোৱাৰি কাপোৰবোৰ পেলাই দিছিল। নতুনকৈ কিনি লোৱাৰ সামৰ্থ্যও নাছিল।

কেতিয়াবা খোৱা বস্তুৰ অভাৱত নোখোৱাকৈয়ে স্কুললৈ যাব লগা হৈছিল। এদিন অসহ্য ভোকৰ তাড়নাত টেমছুলা আও আৰু ভায়েক, কেইবামাইলো আঁতৰত থকা পেহীয়েকৰ ঘৰ ওলালগৈ খোৱা-বস্তু বিচাৰি। পেহীয়েকৰ ঘৰৰো অৱস্থা তথৈবচ। তথাপি খাবলৈ নোপোৱা, শুকাই-ক্ষীণাই হাড়ে-ছালে লগা চেহেৰা দেখি সেইদিনা পোৱা ৰেচনৰ আধা কিলোমান আটা কাগজৰ ঠোঙা এটাত ভৰাই দিলে। পিছে বাটতে বৰষুণ অহাৰ বাবে আটাৰ ঠোঙা তিতি সকলো নষ্ট হ'ল। ফলস্বৰূপে ল'ৰা-ছোৱালীকেইটাই শুদা পেটে শুৱাৰ আৰু এটা ৰাতি যোগ হ'ল। অন্য এদিন হস্পিটেল চৌহদত থকা জ্যেষ্ঠ চিকিৎসকজনৰ ঘৰত ভোজৰ আয়োজন কৰিছিল। টেমছুলা আও আৰু ভায়েকহঁতক অৱশ্যে তালৈ নিমন্ত্ৰণ কৰা নাছিল। পিছে ঘৰত খাবলৈ একো নথকা আৰু ককায়েকহঁতে কিবা আনিব বুলি বাট চাই থাকি হতাশ হোৱাৰ পাছত সিজোৱা ভাত আৰু মাংস আঞ্জাৰ গোন্ধত তেওঁলোক গৈ ফেঞ্চিঙৰ কাষৰ হেজৰ তল পালেগৈ আৰু জুমি জুমি চাবলৈ ধৰিলে। তাকে দেখি তেওঁলোকক মালিকনীয়ে খাবলৈ মাতিলে আৰু কাম-বন কৰা মানুহৰ লগত চৰুৰ তলত লাগি ধৰা ভাত খাবলৈ দিলে। লাজ-মান কাটি কৰি বহুদিনৰ মূৰত এসাজ উৎকৃষ্ট ভাত খোৱাৰ তৃপ্তি লভিছিল। অৱশ্যে এনেদৰে লোকৰ এৰেহা ভাত খাই ভোক নিবাৰণ কৰাৰ কথা টেমছুলা আও আৰু ভায়েকে কাহানিও ককায়েকহঁতৰ আগত কোৱা নাছিল। পেটৰ ভোক তেওঁলোকৰ জীৱনৰ লগৰী হৈ পৰা বুলি তেওঁ "মোৰ জীৱনটো" গ্ৰন্থখনত উল্লেখ কৰিছে। ৰাতি আধাপেটীয়াকৈ অথবা শুদা পেটে শুবলগীয়া হোৱা অথবা অপ্ৰকাশ্য অন্তৰ্দাহী ক্ৰোধৰ বহিঃপ্ৰকাশ ঘটিছিল সামান্য কথাতে ভায়েকৰ লগত লগা কাজিয়াৰ মাধ্যমেৰে। এক কথাত মাক-দেউতাকৰ উমাল স্নেহৰ পৰা বঞ্চিত হৈ গোটেই পৰিয়ালটোৱেই বিধ্বস্ত হৈ পৰিছিল। সেইবাবেই টেমছুলা আওৰ ভায়েকটোক ইতিমধ্যেই গাঁৱৰ খুড়াকৰ লগত থকা সৰু ভাই-ভনী দুটাৰ লগলৈ পঠিয়াই দিয়া হ'ল আৰু তেওঁক IV ক্লাছৰ বছেৰেকীয়া পৰীক্ষালৈ দুমাহ বাকী থকা সময়ছোৱাতে গোলাঘাটৰ ৰিজ্‌ৱে গাৰ্লছ হাইস্কুলত পুনৰ IV ক্লাছত নাম লগাই দি বৰ্ডিঙত থাকিবলৈ দিলে। গতিকে নতুন স্কুল, বৰ্ডিঙৰ জীৱন, অসমীয়া-ইংৰাজী পাঠ্যক্ৰম অধ্যয়ন, বৰ্ডিঙৰ সৰ্বকনিষ্ঠ আবাসী হিচাপে ৰন্ধা-বঢ়াৰ পৰা আৰম্ভ কৰি সকলো কাম কৰা অথচ মনৰ দুখ-বেদনাক ভগাই ল'বলৈ কোনো নথকা অকলশৰীয়া কষ্টকৰ জীৱন আকোঁৱালি ল'ব লগা হৈছিল। ইয়াৰ মাজেদিয়েই অধ্যৱসায় আৰু ধৈৰ্যৰ কাৰণে সকলো বিষয়তে পাৰদৰ্শী হৈ উঠিছিল আৰু শ্ৰেণীত প্ৰথম হ'বলৈ সক্ষম হৈছিল।

উল্লেখ কৰা ভাল হ'ব যে সৰুতেই ঘাত-মাউৰা হোৱা ল'ৰা-ছোৱালীকেইটাৰ ডাঙৰ দুজনৰ এজনে মেট্ৰিক পাছ কৰি গাঁৱৰ প্ৰাথমিক বিদ্যালয়ত চাকৰি পালে আৰু অন্যজনে যোৰহাটৰ কলেজ এখনৰপৰা ইন্টাৰমিডিয়েট পাছ কৰি তেতিয়াৰ অসমৰ নগাপাহাৰ জিলাৰ চৰকাৰী অফিচ এটাত কেৰাণীৰ চাকৰিত সোমাল। চাকৰিৰ মাজেৰেই স্নাতক হ'ল আৰু পৰৱৰ্তী সময়ত IAS মনোনীত হৈছিল আৰু

সময়ত ছেক্ৰেটেৰী তথা কমিছনাৰ হিচাপে অৱসৰ গ্ৰহণ কৰিছিল। অৱসৰৰ পাছত ভালেমান বছৰ চৰকাৰৰ পৰামৰ্শদাতা হিচাপে সেৱা আগবঢ়াইছিল। শিক্ষকতাৰ চাকৰি কৰাজনে নিজৰ সেৱাৰ বাবে ৰাষ্ট্ৰপতিৰ পুৰস্কাৰ পাবলৈও সক্ষম হৈছিল। গতিকে একোজন ব্যক্তি সফল হ'বলৈ হ'লে লাগিব প্ৰচণ্ড মানসিক শক্তি আৰু অসীম ধৈৰ্য, তেতিয়া কোনো প্ৰতিকূলতাই প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিব নোৱাৰে।

গোলাঘাটৰ বৰ্ডিং স্কুলত ছবছৰ পঢ়ি মেট্ৰিক পৰীক্ষা দিয়াৰ পাছতেই টেমছুলা আও ঘৰলৈ ঘূৰি আহিল। ককায়েক-বৌৱেকে মেট্ৰিক দিয়াৰ এমাহৰ পাছতেই, ৰিজাল্ট ওলোৱাৰ আগতেই বিয়াত বহিব লগা হ'ল তেওঁতকৈ ভালেমান বয়সত ডাঙৰ একে কুলৰ এজন আঢ্যৱন্ত ব্যৱসায়ীৰ লগত। টেমছুলা আওৰ পঢ়াৰ প্ৰতিহে প্ৰবল ধাউতি আছিল, কিন্তু ঘৰৰ মানুহে তেওঁৰ পঢ়াৰ খৰচ বহন কৰাত অপৰাগতা প্ৰকাশ কৰিলে। আওৱে মনৰ প্ৰবল হেঁপাহ সামৰি নিজাববীয়াকৈ অন্ততঃ ঘৰ এখন হ'ব বুলি নিজে নিজক সান্ত্বনা দি অৱশেষত বিয়াৰ কথাত সন্মতি দিলে।

বিয়াৰ পিছতেই মেট্ৰিকৰ ফলাফল ওলালে আৰু তেওঁ প্ৰথম বিভাগত উত্তীৰ্ণ হ'ল। তেওঁৰ মনৰপৰা উচ্চ শিক্ষা গ্ৰহণৰ হেঁপাহ পুনৰ জাগ্ৰত হ'ল। সেই সময়তে সদ্য বিশ্ববিদ্যালয় পাছ কৰি অহা এদল ছাত্ৰই এখন ইভিনিং কলেজ খোলাৰ যো-জা কৰিছিল। স্বামীক মান্তি কৰাই টেমছুলা আওৱে তাত উচ্চ শিক্ষাৰ বাবে নাম লিখাই ইভিনিং কলেজ পঢ়িবলৈ আৰম্ভ কৰিলে। তেওঁ শিক্ষা গ্ৰহণৰ আনন্দত অধীৰ হ'ল। পাছে শহুৰেকৰ ঘৰৰ মানুহে কথাটো জানিব পাৰি নানা গালি-গালাজ পাৰিলে আৰু সন্মানীয় মানুহৰ ঘৰৰ বোৱাৰীয়ে ৰাতি ৰাতি নানাধৰণৰ মানুহৰ লগত বাহিৰলৈ গৈ পৰিয়ালৰ সন্মানহে হানি কৰিছে বুলি দোষাৰোপ কৰিলে আৰু তাৰ পাছতেই তেওঁ কলেজলৈ যোৱা বাদ দিলে। এই ঘটনাই অৱশ্যে টেমছুলা আওক মানসিকভাৱে জেদি কৰি শক্তিশালীহে কৰি তুলিলে। উচ্চ শিক্ষা গ্ৰহণত বাধা পৰিল যদিও ঘৰতে তেওঁ নিজকে কিতাপ-পত্ৰ অধ্যয়নৰ লগত জড়িত কৰি ৰাখিলে। সেই সময়তেই ডেপুটি কমিছনাৰজনৰ পত্নীয়ে ল'ৰা-ছোৱালীক পঢ়াবৰ বাবে ইংৰাজী মাধ্যমৰ এখন বিদ্যালয় "দ্য টাউন ইংলিছ কিণ্ডাৰগাৰ্টেন স্কুল" নাম দি আৰম্ভ কৰিছিল। তাত শিক্ষাদান কৰিবলৈ ১৫০ টকাৰ মাহেকীয়া দৰমহা দি টেমছুলা আওক তালৈ আমন্ত্ৰণ জনালে। সেই স্কুলৰ শিক্ষয়িত্ৰী এগৰাকীৰ ভনীয়েকৰ জৰিয়তে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ইন্টাৰমিডিয়েট আৰ্টছৰ পৰীক্ষাৰ বিষয়ে জানিব পাৰি প্ৰাইভেট পৰীক্ষাৰ্থী হিচাপে পৰীক্ষা দিবলৈ ঠিক কৰিলে। বন্ধু-বান্ধৱীৰ সহযোগ আৰু নিজৰ অশেষ কষ্টৰ মূৰত যোৰহাটৰ এখন কলেজত পৰীক্ষা দি প্ৰথম বিভাগত উত্তীৰ্ণ হয়।

১৯৬৩ চনত নাগালেণ্ডৰ এটা সমষ্টিৰ বিধায়কজনৰ মৃত্যু হোৱা কাৰণে টেমছুলা আওৰ স্বামীয়ে নিৰ্দলীয়ভাৱে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰি জয়লাভ কৰে। পিছে স্বামীৰ এই ৰাজহুৱা জীৱনে তেওঁলোকৰ সাংসাৰিক জীৱনলৈ ভাঙোনৰ বীজহে কঢ়িয়াই আনিলে। পৰৱৰ্তী সময়ৰ নিৰ্বাচনত তেওঁ হাৰিছিল আৰু টকা-পইছাৰো নাটনি ঘটিছিল। টেমছুলা আও আৰু স্বামীৰ মাজত আৱেগিক সম্পৰ্ক মজবুত নাছিল। এটা ল'ৰা আৰু চাৰিজনী ছোৱালীৰ জন্ম হৈছিল যদিও সন্তান উৎপাদনকাৰী মিলনত নাছিল কোনো

আত্মিক পৰশ। স্বামীৰ ৰাজহুৱা জীৱন আৰম্ভ হোৱাৰ লগে লগে তেওঁলোকৰ ব্যক্তিগত জীৱন নোহোৱাৰ নিচিনাই হ'ল।

টেমছুলা আওৰ ডাঙৰজনী ছোৱালীৰ পঞ্চম জন্মদিনটোলৈ তিনিমাহমান বাকী থকা অৱস্থাতে আকস্মিকভাৱে ডায়েৰিয়া হ'ল আৰু ঢুকাই থাকিল। এই ঘটনাই তেওঁৰ মনত বৰ আঘাত দিলে। সন্তানৰ মৃত্যু, ব্যক্তিগত জীৱন, পঢ়াৰ প্ৰতি ধাউতি অথচ আধৰুৱা ইত্যাদি কথাই আওক বৰ মানসিক অশান্তি দিবলৈ আৰম্ভ কৰাৰ সময়তে ইয়াৰপৰা পৰিত্ৰাণ পাবলৈ সেই সময়ৰ সেই চহৰৰ ফজল আলি কলেজত নন কলেজিয়েট ছাত্ৰী হিচাপে বি.এ. পৰীক্ষা দিবলৈ প্ৰস্তুতি চলালে। এগৰাকী এম.এল.এ.ৰ পত্নী, এগৰাকী শিক্ষয়িত্ৰী আৰু চাৰিটা সন্তানৰ মাতৃ হিচাপে কঠোৰ ধৰা-বন্ধা ৰুটিনৰ মাজেদিও পুৱাৰ সময়খিনিত সুৰুঙা উলিয়াই দুবছৰ পঢ়ি সকলোকে আচৰিত কৰি বি.এ. পৰীক্ষাত ডিষ্টিংশ্যনসহ বিশ্ববিদ্যালয়ৰ তৃতীয় স্থান অধিকাৰ কৰি উত্তীৰ্ণ হৈছিল। পৰৱৰ্তী সময়ত এখন ৰক্ষণশীল ঘৰ আৰু এজন ৰক্ষণশীল শহুৰেকৰপৰা অনুমতি লৈ এম.এ. পঢ়িবলৈ যোৱাটো সহজ নাছিল। কিন্তু উদ্দেশ্য সৎ হ'লে ভগৱানেও সহায় কৰে। চহৰখনৰ নামজ্বলা, হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক মায়াগনোকচাই টেমছুলা আওক প্ৰশংসা কৰিছিল আৰু ইংৰাজী বিষয়ত এম.এ. পঢ়িবলৈ কৈ শহুৰেকক কথাটো ক'লে। শহুৰেকে মায়াগনোকচাৰ কথা পেলাব নোৱাৰি সন্মতি দিয়াৰ কাৰণে টেমছুলা আওৱে গুৱাহাটী বিশ্ববিদ্যালয়ত ইংৰাজী বিভাগত এম.এ. পঢ়িবলৈ সুবিধা পাইছিল। এইক্ষেত্ৰত গাঁৱৰ ভালেমান আত্মীয়ই পত্নী হিচাপে, মাতৃ হিচাপে দায়িত্ব পালন নকৰি এগৰাকী অতি উচ্চাকাংক্ষাযুক্ত নাৰী বুলি আওক সমালোচনা কৰিছিল। তেওঁ এনে সমালোচনাক সমূলি মন নিদিছিল যদিও সন্তানকেইটাক এৰি থাকিবলগা হোৱা কথাটোত বৰ কষ্ট পাইছিল। তথাপি দুবছৰ হোষ্টেলত থাকি অধ্যয়ন কৰি বিশ্ববিদ্যালয়ৰ ভিতৰতেই দ্বিতীয় স্থান দখল কৰি উত্তীৰ্ণ হ'বলৈ সক্ষম হৈছিল।

আওৱে এম. এ. ডিগ্ৰী লোৱাৰ পাছত ১৯৭৪ চনত তেওঁৰ স্বামীয়ে অন্তিমটো নিৰ্বাচনত বেয়াকৈ হাৰিছিল। তেওঁলোকৰ সাচন-সামৰণ সকলো প্ৰায় শেষ হৈছিল আৰু তেওঁলোকৰ পৰিয়ালটো মুকক্চাঙৰপৰা কহিমালৈ স্থানান্তৰিত হ'ব লগা হৈছিল। তেতিয়াই তেওঁ কহিমাৰে আৰ্টছ কলেজ এখনত লেক্‌চাৰাৰ চাকৰি এটা পাই কিছুদিন কৰিছিল। ১৯৭৫ চনত তেওঁ **North Eastern Hill University**-ত লেক্‌চাৰাৰ হিচাপে নিৰ্বাচিত হ'ল আৰু তাতে তেওঁ ২০১০ চনৰ অক্টোবৰ মাহ পৰ্যন্ত সেৱা আগবঢ়ালে।

NEHU-ত শিক্ষকতা কৰাৰ আগতে তেওঁ অন্য এটা বাধা অতিক্ৰম কৰিব লগা হ'ল। সেইটো হ'ল ইংৰাজী শিক্ষণৰ ডিপ্লমা ল'ব লগা কথাটো। তেতিয়াৰ NEHU-ৰ উপাচাৰ্য ড° ডি চি দেৱনেছামৰ পৰামৰ্শ আৰু সহযোগত হায়দৰাবাদত থকা **Central Institute of English and Foreign Language**-ত ডিপ্লমা গ্ৰহণৰ সুবিধা লাভ কৰে। এইদৰে হায়দৰাবাদত ডিপ্লমা ল'বলৈ যোৱা, তাৰ পাছত ইন্টাৰভিউ দি NEHU-ৰ চাকৰিত যোগদান কৰা এই কথাবোৰ আওৰ নিজাববীয়া সিদ্ধান্ত আছিল। স্বামীয়ে দেখদেখকৈ বাধাও দিয়া নাছিল অথবা অনুমতিও দিয়া নাছিল। তেওঁৰ স্বামী স্থায়ীভাৱে শ্বিলঙলৈ আহিবও নোৱাৰিছিল।

শ্বিলঙত পঢ়াৰ সুবিধাৰ কাৰণে ল'ৰা-ছোৱালীকেইটাকো শ্বিলঙলৈ লৈ আহিল। ফলস্বৰূপে তেওঁলোকৰ সংসাৰৰ বান্ধোন সোলোক-ঢোলোক হৈ পৰিল। তদুপৰি স্বামী-স্ত্ৰীৰ সম্পৰ্কৰ মাজত আন কিছুমান উপাদানেও অনাধিকাৰ প্ৰৱেশ কৰি আৱেগিক দূৰত্ব বঢ়াই তুলিলে। শেষত দুয়োজনেই বুজা-বুজিৰ মাধ্যমেৰে ১৯৭৮ চনত তেওঁলোকৰ সম্পৰ্কক ইতি পেলাইছিল। পিছত আওৰ স্বামীয়ে দ্বিতীয় বিবাহ কৰাইছিল। তেওঁৰ মৃত্যুৰ সময়ত আও আৰু সন্তানকেইটাই স্বামীৰ শ সংকাৰত ভাগ লৈছিল। স্বামীৰ মৃত্যু হৈছিল ১৯৯৩ চনত।

অহৰহ কিবা এটা কৰাৰ দুৰন্ত তাগিদাত থকা আওৱে NEHU-তে ড° ডি পি সিঙৰ তত্ত্বাৱধানত গৱেষণা কৰি ১৯৮৩ চনত সন্মানীয় ডক্টৰেট্ ডিগ্ৰী লাভ কৰে আৰু সেই বছৰতে NEHU-ত ইংৰাজী বিভাগত ৰিডাৰ পদৰ বাবে আবেদন কৰি নিৰ্বাচিত হয়।

টেমছুলা আওৰ নিজৰ জনগোষ্ঠীৰ মাজত থকা সাধুকথাবোৰৰ প্ৰতি থকা স্বাভাৱিক আকৰ্ষণৰ কাৰণে সেই সাধুবোৰ ইংৰাজী ভাষালৈ অনুবাদ কৰিবলৈ UGC-ৰ পৰা প্ৰজেক্ট হিচাপে আৰ্থিক সাহাৰ্য লাভ কৰিছিল। সেই সময়তে আওৱে ফুলব্ৰাইট ফেল'শ্বিপৰ প্ৰাৰ্থী হিচাপে UGC-ৰ ফালৰপৰা USA-ৰ মিনেচ'টা বিশ্ববিদ্যালয়ৰ ইণ্ডিয়ান এমেৰিকান ষ্টাডিজ বিভাগত কাম কৰিবলৈ ফেল'শ্বিপৰ বাবে নিৰ্বাচিত হয়। আমেৰিকাত থকা সময়খিনি আওৱে সম্পূৰ্ণ ব্যৱহাৰ কৰি দেশ-বিদেশৰ সাধুকথা আৰু সংস্কৃতিৰ বিষয়ে অধ্যয়ন কৰিছিল আৰু এক বহল দৃষ্টিভংগীৰে লিখি উলিয়াইছিল "The Ao-Naga Oral Tradition" গ্ৰন্থখন।

১৯৮৯ চনত NEHU-ত ইংৰাজী বিভাগৰ প্ৰফেছাৰ পদত আবেদন কৰি নিৰ্বাচিত হৈছিল। ১৯৯২ চনত ডিমাপুৰত থকা North East Zone Cultural Centre-ৰ সঞ্চালক পদত আবেদন কৰি নিৰ্বাচিত হৈছিল আৰু বিশ্ববিদ্যালয়ৰপৰা ডেপুটেশ্যন লিভ্ লৈ পাঁচ বছৰৰ কাৰণে উল্লিখিত পদত সঞ্চালিকা হিচাপে সেৱা আগবঢ়াইছিল। এই পাঁচ বছৰত তেওঁ চাৰিজন গৱৰ্ণৰৰ লগত সৌহাদ্যপূৰ্ণভাৱে কাম কৰাৰ সুযোগ পাইছিল। NEZCC-ৰ সঞ্চালিকা হিচাপে তেওঁ কৰা এটা উল্লেখযোগ্য কাম হ'ল নাগালেণ্ডৰ মন জিলাৰ শ্ব্যাংগিউ গাঁৱত সজা "হেৰিটেজ মিউজিয়াম"টো। ১৯৯৭ চনৰ ২৫ এপ্ৰিলত তেতিয়াৰ নাগালেণ্ডৰ ৰাজ্যপাল অ' পি শৰ্মাই মিউজিয়ামটো মুকলি কৰিছিল।

টেমছুলা আও সাহিত্য অকাডেমিৰ প্ৰতিনিধিবৰ্গৰ সদস্য আছিল আৰু সেই সুবাদতে তেওঁ বিদেশ ভ্ৰমণৰ সুযোগ লাভ কৰিছিল। বেইজিং, চিচুৱান, চাংহাই, লণ্ডন, ছুইজাৰলেণ্ড, আমেৰিকা আদি ভ্ৰমণ কৰি প্ৰচুৰ অভিজ্ঞতা অৰ্জন কৰিছিল।

ছাত্ৰী অৱস্থাতেই মনৰ মাজত খু-দুৱাই থকা অপ্ৰকাশিত কথাই কলমৰ আগেদি প্ৰকাশৰ বাট বিচাৰিছিল যদিও আশী দশকৰ পৰাহে সচেতনভাৱে কবিতা লিখিবলৈ আৰম্ভ কৰিছিল। তেওঁৰ পাঁচখন কবিতা পুথি প্ৰকাশ কৰিছিল— Songs that Tell (১৯৮৮), Songs that Try to Say (১৯৯২), Songs of Many Moods (১৯৯৫), Songs from Here and There (২০০৩) আৰু Songs From

the Other Life (২০০৭)।

মনৰ অস্থিৰ অৱস্থাৰপৰা উপশম পাবলৈকে তেওঁ আকস্মিকভাৱে গল্প লিখা আৰম্ভ কৰিছিল আৰু এইদৰেই তেওঁ দুখন গল্প পুথি লিখিছিল— These Hills Called Home: Stories From the War Zone, Laburnum for My Head।

টেমছুলা আওক তেওঁৰ সাহিত্য আৰু শিক্ষাৰ বাবে ২০০৭ চনত ভাৰত চৰকাৰে পদ্মশ্ৰী সন্মান প্ৰদান কৰি লেখিকাগৰাকীক উপযুক্ত মৰ্যাদা প্ৰদান কৰিছিল। ২০০৯ চনত তেওঁৰ সাহিত্য কৃতিৰ বাবে নাগালেণ্ড চৰকাৰে ৰাজ্যপালৰ সোণৰ পদক দিছিল। ২০১৩ চনত চুটিগল্প সংকলন "Laburnum for My Head"ৰ কাৰণে সাহিত্য অকাডেমি বঁটা লাভ কৰিছিল।

টেমছুলা আও প্ৰকৃতাৰ্থত এগৰাকী মহীয়সী নাৰী। এল. পি. স্কুলত পঢ়ি থকা অৱস্থাতেই নিঃশেষ হৈ যাব লগা এগৰাকী যুৱতীয়ে সাংঘাতিক বিপৰ্যয় অতিক্ৰম কৰিও এখন আগশাৰীৰ বিশ্ববিদ্যালয়ৰ অধ্যাপিকা, NEZCC ৰ সঞ্চালিকা, NEHU-ৰ School of Humanities and Education ৰ Dean হিচাপে সেৱা আগবঢ়োৱাৰ উপৰি সাহিত্যিক হিচাপে ভাৰত চৰকাৰৰ পৰা পদ্মশ্ৰী বঁটা লাভ কৰাটো সৰু কথা নহয়। বিশ্বাস কৰিব নোৱাৰা যেন লাগে সাহিত্য অকাডেমিৰ বঁটাপ্ৰাপক, পদ্মশ্ৰী টেমছুলা আওৱেই শৈশৱত এসাঁজ খাই এসাঁজ নোখোৱাকৈ আছিলনে? অনিমন্ত্ৰিতভাৱে পেটৰ ভোকত লোকৰ এৰেহা খাই পেট পুৰাইছিলনে? মাক-দেউতাকবিহীন জীৱনত ক'ৰ পৰা পাইছিল ইমান শক্তি? তেওঁলোকৰ ছটা সন্তানেই প্ৰতিষ্ঠিত হোৱাৰ পাছত তেওঁলোকৰ আত্মীয় এগৰাকী বৃদ্ধাই কৰা মতামতৰ কথা টেমছুলা আওৱে সোঁৱৰণ কৰিছে। বৃদ্ধাগৰাকীয়ে কৈছিল— "আটায়ে ভবাৰ দৰে, তহঁত আটাইকেইটা ভিক্ষাৰী নাইবা খুব বেছি লোকৰ ঘৰত বনকৰা ল'ৰা-ছোৱালী হ'ব লাগিছিল। পিছে চাচোন, তহঁত আটায়ে নিজৰ বাট নিজে পোনাই লৈ সমাজত পাবলগীয়া ঠাই উলিয়াই ল'লি। তহঁতৰ জীৱনবোৰেই ঐশ্বৰিক ৰহস্যৰ উত্তম উদাহৰণ। ভাগ্য বিধাতাই যে কেনে ৰহস্যময় ধৰণেৰে কাম কৰে তাৰ প্ৰমাণস্বৰূপে তহঁতৰ জীৱনবোৰতকৈ আৰু কি ডাঙৰ প্ৰমাণ লাগিছে।" সাধাৰণ মানুহে ভবাৰ দৰে এয়া ভাগ্যৰ বলত হোৱা পৰিৱৰ্তন নহয়, মানুহৰ কৰ্মফলহে। ধৈৰ্য আৰু একাগ্ৰতাই অসম্ভৱকো সম্ভৱ কৰি তুলিব পাৰে। লগত থাকিব লাগিব কিবা এটা কৰাৰ প্ৰচণ্ড ইচ্ছাশক্তি আৰু অনবৰতে মনত লাগি থকা তাড়না। নাগালেণ্ডৰ কবি, সাহিত্যিক, অধ্যাপিকা পদ্মশ্ৰী টেমছুলা আওৰ জীৱনৰপৰা শিকিব লগা বহু কথাই আছে। তেওঁৰ বিভিন্ন সৃষ্টিৰাজিৰ বিষয়ে আলোচনা কৰিলে তেওঁৰ জীৱন দৰ্শনৰ বিষয়ে জানিব পৰা যাব। এইগৰাকী মহীয়সী তথা সাহসী নাৰীৰ মৃত্যু হয় ২০২২ চনৰ ৯ অক্টোবৰত ডিমাপুৰত। ❑

প্ৰবন্ধ সম্ভাৰ

# নৱ প্ৰজন্মৰ নৈতিক উত্তৰণত আধ্যাত্মিক শিক্ষা

পৰাগজ্যোতি শইকীয়া
দ্বিতীয় ষাণ্মাসিক

যদ্‌যদাচৰতি শ্ৰেষ্ঠস্তত্তদেৱেতৰো জনঃ।
সয়ৎ প্ৰমাণং কুৰুতে লোকস্তদনুৰ্ৱৰ্ততে।। (শ্ৰীমদ্ভগৱদ্‌গীতা)

এখন আদৰ্শ সমাজ গঠনৰ বাবে একোজন আদৰ্শৱান ব্যক্তিৰ, একোজন নৈতিক আৰু সামাজিকভাৱে উন্নত ব্যক্তিত্বৰ ব্যক্তি হোৱাটো অতি আৱশ্যকীয়। য'ত প্ৰতিমুহূৰ্ত্ততে নৈতিকতাৰ স্খলন হয়, তাত কেতিয়াও এখন আদৰ্শ সমাজ গঠনৰ সম্ভৱ নহয়। কিয়নো শ্ৰেষ্ঠ ব্যক্তিয়ে যেনেধৰণে আচৰণ কৰে, সমাজৰ অন্য সাধাৰণ লোকসকলেও সেই একেধৰণেৰে কৰে। তেওঁ যিহকে প্ৰমাণিক বুলি অনুষ্ঠান কৰে, মানুহে তাকে অনুসৰণ কৰে। ভাৰতীয় বৈদিক দৰ্শনে ব্যক্তিৰ এই সামাজিক আদৰ্শকো সূচাইছে। কিন্তু তাৰ বাবে ব্যক্তিয়ে প্ৰজ্জ্বলিত অগ্নিয়ে কাঠক ভস্মীভূত কৰাৰ দৰে আত্মজ্ঞানস্বৰূপ অগ্নিত নিজকে ভস্মসাৎ কৰিব পাৰিব লাগিব। এই পৃথিৱীত তপ, যোগ ইত্যাদিৰ ভিতৰত জ্ঞানৰ দৰে পবিত্ৰ শুদ্ধিকৰ আৰু একো নাই। এই জ্ঞান শ্ৰদ্ধাৱান, তৎপৰ আৰু সংযেতন্দ্ৰিয়জনে লাভ কৰি অচিৰে পৰম শান্তি প্ৰাপ্ত হয়। আনহাতে, অজ্ঞ, শ্ৰদ্ধাহীন আৰু সংশয়াবৃত ব্যক্তিৰ বিনাশ নিশ্চিত। এনে ব্যক্তিৰ ইহলোক নাই, পৰলোক নাই নাইবা সুখো নাই। সেয়েহে নিজৰ অজ্ঞানসম্ভূত হৃদয়স্থিত এই সংশয়ক জ্ঞানৰ দ্বাৰা ছিন্ন কৰিবলৈকে ব্যক্তি জীৱনত আধ্যাত্মিক শিক্ষা আৱশ্যকীয়।

সাধাৰণ অৰ্থত শিক্ষা হৈছে মানুহৰ অন্তৰ্নিহিত পূৰ্ণতাৰ বাহ্যিক বিকাশ। শিক্ষাৰ্থীৰ দেহ আৰু আত্মাৰ সকলো সৌন্দৰ্যৰ বিকাশ আৰু সম্ভাব্যপূৰ্ণতা শিক্ষাই আনি দিয়ে। শিক্ষাই মানুহক সু-মানুহ কৰে, আত্মোপলব্ধিৰ জ্ঞান দিয়ে আৰু জ্ঞান প্ৰদানৰ যোগেদি মনুষ্যত্বৰ বিকাশ ঘটাই নিজৰ ভৰিৰ ওপৰত সাহসেৰে থিয় হ'বলৈ শিকাই। অৰ্থাৎ প্ৰাথমিক জ্ঞান প্ৰদান, মনুষ্যত্বৰ বিকাশ সাধন আৰু জীৱন-যাপনৰ উপায় উদ্ভাৱন কৰি দিয়াত ব্যক্তি জীৱনত শিক্ষাৰ গুৰুত্ব আছে। কিন্তু এই তিনিওটা কাৰ্যই তেতিয়াহে সিদ্ধি সাধন কৰিব যেতিয়া শিক্ষাৰ্থীয়ে আধ্যাত্মিক সত্তাক শিক্ষাৰ লগত সংযোগ কৰিব। মূলতঃ প্ৰকৃত জ্ঞানপ্ৰাপ্তিৰ লগত ব্যক্তিৰ আধ্যাত্মিক সত্তা ওতঃপ্ৰোতভাৱে জড়িত হৈ আছে। ব্যক্তিয়ে আধ্যাত্মিক সত্তাপ্ৰাপ্ত

কৰিলেহে মানুহ নামৰ যোগ্যতা আৰ্জে। এই আধ্যাত্মিক শক্তি এনে এক কল্যাণকাৰী শক্তি, যাৰ দ্বাৰা নিজ আত্মাক পৰমাত্মাৰ লগত সংযোগ ঘটাব পাৰি, যাৰ দ্বাৰা মনৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰি মনক স্থিত অৱস্থালৈ আনিব পাৰি।

আধ্যাত্মিকতাই আত্মা সমন্ধীয় জ্ঞানক বুজায়। জীৱনৰ ভাষ্য আত্মাক কেন্দ্ৰ কৰি কৰা চিন্তাই হৈছে আধ্যাত্মিক চিন্তা। যি শিক্ষাই মন-শৰীৰ-আত্মা সমন্ধীয় জ্ঞান দিয়ে, সকলো জীৱকে একে আত্মা বুলি উপলব্ধি কৰাই, সিয়ে আধ্যাত্মিক শিক্ষা। গীতাত অৰ্জুনৰ প্ৰশ্নৰ উত্তৰত কৃষ্ণই নিজৰ স্বৰূপ উপলব্ধি কৰাটোৱেই আধ্যাত্মিকতা বুলি কৈছে। আধ্যাত্মিকতা আত্মোপলব্ধিৰ বস্তু, যাক বৈজ্ঞানিক বিশ্লেষণেৰে প্ৰমাণ কৰিব নোৱাৰি। আধ্যাত্মিক শিক্ষাৰ উদ্দেশ্যই হৈছে জ্ঞানৰ প্ৰসাৰণ ঘটোৱা, যি জ্ঞানে ব্যক্তিক ঈশ্বৰৰ সন্ধান দিব পাৰে আৰু মানসিক উৎকৰ্ষ সাধন কৰি ঐহিক, পাৰলৌকিক জীৱনৰ মংগল সাধন কৰিব পাৰে।

অতি প্ৰাচীনকালৰে পৰা ভাৰতবৰ্ষ আধ্যাত্ম-সাধনাৰ পূত-তীৰ্থ ৰূপে সমাদৃত হৈ আহিছে। সেয়েহে প্ৰাচীন ভাৰতীয় শিক্ষা ব্যৱস্থাত আধ্যাত্মিকতাৰ স্থান যে অতি উচ্চ আছিল সেয়া সহজে অনুমান কৰিব পাৰি। বেদৰ মন্ত্ৰস্ৰষ্টা ঋষি-মুনিসকলৰ ধ্যানস্থ মানসতেই সম্ভৱ সেই আধ্যাত্ম-সাধনাৰ প্ৰাণ সঞ্চাৰ হৈছিল। সনাতন হিন্দু ধৰ্ম শাস্ত্ৰৰ ইতিহাসত উপনিষদ, ব্ৰহ্মসূত্ৰ আৰু গীতাক 'প্ৰস্থানত্ৰয়' নামেৰে অভিহিত কৰিছে। এই 'প্ৰস্থানত্ৰয়'ৰ সাৰভাগ গীতাত স্তুপীকৃত হৈছে আৰু কৰ্মযোগ, জ্ঞানযোগ, ধ্যানযোগ আৰু ভক্তিযোগৰ এক অপূৰ্ব সমন্বয় সাধিত হৈছে। কিন্তু দুৰ্ভাগ্য যে সেই আধ্যাত্মিক শিক্ষাৰ পাঠ সম্প্ৰতি আমাৰ বিদ্যালয়সমূহৰ পাঠ্যপুথিৰ পৰা আৰু ক্ৰমাৎ মানুহৰ মনৰ পৰা লুপ্ত হোৱাৰ উপক্ৰম হৈছে। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ নামত আজিৰ শিক্ষা জগতৰ পৰা সেই প্ৰাচীন প্ৰমূল্য হেৰাই গৈছে। বিশ্বায়নৰ অজুহাতত সকলো ফালেই আমোল সংস্কাৰৰ যোগেদি এক প্ৰত্যাহ্বান গ্ৰহণ কৰি নতুন প্ৰজন্মক যুগ সাপেক্ষ কৰি আগবঢ়াই নিয়াৰ পৰিকল্পনাৰে শিক্ষাৰ দিশত কেতবোৰ যুগান্তকাৰী পদক্ষেপ হাতত লোৱা হৈছে, য'ত পশ্চিমীয়া শিক্ষা ধাৰণাই বিশেষ স্থান লাভ কৰিছে। যাৰ লক্ষ্য অতিসুখ, সহজ আনন্দ। সহজতে পাব পৰা বৃত্তি আৰু জীৱনৰ মংগল সাধন কৰাই ইয়াৰ উদ্দেশ্য। "আমাৰ স্কুল-কলেজতে **(Godless education)** ঈশ্বৰ আৰু ধৰ্ম্মবিবৰ্জিত শিক্ষাই, ঘৰত ধৰ্ম্ম, নীতি, সদাচাৰবিহীন শিক্ষা বা কু-শিক্ষাই আমাৰ জীৱন ফোঁপোলা কৰিলে। আমি ধৰ্ম্মক আৰু ঈশ্বৰক বুঢ়াকেইটা আৰু বুঢ়ীকেইজনীৰ ভাগত দি, নিজৰ গাটো পাতলাই লৈ জপিয়াই হাঁহি ফুৰিছোঁ। ('তত্বকথা', পৃষ্ঠা-০১) এনে শিক্ষাৰে প্ৰকৃত আদৰ্শ অনুধাৱন নকৰাকৈ পাশ্চাত্যৰ অন্ধ অনুকৰণ কৰাৰ ফলত আমাৰ সমাজত বিভ্ৰাটৰ সৃষ্টি হৈছে। নৱপ্ৰজন্মই সামাজিক ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, কৃষ্টি-সংস্কৃতি, ধৰ্ম-সংস্কাৰ, শ্ৰদ্ধা-ভক্তি, চিন্তাধাৰা, পৰম্পৰা পাহৰি পেলাইছে। পাশ্চাত্যৰ কৰ্ম সংস্কৃতিৰ বিপৰীতে ভোগবাদী সংস্কৃতিৰ অতি-আকৰ্ষণে আমাৰ জ্ঞানচক্ষু আচ্ছন্ন কৰি ধৰি নৈতিকতাৰ স্খলন ঘটাইছে। অৰ্থাৎ আধ্যাত্মিকতাৰ বিকৰ্ষণৰ কু-প্ৰভাৱে নৱপ্ৰজন্মক ছানি ধৰিছে।

"ডেকা ভাই, কিসৰ হৰিষ তোৰ?
চক্ষুৰে নেদেখ, বুঢ়াক হাসস
তোক পাইলে কাল-চোৰ।।"

কিন্তু প্ৰজন্মৰ ক্ষয়িষ্ণু প্ৰমূল্যবোধৰ বাবে আমি কেৱল আগ্ৰাসী পাশ্চাত্যধৰ্মী শিক্ষা ব্যৱস্থাটোক জগৰীয়া কৰিলে নহ'ব। ব্যক্তিৰ বিকাশযোগ্যতা, সহজাত ক্ষমতা আৰু সম্ভাৱনীয়তাসমূহ সামাজিক পৰিৱেশ তথা শিক্ষাৰ এক সামাজিক পটভূমিত বিকশিত হৈ উঠে। শংকৰদেৱ, ৰবীন্দ্ৰনাথ ঠাকুৰ, চে'পীয়েৰ আদি লোকৰ অসাধাৰণ প্ৰতিভাৰ বিকাশ সামাজিক পৰিৱেশতেই সম্ভৱপৰ হৈ উঠিছিল। ব্যক্তিৰ প্ৰবৃত্তিগত আচৰণবিলাক সমাজৰ সামাজিক পৰিৱেশৰ মাজেৰে সুস্থ, সংযত আৰু সংশোধিত ৰূপত পৰিচালিত হয়। গতিকে নৱপ্ৰজন্মৰ নৈতিক স্খলনৰ বাবে বিদ্যালয়ৰ পাঠ্যক্ৰমৰ সমানে আমাৰ সমুখৰ সমাজখনো দায়ী। কাৰণ পাঠ্যপুথিতকৈ পাঠ্যপুথি বহিৰ্ভূত শিক্ষা তৰুণ বিদ্যাৰ্থীৰ চকুত বেছি আকৰ্ষণীয়। কোনো গ্ৰন্থ অধ্যয়ন নকৰাকৈয়ে বিদ্যাৰ্থীয়ে বাস্তৱ সমাজখনত ঘটি থকা দুৰ্নীতি, ভণ্ডামি, হত্যা-লুণ্ঠন, বলাৎকাৰ আদি অসামাজিক কামৰ চাক্ষুষ অভিজ্ঞতা লাভ কৰে। কাৰোবাৰ মনত অন্যায়ৰ প্ৰতিবাদৰ বাসনা জাগি উঠিলেও অনেকৰ অৱচেতন মনত তেনে অন্যায়-অধৰ্ম, সহজ পন্থাৰে ধন আয়ত্ব কৰাৰ মনোধৰ্ম সঞ্চিত হ'বলৈ লয় আৰু সুযোগ মিলিলে জাগ্ৰত হৈ উঠে। কাৰণ সমাজৰ অভাৱ-সমস্যা দূৰীকৰণৰ নামত আন্দোলন কৰি সহজতে স্ব-স্বাৰ্থ সিদ্ধি কৰা নেতাৰ উদাহৰণ আজি উঠি অহা চামৰ চকুত বিৰল নহয়। আনকি মাদক দ্ৰব্য সেৱন, ধূম্ৰ পান স্বাস্থ্যৰ পক্ষে হানিকাৰক বুলি কোৱা শিক্ষকজনেও মদ্যপান কৰি আহি শ্ৰেণীকোঠাত পাঠদান কৰা, ছাত্ৰ-ছাত্ৰীৰ সমুখতে চিগাৰেটৰ ধোঁৱা উৰোৱা আদিৰ উদাহৰণো নোহোৱা নহয়। সেইদৰে ৰাতিপুৱা বিহলঙনীৰ পাতেৰে দাঁতৰ পোকৰ বেজালি কৰি সন্ধিয়া চোতালত বহি ডাইনী হত্যাৰ দৰে অন্ধবিশ্বাসৰ অমানৱীয় আৰু নিকৃষ্টতা সম্পৰ্কত দিয়া বক্তৃতাইও নৱ প্ৰজন্মক বিভ্ৰান্তিত পেলায়। আকৌ একেটা ধৰ্মৰে ভিন্ন পন্থা, মুখা পিন্ধা কু-বুদ্ধিযুক্ত এচাম লোকে অনাচাৰ আৰু ব্যভিচাৰৰ দ্বাৰা ধৰ্মৰ নামত সমাজত বিশৃংখল সৃষ্টি কৰা আদিৰ উদাহৰণো অসম মুলুকত আছে। এইখিনিতে সোঁৱৰাই থৈছোঁ, শংকৰদেৱৰ শুদ্ধ মতক বিকৃত কৰি সাধু-সন্তক উত্যক্ত কৰা এই বৈষ্ণৱ-নিন্দুকসকলৰ বিষয়ে মাধৱদেৱে 'নামঘোষা'ত অতি তীক্ষ্ণ ভাষাৰে মন্তব্য কৰিছে-

"বৈষ্ণৱ নিন্দক সূচকক বিষ্ঠা লুঠা গ্ৰাম্য শূকৰক
বিধতায়ে দুইকো স্ৰজিলন্ত দয়াতৰে।
সূচকে জানিবা নিৰন্তৰ সাধু সমস্তকে শুদ্ধি কৰে
যিমতে শূকৰে গ্ৰাম্য শোধন কৰে।।"

-এনেদৰে জ্যেষ্ঠজন বা সমাজখনৰ সংস্পৰ্শত শিকিবলৈ পোৱা নীতি-নৈতিকতা, সমন্বয়ৰ কথাবোৰ কাৰ্যত তাৰ সম্পূৰ্ণ বিপৰীত পাব। স্বাৰ্থপৰতাৰ শীৰ্ষত উদাৰতাত জীৱনৰ আনন্দ বিচাৰি পাব। বেদ,

উপনিষদ, ভাগৱত, গীতাৰো এয়ে সাৰ শিক্ষা। তৈত্তিৰীয় উপনিষদত মানুহৰ আনন্দৰ স্বৰূপ নিৰূপণ কৰিছে এজন যুৱকৰ তুলনাৰে। মানৱীয় একক সত্তাৰূপে তুলনীয় যুৱ সত্তা সৎ প্ৰকৃতিৰ, বলিষ্ঠ, বিত্তৱান, গুণৱান আৰু পূৰ্ণতাপ্ৰাপ্ত। তদুপৰি, শিক্ষা তথা সৃষ্টিশীল প্ৰতিভাৰ স্ফুৰণ, আশা আৰু অভিলাষ, মন আৰু উদ্দেশ্যৰ দৃঢ়তা তথা সম্পদ আহৰণো উপনিষদৰ মতে আনন্দৰ কাৰণ। এই আনন্দ বিষয়-সুখ নহয়, সি সাধাৰণ সুখ-দুখৰ অতীত অবস্থা। এই যে মানুহে সদায় সুখ বিচাৰে, কেতিয়াও মৰিব নোখোজে, তাৰ কাৰণ কি? কাৰণ আত্মা সুখস্বৰূপ। কিন্তু মানুহৰ সাংসাৰিক জীৱন যাত্ৰাত অপৰিমেয় ধন-সম্পদৰ গৰাকী হ'ব পাৰিলে যি সুখ অনুভৱ হয়, সেই সুখ অবিদ্যাজনিত। 'কীৰ্তন'ৰ 'প্ৰহ্লাদ চৰিত' খণ্ডত আধ্যাত্ম তত্ত্বৰ প্ৰমূল্য দি কোৱা হৈছে যে ব্যক্তিয়ে সকলো প্ৰতিকূল অৱস্থাৰ পৰা মুক্ত হৈ মায়াৰ বন্ধন ছেদ কৰি হৰি ভক্তিক ভৱ সংসাৰ পাৰ হোৱাৰ একমাত্ৰ প্ৰশস্থ পথ ৰূপে ল'লে যি সুখ লাভ কৰে, সেয়াই তেওঁৰ পৰম মানসিক সম্পদ। কিন্তু আজিৰ প্ৰজন্মই ঈশ্বৰক কিমান মানে? ধৰ্মীয় স্থানসমূহক ব্যৱসায়-প্ৰতিষ্ঠান বুলি নভৱাকৈ থকা কেইজনে থাকে? ইয়াৰো কাৰণ নথকা নহয়। আজিৰ যুৱকক সামাজিকভাৱে পৰিকল্পিত ধৰ্মই অনুৰাগ জন্মাৰ পৰা নাই, তাৰ বিপৰীতে তেওঁলোকৰ ইচ্ছা, আনন্দৰ কিছু অংশ কাঢ়ি নিছেহে। কেৱল আনুষ্ঠানিকতা, পূজা-পাতলৰ মাজতে আৱদ্ধ ধৰ্মই ব্যক্তিত্বৰ উন্নতিত কোনো ভূমিকা ল'ব নোৱাৰে। এনেদৰে উপলব্ধ ধৰ্ম ধাৰণাই ব্যক্তিত্ব সংকুচিত কৰে, জীৱনৰ প্ৰতি আসক্তি কমাই ব্যক্তিক স্বাৰ্থপৰ কৰে। ধৰ্ম হৈছে হৃদয়ৰ বস্তু। প্ৰকৃত ধৰ্মই জীৱন স্পৃহাৰ হানি নকৰে, বৰঞ্চ ইয়াৰ মহত্ব প্ৰদান কৰি পৱিত্ৰ কৰি তোলে। ধৰ্মই ব্যক্তিক নিজৰ ভিতৰতে আৰু চৰাচৰ জগততে ভগৱানৰ উপস্থিতি উপলব্ধি কৰাব পাৰিলেহে আজিৰ উঠি অহা প্ৰজন্মই নিজৰ সত্তাত ঐশ্বৰিক অস্তিত্ব সম্পৰ্কে সচেতন হ'ব আৰু তাৰ বিকাশৰ অৰ্থে আধ্যাত্মিক উৎকৰ্ষৰ বাবে কাম কৰিব। নতুন প্ৰজন্মক বুজাব পাৰিব লাগিব যে ভগৱানৰ প্ৰতি বিশ্বাস মানে নিজৰ শক্তিৰ ওপৰত বিশ্বাস, কাৰণ আত্মাৰূপে পৰম শক্তি ভগৱান আমাৰ সকলোৰে মাজত বিদ্যমান। এটি শিশুৰ মাকৰ মাতৃত্বৰ ধাৰণা কৰিব পৰা যিমানকণ ক্ষমতা আছে, সিমানকণহে তাৰ আগত ব্যক্ত, তাৰ দ্বাৰা চিন্তনীয় আৰু পূজিত হয়। গতিকে তেওঁলোকক এই কথা উনুকিয়াই দিব লাগিব যে ব্যক্তিয়ে বিষয়ৰ সংস্পৰ্শত যি সুখৰ অনুভৱ কৰে, সেয়া বাস্তৱিকতে পৰম আনন্দস্বৰূপ ব্ৰহ্মৰ কণিকা এটিৰ আস্বাদনহে মাথোন। তেতিয়াহে উঠি অহা যুৱক-যুৱতীসকলৰ মাজত গঢ়ি উঠা অপৰাধ প্ৰৱণতা, হত্যা-লুণ্ঠন, শত্ৰুতা, অন্ধ অনুকৰণ আদি সংস্কৃতি বিলোপ হৈ সুস্থ-সবল-প্ৰগতিশীল সমাজ তথা প্ৰজন্মৰ সৃষ্টি হ'ব। কাৰণ- "ভজা বা সিদ্ধধানৰ পৰা যিদৰে গছ গজিব নোৱাৰে, তেনেদৰে যাব মন ঈশ্বৰৰ চৰণত অৰ্পিত হৈছে তেওঁৰ অন্তৰত কাম ভাৱ থাকিলেও তাৰ পৰা কদাপি জান্তৱ প্ৰবৃত্তিৰ সন্তুষ্টি আহিব নোৱাৰে।" ('ভক্তি সাহিত্য; পৃষ্ঠা-৭৭)

হয়, সাম্প্ৰতিক প্ৰজন্মটো যুক্তিপূৰ্ণ আৰু যুক্তিসংহত জ্ঞানৰ ওপৰত নিৰ্ভৰশীল। বিজ্ঞানসন্মত জীৱনশৈলীত অত্যধিক বিশ্বাসী। 'চেকনিৰ আগত বিদ্যা' বোলা অনুশাসনৰ বিপৰীতে প্ৰকাশ্য আচৰণৰ

দ্বাৰা যুক্তিৰে সিদ্ধান্তত উপনীত হোৱাটো আজিৰ জীৱন-যাপনৰ শৈলী। কিন্তু এটমিক শক্তিয়ে জগতৰ কল্যাণ সাধিলেও আধ্যাত্মিক চিন্তাৰহিত হ'লে ইয়ে জগতৰ ধ্বংসৰো কাৰণ হ'ব পাৰে। অৰ্থাৎ আজিৰ প্ৰজন্মই এইটো বুজা উচিত যে বিজ্ঞানে জ্ঞানৰ পৰিধি বঢ়ায় আৰু আধ্যাত্মিক চিন্তাই সেই প্ৰাপ্ত জ্ঞানৰ প্ৰয়োগৰ উদ্দেশ্যক নিয়ন্ত্ৰণ কৰে। বিজ্ঞানে গঢ়ি দিয়া এই উন্নত সভ্য সমাজত মানুহৰ কল্যাণৰ কাৰণে প্ৰয়োগ হোৱা জ্ঞানহে গ্ৰহণীয়। ক্ৰমাৎ সংকুচিত হৈ অহা পৃথিৱীখনৰ জাকজমকতাত মোহাচ্ছন্ন প্ৰজন্মটোৰে এই সত্যক উপলব্ধি কৰিব নোখোজে। স্ব- সত্তা, স্ব-স্বৰূপ উপলব্ধি কৰিব নোৱাৰি পৰমুখাপেক্ষী হৈ অন্ধ অনুকৰণ, অন্যায়-অনীতিত প্ৰবৃত্ত হয়। যিখন ভাৰতবৰ্ষৰ ধৰ্ম, শিক্ষা, দৰ্শন, সংস্কৃতি বিশ্বৰ ভিন্ন প্ৰান্তৰৰ মনিষীৰ আকৰ্ষণৰ বিষয় আছিল, সেই দেশৰ নতুন যুৱকে স্বজাতিৰ সংস্কাৰ-সংস্কৃতিক পূৰ্বণিকলীয়া **(outdated)** বুলি আওকাণ কৰি এখন উন্নত সভ্য সমাজৰ বাসিন্দা হিচাপে নিজৰ পৰিচয় দিবলৈকে বৰ্হিসংস্কৃতিক জোৰ- জৱবদস্তি আঁকোৱালি ল'বলৈ যত্নপৰ হোৱা দেখা গৈছে। স্ব-সংস্কৃতিৰ প্ৰতি এনে অৱহেলা একোটা জাতিৰ অপমৃত্যুৰ কাৰণ হৈ পৰে। বেওথুক, কাৱানকাৱা, চিছকা, টাইন'ছ, প'হাটান, ব' জনজাতি আদি পৃথিৱীৰ ভিন্ন প্ৰান্তৰৰ মানৱ জাতিৰ বিলুপ্তিৰ কাৰণ বিচাৰিলে এই কথা সহজে অনুধাৱন কৰিব পাৰি। আমি বাস কৰা সমাজখনৰ কাঠামোত আঘাত নসনাকৈয়ো আধুনিক জীৱন- যাপনৰ ধাৰণাটো পোষণ কৰিব পাৰোঁ। তাৰবাবে লাগিব ব্যক্তিৰ সামাজিক দায়িত্ববোধ, নৈতিক কৰ্তব্যনিষ্ঠা আৰু এটা কল্যাণকামী মন। তেতিয়াহে আমি এখন সুস্থ সমাজ, এটা সুস্থ প্ৰজন্মৰ আশা কৰিব পাৰিম। এইদৰে প্ৰজন্মক নিজৰ স্বৰূপ উপলব্ধি কৰোৱাৰ জৰিয়তে সমাজৰ বৃহৎ কল্যাণ সাধন কৰাটোৱেই আধ্যাত্মিক শিক্ষাৰ উদ্দেশ্য। ❑

<u>প্ৰসংগ পুথিঃ</u>

১। 'ভক্তি সাহিত্য', ড° বিমল মজুমদাৰ।
২। 'তত্ত্বকথা', লক্ষ্মীনাথ বেজবৰুৱা।
৩। 'শ্ৰীমদ্ভাগৱদ্গীতা', ড° মালিনী গোস্বামী (অনুবাদ।)
৪। 'ভাষা-সাহিত্য আৰু সংস্কৃতি', ড° বিমল মজুমদাৰ।

প্ৰবন্ধ সম্ভাৰ

# শিশুৰ ম'বাইল আসক্তি আৰু আমিবোৰ

পাৰিজাত শইকীয়া
স্নাতকোত্তৰ চতুৰ্থ ষাণ্মাসিক

জন্মলগ্নৰে পৰা শিশুৱে বাহিৰা জগতখনৰ পৰা জ্ঞান আহৰণ কৰাৰ লগতে অনবৰতে বয়োজ্যেষ্ঠজনক অনুকৰণ কৰি থাকে। বৰ্তমান সময়ত আমি সৰু-ডাঙৰ প্ৰায় প্ৰত্যেকেই ম'বাইল ব্যৱহাৰ কৰিবলৈ শিকিছোঁ— ই সকলোৰে বাবে এক অবিচ্ছেদ্য অংগৰ দৰে হৈ পৰিছে।

সন্তান ডাঙৰ-দীঘল কৰাৰ পদ্ধতিবোৰ সময়ৰ লগে লগে পৰিৱৰ্তন হ'বলৈ আৰম্ভ কৰিছে। সাম্প্ৰতিক কালত ব্যস্ত পিতৃ-মাতৃৰ সন্তানৰ বাবে নিচুকনি গীত গায় ওমলাবলৈ সময়ৰ যথেষ্ট টনাটনি। থাওকতে পোৱা ম'বাইলটোত গীত এটা 'অন' কৰি শিশুক ঘৰৰ সহায়কাৰীয়ে ভাত খোৱাই দিওঁতেই আৰম্ভ হয় শিশুৰ ম'বাইল প্ৰেম। ক্ৰমান্বয়ে শিশুৱে ম'বাইলটো নহ'লে ভাত মুখত নিদিয়া হয়।

ৰিল্‌চ আৰু ছৰ্ট ভিডিঅ'ৰ দুনিয়াত বৰ্তমান অভিভাৱকসকল পূৰ্ণৰূপে প্ৰতিভা বিকাশত জড়িত হৈ পৰিছে। শিশুৱেও পিতৃ-মাতৃক সহায়-সহযোগিতাৰে এই দুনিয়াত প্ৰৱেশ কৰি নিজাববীয়াকৈও পদক্ষেপ লৈছে। একক পৰিয়ালবোৰত গাঁৱৰ ককা-আইতাৰ সাধুৰ আৱেগ নিহিত নীতি-শিক্ষাৰ অভাৱ। সেয়ে শিশুৱেও আজৰি পৰত খেলপথাৰত খেলিবলৈ যোৱা, ধুলি-বালিৰে ওমলি-জামলি প্ৰকৃতিৰ লগত একাকাৰ হৈ যোৱাৰ সময়খিনিত ৰঙীন ৰিল্‌চৰ দুনিয়াত হেৰাই যোৱাৰ উপক্ৰম হোৱাটো ভৱিষ্যত সমাজৰ বাবে এক মাৰাত্মক ব্যাধি।

ব্যৱসায়িক মনোবৃত্তিৰে আৰু সামাজিক অদায়বদ্ধতাৰে ম'বাইলত শিশুৰ বাবে প্ৰস্তুত কৰা ভিন্ন এপ, গেম, কাৰ্টুন আদিয়ে শিশুক আৱেগ নিয়ন্ত্ৰণত বাধাৰ সৃষ্টি কৰাৰ লগতে ভিন্ন বদভ্যাস গঠন কৰা দেখা যায়।

কণমান বয়সতে ম'বাইলটো হাততে পোৱাত শিশুৱে প্ৰযুক্তিৰ লগত তীব্ৰতাৰে চিনাকি হোৱাৰ বিপৰীতে কষ্ট কৰাৰ মানসিকতা নোহোৱা হৈ আহিব ধৰিছে। জটিল অংক এটা বহীৰ কাষত আঁচ পাৰি কৰা অলিখিত নীতি যেন এই ডুবু-ডুবু; শব্দৰ অৰ্থৰ বাবে অভিধানৰ ব্যৱহাৰৰ অভ্যাসো ধোঁৱাচাঙত এলান্ধু ধৰিবলৈ আৰম্ভ কৰিছে। পাঠৰ অনুশীলনীৰ প্ৰশ্নবোৰ পাঠ পঢ়ি হৃদয়ংগম কৰি সমাধান কৰাৰ বিপৰীতে 'youtube'ৰ ব্যৱহাৰৰ

দৰে সৰল পথৰ অৱলম্বনে শিশুৰ জ্ঞানৰ পৰিসৰ হ্ৰাস কৰিব ধৰিছে।

এখোপ দুখোপকৈ শিশুৰ কোমল মনক ম'বাইলৰ উগ্ৰ বিলাসিতাই গ্ৰাস কৰি অহা বিষয়টোক অতি গুৰুত্বসহকাৰে দৃষ্টি নিবদ্ধ কৰাৰ প্ৰয়োজনীয়তা আহি পৰিছে। শিশুৰ ম'বাইল চলোৱাৰ পাৰদৰ্শিতাত আশ্চৰ্যচকিত গৌৰৱবোধ কৰাতকৈ নিৰ্দিষ্ট বয়সতহে শিশুক ম'বাইলৰ অভিজ্ঞতা ল'বলৈ দিয়া উচিত। ইন্টাৰনেটৰ পৃথিৱীত ভাল-বেয়া দুয়োটাৰে সংমিশ্ৰণ। শিশুৰ বাবে ইয়াক বাচনি কৰাটো দুৰ্বোধ্য যেতিয়ালৈকে শিশুক কোৱা নহয় যে "এইটো ভাল, এইটো বেয়া"। শিশুৱে ম'বাইলত কি চাইছে, ম'বাইলটো কেনেদৰে ব্যৱহাৰ কৰিছে এই সকলোবোৰ লক্ষ্য কৰাটো অভিভাৱকৰ লগতে সমাজৰ প্ৰতিজন সদস্যৰ কৰ্তব্য। বিদ্যালয়সমূহতো ম'বাইলৰ পৰা হ'ব পৰা অপকাৰিতাৰ বিষয়ে শিশুক অৱগত কৰিব লাগে।

শিশুক ম'বাইলৰ পৰা পাৰ্যমানে আঁতৰাই ৰখাৰ চেষ্টা কৰিব লাগে। ইয়াৰ বাবে অভিভাৱক তথা ঘৰৰ অন্যান্য সদস্যসকলৰ প্ৰথম কাম হোৱা উচিত নিজকে ম'বাইলৰ পৰা আঁতৰাই শিশুক অধিকৰ পৰা অধিক সময় প্ৰদান কৰা, তেওঁলোকৰ লগত কথা পতা। তেওঁলোকৰ ৰুচি-আগ্ৰহৰ লগত চিনাকি হৈ তাৰ ওপৰত কাম কৰাটো অভিভাৱকৰ গুৰু দায়িত্ব। অন্যথা অনাগত ভৱিষ্যত আৰু বতাহত ওপঙি ফুৰা ধূলিকণাৰ লগত কোনো বৈসাদৃশ্য নাথাকিব। ❑

"শিক্ষাই হৈছে মূল উপায়,
যিয়ে মানৱ জীৱনলৈ শান্তি বোৱাই আনিব পাৰে।"
— এৰিষ্টটল।

"বিদ্যা তাকেহে বুলে যি মুক্তি দিব পাৰে"
— হেমচন্দ্ৰ গোস্বামী।

# সমাজৰ দৃষ্টিত নাৰীৰ স্থান

মনময়ুৰী বৰা
দ্বিতীয় ষাণ্মাসিক প্ৰশিক্ষাৰ্থী

পৃথিৱীৰ ইতিহাসত নাৰীৰ স্থান নিৰ্ণয় কৰিলে ওলাই পৰিব যে নাৰী পুৰুষৰ তুলনাত কোনো গুণেই কৰ্মহীন নহয়। এখন দেশ বা সমাজৰ উন্নতি অথবা অৱনতি বহুলাংশে নিৰ্ভৰ কৰে সেই দেশৰ নাৰীৰ প্ৰগতিৰ ওপৰত। এই কথা উপলব্ধি কৰিবলৈ বহু সময় লাগে যে আমি সকলোৱে নিয়মীয়া গতিত আগবাঢ়িছোঁ যদিও আমাৰ সমাজৰ এটা ডাঙৰ শ্ৰেণীয়ে এতিয়াও মৌলিক পৰিচয়টো দখল কৰিবলৈ চেষ্টা কৰি আছে। হয়, মই 'মহিলা'ৰ কথা কৈছোঁ। তথাপিও একবিংশ শতিকাত নাৰীক আধ্যাত্মিক হওক বা বস্তুগত হওক, অংশগ্ৰহণৰ অধিকাৰৰ দৰে মৌলিক অধিকাৰ প্ৰদান কৰাটো প্ৰয়োজন। ইয়াৰ ফলত এখন সমাজৰ বাবে প্ৰশ্ন উত্থাপন হৈছে যে পুৰুষ-মহিলাৰ সমতাৰ ক্ষেত্ৰত আমি কিমান আগবাঢ়িছোঁ।

যদি আমি আমাৰ শিপালৈ উভতি যাওঁ আৰু ঋগবেদ, উপনিষদ আৰু পুৰাণৰ দৰে প্ৰাচীন গ্ৰন্থৰ কথা কওঁ, তেন্তে আমি দেখিম যে নাৰীৰ জীৱনশৈলী উন্নত হৈছে য'ত জীৱনৰ প্ৰতিটো ক্ষেত্ৰতে নাৰীৰ প্ৰতি বৈষম্যহীন আচৰণ অন্তৰ্ভুক্ত কৰা হৈছে। তেওঁলোকে পূজা কৰে, কাম কৰে, পৰিয়ালৰ বাবে উপাৰ্জন কৰে আৰু বহুতো। মানৱজাতিৰ আদিম সভ্যতাসমূহৰ ভিতৰত অন্যতম সিন্ধু উপত্যকা সংস্কৃতিৰ পৰা পোৱা প্ৰমাণে মাতৃতন্ত্ৰ সংস্কৃতি আৰু সমাজত নাৰীৰ শক্তিশালী মৰ্যাদাৰ কথাও কৈছে। এই সভ্যতাত মহিলাসকলে নিজৰ অধিকাৰ ভোগ কৰি আছিল। সিন্ধু উপত্যকা সভ্যতাৰ সংস্কৃতি আছিল ধৰ্মনিৰপেক্ষ সমাজৰ নিদৰ্শন। ই কেৱল ক্ষমতা বা শক্তি হিচাপে নাৰীৰ তলৰ পৰা ওলোৱা মূৰ্তি নাছিল, ই আছিল অধিকাৰ আৰু কৰ্তব্যৰ সমান বিতৰণ। গতিকে, কি ভুল হ'ল? যদি আমাৰ ভেটি ইমান চহকী, তেন্তে আমি কিয় এই ফালে স্থানান্তৰিত হৈছোঁ, য'ত আমি মহিলা সমাজৰ ওপৰত বিতৰ্ক কৰি আছো।

কিছুমান উদাহৰণ, য'ত নাৰীয়ে মানৱতাৰ এক নিষ্ঠুৰ দিশ দেখুৱাইছে—

(i) মহিলাসকলক মৌলিক শিক্ষা লাভ কৰাত বাধা দিয়া।

(ii) ভাৰতত ১৯৯৪ চনলৈকে মহিলা ভ্ৰূণ হত্যাৰ প্ৰচলিন আছিল, তেতিয়া চৰকাৰে প্ৰি-কনচেপচন এণ্ড প্ৰি-নেটেল ডায়েগনষ্টিক টেকনিকছ এক্ট (পি চি পি এন ডি টি) নিষিদ্ধ কৰিছিল। তথাপিও

দেশৰ বা সমাজৰ বহু ঠাইত নাৰীৰ বিৰুদ্ধে অপৰাধ নিত্য বৃদ্ধি পাইছে, যদিহে ধৰা পৰে যে এগৰাকী মহিলাই পুত্ৰ সন্তান জন্ম নিদি কন্যা সন্তান জন্ম দিব বুলি গম পায়।

(iii) পুৰুষ আৰু নাৰীৰ মাজত হোৱা বিবাহ পুৰুষৰ হাতত পত্নীৰ লগত যিকোনো ধৰণৰ হিংসা কৰিবলৈ এক শক্তিশালী অস্ত্ৰ হৈ পৰে। এই পৰিস্থিতিত বিবাহৰ বাধ্যবাধকতা বা পত্নীয়ে মাত উঠাব নোৱাৰাৰ বাধ্যবাধকতা বুলি ধৰা হয়। তাই বা মহিলাগৰাকীয়ে নিজেই বুজি নাপায় যে তাইৰ কিবা এটা ভুল হৈছে আৰু জীৱনটো যিদৰে আছে তেনেদৰেই জীয়াই আছে। এই ধৰণৰ আচৰণে বেছিভাগ মহিলাক আগুৰি আছে।

(iv) আকৌ বহু সময়ত মহিলাসকলে নিজেই আদালতৰ কাৰ্য বিধিত বিপৰ্যয়ৰ সন্মুখীন হয় কিয়? কাৰণ আমিয়ে নাৰীক নাৰী সুলভ সুক্ষ্ম, মৃদুভাষী আৰু সদায় বিতৰ্কৰ এক বিশাল ব্যৱধান সৃষ্টি কৰিছোঁ। দুয়োটা লিংগৰ মাজত সমান মৰ্যাদা। সজাগতাৰ মাত্ৰা নূন্যতম, সেয়েহে দৈনন্দিন জীৱনত তেওঁলোকৰ ওপৰত ঘটা হিংসাৰ বিৰুদ্ধে যাবলৈ মহিলাসকল অপাৰগ।

ইয়াত এগৰাকী লেখিকা হিচাপে মই পিতৃতন্ত্ৰ বা মাতৃতন্ত্ৰৰ কোনো এটাৰে বিশ্বাসত নাই। কিয় আমাৰ কেৱল এনে এখন সমাজ থাকিব নোৱাৰে য'ত পুৰুষ বা মহিলাক বহুলতাৰ অনুমতিৰ প্ৰয়োজন নহয়, কাৰণ এই লিংগ পক্ষপাতিত্বৰ নিষেধাজ্ঞাই পৰিৱেশটোক শ্বাসৰুদ্ধ কৰি তোলে। সময়ৰ লগে লগে নাৰীৰ মৰ্যাদা ক্ৰমান্বয়ে পিতৃতন্ত্ৰৰ প্ৰভাৱত পৰে। ইতিহাসৰ লগতে সমসাময়িক পৃথিৱীৰ পৰা যিকোনো উদাহৰণ লওক, নাৰীয়ে প্ৰথমতে নিজৰ মূল্য নহয় বৰঞ্চ নিজৰ অস্তিত্ব বেছিকৈ প্ৰমাণ কৰিছে।

এই ব্যৱস্থাই কেৱল সমাজত নাৰীৰ মৰ্যাদাৰ ক্ষতি কৰাই নহয়, পুৰুষৰ শিপাৰো ক্ষতি কৰিছে, সেয়েহে আমি Men V/S Women যুদ্ধত আৱদ্ধ হৈ আছোঁ।

ৰাজহুৱা ক্ষেত্ৰত সংৰক্ষণ গৌণ। প্ৰথমতে ইতিবাচক মানসিকতা ৰাখিব লাগে আৰু এগৰাকী নাৰীক মানুহ হিচাপে ব্যৱহাৰ কৰিব লাগে। কিছুমান পৰিৱৰ্তন চৰকাৰে কৰিছে, কিছুমান আপোনাৰ মোৰ দৰে মানুহে কৰিব লাগিব। বিশ্বাস ব্যৱস্থা আৰু যুক্তিসংগত চিন্তাধাৰা কথা, আমি আমাৰ আগন্তুক প্ৰজন্মবোৰ কেনেকুৱা হোৱা বিচাৰো ইত্যাদি। এগৰাকী নাৰীৰ জীৱনক উন্নীত কৰিবলৈ কেইটামান খোজ দিওঁ আহক। ❑

**উৎসঃ**

১। নাৰী অধিকাৰ ঃ ড° তপচী বৰুৱা কাশ্যপ।
২। ৰচনা প্ৰৱাহ।
৩। **https//times of India: indiatimes.com**

প্ৰবন্ধ সম্ভাৰ

# শ্ৰীমদ্ভাগৱত গীতাত 'স্থিতপ্ৰজ্ঞ'ৰ ধাৰণা ঃ মানৱ জীৱন

ৰিম্‌জিম্ বুঢ়াগোহাঁই
চতুৰ্থ ষাণ্মাসিক

ভাৰতীয় সাংস্কৃতিক পৰম্পৰাৰ আপুৰুগীয়া সম্পদস্বৰূপ শ্ৰীমদ্ভাগৱত গীতা হ'ল নীতি শিক্ষা আৰু ধৰ্মৰ এক অপূৰ্ব সমাহাৰ। ওঠৰটা অধ্যায় সম্বলিত ভাগৱত গীতা যে কেৱল ভাৰতবৰ্ষৰ হিন্দু ধৰ্মাৱলম্বী মানুহৰ বাবে একচেতিয়া সম্পত্তি এনে নহয়; ই পৃথিৱীৰ সমগ্ৰ মানৱ জাতিৰ বাবে উমৈহতীয়া সম্পদস্বৰূপ তথা অজ্ঞানতাৰূপী অন্ধকাৰৰ কৰাল গ্ৰাসত ডুব গৈ থকা সহস্ৰ পথভ্ৰষ্ট মানৱৰ পথপ্ৰদৰ্শক।

শ্ৰীমদ্ভাগৱত গীতাৰ দ্বিতীয় অধ্যায় সাংখ্যযোগৰ অন্তৰ্গত এটা অন্যতম ধাৰণা হ'ল 'স্থিতপ্ৰজ্ঞৰ' ধাৰণা। গীতাৰ মতানুসৰি, যিজন ব্যক্তিৰ প্ৰজ্ঞা স্থিৰ হৈছে অৰ্থাৎ প্ৰকৃত জ্ঞানত যাৰ চিত্ত নিৱিষ্ট হৈছে তেৱেঁই স্থিত প্ৰজ্ঞ। স্থিতপ্ৰজ্ঞ সম্পৰ্কীয় ক্ষত্ৰিয় বীৰ অৰ্জুনৰ প্ৰশ্নৰ প্ৰত্যুত্তৰত মানৱৰূপী ভগৱান শ্ৰীকৃষ্ণই স্থিতপ্ৰজ্ঞৰ তাৎপৰ্যপূৰ্ণ বৰ্ণনা দিছে। যেতিয়া এজন মানুহে ইন্দ্ৰিয় সুখৰ বাবে থকা সকলো মনোগত কামনা-বাসনা ত্যাগ কৰিব পাৰে আৰু যেতিয়া তেওঁৰ অবিচলিত আত্মাটোৱে কেৱল নিজৰ আত্মাক উপলব্ধি কৰিয়েই সন্তুষ্টি লাভ কৰে অৰ্থাৎ আত্মাতে তুষ্টি লাভ কৰে, তেতিয়া তেওঁকেই স্থিতপ্ৰজ্ঞ বোলা হয়। স্থিতপ্ৰজ্ঞজনে দুখতো উদ্বেগশূণ্য আৰু সুখতো উদ্বেগশূণ্য হৈ থাকে। স্থিতপ্ৰজ্ঞ লোকজনে দুখতো উদ্বেগশূণ্য আৰু সুখতো স্পৃহাশূণ্য হৈ থাকে। তেনে ব্যক্তিয়ে কামনাৰ পৰা উৎপন্ন হোৱা ভয়, ক্ৰোধ, আসক্তি, অনুৰাগ ইত্যাদিৰ পৰা সম্পূৰ্ণ মুক্ত। প্ৰজ্ঞাত স্থিৰ হ'বলৈ গীতাই সুখভোগ ত্যাগ কৰিবলৈ উপদেশ দিছে যদিও শুদ্ধভোগ ত্যাগ কৰিবলৈ কোৱা নাই। শুদ্ধভোগ আমাৰ কাম্য। গীতাই ইন্দ্ৰিয় সংযমৰ কথাহে হৈছে; ইন্দ্ৰিয় ধ্বংসৰ কথা কোৱা নাই।

গীতাৰ দ্বিতীয় অধ্যায় সাংখ্যযোগৰ ৭০ নং শ্লোকত স্থিতপ্ৰজ্ঞজনক এখন পাৰাপাৰহীন বিশাল সাগৰৰ লগত তুলনা কৰিছে। সাগৰখন সদায়ে পানীৰে পৰিপূৰ্ণ হৈ থাকে। আকৌ বিভিন্ন

উৎস যেনেঃ নদ-নদীৰ আদিৰ পৰা অহা পানী সাগৰতে পৰেহি। তথাপিও সাগৰখন স্থিৰ হৈয়ে থাকে, নতুনকৈ চঞ্চল হৈ নুঠে আৰু কেতিয়াও তাৰ পানীয়ে পাৰ ভাঙি নাযায়। ঠিক একেদৰে, কৃষ্ণভাৱনা সম্পন্ন স্থিতপ্ৰজ্ঞজনৰ মনলৈ কামনা আহিলেও তেওঁ বিচলিত নহয়, কাৰণ তেওঁ সাগৰৰ দৰেই নিজেই পৰিপূৰ্ণ; তেওঁ পৰিপূৰ্ণ হ'বলৈ বাহ্যিক বিষয়ৰ আৱশ্যক নাই।

মানৱ জীৱন আনন্দ-বিষাদৰ সমষ্টি মাথোন। প্ৰাপ্তি-অপ্ৰাপ্তিৰ মাজেৰেই জীৱনৰ বোৱতী নৈ প্ৰৱাহিত হয়। সময়ে ব্যক্তি জীৱনলৈ পৰিস্থিতি কঢ়িয়াই আনে তাক আমি বাধা দিব নোৱাৰো কিন্তু প্ৰতিটো পৰিস্থিতিৰ সৈতে কেনেকৈ সন্মুখীন হ'ব পৰা যায় সেইটো আমাৰ নিয়ন্ত্ৰণাধীন। এই ক্ষেত্ৰত এজন ব্যক্তি সুস্থিৰ সন্তুলিত মনৰ অধিকাৰী হোৱাটো অতি দৰকাৰ। অতিমাত্ৰা আৱেগবিহ্বল হৈ কঠিন পৰিস্থিতিৰ মুখামুখি হোৱাৰ সামৰ্থ্য হেৰুৱালে জীৱনপথ হৈ উঠে কন্টকাকীৰ্ণ। মনক সংযমী কৰি তোলাৰ কৌশল আয়ত্তকৰণৰ উৎকৃষ্ট নিদৰ্শন হ'ল শ্ৰীমদ্ভাগৱত গীতা। গীতাৰ শ্লোকসমূহত প্ৰতিফলিত হোৱা অমৃতময় বাণীসমূহত অন্তৰ্নিহিত মহৌষধ পান কৰি মানুহে এক সন্তুলিত জীৱন যাপন কৰিবলৈ সমৰ্থ হয়। গীতাই প্ৰজ্ঞা স্থিৰ কৰি সকলোকে নিজ নিজ কৰ্ম সম্পাদন কৰি যাবলৈ আহ্বান জনাইছে। সুখ-দুখ দুয়োটাকে সমানে গ্ৰহণ কৰি নিজৰ কৰ্তব্যপথত অসীম প্ৰেৰণা আৰু সাহসেৰে আগুৱাব পাৰিলেহে জীৱনে পূৰ্ণতা লাভ কৰিব। আচলতে, সুখ-দুখ দুয়োটাই স্থায়ী নহয়। স্থিতপ্ৰজ্ঞজনে এই কথা মৰ্মে মৰ্মে উপলব্ধি কৰিব পাৰে। যাৰ ফলত তেনে ব্যক্তিয়ে দুৰ্গম জীৱন পথকো সুগম কৰি ল'ব পাৰে।

অৱশ্যে, স্থিতপ্ৰজ্ঞ হোৱাটো সহজ কথা নহয়। ই এক জীৱনজোৰা সাধনাৰ ফচল। সাধাৰণ মানুহৰ বাবে এনে সাধনাত ব্ৰতী হোৱটো মুঠেও সহজ নহয়। কাৰণ বিষয়-বাসনাই মনক সদায় চঞ্চল কৰি ৰাখে। পিছে গভীৰ একাগ্ৰতাৰে অসম্ভৱকো সম্ভৱ কৰি তুলিব পাৰি। অন্তহীন ভক্তি আৰু ধ্যানত নিমজ্জিত হৈ সাধাৰণ মানুহেও স্থিতপ্ৰজ্ঞ গুণেৰে মহীয়ান হৈ জীৱনলৈ অহা হা-হুতাশা বহু পৰিমাণে লাঘৱ কৰিবলৈ সমৰ্থ হ'ব পাৰে।

গতিকে, গীতাত সন্নিৱিষ্ট বিশেষকৈ স্থিতপ্ৰজ্ঞৰ ধাৰণাই মানুহৰ উৎকৃষ্টতম সংগী হৈ সঠিক পথৰ সন্ধান দিয়াৰ লগতে গতানুগতিক জীৱনকো অৰ্থৱহ কৰি তোলে। গীতাৰ এই মাহাত্ম্য উপলব্ধি কৰিয়েই ড° সৰ্বপল্লী ৰাধাকৃষ্ণণে কৈছে যে, গীতা এখন এনেকুৱা জনপ্ৰিয় কাব্যগ্ৰন্থ যিখনে বহুবিচিত্ৰ ৰাজ্যত উদ্দেশ্যবিহীনভাৱে ঘূৰি ফুৰাজনকো সহায় কৰে। ❑

প্ৰবন্ধ সম্ভাৰ

# বিশ্বশিল্পী ড° ভূপেন হাজৰিকাৰ সৃষ্টি আৰু কৰ্মৰাজি

অঞ্জলি গগৈ
চতুৰ্থ ষাণ্মাসিক

"অগ্নিযুগৰ ফিৰিঙতি মই
নতুন অসম গঢ়িম।
সৰ্বহাৰাৰ সৰ্বস্ব পুনৰ ফিৰাই আনিম
নতুন অসম গঢ়িম।"

সাগৰ সদৃশ বিশাল জীৱনৰ অধিকাৰী সুধাকণ্ঠ, সুৰ-সম্ৰাট, যাক সংগীত জগতৰ মুকুটবিহীন সম্ৰাট বুলি কোৱা হয়। যাৰ গুণত সকলো মুগ্ধ, সৰ্বলোকৰ গণসংযোগকাৰী যুগজয়ী বিশ্বশিল্পী তেৱেঁই হ'ল ড° ভুপেন হাজৰিকা।

১৯২৬ চনৰ ৮ ছেপ্তেম্বৰত শদিয়াৰ ভুল্লুভত জন্ম গ্ৰহণ কৰা ভুপেন হাজৰিকাৰ ১৯৫৭ চনৰ পৰা ১৯৯০ চনলৈ কলিকতাই আছিল তেওঁৰ স্থায়ী ঠিকনা। তেওঁ জীৱনৰ বহুতো উল্লেখযোগ্য সৃষ্টি এই সময়খিনিৰেই। এই সময়খিনিতেই তেওঁ ৰচনা কৰিছিল। 'বিস্তীৰ্ণ পাৰৰে অসংখ্যজনৰে', 'বিমূৰ্ত মোৰ নিশাটি যেন', 'গংগা আমাৰ মা', 'পদ্মা আমাৰ মা', 'মই এটি যাযাবৰ', 'গুপুতে গুপুতে কিমান যে খেলিম আলিংগনৰ এই খেলা', 'শৈশৱতে ধেমালিতে', 'মই যেতিয়া এই জীৱনৰ মায়া এৰি গুচি যাম', ব'হাগ মাথোঁ এটি ঋতু নহয়', মোৰ গান হওক" আদি মেচেজ থকা গানবোৰ। "অগ্নিযুগৰ ফিৰিঙতি" গানটো তেওঁ মৃত্যু শোভাযাত্ৰাত গাবলৈ ৰাইজক অনুৰোধ কৰিছিল। বিদেশৰ পৰা আহোঁতে আটলাণ্টিক মহাসাগৰৰ ৰূপ দেখি লিখিছিল- "সাগৰ সংগমত কতনা সাতুৰিলোঁ"।

১৯৫৩ চনৰ পৰা ১৯৬০ চনলৈকে হাজৰিকাদেৰ অসম গণনাট্য সংঘ সৈতে ওতঃপ্ৰোতভাৱে জড়িত হৈ আছিল। গণনাট্যত যোগদান কৰা বাবেই হয়তো ড° ভুপেন হাজৰিকা নামৰ মনীষী গৰাকীৰ গানত মুৰ্তিমান হৈ উঠিছিল সামাজিক সক্ৰিয়তাবাদী মনোভংগী। ভৱিষ্য দ্ৰষ্টাৰ ভূমিকাৰে চীনা যুদ্ধই হওক, ৮২ৰ ভাষা কেন্দ্ৰিক অশান্তি, ৭২ৰ মাধ্যম আন্দোলন, কিম্বা বিদেশী বিতাড়ন আন্দোলন আৰু

আলফা সমস্যা সকলোৰে মৰ্মবাণী বা সকীয়নী তেওঁৰ পংক্তিয়ে পংক্তিয়ে ৰজনজনাই আছে।

জন্মতেই ঈশ্বৰ প্ৰদত্ত কণ্ঠ আৰু সুৰ লৈ পৃথিৱীলৈ অহা ভূপেন হাজৰিকা এক অসামান্য সংগীত প্ৰতিভা। তেওঁ যি গীত যেনেকৈ যি সুৰতেই নাগাওক কিয় সি শুনিবলৈ হয় শুৱলা আৰু হৃদয় পৰশা যাৰ ফলত তাৰ স্থায়ী আবেদন শ্ৰোতাৰ অন্তঃমনত চিৰ দিনেই থাকি যায়। এক বিশেষ সুৰ, বিশেষ ভংগী, বিশেষ বাৰ্তাৰে ভৰপূৰ তেওঁৰ গীত। এনে অপূৰ্ব গীত গোৱা উপাদান পাইছিল শিশু অৱস্থাতেই সংগীতৰ পৰিৱেশ থকা তেওঁ নিজৰ ঘৰখন আৰু মোমায়েকৰ ঘৰখনৰ পৰা। ১৯৩৭ চনত ১১ বছৰ বয়সতে বিদ্যালয়ৰ হাতেলিখা আলোচনীত শংকৰদেৱৰ ওপৰত এটি গীত ৰচনা কৰিছিল। তেজপুৰত থকা কালছোৱাত নিকামুল সত্ৰ নাম সংগীতৰ দ্বাৰা প্ৰভাৱিত হৈ শিশু কালতে শংকৰদেৱৰ প্ৰতি আকৃষ্ট হৈছিল। ১৩ বছৰ বয়সত তেওঁ দ্বিতীয়টো গীত ৰচিছিল "অগ্নিযুগৰ ফিৰিঙতি মই নতুন অসম গঢ়িম"। কলিকতা আৰু আমেৰিকাত থকা সময়ছোৱাত তেওঁ গীতে ব্যাপ্তি লাভ কৰিছিল। ৰবীন্দ্ৰ নাথ ঠাকুৰ, নজৰুল ইচলাম, পল ৰবছন আদিৰ সান্নিধ্য আৰু দৰ্শনে তেওঁক বিশেষভাৱে অনুপ্ৰাণিত কৰিছিল। ১৯৭২ চনত বাৰ্লিনত অনুষ্ঠিত তৃতীয় আন্তৰ্জাতিক সংগীত মহা সন্মিলনীলৈ তেওঁ ভাতৃ জয়ন্তৰ সৈতে নিমন্ত্ৰিত হৈছিল। লতা মংগেশকাৰ, মহম্মদ ৰফি, কিশোৰ কুমাৰ, মান্নাদে আদি বৰেণ্য শিল্পীক অসমীয়া চলচিত্ৰ গীতত কণ্ঠদান কৰোৱাই মহানুভৱতাৰ পৰিচয় দিছিল। "ৰুদালি"ৰ সংগীতৰ বাবে ভূপেনদাৰ অনুৰাগী হৈছিল স্বয়ং মাইকেল জেকচনৰ পৰা আৰম্ভ কৰি মেদোনালৈকে। তেওঁৰ বিশ্ব পৰিক্ৰমা, বিশ্ব জনপ্ৰিয়তাৰ চানেকি পৰিস্ফুত হৈ উঠিছে সেই মহান গীতটোত য'ত তেওঁ কৈছে "মই অটোৱাৰ পৰা অষ্ট্ৰিয়াৰ হৈ পেৰিচৰ ৰূপ চালোঁ'। মহাত্মা গান্ধীয়ে যেনেদৰে কৈছিল— "মোৰ জীৱনেই মোৰ বাণী", হাজৰিকাদেৱেও সেই সুৰতেই কৈছিল— "মোৰ গীতেই মই ভূপেন হাজৰিকা"।

"যশস্যাতকৈ বয়স কম" থকা গায়ক, গীতিকাৰ, সুৰকাৰ, সংগীত পৰিচালক ড° ভূপেন হাজৰিকাৰ ব্যক্তিত্ব প্ৰতিভা আৰু মনীষী তুলনাবিহীন। দেউতাকে তেওঁক আই.চি.এছ. বিষয়া কৰি তুলিব বিচাৰিছিল যদিও তেওঁ হ'ল এক যাযাবৰ, বিশ্বভূমি ফুৰা, বিশ্ব ফুলনিৰ বিচিত্ৰ মৌ পান কৰা আৰু সেই মৌৰে ব্ৰহ্মাণ্ডৰ লোকক সুধা বিলোৱা এক বিৰাট সাংস্কৃতিক কৰ্মী। যাৰ গুণত মোহিত হৈ তেওঁক বিভিন্ন ব্যক্তি, অনুষ্ঠান, মঞ্চ, সংঘ আদিয়ে বিভিন্ন আখ্যা, উপাধি, সন্মানেৰে উপচাই পেলাইছে। জীৱিত অৱস্থাত ইমানবোৰ বঁটা-বাহন, সন্মান পোৱা ব্যক্তি বিৰল। মৃত্যুৰ পিছতো তেওঁ পোৱা সন্মান আৰু শ্ৰদ্ধাৰ তুলনা নাই। তেওঁ যেন নিজেই এক অনুষ্ঠান, এখন বিশ্বকোষ। তেওঁতেই খোপ খাই আছে সাহিত্য, সংস্কৃতি, ৰাজনীতি, অৰ্থনীতি, গণ- সংযোগ আদিৰ গভীৰ জ্ঞান। ১৯৯৩ চনৰ অসম সাহিত্য সভাৰ শিৱসাগৰ অধিৱেশনৰ ৫৯ তম্ সভাপতি হিচাপে দিয়া তেওঁৰ অভিভাষণখনো অসমীয়া সাহিত্যৰ মূল্যৱান সম্পদ। এইজন মহান ব্যক্তিয়ে কিন্তু ৰাজনীতিত থমকিব লগা হৈছিল। হয়তো ৰাইজে তেওঁক এগৰাকী ৰাজনীতিকতকৈ এগৰাকী শিল্পী হিচাপেহে বিচাৰিছিল।

ড° ভূপেন হাজৰিকা প্ৰতিভাৰ বিশ্ব পৰিসৰৰ; যা বিতং বৰ্ণনা অসীম। ১৯৮৫ চনত আমেৰিকাৰ নিউ জাৰ্চি চহৰৰ মেয়ৰৰ পৰা "অনাৰেৰী চিটিজেনশ্বিপ" সন্মান, জীৱন যোৰা কৃতিত্বৰ বাবে ১৯৮৭ চনত অসম চৰকাৰে শংকৰদেৱ বঁটা আৰু সেই চনতেই সংগীত নাটক অকাডেমি বঁটাও লাভ কৰে। ১৯৯২ চনৰ বাবে প্ৰদান কৰা "দাদা চাহেব ফাল্কে বঁটা" চলচ্চিত্ৰ জগতৰ সৰ্বোচ্চ সন্মান লাভ কৰে। ১৯৯৮ চনত সংগীত একাডেমি অধ্যক্ষ, ১৯৭৭ চনত "পদ্মশ্ৰী", 'ৰাজ্যিক সংগীত বঁটা' ২০০১ চনত "পদ্মভূষণ", 'লতামংগেশকাৰৰ বঁটা' ২০০৮ চনত "সাহিত্যাচাৰ্য" উপাধি আৰু মৰোণোত্তৰ ভাৱে ২০১১ চনত বিশ্বৰত্ন উপাধি প্ৰদান কৰে। জাপানৰ ৰো-অন গোষ্ঠীয়ে তেওঁক বিশ্বৰ অন্যতম সাংস্কৃতিক ৰাষ্টদূত আখ্যা দিছিল। ইমানবোৰ বঁটা-বাহন, সন্মান-সম্বৰ্দ্ধনাৰে জীৱন জাতিস্কাৰ কৰা হাজৰিকাদেৱ সঁচাকৈয়ে যেন এক পূৰ্ণ মানৱ, যাৰ জ্যোতি চিৰদিন চিৰকাল বিশ্বৰ আকাশে-বতাহে, পৰ্বতে ভৈয়ামে বিকিৰিত হৈ থাকিব। তেওঁৰ সংগীতৰ সুৰে, ব্যক্তিত্বৰ সুৱাসে আৰু প্ৰতিভাৰ পৰশনে নতুন প্ৰজন্মক উৎসাহিত অনুপ্ৰাণিত কৰিব।

আজীৱন অমৃতময় কণ্ঠৰে সুৰৰ সুধা নিগৰোৱা চিৰ তৰুণ এই বিশ্ব বিশ্ৰুত শিল্পীগৰাকী হঠাতে ২০০৯ চনত অসুস্থ হৈ পৰে। বহুতো চিকিৎসাৰ অন্তত ২০১১ চনৰ ১ নৱেম্বৰ, শনিবাৰে বিয়লি ৪ বাজি ৩৭ মিনিট যোৱাত এই মহান শিল্পীগৰাকীয়ে গোটেই বিশ্বকে কন্দুৱাই মহা প্ৰস্থান কৰে। "৯ ডব্লিউ ২০১" বিমানেৰে শৱদেহ মুম্বাইৰ পৰা গুৱাহাটীলৈ আনি ৰাষ্ট্ৰীয় মৰ্যাদাৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ চৌহদৰ ভূমিত সৎকাৰ কৰা হয়। মহান শিল্পীগৰাকীৰ বিয়োগত কবি ড° অমৰ জ্যোতি চৌধুৰীয়ে গালে কবিতাৰে-

"এটা গান শেষ হ'ল
যি গানলৈ ৰৈ থাকে সমগ্ৰ জাতি
সেই গান শেষ হ'ল
যি গানৰ দোলাত আছে আমাৰ ব'হাগ
সেই গান শেষ হ'ল
..................................
উপচি আছিল গান
গানতে লখিমী ধান
কঢ়িয়াই আছিলে সুৰৰে গাগৰিত
আই অসমীৰ মান
মৌচুমী মাতে আতি বান্ধিছিল বিশ্বৰ প্ৰাণ
সেই গান শেষ হ'ল................"

❑ ❑

প্ৰবন্ধ সম্ভাৰ

# সাম্প্ৰতিক সময়ত বিজ্ঞান শিক্ষাৰ প্ৰয়োজনীয়তা

পৰিস্মিতা দুৱৰা
দ্বিতীয় ষাণ্মাসিক

'বৰ্তমান যুগ বিজ্ঞানৰ যুগ আৰু আমি বিজ্ঞান যুগৰ মানুহ' এই বুলি আজি সকলোৱে গৌৰৱ কৰোঁ। বিজ্ঞানে আমাৰ ব্যৱহাৰিক জীৱনকে যে কেৱল প্ৰভাৱান্বিত কৰিছে এনে নহয়। আমাৰ চিন্তা-চৰ্চাকো প্ৰভাৱিত কৰিছে।

বিজ্ঞান নো দৰাচলতে কি? বিশ্বৰ সকলো কাৰ্য সকলো প্ৰক্ৰিয়াৰে সু-সংবদ্ধ বিধি আছে। বিজ্ঞান হ'ল সেই প্ৰক্ৰিয়া বিধিৰ প্ৰণালীবদ্ধ জ্ঞান। বিজ্ঞানৰ প্ৰধান কাম হ'ল সেই বিধিসমূহ উদঘাটন কৰি প্ৰকৃতিক কৰায়ত্ত কৰা আৰু প্ৰকৃতিৰ গতি শক্তিক মানুহৰ সেৱাত নিয়োজিত কৰা। আকৌ প্ৰকৃতিক কৰায়ত্ত কৰি ক্ৰমাগত আগবাঢ়ি যোৱাটোৱে মানৱ প্ৰগতি। গতিকে বিজ্ঞান হৈছে প্ৰগতিৰ মূল-মন্ত্ৰ; বিজ্ঞানৰ জয়যাত্ৰা সভ্যতাৰ ইতিহাস। বিজ্ঞানৰ অৱদানৰ ফলস্বৰূপে, উন্নততৰ যান-বাহনৰ জৰিয়তে আজি দেশ-বিদেশৰ লগত যাতায়ত সম্ভৱ হৈছে; অনাতাঁৰ, টেলিফোন, টেলিভিছনে যোগাযোগ সহজ কৰি তুলিছে। মুদ্ৰাযন্ত্ৰৰ আৱিষ্কাৰৰ ফলত কিতাপ আৰু বাতৰি কাকত প্ৰকাশ আৰু প্ৰচাৰ ব্যাপক হৈ মানুহৰ মাজত ভাব বিনিময়ৰ বিশেষ সংযোগ ঘটিছে। বিজ্ঞানে নানান দুৰাৰোগ্য ব্যাধি নিৰাৰণ আৰু নিৰাময় কৰিবলৈ সক্ষম হৈছে।

সাম্প্ৰতিক পৃথিৱীত বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ অবিহনে আমি মানৱ জীৱন কল্পনা কৰিব নোৱাৰো। গতিকে আমাৰ জীৱন শৈলী আৰু প্ৰমূল্যবোধ বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ অগ্ৰগতিৰ লগত খাপ খোৱাকৈ বিকশিত কৰি লোৱাটো অতি প্ৰয়োজনীয়। এনে বিকাশ হ'ব লাগিব অবিৰত, সময়োপযোগী আৰু সামগ্ৰিক। এই ক্ষেত্ৰত বিজ্ঞান শিক্ষাই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে। বিজ্ঞানসন্মত মানসিকতা গঢ়ি তোলাত বিজ্ঞান, গণিত আদি বিষয়সমূহ প্ৰণালীবদ্ধ ভাৱে অধ্যয়ন কৰাৰ আৱশ্যকতা আছে। বিকাশমুখী সমাজ এখনত মানুহৰ দৰিদ্ৰতা, অজ্ঞানতা আৰু অন্ধবিশ্বাসৰ দৰে সমস্যা সমূহৰ পৰা বিজ্ঞানেই মুক্ত কৰিব পাৰিব।

দেশ এখনৰ উন্নতিৰ প্ৰধান কাৰক হিচাপে বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ গুৰুত্ব অপৰিসীম। বিজ্ঞান ক্ৰমান্বয়ে আমাৰ দৈনন্দিন জীৱন, সামাজিক পাৰিপাৰ্শ্বিকতা, বৌদ্ধিক আৰু আধ্যাত্মিক জীৱনৰো

এৰাব নোৱাৰা অংশ হৈ পৰিছে। মানৱ সভ্যতা উত্তৰণৰ লগে লগে বিজ্ঞানৰো উত্তৰণ হোৱা পৰিলক্ষিত হৈছে। মানৱ সভ্যতা আৰু সংস্কৃতিৰ লগত বিজ্ঞান এটা মুদ্ৰাৰ দুটা পিঠি বুলি ধৰিব পাৰি।

বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ ন' ন' উদ্ভাৱনে যেনেকৈ মানৱ জাতিৰ আধুনিক জীৱন শৈলী পৰিৱৰ্তিত পৰিৱেশৰ লগত খাপ খোৱাই লৈ গৈ আছে, সেইদৰে বিজ্ঞানসন্মত মনোবৃত্তি আধুনিক শিক্ষিত মানুহৰ বাবে আৰু উঠি অহা নতুন প্ৰজন্মৰ কিশোৰ-কিশোৰী, ছাত্ৰ-ছাত্ৰীসকলৰ বাবেও আহৰণ কৰিব লগীয়া অত্যাৱশ্যকীয় গুণত পৰিণত হৈছে। গতিকে বৰ্তমান আমাৰ মাজত সৃষ্টি হোৱা ৰচনাৰাজি বা সাহিত্যত বিজ্ঞান সম্পৰ্কীয় ধ্যান-ধাৰণাক বিষয়বস্তু হিচাপে স্থান দিয়াটো নিতান্তই প্ৰয়োজনীয়, যাৰ দ্বাৰা আমাৰ সমাজত বিজ্ঞান মানসিকতাই আগস্থান পাব পাৰে। বৰ্তমানৰ শিশুসকলৰ শিক্ষাই ভৱিষ্যতৰ ইংগিত বহন কৰে। সেই বাবে শিশু তথা ছাত্ৰ-ছাত্ৰীসকলক বিদ্যালয় পৰ্যায়ৰ পৰা বিজ্ঞান মনস্কতা গঢ়ি তুলিব লাগিব আৰু তাৰ বাবে শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে অভিভাৱক সকলে গুৰুত্বপূৰ্ণ দায়িত্ব পালন কৰিব লাগিব।

বিজ্ঞান শিক্ষা যদিও বৰ আৱশ্যকীয় বিদ্যা, ইয়াৰ কাৰিকৰী দিশটোৰ জ্ঞান আয়ত্ত কৰা সকলোৰে পক্ষে সম্ভৱ নহয়। সেইবোৰ জটিল তথ্য বিশেষজ্ঞ সকললৈ এৰিলেও বিজ্ঞানৰ সকলো শাখাৰে প্ৰাথমিক জ্ঞানখিনি সকলোৰে জনা দৰকাৰ। বিজ্ঞানৰ বিভিন্ন তত্ত্ব আৰু তথ্যসমূহ অধ্যয়ন কৰোঁতে সেইবোৰত আৱিষ্কাৰত বিজ্ঞানীসকলৰ জীৱন আৰু কাৰ্যাৱলীৰো পৰিচয় পোৱা যায়। বিজ্ঞানৰ তত্ত্ব বা সূত্ৰসমূহৰ জ্ঞান যেনে বিস্ময়জনক আৰু চিত্তাকৰ্ষক, বিজ্ঞানীসকলৰ কৰ্ম আৰু জীৱনীয়ো তেনে আকৰ্ষণীয় আৰু শিক্ষণীয়। গা-ধোৱা ঘৰত গা তিয়াই থাকোঁতে আপেক্ষিক গুৰুত্বৰ সন্ধান পাই কেনেকৈ পালোঁ পালোঁকৈ তিতা তিয়নিৰে আৰ্কিমিডিছে দৌৰি আহিছিল; আপেল এটা মাটিত সৰি পৰা ঘটনাৰ পৰা চাৰ আইজাক নিউটন কেনেকৈ মাধ্যাকৰ্ষণ শক্তিৰ আৱিষ্কাৰ কৰিবলৈ সক্ষম হ'ল এইবোৰ বিৱৰণ পঢ়িলে সাধাৰণ মানুহৰো মনৰ উৎসুকতা বাঢ়ে।

বিজ্ঞানৰ যুগ বোলোঁতে বিশেষকৈ বিজ্ঞানৰ অৱদান যন্ত্ৰ নিৰ্ভৰতাকে বুজা হয়। বাইচাইকেল; মটৰগাড়ী, ঘড়ী, ৰেডিঅ' আদি আমাৰ দৈনন্দিন জীৱনৰ নিত্য ব্যৱহাৰ্য বস্তু। সাম্প্ৰতিক কালত আমি কৃষি কাৰ্যতো যন্ত্ৰৰ সহায় ল'বলৈ ধৰিছোঁ। বিজ্ঞানৰ শিক্ষা নাথাকিলে এইবোৰ যন্ত্ৰৰ সামান্য বিজুতি হ'লেই কোনো বিশেষজ্ঞৰ অপেক্ষাত ৰ'ব লাগিব- যাৰ কাৰণে কাৰিকৰী জ্ঞানৰ আৱশ্যক নাই, যন্ত্ৰপাতিৰ বিজুতি সাধাৰণ জ্ঞানৰ দ্বাৰাই দূৰ কৰিব পাৰি।

সেয়েহে বিজ্ঞানৰ শিক্ষা বৰ্তমান সময়ত কেৱল বিশেষজ্ঞ বা কাৰিকৰী লোকৰ কাৰণেহে আৱশ্যকীয় এনে নহয়, সকলোৰে ইয়াৰ প্ৰাথমিক জ্ঞানখিনি লাভ কৰিবৰ বাবে যত্নপৰ হোৱা উচিত। আমাৰ পাঠ্যক্ৰমত বিজ্ঞানৰ অন্ততঃ সাধাৰণ জ্ঞানৰ শিক্ষা সকলোকে দিয়াৰ প্ৰয়োজন। ❑

প্ৰবন্ধ সম্ভাৰ

# বৰ্তমান সময়ত কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰভাৱ

দ্বীপৰাণী চাংমাই
দ্বিতীয় ষাণ্মাসিক

বৰ্তমান বুদ্ধিমত্তা অৰ্থাৎ **Artificial Intelligence** মানে কম্পিউটাৰ বিজ্ঞানৰ এক অধ্যয়নৰ ক্ষেত্ৰ যিয়ে বুদ্ধিমত্তা সম্পন্ন যন্ত্ৰৰ বিকাশ আৰু অধ্যয়ন কৰে। সমগ্ৰ উদ্যোগ, চৰকাৰ আৰু বিজ্ঞানত প্ৰযুক্তিৰ ব্যাপক ব্যৱহাৰ কৰা হয়। এলান মেথিছন টুৰিং আছিল প্ৰথমজন ব্যক্তি যিয়ে এই ক্ষেত্ৰত যথেষ্ট গৱেষণা কৰিছিল, যাক তেওঁ মেচিন ইনটেলিজেন্স বুলি অভিহিত কৰিছিল। কিছুমান হাই-প্ৰফাইল এপ্লিকেচন হ'ল উন্নত ৱেব চাৰ্চ ইঞ্জিন (**Google Chrome**), পৰামৰ্শ ব্যৱস্থা (**Youtube, Amazon** আৰু **Netflix**), মানুহৰ বাক্য বুজি পোৱা (**Google Assistant, Siri** আৰু **Alexa**), স্বয়ং চালিত গাড়ী (**Waymo**), উৎপাদনশীল আৰু সৃষ্টিশীল সঁজুলি (**ChatGPT** আৰু **AI Art**)।

আজি পৃথিৱীত কৃত্ৰিম বুদ্ধিমত্তা অৰ্থাৎ **Artificial Intelligence (AI)** ৰ গুৰুত্ব ক্ৰমান্বয়ে বৃদ্ধি পাইছে, কাৰণ ইয়াৰ দ্বাৰা স্বাস্থ্যসেৱা, বিত্ত, শিক্ষা আৰু বহুতো উদ্যোগকে ধৰি বৈপ্লৱিক পৰিৱৰ্তন আনিব পৰা যায়। ইতিমধ্যে **AI** ৰ ব্যৱহাৰ বিভিন্ন ক্ষেত্ৰত কাৰ্যক্ষমতা বৃদ্ধি, খৰচ হ্ৰাস আৰু সঠিকতা বৃদ্ধি কৰিছে। **AI** ৰ জৰিয়তে কৃত্ৰিম দৃশ্য সৃষ্টি কৰি কথাছবি প্ৰস্তুত হোৱা দেখিব পোৱা গৈছে। **AI** ৰ ফলত বৃহৎ পৰিমাণৰ তথ্য সংগ্ৰহ, প্ৰক্ৰিয়াকৰণ আৰু বিশ্লেষণ কৰিবলৈ সক্ষম হৈছে, ইয়াৰ ফলত ব্যৱসায়িক প্ৰক্ৰিয়াৰ উন্নতি হৈছে, বহু উদ্যোগত অধিক কাৰ্যক্ষমতা হৈছে। ভিডিঅ' **3D** মাধ্যমত, প্ৰাকৃতিক ভাষা প্ৰক্ৰিয়াকৰণ ছবি আৰু অডিঅ' চিনাক্তকৰণত **AI** ৰ প্ৰভাৱ যথেষ্ট পৰিছে।

যিকোনো পৰিৱৰ্তনশীল প্ৰযুক্তিৰ দৰেই **AI** ৰ কিছুমান প্ৰত্যাহ্বানৰ সৃষ্টি কৰে, যিবোৰে সমাজৰ বাবে সম্ভাব্যভাৱে নেতিবাচক পৰিণতিৰ সৃষ্টি কৰিব পাৰে। **AI** ৰ উন্নতিৰ লগে লগে স্বয়ং ক্ৰিয়কৰণে পৰম্পৰাগত শ্ৰম বজাৰত ব্যাঘাত জন্মোৱাৰ সম্ভাৱনা আছে। যাৰ ফলত বহু ব্যক্তি নিবনুৱা বা অনৰ্থক হৈ পৰে। চাকৰি স্থানান্তৰণে কম দক্ষতাসম্পন্ন পদত থকাসকলক অসমতাপূৰ্ণভাৱে প্ৰভাৱিত কৰিব পাৰে, যাৰ ফলত আৰ্থ-সামাজিক বৈষম্যৰ সৃষ্টি হ'ব পাৰে আৰু ইয়াৰ বৈষম্য অধিক ভয়াবহ হ'ব পাৰে।

**AI** ৰ এলগ'ৰিদম সমূহ বিপুল পৰিমাণৰ

তথ্য ব্যৱহাৰ কৰি প্ৰগেম কৰা হয়, যʼত ঐতিহাসিক মানৱ সিদ্ধান্তৰ পৰা অন্তৰ্নিহিত পক্ষপাতিত্ব থাকিব পাৰে। ফলস্বৰূপে, AI ব্যৱস্থাই লিংগ, বৰ্ণ বা আৰ্থ-সামাজিক পক্ষপাতিত্বক স্থায়ী কৰি ৰাখিব পাৰে, যাৰ ফলত নিযুক্তি, ঋণ দিয়া আৰু অপৰাধ সমূহ ন্যায়ৰ দৰে ক্ষেত্ৰত বৈষম্যমূলক ফলাফলৰ সৃষ্টি হয়। কেৱল ন্যায়পৰায়ণতা নিশ্চিত কৰাই নহয়, সমাজৰ সম্প্ৰীতি আৰু সৰ্বাংগীণতা ৰক্ষাৰ বাবেও এই পক্ষপাতিত্বসমূহ মোকাবিলা কৰাটো অতি গুৰুত্বপূৰ্ণ।

সমাজত AI ৰ ব্যৱস্থাসমূহ অধিক ব্যাপক হোৱাৰ লগে লগে ব্যক্তিগত গোপনীয়তা সুৰক্ষিত ৰখাটো এক সৰ্বোচ্চ প্ৰত্যাহ্বান হৈ পৰিছে। সমাজৰ ওপৰত সম্ভাব্য নেতিবাচক প্ৰভাৱ কমোৱাৰ বাবে AI ৰ ব্যৱহাৰ আৰু মানৱ সংযোগ সংৰক্ষণৰ মাজত ভাৰসাম্য ৰক্ষা কৰাটো অতি আৱশ্যকীয়।

আমাৰ জীৱনত কৃত্ৰিম বুদ্ধিমত্তাৰ (AI) নেতিবাচক প্ৰভাৱক স্বীকাৰ কৰি ইয়াৰ সৈতে মোকাবিলা কৰাটো গুৰুত্বপূৰ্ণ AI ৰ দ্বাৰা ক্ষতিৰ পৰিমাণ কম কৰোৱা লগতে, ইয়াৰ সম্পূৰ্ণ সুবিধা উপলব্ধি কৰিবলৈ নীতি নিৰ্ধাৰক, গৱেষক আৰু উদ্যোগ বিশেষজ্ঞৰ মাজত সহযোগিতা অতি গুৰুত্বপূৰ্ণ শক্তিশালী নিয়ম ৰূপায়ণ, স্বচ্ছতা আৰু জৱাবদিহি নিশ্চিত কৰা আৰু সৰ্বাংগীণ AI ৰ উন্নয়নক প্ৰসাৰ কৰাই আমাক প্ৰত্যাহ্বানসমূহৰ নেভিগেট কৰাত সহায় কৰিব পাৰে যʼত AI সমাজত ভালৰ বাবে শক্তি হিচাপে কাম কৰাব লাগে। ❑

"এহাজাৰ দিনৰ নেৰানেপেৰা অধ্যয়নতকৈ
এজন মহান শিক্ষকৰ লগত এদিন কটোৱাটো শ্ৰেষ্ঠ।"
— জাপানী হিতোপদেশ।

"শিক্ষণ হৈছে আশাবাদৰ আটাইতকৈ মহানতম কৰ্ম।"
— কলিন উইলকক্স।

প্ৰবন্ধ সম্ভাৰ

# SPORTS AS A CAREER

✍ Kaveri Gogoi
B.Ed. 4th Semester

In our day-to-day life we come across many sports activities carried out in every school playgrounds and quite in every institutions.

Sports can also be a rewarding career as it offers fame, fortune and a chance to pursue passion. Being a sportsperson it helps to maintain physical fitness and mental toughness. It also teaches team work and leadership. The perception of sports as a career has undergone a significant transformation, Traditionally, sports were considered a hobby or a pastime, not a serious profession. However, the rise of professional sports leagues, increased media coverage, and the growing commercialization of sports have led to a change in this outlook. Today, sports careers span a wide range of roles, from athletes and coaches to sports journalists, managers and therapists.

**The Appeal of a Career in sports:**

A Career in sports offers several unique benefits, Firstly, it provides the opportunity to turn a passion into a profession. For those who love sports, this can be a highly fulfilling career choice. Secondly sports careers often offer the chance to travel and experience different cultures especially for athletes competing internationally hastily, the sports industry is continually growing providing a wealth of opportunities for career advancement and diversification.


**The future of sports Careers:**

The future of sports careers looks promising with new opportunities emerging as the industry evolves. The rise of esports, for example has created a whole new sector within the sports industry. Additionally, advancements in sports technology and analytics are opening up new roles in data analysis and performance enhancement.

**Conclusion:**

In conclusion, it can be said that sports as a career is a viable and rewarding option, offering a unique blend of passion, excitement and professional growth. However, it also requires careful planning, preparation and a willingness to face the inherent challenges. With the right approach, a career in sports can lead to a fulfilling professional life that transcends the traditional boundaries of work. ❑

# 'मैडम गीता रानी'-शिक्षा में बनी अनूप्रेरणा




स्वर्णाली कौवर
चौथी छमाही

कला के विभिन्न रूप है जिसके सहारे हम समाज को समय समय पर प्रभावित करते रहते है। सिनेमा को भी हम उन्ही एक कला के अंदर मान सकते है। सिनेमा हमारे समाज का जीवंत दस्तावेज है। सिजके द्वारा समाज के बहुत सारी वास्तविक रूप को पतिबिंम्बित किया जाता है। सिनेमा समाज में चेतना जगाता है, वास्तविकता से परिचय कराता है और साथ ही साथ समाज में कई दिशाओं से परिवर्तन लाने में समर्थ होते है।

समाज के परिप्रेक्ष में अगर हम सिनेमा के बारे में कहते है तो यह कहना भी गलत न होगा की सिनेमा ने समाज को हर दौर में आईना दिखाया है। समाज की खामियों को पहचान कर उस पर उंगली रखती है और समाज उसे स्वीकार करके उसमें सूधार लाने का कार्य करके आगे बढ़ता है। समाज में जितने समस्याएं देखी जाती है सिनेमा उन समस्यायों पर आवाज उठाती नजर आई है। समाज में डाकु से लेकर परोपकार करने वाले अनेक व्यक्ति बने, सिनेमा ने उन्हे दिखाया। समाज में जाति भेद, छुआछुत, अनमेल विवाह, देहेज प्रथा, अन्याय, दिखा तो सिनेमा ने उसे भी सामने रखा। समाज में शिक्षा, स्वास्थ, भोजन सामग्री में गेरकानुनी कार्य देखी गई तो सिनेमा में उन सभी मूदों को स्पष्ट रूप से दिखाया गया। इसी तरह सिनेमा हमेसा से समाज को आईना दिखाने का कार्य कर रहा है।

समाज को विकास के तथा प्रगति के राह पर ले जाने वाले अनेक दिशाओं में से एके दिश है शिक्षा। इसी शिक्षा के श्रेत्र के साथ जड़ी हुई अनेक विषयों पर विभिन्न समय में विभिन्न सिनेमा या फिल्म निर्माण किया गया है। जिनमें से एक महूहपूर्ण फिल्म है दक्षिण भारत के बहुचर्चित सिनेमा ''मैडम गीता रानी''।

सन 1989 की फिल्म 'लीन ऑन मी' से प्रेरित होकर 2019 में तमिल भाषा की सोशल ड्रामा फिल्म 'मैडम गीता रानी' रिलीज हुई। फिल्म सैय्यद गोतमराज द्वारा लिखित और निर्देशित हैं। फिल्म में

साउथ एक्टेस ज्योतिका लीड रेल में हैं।

यह सम्पूर्ण फिल्म की कहानी एक प्रिंसिपल (ज्योतिका) के इर्द गिर्द घूमती है, जो एक खराब स्कूल को एक बेहतर स्कूल में बदल देती है। मैडम गीता रानी जो की पहले लेफ्टिनेंट कर्नल थी और बाद में एक विशेष कारणवश एक सरकारी स्कूल के प्रधानाध्यापिका का दायित्व संभालने का फेसला करती है और तमाम चुर्नीतियों, कठिनयों और संघर्षो के बावजुद स्कूल को बदल देती है।

इस फिल्म में सबसे महत्व पूर्ण चीज यह है कि दर्शक साधारण रूप से जिस गुणों की उपेक्षा हीरो से करती है वह सारी गुण इस फिल्म में एक स्त्री को दी गई है। जिन्होने अपने कठोर प्रयासो से बिना अनुसाशन के विद्यालयों को परिवर्तन कर देती है, विद्यालय में आनेवाले विभिन्न समस्याओं के सामने डंते रहते है, एक भ्रष्ट विधायक जो कि पूरे विद्यालय तथा छात्रायों के भविष्य के लिए आशंकाए फेलाएँ हुए होती ही उसके सामने अकले शारीरिक एवं मानसिक रूप से दृढ़ रूप से संघष करती है। और साथ ही साथ विद्यालय के विभिन्न शिक्षकों के मतविरोधीं के सामने अपना पक्ष सतीक रूप से रखकर उसमें अटल रहने की अपार क्षमता दिखाती है। यह सारी गुण महिला सबलीकरण को प्रभावित करती है।

इस फिल्म में गीता रानी के व्यक्तित्व को सुन्दर, मजबुत और निदर रूप से तो जरुर दिखाया है साथ ही दिल से अत्यंत्व संवेदशील और खुबसुरत, कोमल हृदय के अधिकारी के रूप में थी दर्शाया गया है। जिसका प्रमाण हमें उनका पिता के साथ दशाया गया सम्बन्ध, विद्याथीयों के साथ दर्शाया गया सम्बन्ध तथा बाल अथिनेता जो कि स्कूल के एक छोता सा छात्रा का रेल अदा करता है उसके साथ दिखाई गयी सम्बन्ध से स्पष्ट पता चलती है। यह सारी गुण एक शिक्षक के अंदर मजूद होना अत्यन्त आवश्यक है।

इस फिल्म में बालकेद्रित शिक्षा व्यवस्था पर महत्व दिया गया है जिसमें शिक्षक बच्चों के रुचि तथा वर्ष के अनुसार विभिन्न नई नई शिक्षण प्रद्धति के द्वारा विद्याथीयों को शिक्षा प्रदान करती है। जिससे सभी शिक्षार्थी आर्कषित होकर मोज से सारे विषयों को सीखते है।

एक अन्य महत्वपूर्ण बात यह भी दर्शाया गया है कि विद्यार्थीयों को शिक्षा देने से पूर्व शिक्षक को शिक्षागत योगतायें पाप्त करना होगा। शिक्षक को अपने विषयों पर यथोचित ज्ञान का अधिकारी होना आवश्यक है तभी तो वह आगे विद्यार्थीयों को उचित शिक्षा प्रदान कर पाएंगे। इसी का प्रयास प्रधान अध्यापिका गीता के द्वारा अत्यंत रोचक एंव सटीक रूप से करते हुए दर्शाया गया है। यह सभी बाते वर्तमान शिक्षा प्रणाली को प्रभावित तथा प्रेरित करता है।

मूलत: यह सिनेमा एक एसी महिला की कहानी है जिसके अंदर एक अनुठी प्रेम छुपी हुई है, जो सूधारवादी विचारधारा के है, जो एक होनहार बेटी की कहानी है, जो एक सफल प्रधानध्यापिका की कहानी है जिन्होने अपने कर्मो से हर एक उद्देश्य को सम्पूर्ण करने का प्रयास किया है।

अत: यह सिनेमा बहुत प्रेरणादायक और ऊर्जावान है। जो पूरी तरह वर्तमान शिक्षा प्रणाली पर आधारित है। यह सिनेमा जरुर देखनी चाहिए प्रत्येक, विशेष रूप से छात्र, शिक्षक और अभिभावक को। यह सिनेमा हमें शिक्षा में कितनी शक्ति है उससे परिचित कराता है। ❑

# CHANGES THAT WILL CHANGE INDIA

✍ Bithika Borgohain
2nd Semester

Change is only permanent as event being is subject to change and every being is becoming Indian. Post-independence faced multifaceted challenges ranging from all the spheres of Social, Political, Economic and Communal life.

The will to change has been the guiding principle of the Indian constitution. The constitution adopted the provisions which aimed at achieving equality and rule of law in the society. It provides for enabling provisions which empowered the parliament to make special arrangement for women, children and backward sections of the society. To fill the widening gap in the society. On communal lines, India adopted the secular polity of the constitution and also made it as a goal to achieve uniform civil code.

To bring changes in the economy India adopted a planned economy which focused both on agriculture and industrial sector. Along with this, the state took upon the responsibility to provide basic social groups like education health care livelihood and food.

In political sphere, India is facing multitude of problems. These problems vary from leadership crisis, nepotism, politics based on caste, religion and region and criminalization of politics. India to be a vibrant representative democracy needs to change the way we look to electoral politics and the way electoral procedure works. Induction of leaders in parties and their election needs to be based on the merit political and administrative system are meant to serve the people. People are always the centre of any worldly activity. Any idea of change is exemplified by the change in the lifestyle, outlook and behavioural change in the people.

The Indian belief system has celebrated human ethical and moral values all along the times of history. These ethical values have always in the pursuit to help us reconnect with out inner self and the continous effort to reach the goal of happiness, satisfaction, bliss and peace. Thus, the efforts to bring changes in the economy, polity, governance and society have to be guided by these ethical values. ❑

প্ৰবন্ধ সম্ভাৰ

# মিচিং জনগোষ্ঠীসকলৰ কৃষিভিত্তিক উৎসৱ আলি-আয়ে-লৃগাঙৰ চমু আভাসঃ

বিৰাচন মিলি
বি.এড দ্বিতীয় ষাণ্মাসিক
ধেমাজি স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয়।

বিভিন্ন জাতি জনগোষ্ঠীৰে ভৰা বৈচিত্ৰপূৰ্ণ অসম তথা ভাৰত দেশ। বিভিন্ন জনগোষ্ঠীৰ ভিতৰত অন্যতম এক জনগোষ্ঠী হ'ল মিচিং জনগোষ্ঠী। মিচিং জনগোষ্ঠীসকলে প্ৰধানকৈ মহাবাহু ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে তিনিচুকীয়া, ডিব্ৰুগড়, শিৱসাগৰ, যোৰহাট আদি জিলাৰ আৰু উত্তৰ পাৰে ধেমাজি, লখিমপুৰ, শোণিতপুৰ আদি জিলাৰ নৈ উপনৈসমূহৰ পাৰে পাৰে বসবাস কৰি আহিছে। তেওঁলোকে বাঁহ, বেত, কাঠ আৰু খেৰৰ সহায়ত চাংঘৰ সাজি জীৱন-ধাৰণ কৰে। পূৰ্বতে অৰুণাচল প্ৰদেশৰ পৰা নামি আহি প্ৰধানকৈ নৈৰ পাৰে পাৰে বসবাস কৰা সহজ সৰল মিচিং জনগোষ্ঠীসকলৰ সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক তথা শৈক্ষিক দিশত পিছপৰা যদিও মিচিং জনগোষ্ঠীসকলৰ সংস্কৃতিৰ ক্ষেত্ৰখন বৰ চহকী। মিচিং জনগোষ্ঠীসকলৰ প্ৰধান কৃষিভিত্তিক উৎসৱ হৈছে আলি-আয়ে-লৃগাং। এই উৎসৱটি মিচিং জনগোষ্ঠীসকলে প্ৰতি বছৰে ফাগুন মাহৰ প্ৰথম বুধবাৰে (ইংৰাজী মাহৰ ফেব্ৰুৱাৰীত) পালন কৰা হয়। মিচিংসকলৰ আলি-আয়ে- লৃগাং **(Ali-A:ye-Lígang)** অসমৰ এটি প্ৰাচীন কৃষি ভিত্তিক উৎসৱ। আলি-আয়ে-লৃগাং বা আলি-আই-লৃগাং হৈছে আহু ধানৰ খেতি আৰম্ভ হোৱাৰ উপলক্ষে অসম আৰু অন্যান্য উত্তৰ-পূব ভাৰতৰ বিভিন্ন ৰাজ্যত বসবাস কৰি থকা মিচিং জনজাতীয় লোকসকলে পালন কৰা কৃষিৰ লগত জড়িত বসন্তৰ উৎসৱ। এই উৎসৱটি লৃগাং দিনাৰ পৰাই আৰম্ভ হয়, অৰ্থাৎ 'গিনমুৰ পঃল'ৰ প্ৰথম বুধবাৰ। এই উৎসৱক শস্য বা কঠীয়া সিঁচাৰ আৰম্ভণিৰ উৎসৱ বুলিও কোৱা হয়।

মিচিং ভাষাত এই উৎসৱৰ নাম তিনিটা পদেৰে গঠিত, 'আলি' মানে শস্যৰ বীজ বা কঠীয়া, 'আয়ে' মানে ফল আৰু 'লৃগাং' হৈছে বীজ সিঁচা। অৰ্থাৎ প্ৰথম বীজ সিঁচা য'ত শস্যৰ বীজ সিঁচাৰ আৰম্ভণি কাৰ্য। আলি-আঃয়ে-লৃগাং উৎসৱত মিচিং জনগোষ্ঠীসকলে পৰম্পৰাগত নীতি-নিয়ম অনুসৰি পিঃৰ, পুৰাং আপিন, আপং আৰু শস্যৰ বীজ আদি ব্যৱহাৰ কৰি উদ্‌যাপন কৰা হয়। লোক কথা মতে আলি-আয়ে-লৃগাং হৈছে ৰাইজৰ পথাৰত শস্য উৎপাদন হ'বৰ কাৰণে ফাগুন মাহৰ প্ৰথম বুধবাৰ অৰ্থাৎ আলি-আয়ে-লৃগাং দিনা গাঁৱৰ বৰা, অয়কিয়া, গাঁৱৰ জ্যেষ্ঠ ব্যক্তি, ডেকা-গাভৰু সকলোৱে মিলি মুৰং ঘৰৰ

এচুকত মাটি চহাই এমুঠি আহু-ধান আৰু পিংৰ আগ চাৰিডাল লৈ দঃগ্ৰিঃ-পঃলক (সূৰ্য-চন্দ্ৰক) উচৰ্গা কৰে। ইয়াৰে চাৰি ডাল পিংৰৰ তাৎপৰ্য হ'ল পৃথিৱীৰ দিশ চাৰিটা, গতিকে পৃথিৱীৰ চাৰি দিশৰ পৰা যাতে কোনো কুপ দৃষ্টি পৰিব নোৱাৰাকৈ ঘেৰা দিয়া হয়। চাৰি ডাল পিংৰ'ৰ মাংগলিক নাম হ'ল- (১) মুক্-লুং (বজ্ৰপাত), (২) য়াৰি (বিজুলী ঢেৰেকনি), (৩) কাৰ্চিন আৰু (৪) কাৰ্ত্তাং। এই লোক প্ৰবাদৰ পৰা ক'ব পাৰি যে, আলি- আঃয়ে-লৃগাঙৰ লৃগ্‌গদৰ মাংগলিক ক্ৰিয়াত চাৰিডাল পিংৰ (মেগেলা বন) ব্যৱহাৰৰ নিয়ম আৰম্ভ হৈছে।

আলি-আয়ে-লৃগাং **(Ali-A:.ye-Lígang)** উৎসৱত মাংগলিক কাৰ্য সম্পাদন কৰোতে কিছুমান নীতি-নিয়মসূহ হ'ল - (ক) লৃগ্‌গদ/আম্-চিদ্ চিদ্-নাম্ **(Líggod/Amsid Sidnam)**ঃ লৃগ্‌গদ'ৰ মাংগলিক কাৰ্য সম্পাদন কৰিবৰ বাবে পৰিষ্কাৰ স্থানত মাটি চহা কৰি এটা ভেটি তৈয়াৰ কৰিব লাগে। 'লৃগ্‌গদ'ৰ কাৰ্য সম্পাদন কৰাৰ বাবে প্ৰয়োজনীয় সামগ্ৰীবোৰ হ'ল- 'লৃগ্‌গদৰ বাবে কঠীয়া **(Amli)** ঃ- লৃগ্‌গদ কৰোতে কেবাটাও শস্যৰ বীজ ৰোপণ কৰা হয়। যেনে-

(১) শিপা বা আলু জাতীয়সমূহ হৈছেঃ **Síngkíg Ali**-(শিমলু আলু), **Nginti Ali**-(মিঠা আলু), **Ma:yong Ali**-(কাঠ আলু), **Enge Ali**- (কচু আলু), **Pagli Ali**-(মিঠা আলু), **Kamrali**-(পাত আলু) আৰু

(২) গুটি জাতীয় বীজঃ **Tépang**-(গোম-ধান), **A:m (guni/amro)**- (আহুধানৰ কঠীয়া), **Anyag**- (কণী ধান), **Sí:pag**-(কপাহ)।

ইয়াতে মন কৰিবলগা যে ওপৰত উল্লেখ কৰা সকলোবিধ শস্যৰ বীজ লগাব নোৱাৰিলেও অন্ততঃ পাঁচবিধ শস্যৰ বীজ ৰোপণ কৰিব লাগে। লগতে কপাহ **(Sí:pag)**ঃ ৪ (চাৰি) কোচা, মেগেলা বন **(Pi:ro amíng)**ঃ ৪ (চাৰি)টা আৰু কেঁচা সুতা **(Onno)**ঃ এক নেচামান ব্যৱহাৰ কৰা হয়।

আলি-আয়ে-লৃগাঙৰ দিনা লৃগ্‌গদ'ৰ কাৰ্য সম্পাদন কৰিবৰ বাবে যুগুত কৰা সকলোবোৰ সামগ্ৰী তিৰোতাসকলে হোৰা **(ígín)**ত ভৰাই লৈ কান্ধত বা মূৰত ওলমাই আনিব লাগে। পুৰুষসকলৰ মাজৰে এজন ব্যক্তি/মুৰব্বী গৰাকী **(Sidbo Abu)**-এ **Matsík/Yoksík** (মিট-দা) আৰু দাঃনৃগ **(Da:níg)** লৈ যায়। আৰু লৃগ্‌গদ্‌ৰ স্থানত উপস্থিত হোৱাৰ লগে লগে **Sidbo Abu** আৰু **Sidné Ané** এ পূবফালে মুখ কৰি থিয় হৈ কাৰ্য সম্পাদন কৰা হয়। **Sidbo Abu**ৰ লগত অনা য়কচা (মিট-দা) আৰু দাঃনৃগ লৈ ভেটিৰ মাটিত সৰু সৰু গাত লগোৱা হয় আৰু তিৰুতা গৰকী **Sidné Ané**-এ হোৰা **(ígín)**ৰ পৰা শস্যৰ বীজবোৰ উলিয়াই গাতবোৰত ৰোপণ কৰা হয়।

এইদৰে শস্যৰ বীজ ৰোপণ কৰি থাকোতে আশীষ বচন **(Lube: Lunam)** তলত উল্লেখ কৰা মতে মাতে -

Do:nyé tadlangka
Po:lo tadlangka
Se:di Me:lo
Siné Mo:bo

Appingé tadlangka
Sé ngolu Ali-A:ye-líga:du:néké
Koje yanggo go:sa:moteika
Aríg ísingém ai moteika
Írroí írroí írroí

এইদৰে আশীষ বচন মাতি শেষ হোৱাৰ পাছত ৰূপন কৰা বীজবোৰৰ ওপৰত মাটিৰ গুৰি চপাই দি বীজবোৰ ঢাকি **(Ri:tid)** দিয়া হয়।

লৃগ্‌গদ শেষ হোৱাৰ পাছত ভেটিটোৰ চাৰি চুকত একোটাকৈ পিঃৰ (মেগেলা বন) গুজি দিয়া হয়। তাৰ পাছত পিঃৰ (মেগেলা বন)ৰ ফাঁকত কপাহ গুজি দিয়া হয় আৰু পিঃৰ (মেগেলা বন)ৰ পাতবোৰ একেলগে বান্ধি দিয়া হয় লগতে কেঁচা সূতাৰে প্ৰতিডাল পিঃৰ (মেগেলা বন)ৰ লগত কেঁচা সূতাৰে তিনিপাক বান্ধি সংযোগ কৰা হয়। এইদৰে আলি-আয়ে-লৃগাং দিনা 'লৃগ্‌গদ্'ৰ মাঙ্গলিক কাৰ্য সম্পাদন কৰি উদ্‌যাপন কৰা হয়।

(খ) তাকু কুবাদ **(Taku Ku:bad)** ঃ আলি-আয়ে-লৃগাঙৰ 'লৃগ্‌গদ'ৰ কাৰ্য সম্পন্ন কৰাৰ ঠিক পিছতেই 'তাকু কুবাদ' **(Taku Ku:bad)** মাংগলিক কাৰ্য সম্পাদন কৰা হয়। তাকু কুবাদৰ বাবে প্ৰয়োজনীয় সা-সামগ্ৰীবোৰ হ'ল - **Taku** (বাঁহেৰে বিশেষভাৱে নিৰ্মিত দুটা বস্তু বিশেষ), **Nogné Take**- (আদা), **Kamro ékkam**- (কৌপাত), **Sí:pag**- (কপাহ), **Po:ro apong (étung akolo)**- (ছাঁই মদ এচুঙা), **Asi (étung akolo)**- (পানী এচুঙা)। সেইবোৰৰ দ্বাৰা বিশেষ স্থানত তাকুটো সংস্থাপন কৰি ৰখা হয়। তাকু কুবাদ কৰিবৰ বাবে সৰু মাৰি এটা সাজু কৰি ৰখা হয়। তাকু কুবাদ কৰা ব্যক্তিগৰাকীয়ে প্ৰথমে চুঙা **(étung)**ত অনা পানীখিনিৰে তাকুটোৰ ওপৰত ছটিয়াই পৱিত্ৰ কৰি লোৱা হয়। দ্বিতীয়তে চুঙা **(étung)**ত অনা আপংখিনিও তাকুটোত ছটিয়াই দি পৱিত্ৰ কৰি লয়। সেইখিনি কৰাৰ পাছত তাকু কুবাদ'ৰ মাৰিডালেৰে খুলি দিয়া হয় যাতে তাকুটোৰ মূৰত গুজি ৰখা আদা টুকুৰাবোৰ জোৰেৰে ওফৰি যায়। তাকু কুবাদ কাৰ্য সম্পাদন কৰোতা গৰাকীয়ে তলত দিয়া ধৰণে আশীষ বচন মাতে

Uté poro kojé yanggo go:molangka
Néyi nénganém ngansa moteika
Sido-akosinnagka!
Sitkin kede: no,
Ki:né na:néno
Pi.ro jarpé jarsa:molangka
Ta:par go:pé go:sa:molangka
Írroí írroí írroí

আৰু আলি-আয়ে-লৃগাঙত উল্লেখিত মাংগলিক কাৰ্যখিনি সম্পাদন কৰোতা সকলে ঘড়ী, চেণ্ডেল, জোতা আদি পৰিধান নকৰে। লগতে তাকু কুবাদ কাৰ্য সম্পন্ন হোৱাৰ পিছত "লৃগ্‌গদ আৰু

তাকু কুবাদ" কৰাৰ স্থানটোৰ চাৰিওফালে ঘড়ীৰ কাটাৰ গতিৰ বিপৰীত **(Anti-clockwise)** গতিৰে পাঁচবাৰ ঘুৰি গুম্ৰাগ্ তথা লৃগাং নৃত্য কৰা হয়। এই উৎসৱত মিচিং যুৱক-যুৱতীসকলে এটা জনপ্ৰিয় নৃত্য পৰিৱেশন কৰে যিটো "গুমৰাগ্ চঃমান" নামেৰে জনাজাত। এই দিনাৰ পৰাই মিচিং ডেকা-গাভৰু সকলোৰে মিলি ঘৰে ঘৰে লঃলে নিঃতম্, অই-নিঃতম্, গুম্ৰাগ্ আদি লৃগাঙৰ নৃত্য হুঁচৰি গায়। এই উৎসৱটি আগমন ঘটাৰ লগে লগে মিচিং ডেকা গাভৰুৰ হৃদয়ত ভাহি থাকে - চেনেহৰ ফাগুনটি আকৌ আহিল, ৰঙা ৰঙা শিমলু ফুলবোৰ হৃদয়ৰ ৰক্তাক্ততা বিৰিঙাই আকৌ ফুলি উঠিল। পলাশ মদাৰৰ তেজৰঙী আভাই চৌদিশে এক নৱ চেতনাৰ উন্মেষ ঘটাইছে।

ডালে ডালে ন-কুঁহিপাতৰ ৰমলিয়নিয়ে বুকুৰ মাজলৈ বাসন্তীৰ মৃদু মৃদু অনুভৱ কঢ়িয়াই আনিছে। দুৰণিত থকা কুলিজনীৰো চাগৈ উথপ্থপ উথপ্থপ অৱস্থা কেতিয়াকৈ চেনেহী বসন্তৰ বুকুলৈ যাও!

লাহৰী লেডেঙৰো কেতিয়াকৈ আহো কেতিয়াকৈ আহো তাৰেই ভাৱনাত যঁতৰৰ সূতাও চাগৈ ঘনে ঘনে চিগিছে। এনেবোৰ শব্দ ডেকা গাভৰুৰ মনত সঘনাই ভাহি থাকে আৰু নামতীৰ কণ্ঠত লঃলে কাবান, অই-নিঃতম্‌ৰ পোখা মেলে, ঢোলীয়াৰ ঢোলৰ চাপৰত ইমুৰৰ পৰা সিমুৰলৈ ভাঁহি আহে গুমৰাগ্ গুমৰাগ্ কেকনলক্ গুমৰাগ্... ডেকা গাভৰুৰ কণ্ঠৰেদি নিগৰি আহে 'আলি-আই-লৃগাঙী, আলি'ক দলৃঙী, কেকনলক্ গুমৰাগ্ কেকনচক্ গুমৰাগ্ ঔই ঔই চঃৰা...!

আলি-আয়ে-লৃগাঙৰ গীত কেৱল যৌৱনৰ গীতত সীমাবদ্ধ হৈ নাথাকে। গীতবোৰৰ বিষয়বস্তু বিভিন্ন ধৰণৰ। যেনে মানুহৰ জীৱন, এই জীৱনত তেওঁৰ দুখ-কষ্ট আদি নিহিত হৈ থাকে। সেইবোৰৰ বাহিৰেও গীতসমূহত আনন্দ আৰু বেদনা আদিকে ধৰি ব্যক্তিগত প্ৰেম আৰু মৰমৰ বিষয়সমূহ বৰ্ণনা কৰা হয়। এই উৎসৱত বিশেষকৈ মিচিং সমাজৰ যুৱক-যুৱতীসকলে "গুম্ৰাগ্ নৃত্য"ত অংশগ্ৰহণ কৰে আৰু লোকগীত তথা সুৰীয়া "'অই-নিঃতম্'"ৰ সুৰত নৃত্য কৰে। অই-নিঃতম্ মিচিংসকলৰ প্ৰধান আৰু জনপ্ৰিয় লোকগীত। মিচিং ভাষাত 'অই' শব্দৰ অৰ্থ বুকুৰ আপোনজন আৰু 'নিঃতম্' শব্দৰ অৰ্থ গীত। অৰ্থাৎ অই-নিঃতম্ হ'ল বুকুৰ আপোনজনক লৈ গোৱা আনন্দৰ গীত বা প্ৰেমক উদ্দেশ্য কৰি গোৱা গীত বা প্ৰকৃতিৰ প্ৰণয় গীত। আনহাতে, "নিঃতম্" শব্দৰ 'নি'ৰ অৰ্থ হ'ল নিচুকণি বা নিচুকা, 'তম্' শব্দৰ অৰ্থ হ'ল জনোৱা বা শুনোৱা। ইয়াৰ সম্পূৰ্ণ অৰ্থ হৈছে প্ৰেমিক বা প্ৰেমিকাই দুয়ো- দুয়োকে মনৰ গোপন কথাবোৰ কৈ কৈ গোৱা গীত। মূলতঃ মহোৎসৱৰ গীতত মিচিংসকলৰ দৈনন্দিন জীৱনৰ বিভিন্ন অভিজ্ঞতাৰ কথা কোৱা হৈছে। মিচিং লোকগীতবোৰে মিচিং লোক জীৱনৰ এক জীৱন্ত চিত্ৰ বহন কৰে। এই উৎসৱসমূহৰ বাবে ৰচিত সংগীতসমূহ ঢোল (দুমদুম), তাল (লুপি), বাঁহী (পুলি বা পুৰুলি/মুৰুলী), ম'হৰ শিঙৰ পেঁপা (পেম্পা), গগনা (গুংগাংনাং) আদি বাদ্যৰে গঠিত।

সাধাৰণতে আলি-আয়ে-লৃগাং উৎসৱৰ লগত সংগতি ৰাখি গুমৰাগ্ তথা লৃগাং নৃত্য কৰা হয়। আলি-আই-লৃগাঙৰ দিনৰ ভাগৰ অনুষ্ঠান শেষ হোৱাৰ পাছত সন্ধিয়া মিচিং ডেকা-গাভৰুৱে গুম্ৰাগ্ নৃত্যত আনন্দ-স্ফূৰ্তিত নাচে। এই নৃত্য গাঁৱৰ মুখ্য- মুৰব্বীজনৰ ঘৰত প্ৰথম লৃগাং নৃত্য কৰি গাঁৱৰ মানুহৰ ঘৰে চোতালে চোতালে শাৰী পাতি বা ঘূৰণীয়াকৈ অতি শৃংখলাবদ্ধভাৱে ডেকা-গাভৰুসকলে গুমৰাগ্

তথা লৃগাং নৃত্য কৰা হয়। গাৱঁৰ গৃহস্থই ডেকা-গাভৰুসকলক পুৰাং আপিন, পঃৰ আপং আৰু গাহৰি মঙহৰে মাটি মাহৰ খাদ্য বনাই খোৱাই আৰু যি পাৰে দক্ষিণা দি ঘৰৰ মংগলৰ বাবে ৰাইজৰ চৰণত সেৱা মাগে। এই উৎসৱৰ আনুষ্ঠানিক নৃত্য গাঁৱৰ পুবৰ ঘৰৰ পৰা আৰম্ভ হয় আৰু শেষত পথাৰ আৰু নদীৰ ফালে বিস্তৃত হয়। মিচিং জনগোষ্ঠীসকলৰ আলি-আয়ে-লৃগাঙৰ সময়ত ডেকা-গাভৰুৰ উপৰি গাঁৱৰ বুঢ়া-বুঢ়ী, বিবাহিত-অবিবাহিত সকলোৱে লৃগাং তথা গুমৰাগ্ নৃত্যত অংশগ্ৰহণ কৰে। মিচিং জনগোষ্ঠীসকলৰ এই নৃত্য অতি মনোমোহা। আলি-আয়ে-লৃগাঙৰ ‘লৃগ্গদ্ আৰু তাকু কুবাদ’ৰ মাংগলিক কাৰ্য সম্পাদন কৰোতাসকলে পৰিধান কৰা সাজ-পাৰ যেনে - পুৰুষসকলে **Gonro Ugon**- (পৰম্পৰাগত ধুতি), **Mibu Galung**- (বগা ৰঙৰ বিশেষ ধৰণে ডিজাইন কৰা কাপোৰ), **Dumér:Tongani dumér-érkok** (মাফলা) লগত **Matsík/Yoksik** (মিট-দা) লোৱা হয় আৰু মহিলাসকলে **Yakané ege** (ক'লা ৰঙৰ মেখেলাৰ), **Gero** (ৰঙা ৰঙৰ চোলা), **Galug** (ৰঙা ৰঙৰ), **E:po** (কুলা) লগত **ígín** (হোৰা) লৈ মাংগলিক কাৰ্যসমূহ সম্পাদন কৰা হয়। লগতে গুম্ৰাগ্ তথা লৃগাং নৃত্যত অংশগ্ৰহণকাৰীসকলে ব্যৱহাৰ কৰে মিচিং গাভৰুসকলে তথা মিচিং শিপিনীসকলে তাঁতত বোৱা ভিন্ন ৰঙীণ সাজ-পোছাক যেনে পুৰুষ তথা ডেকাসকলে মিবু গালুক, টঙানি/এৰকক্ (মাফলাৰ), গনৰ্ ওগন আদি আৰু মহিলা তথা গাভৰুসকলে ৰিবি-গাছেং, এগে-গাচৰ (মেখেলা চাদৰ) আদি পৰিধান কৰি গুম্ৰাগ্ নৃত্য আৰু লৃগাঙৰ হুঁচৰি গায়। মিচিং জনগোষ্ঠীসকলৰ এই নৃত্যৰ আন এক দৃষ্টিনন্দন উপকৰণ কিয়নো ৰঙালী বিহুৰ দৰেই এই উৎসৱতো মিচিংসকলে নানান ৰং-ৰহইচ কৰে।

এই উৎসৱৰ লৃগাং-লৃঃলেন দিনা মিচিং জনগোষ্ঠীসকলে সমূহীয়া ভোজন আৰু গুম্ৰাগ্ নৃত্য অনুষ্ঠিত কৰা হয়। ধৰ্মীয় নীতি -নিয়ম অনুসৰি ঘৰতে বনোৱা ৰাইচ ৰাইনক মিচিংসকলে ‘আপং’ বোলে। সেইদৰে বৰা ধানৰ চাউল তৰা পাতত বান্ধি বিশেষ ধৰণে সিজোৱা জলপানক ‘পুৰাং আপিন’ বোলে। ভোজত পুৰাং আপিন অৰ্থাৎ তৰা পাতত বনোৱা ভাতৰ টোপোলা আৰু পঃৰ আপং (ছাঁই মদ) আৰু নগিন আপং (বগা মদ) আদি নিয়ম আয়োজন কৰা হয়। এই উৎসৱৰ সময়ত মিছিংসকলে বিভিন্ন খাদ্যৰ সৈতে বিশেষকৈ গাহৰি মাংসৰ সৈতে মাটি মাহৰ সোৱাদেৰে তৈয়াৰী কৰা খাদ্য আৰু পঃৰ আপং, নগিন আপং (ঘৰতে বনোৱা ৰাইচ ৰাইন)ৰ সৈতে ডাঙৰ ভোজত লিপ্ত হয়। ইয়াৰ উপৰি ভোজত কুকুৰা আৰু মাছ-মাংস আদিও ব্যৱহাৰ কৰা পৰিলক্ষিত হয়। সেইদৰে শেষৰ দিনা গাঁৱৰ ডেকা-গাভৰুৰ উপৰিও গাঁৱৰ জ্যেষ্ঠ ব্যক্তি, পুৰুষ- মহিলা সকলোৱে মিলি ভোজ-ভাত আয়োজন কৰি খায় আৰু শেষত মিচিং ডেকা-গাভৰু সকললোৱে মিলি লংলে নিংতম্, লৃগাং নৃত্যৰ হুঁচৰি গায় আনন্দ উপভোগ কৰে। আলি-আয়ে-লৃগাঙৰ এই সকলোবোৰ কৰাৰ পিছত পাঁচদিনৰ বাবে **Yodnam** (গেনা) পালন কৰিব লাগে। খোৱা-বোৱাৰ ক্ষেত্ৰত কেঁচা মাছ-মাংস খোৱা নহয় ইয়াৰ বিপৰীতে শুকান মাছ-মাংস খোৱা হয়, সেইদৰে সকলো নীতি-নিয়মৰ মাজেৰে মিচিং জনগোষ্ঠীসকলৰ আলি-আয়ে-লৃগাং উৎসৱৰ সামূহিক কাৰ্যকলাপ সামৰণি মাৰে। ❑

প্ৰবন্ধ সম্ভাৰ

# মিচিং জনগোষ্ঠীসকলৰ পৰম্পৰা উৎসৱ পঃৰাগৰ এটি চমু পৰিচয়

প্ৰণিতা পেগু
বি.এড, দ্বিতীয় ষাণ্মাসিক
ধেমাজি স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয়

অসমৰ ভৈয়াম অঞ্চলৰ নৈৰ পাৰে পাৰে শদিয়াৰ পৰা তেজপুৰলৈকে মিচিং জনজাতিৰ লোকে বসবাস কৰি আহিছে। সোৱণশিৰী আৰু ব্ৰহ্মপুত্ৰ নৈৰ পাৰতে অধিকাংশ লোক বসবাস কৰি আছে যদিও অন্যান্য সৰু-সুৰা নৈৰ পাৰে-পাৰেও মিচিং জনগোষ্ঠীৰ লোকসকলে চাংঘৰ সাজি জীৱন ধাৰণ কৰি বসবাস কৰা দেখা যায়। আদিম যুগৰে পৰা মানৱ জাতিয়ে পূজা-পাতল, উৎসৱ আদি পাতি আহিছে। মিচিং জনগোষ্ঠীসকলে পৰম্পৰাগতভাৱে পঃৰাগ, আলি-আয়ে-লৃগাং, দবুৰ পূজা আদি মাংগলিক কাৰ্যৰ নীতি-নিয়মসূহ মানি চলি আহিছে। মিচিং জনগোষ্ঠীসকলৰ প্ৰধান উৎসৱ হ'ল আলি-আয়ে- লৃগাং অৰ্থাৎ নতুনকৈ বীজ সিঁচা কাৰ্য। এই লৃগাঙ উৎসৱৰ উপৰিও মিচিং জনগোষ্ঠীসকলৰ আন এটা উল্লেখযোগ্য সামাজিক উৎসৱ হ'ল পঃৰাগ।

পঃৰাগ উৎসৱ বা নৰাছিগা বিহু গাঁওখনৰ মংগল আৰু পথাৰত শস্য উৎপাদন বৃদ্ধিৰ কামনাৰে পতা হয়। এনে উৎসৱত বিভিন্ন কাৰ্যসূচীৰ উপৰিও 'মিনম' অৰ্থাৎ আমন্ত্ৰিত আলহীক প্ৰীতিভোজ খোৱাই অই-নিঃতম গাই নাচিবলৈ দিয়া হয়। তদুপৰি উদ্‌যাপন কৰা গাঁৱৰ কোনো গাভৰুক অন্য গাঁৱলৈ বিয়া দিলেও পুনৰ নিমন্ত্ৰণ কৰি এই উৎসৱত তেওঁলোকক আৰু তেওঁলোকৰ লগত অহা অতিথিসকলকো ভোজ খুওৱা হয়। সেয়ে বহুতে পঃৰাগক ডেকা-গাভৰুৰ প্ৰীতিভোজ উৎসৱ বুলি নাম দিব বিচাৰে।

এই উৎসৱটি কেতিয়া ক'ত সৃষ্টি হৈছিল তাক সঠিককৈ কোৱা টান। তথাপি পঃৰাগ মিচিং সমাজৰ অতি শ্ৰদ্ধাৰ আৰু মৰমৰ উৎসৱ। পঃৰাগ উৎসৱ বুলি ক'লে মিচিং ডেকা-গাভৰুৱে আপোন পাহৰা হৈ পৰে। মিচিংসকলৰ সংস্কৃতিৰ লুপ্ত প্ৰায় এই পঃৰাগ উৎসৱৰ ইতিহাস আৰু ইয়াৰ গুৰুত্ব সম্পৰ্কে বিভিন্ন সাংস্কৃতিক সমল ব্যক্তিয়ে গৱেষণা কৰি আহিছে। এই গৱেষণাসমূহৰ পৰা পঃৰাগৰ মূল কাৰ্য আৰম্ভ হোৱাৰ আগে আগে ভকত বা মিবুৰ দ্বাৰা "আপং আগ বান্ধ" কৰি থোৱা নিয়ম মিচিং সমাজত

আছে আৰু তাৰ পৰাই পঃৰাগ শব্দ আহিছে বুলি কিছু লোকে অনুমান কৰি আহিছে। পঃৰাগ উৎসৱৰ উদ্‌যাপন কৰাৰ কোনো নিৰ্দ্দিষ্ট দিন-তাৰিখ নাই। এই উৎসৱত পঃৰ আপঙৰ ব্যৱহাৰ অতি প্ৰচুৰ আৰু সেইবাবেই মিচিং সমাজত ইয়াক "পঃৰাগ তৌনাম" বুলি অভিহিত কৰিছে। যিহেতু মিচিং সমাজত ব্যক্তিগত বা ৰাজহুৱা যিয়েই নহওক, মাঙ্গলিক অনুষ্ঠানৰ পৰা উৎসৱ-পাৰ্বন সকলোতে আপঙৰ প্ৰয়োজন অপৰিসীম। আপং অবিহনে এক প্ৰকাৰ মিচিং সমাজৰ প্ৰতিটো সকাম-নিকাম আৰু উৎসৱ-পাৰ্বন অসম্পূৰ্ণ হয়। সেয়ে এনেবোৰ বিভিন্ন ধৰ্মীয় পূজা-পাতল, বিহু-উৎসৱ আদিত পৰম্পৰাগতভাৱে আপং ব্যৱহাৰ কৰি আহিছে। পঃৰাগ (নৰাছিগা বিহু) সাধাৰণতে আহিন-কাতিমহীয়া আহুধান চপাই শেষ কৰি পতা হয়। ধান কাটি চপোৱাৰ অন্তত, ধানৰ নৰা-ছিগাৰ সময়ত অনুষ্ঠিত হোৱা বাবেই এই উৎসৱৰ নাম "নৰাছিগা বিহু" বুলি কোৱা হয়। ঘাইকৈ গাঁৱৰ মানুহৰ কল্যাণ আৰু শস্যৰ বৃদ্ধি কামনা কৰি নৰাছিগা বিহু পতা হয় আৰু গাঁৱৰ ডেকা-গাভৰুৰ উদ্যোগত এই উৎসৱ উদ্‌যাপিত হয় যদিও গাঁৱৰ আন সকলোৱে ইয়াত অংশ-গ্ৰহণ কৰে।

এই উৎসৱ পালন কৰিবৰ বাবে গাঁৱৰ মূৰত নাইবা আহল- বহল ঠাইত মুৰং ঘৰ সাজি লয়। মুৰং ঘৰ মিচিং সংস্কৃতিৰ প্ৰাণ কেন্দ্ৰ। সেয়ে পঃৰাগ আয়োজন কৰিলে ন-কৈ মুৰং ঘৰ সজাই পৰাই তুলিব লগা হয়। পঃৰাগ বা নৰাছিগা বিহুত মুৰং ঘৰ অপৰিহাৰ্য। পঃৰাগত মুৰং ঘৰৰ সমুখতে বিয়াগোম আকাৰৰ দুটাকৈ আপং চকা সঁজুলি ক্ৰমে 'পঃবুথ' আৰু 'পঃবৰ' স্থাপন কৰা হয়। এই পঃবুথ আৰু পঃবৰত পঃৰ আপং (ছাঁই মদ) ভৰাই পোন- প্ৰথম পানী ঢলা কাৰ্য অতি শ্ৰদ্ধা-ভক্তিৰে সম্পন্ন কৰা হয়। ডেকা-গাভৰুৱে নৃত্য-গীত কৰি তিনি বা পাঁচবাৰ পঃৰাগস্থলী প্ৰদক্ষিণ কৰাৰ পিছত দঃগ্ৰিঃ-পঃল (সূৰ্য-চন্দ্ৰ), চেঃদি-মেঃল, কাৰ্চিন-কাৰ্ত্তাং, গুমিন-চয়িং, পৌদং-নানী আদিক সাক্ষী কৰি পঃবৰত পানী ঢলা হয়। পূৰ্বতে এই কাৰ্য কিছু গাঁৱত কোনো অভিজ্ঞ মিবুৰ দ্বাৰা সম্পন্ন কৰা হৈছিল যদিও আজিকালি সাধু বা ভকতৰ দ্বাৰা সমাধা কৰে। লগতে কোনো কোনো গাঁৱত অপুষ্পিতা ছোৱালীয়েও এই কাম সম্পন্ন কৰে। গতিকে এই উৎসৱ বা নৰাছিগা বিহুত আপং ভাল হোৱা মানে পঃৰাগ সফল হোৱা আৰু অনাগত দিনত সকলো দিশতে গাঁৱৰ ৰাইজে সফলতা লাভ কৰিব পাৰিব বুলি সাধাৰণ ৰাইজে বিশ্বাস কৰি আহিছে। পঃৰাগত পঃৰ আপঙৰ গুৰুত্ব সকলোতকৈ ওপৰত। ইয়াৰ পৰা লক্ষ্য কৰিলে 'পঃৰাগ' শব্দ পঃৰ আপং বা আপঙৰ পৰাই আহিছে বুলি ক'ব পাৰি। পূৰ্বতে পঃৰাগ বা নৰাছিগা বিহু মিচিং জনগোষ্ঠীসকলে প্ৰতি বছৰে আয়োজন কৰি আহিছিল বুলি কোৱা হয়, কিন্তু বৰ্তমান সময়ত গাঁৱৰ অৰ্থনৈতিক তথা বিভিন্ন সুবিধা-অসুবিধাসমূহ চাই পাঁচ/দহ বছৰৰ মূৰত পঃৰাগ উদ্‌যাপন কৰা হয়। আনহাতে কিছু কিছু গাঁৱত অৰ্থনৈতিক অভাৱত এই উৎসৱটি আয়োজন কৰিব নোৱাৰিলেও পঃৰাগৰ অনাবিল আনন্দ-স্ফুৰ্তিক প্ৰতিজন মিচিং লোকে অনুভৱ কৰি আহিছে।

এই পঃৰাগ উৎসৱ বা নৰাছিগা বিহুত অংশগ্ৰহণ কৰিবৰ বাবে কাষৰীয়া চাৰি-পাঁচখন গাঁৱৰ

ৰাইজক অতিথি হিচাপে আমন্ত্ৰণ কৰি অনাটো মিচিংসকলৰ এক পৰম্পৰা। সাধাৰণতে তিনিদিন ধৰি উদ্‌যাপিত কৰি অহা এই উৎসৱত বিবিধ লোকাচাৰ উপৰি মিচিং ডেকা-গাভৰুৱে ইয়াত প্ৰাণ ঢালি নৃত্য-গীত প্ৰদৰ্শন কৰি নাচে। এই নাচ-গানবোৰ সামাজিক হ'লেও মুলতঃ ই আন এখন সমাজৰ আশীৰ্বাদ বা মিলা-প্ৰীতি পাবৰ কাৰণে কৰা প্ৰচেষ্টা। কিয়নো এই উৎসৱত এখন গাঁৱৰ এদল ডেকা-গাভৰুৱে আন এখন গাঁৱৰ এদল ডেকা-গাভৰু-বয়োজ্যেষ্ঠক নাচ-ধেমালিৰ মাজেদি বিভিন্ন ধৰণৰ কাৰ্যকলাপ প্ৰদৰ্শিত কৰি সন্তোষ দিবলৈ চেষ্টা কৰে। পঃৰাগৰ বাস্তৱিক উদ্দেশ্য হ'ল পৰম্পৰাগত ৰীতি-নীতি অনুসৰি ভোজন-পীয়নৰ লগতে নৃত্য-গীতৰ অফুৰন্ত আনন্দৰ উৎসৱ।

অতিথি শুশ্ৰূষা পঃৰাগৰ অন্যতম আকৰ্ষণীয় দিশ। আয়োজক গাঁওখনে ওচৰৰ যিকোনো এখন গাঁৱৰ পৰা ডেকা- গাভৰু, নাচনী-ঢুলীয়া পঃৰাগ বা নৰাছিগা বিহুলৈ নিমন্ত্ৰণ কৰে। ইয়াক "মিনম গগ্‌-নাম" বুলি কয়। 'মিনম' মানে বিশিষ্ট অতিথি বা ব্যক্তি আৰু 'গগ্‌-নাম' মানে আমন্ত্ৰিত। নিমন্ত্ৰিত গাঁওখনক "মিনম দঃলুং" বা বিশিষ্ট অতিথি গাঁও বুলি কোৱা হয়। মিনম দঃলুঙৰ ডেকা-গাভৰুহঁতে নিমন্ত্ৰণ ৰক্ষা কৰি পঃৰাগ বা নৰাছিগা বিহুলৈ আহে আৰু ডেকা-গাভৰুৰ মাজত নৃত্য-গীতৰ এক প্ৰকাৰে এখন মহাৰণ লাগে। লগতে পঃৰাগ হৈ পৰে ডেকা-গাভৰুৰ মিলনৰ তীৰ্থভূমি। বিশেষকৈ এটা পঃৰাগৰ পৰা আনটো পঃৰাগলৈ যিমান কেইজনী ছোৱালী বিয়া হৈ যায়, সেই আটাইকেইজনীকে নিমন্ত্ৰণ কৰা হয়। গাঁৱৰ পৰা বিবাহ সূত্ৰে অন্য গাঁৱলৈ যোৱা জীয়াৰীক সপৰিয়ালে পঃৰাগলৈ নিমন্ত্ৰণ কৰাতো মিচিং জনগোষ্ঠীসকলৰ পঃৰাগৰ এটা পৰম্পৰা। সেই সময়ত তেওঁলোকে আমন্ত্ৰিত হৈ নিজৰ গাঁওখনলৈ সপৰিয়ালে ঘূৰি আহি একেলগে ডাঙৰ-দীঘল হৈ দূৰ-দূৰণিত বিয়া হৈ যোৱা লগৰীয়াবোৰক লগ পাই বিমল আনন্দ উপভোগ কৰে। পৰস্পৰে পৰস্পৰৰ পৰিয়ালৰ সৈতে চা-চিনাকি হয়, কোনে কাক কি বুলি সম্বোধিত কৰিব লাগে তাৰে এটা সোণালী সুযোগৰ মঞ্চ পোৱা যায়। বিয়াৰ পাছত আই-পিতাইৰ ঘৰলৈ সদায় অহা-যোৱা কৰাতো সম্ভৱ নহয়। আহিলেও গাঁও তথা বন্ধু-বান্ধৱী আৰু লগৰ-সমনীয়া, মিতিৰ-কুটুম আদি এই সকলোকে একেলগে লগ পোৱা নাযায়। সেয়ে পঃৰাগে এই সুযোগ তেওঁলোকৰ মাজত এক ঐক্যমঞ্চ আনি দিয়ে। আৰু দিনবোৰত গাঁৱৰ গিয়াতিয়েও নিজৰ মিতিৰ-কুটুম কাষতে পাই সীমাহীন আনন্দ উপভোগ কৰে। গতিকে মিচিং জনগোষ্ঠীসকলৰ পঃৰাগ অনুষ্ঠানে জাতীয় ঐক্য গঢ়াত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। ❑

প্ৰবন্ধ সম্ভাৰ

# অযোধ্যাৰ ৰাম মন্দিৰ

দৃষ্টিৰাণী গগৈ
বি.এড. দ্বিতীয় ষাণ্মাসিক

ভগৱান শ্ৰীৰাম মন্দিৰ নামেৰেও পৰিচিত, অযোধ্যাৰ ৰাম মন্দিৰ ভাৰতৰ উত্তৰ প্ৰদেশৰ অযোধ্যাত অৱস্থিত এক হিন্দু মন্দিৰ। বহু হিন্দুৰ মতে ই হিন্দু ধৰ্মৰ প্ৰধান দেৱতা ভগৱান শ্ৰী ৰামৰ জন্মভূমিত অৱস্থিত। ২০২৪ চনৰ ২২ জানুৱাৰীত মন্দিৰভাগ মুকলি কৰা হয় আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উদ্বোধন কৰে।

১৫২৮ চনত মোগল সাম্ৰাজ্যৰ সেনাপতি মিৰ বাকীৰে ৰামৰ জন্মভূমিৰ ঠাইত বাবৰৰ আদেশত বাবৰি মছজিদ নিৰ্মাণ কৰে। জোচেফ টিফেনথালাৰে লিখা Description India নামৰ কিতাপখনত উল্লেখ কৰিছে যে অযোধ্যাৰ ৰামৰ দুৰ্গ বুলি বিশ্বাস কৰা ৰামকোট মন্দিৰ আৰু ৰামৰ জন্মস্থানত অৱস্থিত বেদী ধ্বংস কৰি এই মছজিদ নিৰ্মাণ কৰা হৈছিল। যাৰ ফলত ধৰ্মীয় হিংসাৰ প্ৰথম দৃষ্টাত ১৮৫৩ চনত নথিভুক্ত কৰিছিল। ১৮৫৮ চনৰ ডিচেম্বৰ মাহত বিট্ৰিছ প্ৰশাসনে প্ৰতিদ্বন্দিতা মূলক স্থানত হিন্দুসকলক পূজা অনুষ্ঠিত কৰাত নিষেধাজ্ঞা আৰোপ কৰে। মছজিদৰ বাহিৰৰ অনুষ্ঠান পৰিচালনাৰ বাবে এটা মঞ্চ সৃষ্টি কৰা হৈছিল আৰু ১৯৪৯ চনৰ ২২ ডিচেম্বৰৰ নিশা বাবৰি মছজিদৰ ভিতৰত ৰাম আৰু সীতাৰ মূৰ্ত্তি স্থাপন কৰা হয়। ১৯৫০ চনৰ ভিতৰত ৰাষ্ট্ৰই ১৪৫ ধাৰা CrPc ৰ অধীনত মছজিদটোৰ নিয়ন্ত্ৰণ লয় আৰু মুছলমান নহয় হিন্দুসকলক সেই স্থানত পূজা কৰিবলৈ অনুমতি দিয়ে। ১৯৮০ চনত হিন্দু জাতীয়তাবাদী পৰিয়াল সংঘৰ অন্তৰ্গত বিশ্ব হিন্দু পৰিষদে হিন্দুসকলৰ বাবে এই স্থান পুনৰ উদ্ধাৰৰ বাবে আৰু এই স্থানত কেঁচুৱা ৰামৰ বাবে উৎসৰ্গিত মন্দিৰ স্থাপনৰ বাবে এক নতুন আন্দোলন আৰম্ভ কৰে। বিশ্ব হিন্দু পৰিষদে "জয় শ্ৰী ৰাম" বুলি লিখা ধন আৰু ইটা সংগ্ৰহ কৰিবলৈ ধৰে। পিছলৈ প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীৰ অধীনত চৰকাৰে বিশ্ব হিন্দু পৰিষদক আগবঢ়াই নিয়াত অনুমতি প্ৰদান কৰে। ১৯৪৯ চনৰ ৯ নৱেম্বৰত বিশ্ব হিন্দু পৰিষদৰ নেতা আৰু সাধুৰ এটা দলে বিবাদিত ভূমিৰ কাষতে ২০০ মিটাৰ (৭ ঘনফুট) দৈৰ্ঘ্যৰ গাত খান্দি আধাৰশিলা স্থাপন কৰে। ইয়াৰ পিছতে বিতৰ্কিত মছজিদৰ কাষৰ মাটিতে মন্দিৰৰ ভেটি স্থাপন কৰে। ১৯৯২ চনৰ ৬ ডিচেম্বৰত বিশ্ব হিন্দু পৰিষদ আৰু ভাৰতীয় জনতা পাৰ্টিৰ এক সমাৱেশ ঘটে আৰু এই সমাৱেশ হিংস্ৰ হৈ পৰে আৰু এই ভিৰটোৱে নিৰাপত্তা বাহিনীক আগুৰি ধৰে আৰু মছজিদটো ভাঙি

পেলায়। যাৰ ফলত ভাৰতৰ হিন্দু আৰু মুছলমান সম্প্ৰদায়ৰ মাজত কেইবা মাহো সাম্প্ৰদায়িক হিংসাত্মক পৰিস্থিতিৰ সৃষ্টি হৈ প্ৰায় ২০০০ লোকৰ মৃত্যু হয়। ২০০৫ চনৰ ৫ জুলাইত অযোধ্যাৰ ধ্বংসপ্ৰাপ্ত বাবৰি মছজিদৰ স্থানত থকা অস্থায়ী ৰাম মন্দিৰত পাঁচটা সন্ত্ৰাসবাদীয়ে আক্ৰমণ কৰে। ফলত এজন সাধাৰণ নাগৰিক আৰু আৰক্ষী বাহিনীও মৃত্যু মুখত পৰে। বছৰ বছৰ ধৰি এনেকুৱা বিবাদৰ সৃষ্টি হয়। তাৰ পিছত ২০১০ চনত এলাহাবাদ উচ্চ ন্যায়ালয়ে ১.১২ হেক্টৰ বিবাদিত মাটিক বিভক্ত কৰাৰ অনুমতি দিয়ে য'ত এটা অংশ ৰাম মন্দিৰ নিৰ্মাণৰ বাবে হিন্দু মহাসভাই প্ৰতিনিধিত্ব কৰা ৰাম লাল্লালৈ যায় আৰু এটা মুছলমান চুন্নী ৱাকফ আখৰা লৈ যায়। ২০১৯ চনত আযোধ্যা বিবাদ সন্দৰ্ভত উচ্চতম ন্যায়ালয়ে দিয়া অনুমতি দানত সিদ্ধান্ত গ্ৰহণ কৰি বিবাদিত ভূমিত ভাৰত চৰকাৰে ৰাম মন্দিৰ নিৰ্মাণৰ দায়িত্ব ট্ৰাষ্টৰ হাতত গতাই। ২০২০ চনৰ ৫ ফেব্ৰুৱাৰীত ভাৰতৰ সংসদত ঘোষণা কৰা হয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধীনস্থ চৰকাৰে মন্দিৰ পুনঃ নিৰ্মাণৰ পৰিকল্পনা গ্ৰহণ কৰে। তাৰ পিছত ৭ ফেব্ৰুৱাৰীত ধনীপুৰ গাঁৱত, অযোধ্যাৰ পৰা ২২ কিলোমিটাৰ দূৰত নতুন মছজিদ নিৰ্মাণৰ বাবে ২.০ হেক্টৰ মাটি আৱণ্টন দিয়া হয়।

ৰাম মন্দিৰৰ মূল ডিজাইন ১৯৮৮ চনত আহমেদবাদৰ সোমপুৰা পৰিয়ালে উদ্ভাৱন কৰিছিল। মন্দিৰ ভাগ ২৫০ ফুট বহল, ৩৮০ ফুট দীঘল আৰু ১৬১ ফুট উচ্চতা হ'ব। ইয়াৰ ডিজাইন নাগাৰা শৈলীৰ মাৰু-গুৰজাৰা স্থাপত্যত কৰা হয়। তিনি মহলীয়া উচ্চ মঞ্চত নিৰ্মাণ কৰা হৈছে মন্দিৰৰ মূল গঠন। ইয়াৰ গৰ্ভগৃহৰ মাজত আৰু প্ৰৱেশদ্বাৰত পাঁচটা মণ্ডপ আছে। নৃত্য মণ্ডপ, ৰং মণ্ডপ, সভা মণ্ডপ, প্ৰাৰ্থনা মণ্ডপ আৰু কীৰ্ত্তন মণ্ডপ। দেৱতাৰ মুৰ্তিৰে সজ্জিত এই মন্দিৰটোৰ চকুত সূৰ্য্য, ভাগৱতী, গণেশ, শিৱৰ বাবে উৎসৰ্গিত মন্দিৰ আছে। উত্তৰ আৰু দক্ষিণ বাহুত অন্নপূৰ্ণা আৰু হনুমানৰ মন্দিৰ আছে। এই ভেটিটোতে কৃত্ৰিম শিলৰ দৰে ১৪ মিটাৰ ডাঠ ৰোলাৰ কম্পেক্ট কৰা কংক্ৰিটৰ স্তৰ আছে আৰু আৰ্দ্ৰতা সুৰক্ষাৰ বাবে ২১ ফুট গ্ৰেণাইট প্লিন্থ আছে। লোহাৰ ব্যৱহাৰ এৰাই চলা হৈছে। মন্দিৰটোৰ মুঠ ৩৬৬ টা স্তম্ভ আছে। গৰ্ভগৃহৰ আকৃতি অষ্টভূজৰ দৰে মন্দিৰৰ এই স্থানত ৭০,০০০ দৰ্শকক চম্ভালিব পৰা ক্ষমতা আছে। তলৰ মহলা সম্পূৰ্ণ হৈছে আৰু ২০২৪ চনৰ জানুৱাৰী মাহত ভক্তসকলৰ বাবে মুকলি হোৱাৰ আশা কৰা হৈছে। ট্ৰাষ্টে ঘোষণা কৰে যে হিন্দু জ্যোতিষীসকলে ২০২৪ চনৰ ২২ জানুৱাৰীত এই অভিষেক অনুষ্ঠানৰ শুভ তাৰিখ হিচাপে বাছি লৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক নতুনকৈ নিৰ্মিত মূৰ্ত্তিটোৰ প্ৰাণ প্ৰতিষ্ঠা কৰিবলৈ আমন্ত্ৰণ জনোৱা হৈছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰতিজন ভাৰতীয়ক এই অনুষ্ঠান উপলক্ষে বন্তি জ্বলাবলৈ আৰু দীপাৱলীৰ দৰে উদ্‌যাপন কৰিবলৈ আহ্বান জনায়।

অযোধ্যাৰ ৰাম মন্দিৰ কেৱল মন্দিৰেই নহয়; ই বিশ্বাস, ঐক্য, সাংস্কৃতিক ঐতিহ্যৰ প্ৰতীক। এই মন্দিৰ নিৰ্মাণ ভাৰতৰ ইতিহাসৰ এক উল্লেখযোগ্য। ঘটনা, যিয়ে সত্য, ন্যায় আৰু ধাৰ্মিকতাৰ জয়ৰ সূচনা কৰে। এই ভাৰতৰ চহকী সাংস্কৃতিক আৰু ধৰ্মীয় ঐতিহ্যৰ স্মৃতিসৌধ আৰু ভগৱান শ্ৰীৰামৰ চিৰস্থায়ী উত্তৰাধিকাৰৰ প্ৰমাণ। ❑

(ইণ্টাৰনেটৰ সহায় লৈ)

প্ৰবন্ধ সম্ভাৰ

# Effects of Stress among adolescents

✍ Meghna Boruah
B.Ed. 2nd Semester

Stress is experienced by everyone, it is usually a reaction when we are unable to meet specified demands in our life it can be divided into two types of stress that is eustress and distress. Eustress is the effect of minimum amount of stress people need in their lives. Distress is usually the effect of unpleasant or unwanted stressors. Adolescence is the period of transition from childhood to adulthood marked by numerous challenges. However stressors are different for different individuals during this period of life significant physical, emotional, psychological changes make adolescents particularly vulnerable to stress. They face various stressors as they navigate the complexities of growing up. Some of the common stressors among adolescents are:-

Peer relationships: Adolescents are highly influenced by their peers Struggle with peer acceptance, fitting in, maintaining friendships can create a emotional turmoil. Bullying, fear of being judged can contribute to stress.

Academic pressure: High expectations of parents to excel in school, and secure a spot in competitive educational institutions can lead to significant academic stress.

Identity formation Adolescence is a period of self discovery and identity formation. Sometimes they question about their own values, beliefs, personal identity which can lead to stress as they try to define themselves.

Body image concerns:- Physical changes during puberty can trigger body image insecurities. Societal ideals of beauty, comparison to peers and media representation can lead to low self-esteem and stress.

During adolescence the effect of stress on their developing bodies can hamper in the development. During this period, the brain undergoes remarkable structural and functional changes. The pre-frontal cortex, responsible for executive functioning such as decision making and impulse control is still developing. Long term stress can disrupt this process leading to difficulties in emotional regulation and cognitive functions.

Physiologically prolonged stress can impact the the cardio-vascular system and immune system in later years-Additionally stress related behavior such as poor-dietry choices, lack of exercise, substance abuse, social withdrawal, emotional days regulation can be seen among the adolescents. Sleep which is essential for physical, emotional well-being is often disrupted by stress which impairs cognitive functioning and emotional stability.

Stress among adolescents have significant risk to their physiological as well as psychological well-being, but through supportive environments, teaching effective coping mechanisms and reducing unrealistic expectations we can promote healthier and resilient generations. ❑

*Teaching is a very noble profession that shapes the character,*
*caliber, and future of an individual.*
*If the people remember me as a good teacher,*
*that will be the biggest honour for me.*

***– Abdul Kalam***

গল্প গুচ্ছ

# যুৱ মহোৎসৱ! যুৱ মহোৎসৱ!!

ড° অনিল শইকীয়া
লোক সংস্কৃতিৰ গৱেষক, অৱসৰপ্ৰাপ্ত অধ্যক্ষ
মৰাণ মহাবিদ্যালয়

**(এক)**

এই কেইদিন মিউজিক চেক্রেটাৰী গৌতম কৌশিক সাংঘাটিক ধৰণে ব্যস্ত। ডিব্রুগড় বিশ্ববিদ্যালয়ৰ যুৱ-মহোৎসৱ। স্বয়ং অধ্যক্ষই তাক কোঠালৈ মতাই নিছে। যুৱ-মহোৎসৱৰ নিয়মাৱলীসমূহ দিছে। প্ৰ-পত্ৰসমূহ দিছে। ভালকৈ পঢ়িবলৈ কৈছে। নিৰ্দিষ্ট তাৰিখত যোগদান কৰিবলৈ কাঢ়া নিৰ্দেশ দিছে। যি টকা-পইচা লাগে বাজেট দিবলৈ কৈছে। তাৰ মনটো ৰঞ্জিত ৰঞ্জিত লাগিল। সি অনুভৱ কৰিলে— এনেকুৱা এজন ভাল অধ্যক্ষ পোৱাটোও গৌৰৱৰ কথা। সি বৰ মনোযোগেৰে যুৱ-মহোৎসৱৰ নিয়মাৱলীখন পঢ়িবলৈ আৰম্ভ কৰিলে। কাঢ়া কাঢ়া ইংৰাজী। কঠোৰ নিয়ম। বাদ্য-যন্ত্ৰ হেৰালে বা ভাগিলে আয়োজক সমিতিয়ে দায়িত্ব নলয়। কোনো মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে নিয়ম ভংগ কৰিলে অনুশাসনমূলক ব্যৱস্থা লোৱা হ'ব। যোগদানৰ সময়ত নাটকৰ স্ক্ৰীপ্ট দিব লাগিব। আধুনিক গীত গোৱাৰ আগে আগে গীতিকাৰ আৰু সুৰকাৰৰ নাম ক'ব লাগিব। ঠিক লিখিছে। খুউব ভাল হৈছে। নিয়ম নিয়মেই। নহ'লে উৰাই পেলাব গোটেইখন। বাৰু, সেইবোৰ বাদ। নিয়মাৱলীৰ আচল কথা হ'ল পঁচিশজন প্ৰতিযোগীয়ে যোগদান কৰিব পাৰিব।

এতিয়া তাৰ কাম হ'ল প্ৰতিযোগী নিৰ্বাচন কৰা।

কলেজখনত তিনিহাজাৰ ছাত্ৰ-ছাত্ৰী। তাৰ ভিতৰত বেষ্ট অফ দ্য বেষ্ট পঁচিশজন। কিছুমান বিষয়ৰ প্ৰতিযোগী নিৰ্বাচনত একো অসুবিধা নাই। চিধাচিধি নাম ভৰাব লাগে। এইযে— পেইনটিং, কলাজ, পোষ্টাৰ-মেকিং, কাৰ্টুনিং, ৰংগুলী, ঠাইতে তোলা-ফটোগ্ৰাফী, বাকপটুতা, ইন্সট'লেশ্বন ইত্যাদিবোৰ চলি যাব। ভায়োলিন, মেণ্ডোলীন, গীটাৰ, চেটাৰ, বাঁহী, ঢোল, খোল এইবোৰো চলি যাব। কিন্তু এইযে গানবোৰ, ইসসসস্। বৰগীত, খেয়াল, ভজন, গজল, আধুনিক গীত আৰু যে জ্যোতিসংগীত, বিষ্ণুৰাভা সংগীত, পাৰ্বতিপ্ৰসাদ বৰুৱাৰ গীত, ভূপেন্দ্ৰ সংগীত, জয়ন্ত সংগীত এইখিনি গোৱা কেইবাজনো প্ৰতিযোগী। কোনোবাটোত কোনোবা ফাৰ্ষ্ট, কোনোবাটোত আকৌ আন কোনোবা

ফাৰ্ষ্ট। কাক এৰিবা কাক ধৰিবা। ইফালে আক' 'বেষ্ট-চিংগাৰ' খিতাপটো পোৱাবলৈ হ'লে এগৰাকী প্ৰতিযোগীক কমচে কম ছয়-সাতটা গানৰ প্ৰতিযোগিতাত যোগদান কৰাব লাগিব। হ'ব, ছাৰৰ লগত কথা পাতিব লাগিব। বিহু-টিমত দহজন, কোৰাচত ছজন, নাটকত আঠজন। এইবোৰো মিলাব লাগিব। তাৰ ভিতৰতো তাৰ 'মনৰ-মানুহ' কিছুমানো আছে। সেইবোৰ পাছত হ'ব।

মিউজিক চেক্ৰেটাৰী গৌতম কৌশিক কিন্তু পৰি মৰা বস্তু নহয়। দুই-তিনিদিনৰ ভিতৰত সকলোৰে লগত আলোচনা কৰি মিলাই দিলে পঁচিশজন। দুই-এজন অৱশ্যেই বিতুষ্ট হ'ল। স্বাভাৱিক। দুই-এজন গেষ্ট হিচাবেও যাব। হৈ যাব।

এইবছৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ যুৱ-মহোৎসৱ গড়গাঁও মহাবিদ্যালয়ত হ'ব। দুই-এজন উৎসাহী ছাত্ৰই বাইক লৈ গড়গাঁও মহাবিদ্যালয়লৈ যোৱাৰ কথা ঘোষণা কৰিলে।

কলেজখনত চুৰ্চুৰীয়াকৈ আকৌ ফেষ্টিভ মুদ এটা আৰম্ভ হৈ গ'ল।

এই বছৰৰ শ্ৰেষ্ঠ গায়িকা সন্ধ্যা ভাৰতীয়ে ছটা বিষয়ত যোগদান কৰিব।

**(দুই)**

মিউজিক চেক্ৰেটাৰী গৌতম কৌশিকে চাৰিওফালে আখৰা আৰম্ভ কৰাই দিলে। যেনি-তেনি যুৱ-মহোৎসৱৰ খবৰা-খবৰ আৰম্ভ হৈ গ'ল। বহুতে আক' ক'ত কি হৈছে, কেনেকৈ হৈছে তাৰ নিজাববীয়াকৈ খবৰ ৰাখিলে। বাটেঘাটে যুৱ-মহোৎসৱৰ সৰৱ আলোচনা হ'বলৈ ধৰিলে। সিবোৰৰ মাজতে হৃদয়ে হৃদয়ে জমা হৈছে নানাৰঙী অলেখ প্ৰতিবেদন।

সেয়া দিগন্ত আৰু পৱন। দুয়োজন যুৱ-মহোৎসৱলৈ যাব। দিগন্ত এজন চিত্ৰশিল্পী। ফটোগ্ৰাফাৰ। পোষ্টাৰ আঁকে। পৱনে 'কাৰ্টুন' আঁকে, 'কলাজ'ৰ সাধনা কৰে। 'কলাজ'ত জীৱনৰ সন্ধান কৰে। দুয়ো মেধাৱী ছাত্ৰ। থাকে জধলাৰ দৰে। একেলগে ফুৰে। খোলাখুলিকৈ ভাল-বেয়া চব কথা পাতে। হৃদয়ৰ কথা। মনৰ পৰা ওলাই অহা কথাটো ফিল্টাৰ নকৰাকৈ ইজনে সিজনলৈ এৰি দিয়ে। কথাৰ ভাগ-বাটোৱাৰা কৰে। কাৰ এটা চাৱনিৰ বাবে কোন হাবাথুৰি খাই ফুৰিছে তাৰ হিচাপো ৰাখে। আনৰ হিচাপ ৰাখোতে নিজেও ক্ষত-বিক্ষত হয় কেতিয়াবা। তথাপিও আক্ষেপ নাই। কথাৰো শেষ নাই...

ঃ ক'ত ঘূৰি ফুৰিছ?— পৱনে দিগন্তক লগ পাই চিধাচিধি প্ৰশ্ন কৰে।

ঃ মহেনৰ ওচৰলৈ গৈছিলোঁ?

ঃ কি পালি?

ঃ সি পুৰা বিহুৰ আখৰাত ব্যস্ত, ঢোলত ৰগৰি আছে। আজিকালি সকলোৰে তাক গুৰু বুলি মাতে। এইকেইদিন সি আধা ডজনমান চঞ্চলা, চপলা, মৃদুভাষী, হাস্যবদনী, খামিডাঠ ষোড়শীক বিহুনাচ শিকাই আছে। প্ৰাচীন বৃত্তাকাৰ অথবা ইংৰাজী ইউ আকৃতিৰ অৱস্থানৰ বিপৰীতে নাচনীসমূহক বেলেগ বেলেগ অৱস্থানত ৰাখি কিবা এক্সপেৰিমেণ্ট কৰি আছে। বিভিন্ন শৃংখল। বিভিন্ন অৱস্থান। সৰল ৰেখা, বক্ৰৰেখা, ত্ৰিভূজ, চতুৰ্ভূজ, পঞ্চভূজ ইত্যাদি, খিচিৰি। তাৰ পাছত সি 'ওৱান-টু-থ্ৰি-গ'... বুলি কৈ

ঢোলত ৰগৰে, পুখুৰীত মোৰা মাছ হিৰিছকৈ ওলোৰাৰ দৰে ফাতেমা, পাপৰিহঁত হিৰিছকৈ জাকি মাৰি ওলাই আহে। কেনেকুৰা মজা লাগে। হাঁহিকে চাবি নে চাৰনিকে চাবি? তাৰমাজতে আক' মঞ্চত ইতিমধ্যে লহৰি নাচি শেষ কৰা আমাৰ ওঁঠ চেলেকি থকা বিহুৱাকেইটা। বেটাহঁতৰ কিৰিলি কি চাবি। নাচনীক সম্ভাষণ নে যৌৱনৰ আবেদন একো ধৰিব নোৱাৰি। খন্তেক পাছত ফাতেমাহঁতৰ কণ্ঠত বিহুনামৰ খলকনি। খাই দিম কলিজা হাঁহি....

ঃ একদম বুকুখন ফাটি যায় অ'। —পৱনৰ কণ্ঠৰ পৰা আপোনা-আপুনি নিগৰি আহে হুমুনিয়াহ।

ঃ হ'ব দে, ওপৰত চোলাটো আছে নহয়, তেজ ওলালে সুহি ল'ব। —দিগন্তই কয়।

ঃ অ' তাৰ পাছত? —পৱনে এনেয়ে সোধে।

ঃ তাৰ পাছত সিহঁতৰ যিহে খিলখিল হাঁহি। পৃথিৱীতে আছেনে সৰগত আছে একো গম নাপায় সিহঁতে।

ঃ ক'ত পাব? ল'ৰাৰ লগত গা ঘেলাবলৈ পাইছে নহয়, অ'.... শুনচোন শুন। সিদিনা বুজিছ, আমাৰ জি.এচে. পাপৰিক বোলে কিবা এটা টানকৈ ক'লে।

ঃ তাৰ পাছত? —দিগন্তই কৌতুহলেৰে সোধে।

ঃ তাৰ পাছত চকুপানী! —পৱনে গহীনাই কয়।

ঃ পাপৰিৰ চকুপানীনে জি.এচ.ৰ। —দিগন্তৰ কৌতুহল বাঢ়ে।

ঃ এ... তয়ো ভাল, জেনেৰেল চেক্ৰেটৰিয়ে কান্দিবনে কি? পাপৰিয়ে।

ঃ অ', ফিনিচিংটো ক। —দিগন্তই স্পষ্টকৈ জানিবলৈ সুধিলে।

ঃ কিবা চলি আছে বোলে। —পৱনে ওঁঠ দুটাত বিশেষ এক ভংগিমা লৈ ক'লে।

ঃ ধুৰ! তোৰ যে আৰু কথা।

ঃ বিদ্যা। মই সুধিলোঁ পাপৰিক সিদিনা।

ঃ কি ক'লে। —দিগন্তৰ আকৌ কৌতুহল বাঢ়ে।

ঃ 'এ কি...নো' বুলি সিফালে গুচি গ'ল।

ঃ তয়ো আৰু। বাদ দে সেইবোৰ। ব'ল, মহেনক ব'ৰ কৰোঁগৈ ব'ল।

ঃ নাযাওঁ।

ঃ কিয়?

ঃ কি যাবি তালৈ। গ'লেই শুকান বেজাৰ এঠা লাগে। চালা, ঢোলটোকে বজাব পৰা হ'লে!

—পৱনে নিজক কোৱাদি কয়।

ঃ কি হ'লহেঁতেন তেতিয়া?

ঃ ধেৰ পখিলা আহি গাত পৰিলহেঁতেন। কি পোৰা কঁপাল। ৰহ, এইবাৰ ঢোল শিকিমেই। দেচ-দাও-খিত-ঘেন, ঘেন-ঘেন তাক-তাক ব'ৰ'-প্লাচ, ব'ৰ'-প্লাচ। —পৱনে মুখতে ঢোল বজায়। দিগন্তই তালৈ চাই থাকে।

ঃ তাৰ পাছত? —দিগন্তই এনেয়ে সোধে।

ঃ তাৰ পাছত কিমান যে পখিলা আহি মোৰ গাত পৰিব। ৰঙা টিকটিকিয়া পখিলা, ফুটফুটীয়া বেঙুনীয়া পখিলা, বুটাবছা হালধীয়া পখিলা, নীলা পখিলা।

ঃ তাৰমানে তই ফুল। —দিগন্তই মুখ টিপি হাঁহে।

ঃ অ' ফুল, কি হ'ল পিছে?

ঃ তই সঁচাকৈয়ে ফুল। তাকে যেনিবা 'এফ-ডবল-অ'-এল' ফুল।

ঃ ধুৰ! তহঁতৰ পৰা একো এটা ভাল চিন্তাও কৰিব নোৱাৰি। —পৱন দিগন্তৰ ওচৰৰ পৰা আঁতৰি যায়। দিগন্তই একান্ত অনুভৱেৰে মহেনৰ কথা ভাবে—

মহেন। মহেন দত্ত। ৰাজনীতি বিজ্ঞানত মেজৰ। এইবাৰ চিক্স চেম। কেতিয়া পঢ়ে, ক'ত পঢ়ে, কেনেকৈ পঢ়ে, কি পঢ়ে কোনেও নাজানে। লাইব্ৰেৰীটো নোসোমায়। কোনোবাই কয়, তাৰ মগজুটোত কিবা এটা আছে। নহ'লে চেভেনটি চিক্স পাৰচেণ্ট পোৱা কি মুখৰ কথা। কোনোবাই কয়, সি গোটেই ৰাতি পঢ়ে। পুৱা চাৰিটাৰ পৰা আঠবজালৈ শোৱে। ন বজাত গৈ কলেজ পায়গৈ। পালমৰা দুজনমান শিক্ষকৰ ক্লাচত সি টোপনি পূৰ্ণ কৰে। সিও যাব যুৱ মহোৎসৱলৈ। সি যেতিয়া কান্ধত ঢোলটো তুলি লয় তেতিয়া আকাশখনেও যেন মূৰ তুলি চায়।

## (তিনি)

মাজতে দিগন্ত সন্ধ্যাৰ ঘৰলৈ গৈছিল। সন্ধ্যাক লগ পোৱা কথাবোৰ তাৰ পৱনক কবলৈ মন গ'ল।

ঃ সন্ধ্যাই গধূলি সময়ত বিলাপ কৰে। ইমন ৰাগৰ আলাপ গায়। দুঘন্টা সময় হেক্-হেকাই থাকে। ইফালে পদাৰ্থ বিজ্ঞানত মেজৰ। এইবাৰ যুৱ-মহোৎসৱত ....'। —দিগন্তৰ কথা শেষ নহওতেই পৱনে মাজতে মাত লগায়।

ঃ অ' তাই চব ফালে বজাই ৰাখে। এইবাৰ বেষ্ট চিংগাৰ পাবই চাবি।

ঃ এহ্ ৰ-চোন। মই আক তাইক জোকাইছিলোঁ— বোলো, হয় পদাৰ্থবিজ্ঞান কৰ, নহয় গান কৰ। —কথাটো ক'বলৈ পালোঁ কি নাপালো, তাইৰ মুখৰ পৰা পানী-টেংকাৰৰ পাইপ ফাটি পানী ওলোৱাদি হোৰ-হোৰকৈ কথা ওলাবলৈ ধৰিলে।

ঃ কি গালে তাই?

ঃ পৃথিৱীৰ সকলো পদাৰ্থই বোলে একো একোটা গান। প্ৰত্যেক পদাৰ্থৰে একো-একোটা সুৰ থাকে। আইনষ্টাইনে বেহেলাও বজাইছিল। আপেক্ষিকতাবাদৰ সংজ্ঞা দিছিল। পৰমাণুৰ ভিতৰখন লিৰিকি-বিদাৰি চাইছিল। গান আৰু পদাৰ্থ বিজ্ঞান দুয়োটাৰ মাজতে সোমাই আছিল আইনষ্টাইন। এইযে পৰমাণু বোমা.....। হা.. বহুত কথা। পৰমাণু বোমা নিৰ্মাণৰ যুক্তি দৰ্শাই তেতিয়াৰ আমেৰিকাৰ প্ৰেচিডেণ্ট ৰুছভেল্টলৈ চিঠি দিছিল। জিলাৰ্ডে আনিছিল চিঠিখন। আইনষ্টাইনে চহী কৰিছিল। আইনষ্টাইনে চহী কৰিলেহে

বোলে ৰুছভেল্ট মানিব। সেইবোৰ কিবাধৰণৰ কথা। বহুত ওপৰ খাপৰ চিন্তা। কিছুমান বিজ্ঞানীৰ নাম ক'লে। কিবা অপেনহাইমাৰ, নীল ব'ৰ এনেকুৱা নাম। কিবাকিবি পৰমাণু তত্ত্বৰ কথা ক'লে। মষ্ট ব'ৰ হ'লোঁ। পলাব খুজিছিলোঁ তাইৰ ওচৰৰ পৰা।

ঃ পিছে? —পৱনে সুধিলে।

ঃ পলাব নোৱাৰিলোঁ। তাই মোৰ চকুত ট-টকৈ চকু থৈ কথা ক'বলৈ লাগিল। এই কিবা কোৱাণ্টাম সূত্ৰ নে কি? সেইটো বোলে এটা গান। পদাৰ্থৰ আচৰণ, পদাৰ্থৰ গতি, মহাকাশ, সময়, বিশ্ব-ব্ৰহ্মাণ্ড— সেইবোৰ চব গান। এক দৰ্শন, মহাজগতৰ দৰ্শন। এই যে উত্তাপ, শিহৰণ, এই যে ব্লেক হল, সেইবোৰ কি গান নহয়? পাগলেই হ'ল নেকি?

ঃ বৰ খুৰ ছোৱালী বে'। আৰু কি ক'লে তাই?

ঃ জীৱনটো বোলে আশী বা নব্বৈ বছৰৰ এক সময়ৰ সমষ্টি। জীৱনৰ পঁচিশ বছৰলৈকে কিন্তু পঢ়িবই লাগিব। একেবাৰে নিৰ্জঞ্জাল সময়। নাই ঘৰ সজাৰ চিন্তা, নাই বেংকৰ লোন ওভটাই দিয়াৰ সমস্যা। নাই কাৰো পেনপেননি। নাই কাৰো আদেশ-অনুৰোধ ৰক্ষা কৰাৰ ভয়। মাথোঁ পঢ়ি থাকিব লাগে। পঢ়ি থাকিলেই ভাল। ঘৰত ভাল পায়। চব আনি দিয়ে মুখৰ আগত। চাহ, ভাত, গাখীৰ, মৌ, মাখন, ক্ৰীম.... যি বিচাৰে। অ', দুখীয়া মানুহৰ ঘৰৰ ল'ৰা হ'লেও পাব। কিন্তু সি পঢ়াত ভাল হ'ব লাগিব। পঢ়াত ভাল হোৱা মানে কি? কিতাপত কি আছে মনোযোগ দি চোৱা। চাবই লাগিব। দুখীয়া মানুহৰ ঘৰৰ ল'ৰায়ো ষ্টেণ্ড কৰে পৰীক্ষাত। তাৰ পাছত তেনে ল'ৰা-ছোৱালীক পইচা দিয়া মানুহ ধেৰ ওলায়।

ঃ কিৰে! ....

ঃ তাইৰ ভাষণ বাঢ়ি গ'ল। তাই কৈ গ'ল— মাথোঁ ফাঁকি দিব নালাগে। মুখস্থ কৰিব নালাগে। বুজিব লাগে। তেতিয়া এটা গানৰ সুৰৰ দৰে কথাবোৰ খল্‌খল্‌কৈ ভিতৰ সোমাই যাব। বচ্, আৰু ওলাই নাহে। ওপৰে ওপৰে চালে কিন্তু মৰিলা। প্লাজমা ফিজিক্সটো পালমৰা ফিজিক্স হ'ব।.... কি শুনিবা ভাষণ। মই সুধিলোঁ বোলো তোৰ যে এই যৌৱন, নাই নেকি তাৰ শিহৰণ।

ঃ বাঃ দোষ্টি, তই যে সাহস কৰিলি। খালি চাগে ধম্‌কি এটা।

ঃ নহয় দোষ্টি, মোক আচৰিত কৰি কি ক'লে জান? 'শিহৰণ' বোলে সৃষ্টিৰ আনন্দতহে পোৱা যায়। এই যে টমাছ আল্‌ভা এডিচনে যে 'শব্দক' পদাৰ্থৰ মাজত শব্দ বন্দী কৰিছিল। তাৰ পাছত যে পুনৰ শুনিছিল। এইয়ে শব্দ ব্ৰহ্ম বুলি প্ৰমাণ কৰিছিল। বুজিছনে?

ঃ নাই বুজা।

ঃ তোক সোধা নাই অ। সন্ধ্যাই মোক সুধিছিল।

ঃ তই কি ক'লি?

ঃ মই একো ক'ব লগা নহ'ল। তাই নিজেই বলকিলে। বোলে গ্ৰামোফোন ৰেকৰ্ড দেখিছ, মই মূৰ জোকৰা দেখি ক'লে। পেন ড্ৰাইভত বা ম'বাইলত গান শুনিছ। তাৰ ফৰ্মুলাটো প্ৰথমে চিন্তা কৰিছিল আল্‌ভা এডিচনে। চিন্তাই নহয়। যন্ত্ৰ-পাতি সাজি শব্দ ৰেকৰ্ড কৰিলে। তাৰ পাচত পুনৰ উৎপাদন কৰি

দেখুৱালে। গান বজাই শুনালে মানুহক। সেয়াহে শিহৰণ।

ঃ আ.... বৰ পঢ়ে অ' সেই পাতে।

ঃ গানো ভাল গাই তাই।

ঃ আৰে গাবই। তাইটো তোৰ দৰে চেলেং-পেটেঙ নহয়। ফুল কনফিডেন্ট। কি গাইছে, কি স্বৰত গাইছে, কি স্বৰ আগত আহিল, কি স্বৰ পিছত আহিব, তবলাত কি বাজিব পুৰা আয়ত্ব।

ঃ যুৱ মহোৎসৱত তাই সকলোৰে দৃষ্টি আকৰ্ষণ কৰিব।

ঃ কৰিবই তাই। গভীৰ আত্মবিশ্বাসেৰে গান গাব। লক্ষ্যত টিকাই দিব।

## (চাৰি)

বুদ্ধিবীৰেন্দ্ৰই আকৌ দিনটো অংক কৰে। কিবা ডিফাৰেন-চিয়েল, ইন্ট্ৰিগেল, চেট্, মালটিপোল ক'-ৰিলেশ্যন, সেইবোৰ। নামবোৰ শুনিলেই কিবা ব'ৰ যেন লাগে। বুদ্ধিবীৰেন্দ্ৰ ল'ৰাটো কিন্তু একদম ব'ৰ নহয়। জমনি বস্তু। মাল্টিপোল ক'-ৰিলেশ্যনত মানে 'বহু সম্বন্ধযুক্ত' তেনেকুৱা 'কিবা'ত সি খুউব ভাল। তাৰ যেনিয়ে-তেনিয়ে ৰিলেশ্যন। কিবা ধনাত্মক সহসম্পৰ্ক। সি যেনিয়ে চাই তেনিয়ে ফুল ফুলে। হৃদয়ৰ ফুল। ৰমক-জমক ফুল। 'হাঐ লিলি কিনো দিলি, কিনো খুৱাই মোৰেনো মন ভুলালি'। তেনেকুৱা। সেইবোৰ সি চব বুজি পায়। সেইবোৰ বোলে চব অংক। কৰিব জানিলে চব সহজ হৈ পৰে। এইযে 'এক্স' ধৰি আনন'ন নাম্বাৰ (অজ্ঞাত ৰাশি) উলিওৱা হয়। তেনেকৈয়ে চব উলিয়াব পাৰি।

.....কি ক'লি, ধুৰ কটা!

বুদ্ধিবীৰেন্দ্ৰই কয়, ক্লাচ চেভেনতযে কৰিছিলি। টোৱাইছ এক্স ইছ ইকুৱেল টু টেন। এক্স ইচিকুৱেল টু কি? দুটা এক্সৰ মান যদি দহ হয়, এটা এক্সৰ মান কিমান? কিমান?? কিমান??? কিমান???? পাগল কৰিব সি। কিবা অংকৰ মন্ত্ৰ গায়।

'আহিছে যিমান, আহিব সিমান, আহিব আৰু চাৰিগুণ। তাৰ লগত চাৰি যোগ কৰিলে যদি দহ হয়, তেন্তে কিমান আহিছিল? কিমান?' বুদ্ধি বীৰেন্দ্ৰৰ প্ৰশ্ন।

মই ক'লোঁ— 'পলা। ই নিজেটো পাগল হ'বই, আমাকো পাগল কৰিব'।

বুদ্ধিবীৰেন্দ্ৰই হো-হোকৈ হাঁহে। এইটো ডিল লৈ ছোৱালী পতাবলৈ আহ'। চাল্লা 'চাৰে বুৰ্বক'। শুন, আহিছে সিমানটো 'আন-ন'ন' নাম্বাৰ। ধৰা হওক এক্স। আহিছে এটা এক্স। আহিব আৰু এটা এক্স। দুটা এক্স পালি। আৰু চাৰিগুণ আহিব। মানে আৰু চাৰিটা এক্স আহিব। তাৰমানে মুঠতে ছটা এক্স আহিব। আৰু তাৰ লগত চাৰি যোগ কৰিলে দহ হ'ব। যদি চাৰি বিয়োগ কৰা তেন্তে ছয় হ'ব। মানে ছটা এক্সৰ মান ছয়। এটা এক্সৰ মান এক হ'ব। বুজিলি। এতিয়া শুন, আহিছে এজনী, আহিব আৰু এজনী, আহিব আৰু চাৰিজনী। তাৰ লগত চাৰি যোগ কৰিলে দহজনী হ'ব। বুজিলিনে?

ঃ অলবৎ বুজিলোঁ।

ঃ কি বুজিলি?

ঃ এজনী আহিছিল। এক্সৰ মান এক। মানে তই হাজাৰ চেষ্টা কৰিলেও এজনীহে পাবি। মাজত অহাবোৰ কাটি খাই যাব। —পৰনে বুদ্ধিবীৰেন্দ্ৰক বুজাই দিলে।

বুদ্ধিবীৰেন্দ্ৰই হো-হোকৈ হাঁহি কৈ গ'ল।

—সি বোলে এখন পাটিগণিতৰ কিতাপ লিখিব। কলেজৰ ল'ৰা-ছোৱালীৰ বাবে লিখিব। নাম থ'ব 'কলজেব্ৰা'। মানে এলজেব্ৰাৰ নিচিনাই। তাত বোলে সংখ্যাবোৰ হ'ব— হৃদয়, মন, মগজু, অভিমান, প্ৰেম, হতাশ, বিৰহ, অনুৰাগ, অভিযোগ সেইবোৰ। হাঁহিৰ ৰোল উঠে। সি বোলে ত্ৰিগ'নমিট্ৰিৰ নতুন সূত্ৰ উলিয়াব। তিনিটা কোণক লৈ কিমান হিচাপ কৰিবা। চাইন থিটা, কছ থিটা, ..... ব'ৰ সেইবোৰ। তাতকৈ কোণ তিনিটাৰ নাম থ'ব— নদী, আকাশ আৰু ৰ'দ। তাৰ বিপৰীত কোণবোৰ হ'ব— বৰষুণ, পৃথিৱী আৰু আন্ধাৰ। কাৰণ বৰষুণ মানেই নদী, আকাশ আছে বাবেই পৃথিৱী আৰু ৰ'দ আছে বাবেই আন্ধাৰ। ৰ'দ মানে সুখ। আন্ধাৰ মানে দুখ। তুমি সমকোণী ত্ৰিভুজেই বোলা বা সমদ্বিবাহু ত্ৰিভুজেই বোলা।

.....মস্ত পাগল এটা চাল্লা।

বাঁহী বজায় সি।

এদিন ৰাতি ছাত্ৰী নিৱাসৰ দেৱালৰ কাষত বাঁহী বজাই আছিল সি। ৱাৰ্ডেন গৰাকী বৰ দয়ালু আছিল। বুজাই মেলি পঠাই দিলে তাক।

ঃ বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱলৈ সিও যাব। বাঁহীত বসন্ত-বাহাৰ ৰাগৰ স্বৰ কম্পন তুলিব। তাৰ লগত তবলা বজাব আল্পনা বৰুৱাই। বিলম্বিত একতাল আৰু ত্ৰিতাল।

**(পাঁচ)**

আল্পনা বৰুৱা। অসাধাৰণ মেধাৱী ছাত্ৰী।

দিগন্তৰ এদিন আল্পনা বৰুৱাৰ লগত কথা পাতিব মন গ'ল।

এই আল্পনা বৰুৱাৰ দৰে চোকা ছোৱালীবোৰৰ মগজুবোৰত কি আছে বাৰু? দিগন্তই নিজকে প্ৰশ্ন কৰে।

কথা-বতৰা, পিন্ধন-উৰণ সেইবোৰ তেনেই সাধাৰণ। কিন্তু তাৰ মাজতে অসাধাৰণ কিবা এটা। 'কেমেষ্টিত মেজৰ।' ইমান টান বিষয় এটাতনো ছোৱালীয়ে মেজৰ ল'ব লাগেনে? তেনেকৈয়ে এদিন দিগন্তই আৰম্ভ কৰিছিল। সাধাৰণভাৱে কথা কোৱা আল্পনা বৰুৱা গৰ্জি উঠিল। আক্ৰমণ কৰিলে দিগন্তক।

ঃ ছোৱালী বুলি ক'লে তোমাৰ সেইটোৱেই ধাৰণা নহয়?

দিগন্ত এক প্ৰকাৰ অপ্ৰস্তুত হ'ল। তাৰ কাণ দুখন ৰঙা হৈ উঠিল। হয়, সি ভুল কথা ক'লে। ছোৱালী বুলি ক'লে দিগন্তৰ কি ধাৰণা, সেই কথা আল্পনাই বুজি পালে। সি আল্পনাৰ ওচৰত তেনেই সৰু হৈ পৰিল। পৰিৱেশটো সহজ কৰিবৰ মনেৰে দিগন্তই কোমল মাতেৰে ক'লে—

ঃ চৰিইই আল্পনা।

ঃ কোনো কথা নাই দিয়া; তোমালোক পুৰুষবোৰ তেনেকুৱাই। তোমালোকৰ বহুতৰ মনত যে

ছোৱালী বুলি বেলেগ ধাৰণা এটা থাকে, সেই কথা মই জানো। কিন্তু তুমিওযে যাৰ ব্যতিক্ৰম নোহোৱা সেই কথাৰ ইংগিত পাইহে মই লাজ পাইছো।

ঃ আৰু লাজ নিদিবা আল্পনা। —দিগন্তই আৰু সৰু হৈ ক'লে।

ঃ হ'ব দিয়া, এতিয়াৰ পৰা মনটো সলনি কৰা। ভাবি লোৱা পুৰুষ আৰু নাৰীৰ মন আৰু মগজু সমান সম্ভাৱনাৰে প্ৰখৰ আৰু অসাধাৰণ।

দিগন্তই আল্পনালৈ সোঁহাতখন প্ৰসাৰিত কৰি দিলে।

ঃ ন', মই তোমাৰ লগত এতিয়াই হেণ্ডচেক কৰিব নোৱাৰোঁ। তুমি আৰু দুটামান কথা শুনিব লাগিব।

ঃ কোৱা আল্পনা।

ঃ শুনা, মই সৰুতে ঢোল-খোলবোৰ টুকুৰিয়াই থাকি ভাল পাইছিলোঁ। ঢোল-খোলৰ বোলবোৰ মুখতে গাই ফুৰিছিলোঁ। কিন্তু ঘৰৰ মানুহে, বিশেষকৈ বৰদেউতাই ক'লে— 'ছোৱালীয়ে এইবোৰ 'ঘেন ঘেন খিত ঘেন' গাই থাকিলে বৰ ভাল নুশুনি অ'। কথাটো শুনি মোৰ কিবা এটা চেলেইঞ্জ হ'ল। ঢোল শিকিলোঁ। বায়নে খোল শিকাম নে নিশিকাম সিদ্ধান্ত লওঁতে এদিন পলম হোৱাৰ বাবে 'তবলা'ৰ স্কুলত নাম লগালো।

ঃ কি তুমি তবলা বজোৱা? দিগন্তই বিস্ফোৰিত নেত্ৰে সুধিলে।

ঃ কি হ'ল, উচপ খাই উঠিলাযে? অকল তবলাই নহয়, ঢোল, খোল, নেগেৰাও বজাও। দাদৰা, খেমতা, ৰূপক, একতাল, ত্ৰিতাল, যেনেকৈ শিকিছোঁ, পৰিতাল একতাল, চুটকলা, বিষম, খৰমান তালো শিকিছোঁ।

ঃ তোমাকতো ক'তো বজোৱা দেখা নাই।

ঃ দেখিবা, এইবাৰ কলেজত নাম লিখাইছোঁহে। কলেজ উইকত দেখিবা।

ঃ বাঃ... তুমি কম নোহোৱা দেই। ভৱিষ্যত পৰিকল্পনা কি তোমাৰ?

ঃ বিশ্ববিদ্যালয়ৰ অধ্যাপক আৰু লেডী বায়ন।

ঃ লেডি বায়ন? —দিগন্তৰ কৌতুহলী প্ৰশ্ন।

ঃ ভাওনা পাতিম। তাত মই বায়ন হ'ম। পুৰুষো থাকিব পাৰিব।

ঃ তুমি কম বস্তু নোহোৱা দেই।

ঃ আকৌ বস্তু বুলিলা...।

ঃ চয়ি, চয়ি, চয়ি.... —দিগন্তই নমস্কাৰ ভঙ্গী আগবঢ়ায়।

ঃ ল'ৰাবোৰে ইমান চয়ি চয়ি ক'লে ভাল নালাগে। কথাটো শুনা।

ঃ কোৱা আল্পনা।

ঃ তুমি —'নাৰী আৰু ঢোল-খোল' বিষয়ত এটা প্ৰবন্ধ লিখিব পাৰিবা?

ঃ নিশ্চয় আল্পনা, তাতে মই প্ৰতিষ্ঠা কৰিম যে —নাৰী আৰু পুৰুষ সমান সম্ভাৱনাৰে সমুজ্জল।

ঃ তেনেহ'লে হেন্দচে'ক দিয়া।

সেইদিনাৰ পৰা আল্পনা দিগন্তৰ লগত বন্ধু হৈ পৰিল। তুমিৰ পৰা গৈ সিহঁতে ইজনে-সিজনক তই তই বুলি মাতিবলৈ ধৰিলে। কথা—বাৰ্তাত চিৰিয়াচ আৰু চুপতি দুয়োটাই চলিল।

**( ছয়)**

অনেক আলোচনা। চাৰ্লচ-ল, বয়েল-ল', বেনজিনৰ আকাৰ, হাইড্ৰজেন গেছ, অক্সিজেন গেছ, এটম, এটমিক, ট্ৰাকছাৰ.....।

ঃ বাদ দে সেইবোৰ। আমাৰ শৰীৰটোৱেই এটা মস্ত কেমেষ্টি।

আমি যিবোৰ খাওঁ, সেয়াও কেমেষ্টি।

যি উশাহ লওঁ, সেয়াও কেমেষ্টি।

প্ৰেম, ঈৰ্ষা, হিংসা, মুগ্ধাৱস্থা, বিশ্বাসঘাটকতা, অবিশ্বাস, কপটালি, নাস্তিকতা, ভয় খোৱা, হঁহা, কন্দা...

ঃ সেইবোৰ কি পদ্য গাইছ অ'। —অল্লানে সুধিলে। আড্ডা তেতিয়া জমি আছিল। সদায় থকাৰ দৰে দিগন্তহঁতো আছিল।

ঃ পদ্য নহয়, ৰসায়ন বিজ্ঞান। আৰু তই যদি মিছা কথা কব তেতিয়াও কিবা এটা ৰসায়নিক প্ৰতিক্ৰিয়া হ'ব। তই যদি ভয় কৰ, তেতিয়াও তোৰ শৰীৰৰ পৰা এটা কেমিকেল ওলাব। সেই কেমিকেলটোৰ গোন্ধ কিন্তু কুকুৰে অনুভৱ কৰে। সেইকাৰণে ভয় কৰা মানুহকহে কুকুৰে খেদে। আৰু তই যদি 'ভাল-হ'ব' বুলি ভাব তেতিয়াও শৰীৰৰ পৰা এটা কেমিকেল ওলাব, আৰু সি কিবা এটা ভাল কৰিব। সেইকাৰণে আশাবাদী মানুহক সৌভাগ্যই আৰু নিৰাশাবাদী মানুহক দুৰ্ভাগ্যই লগ ধৰে।

ঃ আৰু প্ৰেমত পৰিছোঁ বুলি প্ৰথমবাৰ কওঁতে?

ঃ কাক ক'ব, তোকনে? নে তই কবি কাৰোবাক? —অল্লানে দিগন্তক সোধে।

ঃ অঁ, মই ক'ম বুলিয়ে ধৰচোন।

ঃ সেইটো তইহে জানিবি।

ঃ কেমেষ্টিয়ে কি কয়? আমাৰ আল্পনাই ব্যাখ্যা আগবঢ়াওকচোন।

ঃ অঁ, ৰাইজৰ বিপুল দাবী।

ঃ তেনেই সহজ। গাল দুখন ৰঙা পৰিব। বুকুখন দুৰু দুৰু কঁপিব। এ কাৰোবাক কৈ চালেই হ'ল দেখোন।

ঃ শুনিলিনে দিগন্ত, সেইবোৰ বাৰু যি কৰ কৰিবি । কিন্তু এটা কথাদেই , পিয়াঁজ কাটিলে যে ৰিমট কন্টোলত চকুপানী ওলাই সেইটো কিন্তু ভাল ৰাসায়নিক সত্য।

ঃ ধুৰ, ক'ৰবাৰ পৰা গৈ কিবা হৈ যায় অ'। আচ্ছা, কেমেষ্টি কি কচোন।

ঃ চাবোন লৈ হাত ধুবি। কেমেষ্টি কি ভালকৈ বুজি পাবি। —অল্পনাই কৈ যায়। দিগন্তই মাজতে

সোধে—

ঃ বুজিলোঁ বুজিলোঁ। বাৰু জীৱনৰ বাবে আটাইতকৈ প্ৰয়োজনীয় কেমিকেলটো কি কোৱাচোন?

ঃ অম্লজান গেছ, অক্সিজেন, অক্সিজেন নহ'লে লগে লগে খটম। —আল্পনাই টপৰাই কয়। আল্পনাৰ উত্তৰ শুনি দিগন্তই আল্পনাক জেৰা কৰে।

ঃ তুমি অক্সিজেন গেছ কেনেকৈ প্ৰস্তুত কৰে জানানে?

ঃ জানোতো। —আল্পনাৰ উত্তৰ।

ঃ তেনেহ'লে দিনটো পঢ়ি থাকিব লাগে কিয়?

ঃ মানে? —আল্পনাই মুখতে ধৰে।

ঃ মানে, তুমি যেতিয়া অক্সিজেন গেছ কেনেকৈ প্ৰস্তুত কৰে সেয়া জানাই, এতিয়া কেইলাখমান অক্সিজেন চিলিণ্ডাৰ প্ৰস্তুত কৰি দুনিয়াৰ নাৰ্চিং হোম, হাস্পিটেললৈ যোগান ধৰিলেই দেখোন হৈ যায়। বাদ দিয়া প্ৰফেচাৰী কৰাৰ ধান্ধা, ভাল দৰা এনেয়েও পাবা।

ঃ কি ক'লি অধম। —আল্পনাই দিগন্তক হাতৰ তলুৱা দেখুৱায়।

ঃ অ' তুমি এনেয়েও ধুনীয়া। ফিল্মষ্টাৰৰ চেহেৰা। তবলাও ধুনীয়া বজোৱা। তোমাক পাবলৈ বহুত বলিয়া হৈ আছে। বাদ দিয়া পঢ়া।

ঃ চাল্লা, ধুৰন্ধৰ। নিজে ৰাতি ৰাতি পঢ়ি ফাৰ্ষ্ট ক্লাচৰ টপ-টেনত আছ, আৰু মোক অক্সিজেন প্ৰস্তুত কৰিবলৈ কৰ।

ঃ অ' ক'মটো। হাজাৰবাৰ ক'ম। অক্সিজেন ভাই। অক্সিজেন গোটোৱা, জীৱনৰ অক্সিজেন। —ধা-তেৰেকেতে... তা তেৰেকেতে ধা....। —আল্পনাই দিগন্তক খেদি যায়। দিগন্ত গৈ অম্লানৰ পিছফালে আশ্ৰয় লয়।

এইজনী আল্পনা বৰুৱাই যুৱ মহোৎসৱত খোল আৰু তবলা প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব। খোল আৰু তবলা একক বাদ্যৰূপে আৰু বাঁহী আৰু শাস্ত্ৰীয় সংগীতৰ লগত সংগত কৰিব।

## (সাত)

কেণ্টিনৰ এচুকত টেবুল এখনত যুৱ মহোৎসৱলৈ কোন কোন যাব তাকে ভাবি বিশিষ্ট কবি পানুচ অকলশৰীয়াকৈ বহি আছে। পানুচে মাইম আৰু মিমিক্ৰি প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব। পানুচৰ পৰা তিনিখন টেবুলৰ ব্যৱধানৰ সিফালৰ টেবুলত বহি আছে মৌচুমী আৰু ফাৰহানা। সিহঁত দুজনীক দেখিলেই পানুচৰ কিবা এটা ভালো লাগে, কিবা এটা ভয়ো লাগে। দুয়োজনী বৰ বেলেগধৰণৰ জিনিচ। অদ্ভুত স্মৃতি শক্তি। বে ফিকিৰ কথা-বাৰ্তা, কাকো কেয়াৰ নকৰে। ফাৰহানাটো ফাৰহানাই, মৌচুমী আৰু একোব চৰা। সাংঘাতিক মেধা। দুয়োজনীৰে ইকনমিক্সত মেজৰ। থাৰ্ড চেমলৈকে এইটটি পাৰচেণ্ট। পানুচে এদিন কথা পাতিছিল সিহঁতৰ লগত। বাব্‌ৰে! কি কথা নাজানে সিহঁতে। এৰিক ক্লেপটন, মাইকেল জেকশ্যন, বব-ডিলান, ভুপেন হাজৰিকাৰ গানৰ পৰা — ভবেন্দ্ৰ নাথ শইকীয়াৰ গল্পৰ পৰা হীৰেন ভট্টাচাৰ্যৰ

কবিতালৈকে, চিংগাপুৰৰ ইউনিভাৰচেল ষ্টুডিঅ'ৰ ৰাটাৰ ৰৰ্ক্সৰ পৰা পেৰিচৰ আইফেল টাৱাৰলৈকে.... চব জানে সিহঁতে। ক'ত শিকে এইবোৰ। সিহঁতে কথা পাতোতে পানুচে মাথোঁ সিহঁত দুয়োজনীৰ মুখলৈ চাই থাকে। সিদিনা সিহঁত দুয়োজনীয়ে আমেৰিকা, বুলজেৰিয়া আৰু ইংলেণ্ডত থকা ল' কলেজৰ কথা পাতিছে। পঢ়িবগৈ বোলে তাত। কিযে মগজু! বহুত ল'ৰাই সিহঁতৰ ওচৰত পাট্টাই নাপায়।

দুয়োজনী যাব যুৱ মহোৎসৱলৈ। ফাৰহানাই বিহু, সৃষ্টিমূলক নাচ আৰু সত্ৰীয়া নৃত্যৰ প্ৰতিযোগী হ'ব। মৌচুমীয়ে কুইজ, ৰংগুলী, ইন্সট'লেশ্যন, বাকপটুতা আদি প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব।পানুচ গৈ সিহঁতৰ ওচৰ পালেগৈ। কি খবৰ 'মিছলীয়া কবি' বুলি ফাৰহানাই পানুচক উষ্ম সম্বোধন জনাই কাষত থকা খালী চকীখনত বহিবলৈ বাওঁহাতৰ তলুৱাৰে ইংগিত দিলে বা অনুৰোধ জনালে। চকীখন অকণমান লৰাই, পানুচ আসনস্থ হৈ প্ৰথমেই 'মিছলীয়া কবি' বোলাৰ কৈফিয়ৎ তলব কৰিলে। কথা শুনি ফাৰহানাই 'হিঃ...হিঃ এনেয়ে' বুলি উচ্ছল হাঁহি এটাৰে যেতিয়া পানুচলৈ কোমল দৃষ্টি নিক্ষেপ কৰিলে। তেতিয়াই পানুচৰ সৰু-সুৰা কবি সত্বা জাগ্ৰত হ'ল। মিছলীয়া কবি বোলাৰ সকলো দোষ মৰিষণ কৰি কাব্যিকতাৰে সুধিলে—

ঃ সহস্ৰ বিনয়েৰে কথা এটা সুধিবলৈ আজ্ঞা পোৱা যাবনে?

ঃ সোধা হওক। —মৌচুমীৰ মুখৰ পৰা নিৰ্দোষ দুষ্টামিৰ হাঁহি এটা অজানিতে নিৰ্গত হ'ল। পানুচে সেইবোৰলৈ কৰ্ণপাত আৰু দৃষ্টিপাত নকৰি আওপকীয়াকৈ সুধিলে—

ঃ কেতিয়া ইমানকৈ খুটি-নাটি মাৰি চোৱা হয়?

ঃ কি বস্তুৰ কথা কোৱা হ'লবা'—ফাৰহানাই সৰু ৰোমাণ্টিক মাত এটিৰে ক'লে।

ঃ কিতাপ! —পানুচে ফুচফুচাই ক'লে।

ঃ অ'.. দোৱাৰ্থক প্ৰশ্ন। শুনক কবিবৰ, দুপৰ নিশা নিচা লাগে। অধ্যয়নৰ নিচা। সুৰাৰ নিচাতকৈয়ো তীব্ৰ সেই নিচা। কিবা এটা আহৰণ কৰাৰ নিচা, অন্বেষণৰ নিচা, নজনাক জানিবৰ বাবে ধুমুহাৰ দৰে হিলদ'ল ভাঙি উদ্‌বাউল হোৱাৰ নিচা, বন্ধ কুঠৰীৰ দুৱাৰ খুলি লিৰিকি বিদাৰি সন্ধান কৰাৰ নিচা, কিতাপৰ আখৰৰ সতে সখী পতাৰ নিচা। এইযে নিচা লগা মন তাৰেই কৰোঁ আহৰণ।

ঃ এয়া কি বচন শুনালে, হে মোৰ সূৰ্যসম তৰুণীদ্বয়।

ঃ আপোনাৰ মুখতে আখৈ ফুটাদি ফুটিছিল এই বচন, মনত পৰা নাইনে?

ঃ ক'ত, কেতিয়া? মনত চোন নপৰে হে মোৰ সহৃদয় পাঠক।

ঃ সেইযে! নৱাগত আদৰণি সভাত যে!! আপুনিয়েতো কৈছিল। পৰিছে মনত?

ঃ ওহোঁ নপৰে মনত; কাগজ চাইহে গাইছিলোঁ।

ঃ তেন্তে শুনক কবিবৰ, আপুনি কৈছিল—

এয়া, সপোন এটাৰ পিছে পিছে খেদি ফুৰাৰ সময় ।
এয়া, হাজাৰ অশ্বশক্তিৰে আগবাঢ়ি যোৱাৰ সময় ।
এয়া, আকাশলে একেথৰে চাই থাকি কঠোৰ সংকল্প লোৱাৰ সময়।

এয়া, লক্ষ্যত উপনীত হ'বৰ বাবে একলব্য ধ্যানেৰে তপস্যা কৰাৰ সময়।

এয়া, ৰ'দে চিক্‌মিকাই থকাৰ সময়।

এয়া, মনৰ মাজত সপোন এটা উমলি থকাৰ সময়।

এয়া, সপোন এটাৰ লগত অকলে অকলে বহি কথা পতাৰ সময়।

এই সময়, মহা-প্ৰতাপেৰে অগ্ৰসৰ হোৱাৰ সময়।

এই সময়,নোপোৱাৰ হিচাপ কৰাৰ অথবা আমন-জিমনকৈ বহি থকাৰ সময় নহয়।

চোৱাচোন, তোমাৰ চৌপাশে কিমান ধুনীয়া ধুনীয়া খবৰ ৰঙৰ বতৰা হৈ উমলি আছে।

অনুভৱ কৰাচোন, মনৰ মাজত অনবৰত কিমান আশাই ফিৰ্‌ফিৰিয়া সুগন্ধ এটা হৈ সুহুৰিয়াই আছে।

এয়া, পৰ্ব্বতৰ একেবাৰে উচ্চ শিখৰত বগোৱাৰ সময়।

এয়া, আকাশৰ ডাৱৰৰ মাজত দুপাখি মেলি উৰি ফুৰাৰ সপোন দেখাৰ সময়।

এয়া, পাখি মেলি উৰাৰ সময়, উৰি উৰি মৌ গোটোৱাৰ সময়।

এয়া, জীৱনৰ সজ-আশা পূৰ্ণ কৰাৰ সময়।

ঃ শুনিলেনে কবিবৰ?

ঃ আচৰিত; অতিকে আচৰিত। প্ৰখৰ স্মৃতি আপোনালোকৰ।

ঃ নহয় নহয় কবিবৰ, ম'বাইলত ৰেকৰ্ডিং। তাৰ পাছত শ্ৰৱণ, তাৰ পাছত কথন, তাৰ পাছত আপোনা-আপুনি মুখস্থং।

ঃ ধন্য হ'লোঁ মই। কবি ৰূপে ধন্য হ'লোঁ মই। তাতোতকৈ ধন্য হ'লোঁ আপোনালোকৰ সান্নিধ্য লভি। ধন্য হ'ম যদি পাওঁ প্ৰেম দৰশন।

ঃ কি ক'লে। প্ৰেম দৰশন লাগে আপোনাক। আপোনাৰো তাৰমানে মতলব আছে।

ঃ হয় সখীসব। মহা বলৱন্ত দুঃবাসনা ঘোৰ, আমাৰ মনক তেজিয়া দূৰ নাযায়। কি কৰোঁ এতিয়া?

ঃ হ'ব চাহ একাপ খাওক আৰু ফুটক ইয়াৰ পৰা।

ঃ কথা শুনি পানুচ নামৰ বিশিষ্ট কবিজনাই কালবিলম্ব নকৰি স্থান পৰিত্যাগ কৰিলে। যাবৰ সময়ত কৈ যায়— যুৱ মহোৎসৱত সহস্ৰ বালিকাৰ মাজত লগ পাম পুনৰ।

### (আঠ)

শংকৰে স্ক্ৰীপ্তখন লৈ আইনুক পজিশ্যন এটা বুজাই দিয়ে —ঠিক এইখিনিতে ৰ'বহি। এইখিনিতে ৰওঁতেই সিফালৰ পৰা উদয় আগবাঢ়ি আহিব। তুমি উদয়লৈ তীক্ষ্ণ দৃষ্টিৰে চাবা। এইখিনিতে এটা মিউজিক থাকিব, গীটাৰত। শুনা অম্লান, তুমি লেপটপৰ পৰা মিউজিক কৰিবা। লাইভ কৰিলে কেতিয়াবা ফেইল হোৱাৰ চান্স থাকে। মিউজিকখিনি প্ৰি-ৰেকৰ্ড কৰি ল'বা। আচ্ছা, মিউজিকটো হোৱাৰ পাছতে তুমি ৰণচণ্ডী মূৰ্তি ধৰি সংলাপ নিক্ষেপ কৰিবা। অহ্, কি আছিল সংলাপটো....

'চাল্লা বেইমান, ইমান দিন তুমি তাৰমানে প্ৰেমৰ অভিনয় কৰিলা। যোৱা ওলাই যোৱা। এক মুহূৰ্তও তুমি ইয়াত নাথাকিবা। আৰু শুনা, তোমাৰ লগত আজিৰ পৰা কোনো সম্পৰ্ক নাই।' এই সংলাপৰ পাছত উদয়ে ক'ব লাগিব—

'আস্-সা মণি, তুমি মোৰ সমস্যাটো এবাৰ উপলব্ধি কৰাচোন।'

'অঁ, আৰম্ভ কৰা'—শংকৰ উইংচৰ কাষলৈ যায়। আইনুৱে এক মিনিট বুলি কৈ স্ক্ৰীপ্তখনত চকু ফুৰায়। তাৰ পাছত 'অ' যাব পাৰি' বুলি শংকৰলৈ চায়।

আখৰা আৰম্ভ হয়। চলি থাকে। শংকৰে মাজে মাজে চৰিত্ৰৰ অৱস্থান আৰু জোৰ দিব লগা সংলাপ কিছুমান দেখুৱাই থাকে। আখৰাৰ প্ৰায় শেষৰফালে মিউজিক চেক্ৰেটাৰীয়ে চাহ্-সিংৰা আনে।

ঃ খাই ল' বোপাইহঁত। প্ৰিঞ্চিপাল ছাৰে বাজেটত চহী কৰায়ে নাই। পকেটৰ পৰা খৰচ কৰি আছোঁ। নাটক ভাল হ'ব লাগিব দেই শংকৰদা।

শংকৰে মিউজিক চেক্ৰেটাৰীৰ পিঠিত চপৰিয়াই কয়— 'তুমি চাহ্-মিঠাইৰ যোগাৰ ধৰা। বাকীবোৰ মই চম্ভালি ল'ম।

আখৰা এটা সময়ত শেষ হয়। আইনু আহি শংকৰৰ ওচৰত ৰয়।

ঃ পাৰিম নে বাৰু শংকৰদা? —প্ৰশ্ন শুনি শংকৰে দুগুণ উৎসাহেৰে কয়— 'মই তোমাক শ্ৰেষ্ঠ অভিনেত্ৰী কৰিহে এৰিছোঁ।

ঃ আপুনি কিন্তু মোক শিকাব লাগিব দেই শংকৰদা।

ঃ অলবৎ, মই আছোঁ তোমাৰ লগত। পিছে ভয়েছ ঠিক কৰি ৰাখিবা দেই। তোমাৰ ডাইলগবোৰ হাই স্পিড্চট আছেটো, সেইকাৰণে মাত ভগাৰ চান্স থাকে। চাবা দেই। ঠিক আছে বাই। পাছত লগ পাম।

শংকৰ ওলাই আহি উদয়হঁতক লগ ধৰে।

ঃ কি হ'ল ডাইৰেক্টৰ, আখৰাৰ পাছতো ডাইৰেকশ্যন লৈয়েই আছে নেকি?

ঃ আৰে ভাই, মেইন কেৰেক্টাৰটো, ইফালেও আকৌ নতুন, অলপমান আবদাৰ কৰিবই লাগিব দেচোন।

শংকৰ, উদয় আৰু অম্লান আগবাঢ়ি আহি সেইখিনিতে অকণমান সময় ৰয়। ৰ'বৰো কথা, আহি আছিল মৌচুমী আৰু ফাৰহানা।

ফাৰহানাই চকুৰ ইচাৰাৰে তিনিওকে সম্ভাষণ জনালে। মৌচুমীয়ে এক বিশিষ্ট ভংগীমাৰে তিনিওজনকে যেন কিবা এটা আত্মিক আবেদন জনালে। দুয়ো আহি শংকৰহঁতৰ ওচৰত ক্ষন্তেক ৰ'লহি। যুৱ-মহোৎসৱৰ আখৰাৰ কথা ওলাল। নাটকৰ কথা ওলাল। ক'ব নোৱাৰাকৈ কিবা এটা ভাল লগা অনুক্ষণ পাৰ হৈ গ'ল।

**(ন)**

ঃ সুৰঞ্জনাক কিবা বুজি পালিনে তই? পবনে প্ৰশ্ন কৰে দিগন্তক।

ঃ মোক কিয় সুধিছ বুলি দিগন্তই পবনলৈ ঘোপাকৈ চায়। দিগন্তই গম পাইছে পবনে কিয় তাক এই প্ৰশ্ন কৰিছে। পবনেও বুজি পাইছে, দিগন্তই কিয় এই প্ৰশ্নত কোনো বিশেষ আগ্ৰহ দেখুওৱা নাই। পবনে দিগন্তক পুনৰ জেৰা কৰাৰ দৰে সুধিলে—

ঃ আচ্ছা, সুৰঞ্জনাক একেবাৰে শেষত তই কেতিয়া লগ পাইছিলি?

ঃ মনত নাই। —দিগন্তই বিৰক্তি প্ৰকাশ কৰিলে। পবনে এইবাৰ অধিক উৎসাহেৰে ক'লে—

ঃ সুৰঞ্জনা এইবাৰো যুৱ মহোৎসৱলৈ যাব, জাননে নাই?

ঃ যাব, মই জানো। আবৃত্তিৰ বাবে যাব। মই কি কৰিব লাগে? —দিগন্তই অতি সাধাৰণভাৱে ক'লে। ক'লে যদিও দিগন্তৰ মনৰ মণিকোঠাত লুকাই থকা অনেক কথাই মনলৈ আহিল। যোৱা বছৰো সিহঁত যুৱ মহোৎসৱলৈ গৈছিল। সুৰঞ্জনাই অসমীয়া আৰু ইংৰাজী কবিতা আবৃত্তি কৰিছিল। দুয়োটাতে গ'ল্ড মেডেল। সন্ধিয়া সময়ত সিহঁত ঘুৰি আহিছিল। ৰিজাৰ্ভ বাছ। সুৰঞ্জনা আহি দিগন্তৰ কাষৰ চিটটোত বহিছিলহি। আস! কি মিঠা উত্তাপ। সুৰঞ্জনাৰ চুলিৰ পৰা ভাঁহি আহিছিল কফি-চেম্পুৰ ফিৰ্‌ফিৰিয়া গোন্ধ। মাঘ মাহৰ ঠাণ্ডা। বতৰটো গোমা আছিল। বাছখন চলাৰ লগে লগে 'উস্, বৰ ঠাণ্ডা' বুলি সুৰঞ্জনা দিগন্তৰ কাষ চাপি আহিছিল। মিঠা এক ব্যঞ্জনা। অনামী এক শিহৰণ। দিগন্তৰ গোটেই শৰীৰটোত অনুভৱৰ কবিতা কিছুমানে বাহ লৈছিল। লাহে লাহে বাছৰ গতি বাঢ়িছিল। ল'ৰা-ছোৱালীবোৰৰ মাজত গীত-মাত, কথা-বাৰ্তা আৰম্ভ হ'ল। দিগন্তই বহুত দিনৰ পৰাই সুৰঞ্জনাক ক'ম ক'ম বুলি ভাবি থকা কথাটো, আনকি সি নিজেও গম নোপোৱাকৈ কেনেবাকৈ মুখৰ পৰা ওলাই আহিল—

ঃ মই তোমাক ভালপাওঁ, সুৰঞ্জনা।

ঃ কি হ'ল?' চাত কৰে যে তাৰ ওচৰৰ পৰা সুৰঞ্জনা উঠি গুচি গ'ল। কি ভুল হ'ল?

ভুল হ'ল দিগন্তৰ। এনেকৈ কোনো প্ৰস্তাৱনা নোহোৱাকৈ কথা কয়নে? ইমান অনাড়ম্বৰ নে প্ৰেমৰ প্ৰস্তাৱ? যেন লোহা গৰম হোৱাৰ আগতেই হাতুৰীৰ কোব। অধৈৰ্যৰ উদাহৰণ ইয়াতকৈ আৰু কি হ'ব পাৰে? নিজকে ধিক্কাৰ দিলে দিগন্তই। তাৰ মনটো 'চুই দিয়া নিলাজী বন'ৰ পাতৰ দৰে কোঁচ খাই আহিল। বৰফ যেন চেঁচা হ'ল তাৰ মন। ভাব সাগৰত সি ডুব গ'ল। বহুত বেহেলা যেন তাৰ মনৰ মাজত একেলগে বাজিবলৈ ধৰিলে। নাই, সুৰঞ্জনাক সি বুজাবই লাগিব। সি তেনেই সাধাৰণ কথা এষাৰ কৈছিল। তাক ইমান চিৰিয়াচলি লোৱাৰ কোনো কাৰণ থাকিব নোৱাৰে। সি বুজাব।

বাছখনত চবেই ফূৰ্তি কৰিছিল। কোনোবাই কাৰোবাৰ নাম ধৰি কোনো ইংগিতসূচক কথা কৈছিল। নাই, দিগন্তৰ কোনো কথাই মনত নোসোমাল। মনৰ মাজত বাজি থাকিল এটি নাম 'সুৰঞ্জনা'।

তাৰ পাছত দিগন্তই অনেক চেষ্টা কৰিও বিফল হ'ল। এই বিফলতাই কিন্তু দিগন্তৰ মনটো জেদি কৰি তুলিলে। সি কলা সাধনাত মন দিলে। এখনৰ পাছত এখন পেইণ্টিং আঁকি গ'ল। অইল পেইণ্টিং, ৱাটাৰ কালাৰ সকলোতে দিগন্তই গভীৰভাৱে মনোনিৱেশ কৰিলে। চিত্ৰ প্ৰদৰ্শনীও অনুষ্ঠিত কৰিলে কেইবাখনো।

সুৰঞ্জনায়ো ভাবে দিগন্তৰ কথা। তাই নিৰুপায়। তাই কলেজত পঢ়িবলৈ আহোঁতেই মাক-

দেউতাকে মুৰত ধৰি শপত খুৱাই পঠাইছিল —'কাৰো প্ৰেমত নপৰিবি, কাৰো লগত বিয়া হ'ম বুলি কথা নিদিবি।' এই শপত নাৰাখিলে পাছত পস্তাবি। সুৰঞ্জনাৰ দেউতাকে সুৰঞ্জনাৰ লগত অতি খোলাখুলিকৈ কথা পাতে। প্ৰেম—বিৰহৰ কথা বুজায়। প্ৰেম কি? ই এক বুজাবুজি। মুখেৰে ক'বই নালাগে। আৰু যদি দুই-চাৰিদিন কথা-বাৰ্তা পতাৰ পাছত কোনোবাই কয়, 'মই তোমাক ভালপাওঁ' বুলি সেয়া আবেগ মাথোঁ। আৰে, মুখেৰে ক'ব কিয় লাগে? নক'লেও বুজা যায়। বুজিলেও নহ'ব, তাক চাব লাগিব —সিনো কিমান পানীৰ মাছ? কৈ দিয়াটো যিমান সহজ, দায়িত্ব লোৱাটো সিমান কঠিন। জীৱনৰ দায়িত্ব, দুখন ঘৰৰ দায়িত্ব। সতি-সন্ততিৰ দায়িত্ব। মিটিৰ-কুটুম্বৰ দায়িত্ব। এইবোৰ কি ধেমালি কথা? পাছত দেখিবা 'মই তোমাক ভালপাওঁ' পলাই ফাট মাৰিব। তুমি কাৰোবাৰ বন্ধু হ'ব পাৰা, কাৰোবাৰ লগত বন্ধুত্ব গঢ়িব পাৰা। বন্ধুত্ব গঢ়িলে মানুহ চিনিব পাৰি। মানুহ চিনাৰ পাছতহে মানুহৰ আচল স্বৰূপ চিনিব পাৰি। তুমি যদি প্ৰথমেই, জীৱনে-মৰণে মই তোমাৰেই বুলি ঘোষণা কৰিলা, তাৰ পাছত স্বৰূপ চিনিলা, তেতিয়া কিন্তু তুমি মকৰা জালত পৰা পতঙ্গৰ চিকাৰ হ'বা। আঁ ওলাই আহিব পাৰিবা। কিয় নোৱাৰিবা। কিন্তু তোমাৰ গাত ষ্টিকাৰ এটা লাগি থাকিব —'এই আমুকক প্ৰতাৰণা কৰা ছোৱালীজনী'। ভাবি চালে সেইবোৰ তেনেই সাধাৰণ কথা। কিন্তু এই সাধাৰণ যেন লগা কথা কিছুমানে আমাৰ জীৱনটো তিল-তিলকৈ নষ্ট কৰি পেলাব পাৰে।

আৰু সাৱধান কৰোঁ তোমাক। এই যে ঘিউ? দেখিছানে? ঘিউ জুইৰ ওচৰত থ'লে গলিবই। কোনো বাধা নামানে? সেইকাৰণে সাৱধান। কিমান দূৰত থ'লে জুইৰ উত্তাপে ঘিউৰ পাত্ৰত প্ৰৱেশ কৰিব নোৱাৰে সিমান দূৰত ঘিউৰ পাত্ৰটো থ'বা। কথা-বাৰ্তা জুখি-মাখি ক'লেই সন্মানজনক ব্যৱধান এটা নিজে নিজে স্থাপন হয়।

দেউতাকে অনৰ্গল কথা কৈ গৈছিল। তাৰে কিছুমানৰ যুক্তি আছে। কিছুমানৰ নাই। সেইবুলি দেউতাকৰ কথাবোৰ দলিয়াই পেলাব নোৱাৰি। দেউতাকে কৈছিল— 'জীৱন এখন কলাজ। বহুতো খণ্ডচিত্ৰ। চিত্ৰবোৰৰো গুৰুত্ব থাকে। সেই চিত্ৰবোৰ কি? তোমাৰ ওচৰলৈ অনেক মানুহ আহিব। অনেক মানুহৰ সান্নিধ্য পাবা। সেইবোৰ সযতনে মনত ৰাখিবা। অনেক মানুহ পাবা। ফুলকুমলীয়া অন্তৰৰ মানুহো পাবা। বুকুত চুৰি বহুৱাই আনন্দ কৰিব পৰা মানুহো পাবা, বাতৰি কাকতত চাবাচোন। যৌতুকৰ বাবে পত্নীক হত্যা, ফুলকুমলীয়া ছোৱালীক ফুচুলাই মাতি নি অসৎ উদ্দেশ্য চৰিতাৰ্থ আৰু হত্যা ....। মানুহ কেনেকৈ ইমান নিষ্ঠুৰ হ'ব পাৰে। তোমাৰ কাষে কাষে থাকিব পাৰে সেই মানুহ। থাকক। কিন্তু ভাল মানুহো আছে। থাকিবই। সেইকাৰণেই বন্ধুত্ব গঢ়িবা। দুই-তিনিবছৰ বন্ধুত্বৰ সুবাদতে মানুহ অধ্যয়ন কৰিবা। মই তোমাক ভালপাওঁ বুলি কোৱা মানুহ লগ পালে মা-দেউতাৰ কথা ভাবিবা।

সুৰঞ্জনাই মাক-দেউতাকৰ কথা ভাবে। কেতিয়াবা চিত্ৰ-শিল্পী দিগন্ত বৰুৱাৰ কথাও ভাবে। তাই কান্দো বুলিও কান্দিব নোৱাৰে। কেতিয়াবা দিগন্তক তাই গোটেই কথাবোৰ কৈ দিবৰ মন যায়। দিগন্তৰ বুকুত সোমাই উচুপি উচুপি কান্দিবৰ মন যায়।

সুৰঞ্জনা এইবাৰো যুৱ-মহোৎসৱলৈ যাব। যাওঁতে দিগন্তৰ লগত একেলগে বহি যাব।

**( দহ)**

জোৰদাৰ আখৰা চলিল।

ঢোল, পেঁপা, গগনা, গীটাৰ, হাৰমনিয়ামে কথা ক'লে— সাৰ পাই উঠিল বহুতৰ হৃদয়।

শেষৰ দিনাৰ আখৰা চলি থকাৰ সময়ত সাধাৰণ সম্পাদকে আৰু সংগীত সম্পাদকে 'চ'ৰি' বুলি কৈ ঘোষণা এটা শুনালে— 'আজিৰ আখৰাৰ পাছতে সকলো প্ৰতিযোগী অধ্যক্ষৰ কোঠালৈ আহিবা। ঠিক পাঁচ বজাত। দৰকাৰ হ'লে আধা ঘন্টাৰ বাবে আখৰা স্থগিত ৰাখিবা। শুনিলানে? — একেটা কথাকে বেলেগধৰণে সাধাৰণ সম্পাদকেও দোহাৰে। 'বাই' বুলি কৈ দুয়োজন ওলাই আহে। আখৰাথলীত গুণগুণনি এটা হয়। মাজতে কোনোবা এজনে ডাঙৰকৈ সোধে—

ঃ ঐ কি ক'লে অ'।

ঃ প্ৰিন্ছিপালৰ ভাষণ আছে। —কোনোবা এজনে উত্তৰ দিয়ে।

— 'ছাইলেঞ্চ' বুলি পুনৰ পূৰ্বৰ গতিত আখৰা আৰম্ভ হয়।

ঠিক পাঁচ বজাৰ লগে লগে প্ৰতিযোগীসকল গৈ অধ্যক্ষৰ কোঠা পায়গৈ। তত্বাৱধায়ক অধ্যাপকো অধ্যক্ষৰ কোঠাত আছিল। তত্বাৱধায়ক অধ্যাপকে বৰ ধুনীয়াকৈ যুৱ মহোৎসৱলৈ যোৱা টিমটো ভাল হৈছে বুলি অধ্যক্ষক জনালে। অধ্যক্ষই সকলোকে বহিবলৈ ক'লে আৰু প্ৰতিযোগীসকলৰ বাবে চাহ আনিবলৈ চকীদাৰক নিৰ্দেশ দিলে। অধ্যক্ষই সন্ধ্যা, আল্পনা, সুৰঞ্জনা, মৌচুমী, ফাৰহানা, পাপৰি, ফাতেমা, পবন, দিগন্ত, শংকৰ, মহেন, বুদ্ধিবীৰেন্দ্ৰ, পানুচ আদি সকলোকে চিনি পায়। সকলোকে নাম ধৰি মাতি কোনে কি বিষয়ত যোগদান কৰিব এফালৰ পৰা কৈ গ'ল। অধ্যক্ষৰ মুখত তেওঁলোকৰ নামসমূহ আৰু বিষয়সমূহ শুনি সকলোৰে মুখবোৰ উজ্জ্বলি উঠিল। চাহ খোৱাৰ সময়খিনিতে অধ্যক্ষই ছাত্ৰ-ছাত্ৰীসকলক বৰ গহীনভাৱে কেইটামান দৰকাৰী কথা ক'লে—

মৰমৰ ছাত্ৰ-ছাত্ৰীসকল— তোমালোকক কেইটামান কথা ক'ব খুজিছোঁ। তোমালোকে এইবোৰ কথা জানাই। তথাপিও আমাৰ দায়িত্ব আছে।

প্ৰথম কথা, তোমালোকে কলেজৰ সন্মান ৰাখি আহিব লাগিব। সন্মান মানে বেষ্ট টিম বা এগালমান পুৰস্কাৰৰ কথা ক'ব খোজা নাই। হয়, বেষ্ট টিম হোৱাৰ লক্ষ্য আমাৰ থাকিবই। কিন্তু তাতোতকৈও ওপৰত আমাৰ প্ৰধান লক্ষ্য হ'ব, আমাৰ কলেজখনৰ সন্মান ৰাখি অহা। তোমালোকৰ কথা-বাৰ্তা, চাল-চলন, সকলোতে বিশিষ্ট বিনয়ী হ'ব লাগিব। সেইটো এতিয়াৰ পৰা অভ্যাস কৰা। জীৱনৰ বাবে অভ্যাস কৰা। তোমালোকে যি সুধিব খোজা অতি নম্ৰভাৱে সুধিবা। তোমালোকক যদি কিবা সোধে,অতি নম্ৰভাৱে উত্তৰ দিবা। মন কৰিবা, এইযে যুৱ-মহোৎসৱ অনুষ্ঠিত কৰিছে, তাৰ পৰা উদ্যোক্তাসকলৰ একো লাভ হোৱা নাই। তেখেতসকলে তোমালোকৰ প্ৰতিভাক জিলিকাই তুলিবলৈ অশেষ কষ্ট আৰু ত্যাগ কৰিছে। সেইকাৰণে আমি তেখেতসকলৰ প্ৰতি কৃতজ্ঞ হোৱা উচিত।

তোমালোকে তাত সকলোকে সহায় কৰাৰ কথা ভাবিবা। কিবা সমস্যা হ'লে, যিমান পাৰা সিমান নিজে সমাধান কৰাৰ চেষ্টা কৰিবা। সকলোতে শিষ্টাচাৰ ৰক্ষা কৰিবা। মুঠতে আমাৰ কলেজৰ

ল'ৰা মানেই ভাল ল'ৰা। কথাটো মনত ৰাখিবা।

আৰু এটা দৰকাৰী কথা— খোৱা-বোৱাৰ ঘৰলৈ গৈ কেতিয়াও লৰালৰি নকৰিবা। নিজৰ খোৱা কুপন নিজৰ হাতত সযতনে ৰাখিবা। সম্পূৰ্ণ পেট ভৰাই নাখাবা। ভোক থৈ ভাত খাবা। পেটৰ অসুখ হ'লে কষ্ট পাবা।

তোমালোকৰ পৰিচয় কিন্তু ছাত্ৰ। মনত ৰাখিবা। তোমালোক কোনোবা যদি কোনো আদৰ্শত বিশ্বাসী সেই আদৰ্শ প্ৰতিষ্ঠা কৰাৰ থলি কিন্তু যুৱ মহোৎসৱৰ ক্ষেত্ৰ আৰু মঞ্চ নহয়।

তোমালোকে যুৱ মহোৎসৱত যোগদান কৰিবলৈ পাই এক সুযোগ লাভ কৰিছা। যুৱ মহোৎসৱৰ কেইদিন বহু মহাবিদ্যালয়ৰ বহু প্ৰতিভাৰ লগত চিনাকি হোৱাৰ সুযোগ পাবা। সেই সুযোগ নেহেৰুৱাবা। সকলোৰে লগত স-সন্মানেৰে চা-চিনাকি হ'বা। মনত ৰাখিবা— 'এনেয়ে হোৱা চিনাকী ক্ষণস্থায়ী'। নিজৰ প্ৰতিভাৰ স্বাক্ষৰেৰে চিনাকি হ'বা, সি হ'ব যুগমীয়া। নিজৰ মহানুভৱতাৰেও চিনাকি হ'ব পাৰা। কথাবোৰ চিন্তা কৰিবা।

এনেকুৱা মহোৎসৱসমূহৰ কেম্পসমূহত বস্তু হেৰায়। সাৱধানে থাকিবা। দৰকাৰী বস্তু নিজৰ লগত ৰাখিবা। পঞ্চম কথা— ক'ত, কেতিয়া, কি প্ৰতিযোগিতা হ'ব ভালকৈ নজৰ ৰাখিবা। মিউজিক চেক্ৰেটাৰীয়ে যাক যেনেকৈ দায়িত্ব দিয়ে পালন কৰিবা। তবলা, হাৰমনিয়াম, ঢোল, পেঁপা এইবোৰ ভালকৈ ৰাখিবা।

শেষ কথা— লাহে লাহে খোজ কাঢ়িবা। নতুন ঠাই, খলা-বমা অনেক থাকে। ভৰিত দুখ পাবা। কষ্ট হ'ব, চাবা। তোমালোক যিখন মহাবিদ্যালয়ত যুৱ-মহোৎসৱৰ বাবে গৈছা, য'ত যুৱক-যুৱতীসকলৰ মাজত সাংস্কৃতিক মিলনৰ মেলা বহিব, সেই কলেজখনৰ ইতিহাস সম্পৰ্কেও তোমালোকে কিছু কথা কাৰোবাৰ পৰা অলপ জানি ল'বা।

ঃ এতিয়া অল দ্য বেষ্ট'। —অধ্যক্ষই সোঁহাতখন আৰ্শীৰ্বাদসূচক ভংগিমাৰে ওপৰলৈ দাঙি ধৰিলে।

ছাত্ৰ-ছাত্ৰীসকলে গৈ অধ্যক্ষৰ ভৰি চুই প্ৰণাম কৰিলে।

পিছদিনা আবেলি সময়ত মহাবিদ্যালয়ৰ দলটো যুৱ মহোৎসৱলৈ যাবলৈ ইতিমধ্যে ৰৈ থকা বাচখনৰ ওচৰলৈ আহিল। বাচখনৰ ওচৰত দলটিক শুভেচ্ছা জনাবলৈ মহাবিদ্যালয়ৰ আৰু বহুতো ছাত্ৰ-ছাত্ৰী ৰৈ আছিল। কিছুমানে বেগবোৰ বাচৰ ডিকিত উঠাই দিয়াত সহায় কৰি দিলে। লাহে লাহে এজন দুজনকৈ প্ৰতিযোগীসকল বাচত উঠিল। সুৰঞ্জনাই দিগন্ত ক'ত আছে এবাৰ চাই ল'লে। তাই মুখত হাঁহি এটা লৈ দিগন্তৰ একেবাৰে ওচৰত ৰ'লহি। তাই দিগন্তৰ লগত একেলগে বাচত উঠিব। সংগীত সম্পাদকে চিঞৰি আছে — 'অ' জল্ডা জল্ড উঠিব লাগে। আগৰ চিট দুটাত কোনো নবহিব। ছাৰ-বাইদেউৰ বাবে।' হঠাৎ সুৰঞ্জনাই ভাবিলে তাই আগতে উঠি দিগন্তৰ বাবে তাইৰ কাষত চিট এটা থৈ দিব। সুৰঞ্জনা বাচত উঠিল। লগে লগে সোমাই গ'ল পৱন। সি গৈ সুৰঞ্জনাৰ কাষতে বহিল। বহাৰো উদ্দেশ্য আছিল। সি আজি সুৰঞ্জনাক দিগন্তৰ কথাবোৰ ক'ব। সুৰঞ্জনাৰ কাষত পৱন বহাত সুৰঞ্জনাৰ

বুকুখন হুমহুমাই উঠিল। তাই চাই থাকিল দিগন্ত ক'ত বহে। এটা সময়ত বাচখনে কঁপনি এটা হৈ ইঞ্জিন ঘূৰাৰ ইংগিত দিলে। সকলোৱে মহাবিদ্যালয়ৰ জয় গানেৰে যাত্ৰা আৰম্ভ কৰিলে। ৰৈ থকা ছাত্ৰ-ছাত্ৰীসকলে হাত জোকাৰি সকলোকে বিদায় সম্ভাষণ জনালে। সংগীত সম্পাদক বাচত উঠিল। বাচৰ চকা ঘূৰিল। কিবা এক অনামী আনন্দত প্ৰতিযোগীসকল উন্মনা হ'ল। ব্যতিক্ৰম মাথোঁ সুৰঞ্জনা। কিছুদূৰ যোৱাৰ পাচত পবনে সুৰঞ্জনাক সুধিলে -

ঃ ফূৰ্তি কৰা নাই যে?

ঃ নাই এনেয়ে। —সুৰঞ্জনাই হুমুনিয়াহ এটা পেলালে। পবনে সুৰঞ্জনাৰ চকুলৈ চাই কোনো পাতনি নেমেলাকৈ ক'লে—

ঃ দিগন্তক আজিকালি বৰ ভাবুক যেন লাগে বুজিছ।

সুৰঞ্জনাই একো উত্তৰ নিদিলে।

ঃ একো নক'লিযে? —পবনে সুধিলে।

ঃ মই তাৰ লগত কথা পাতিম। —সুৰঞ্জনাৰ কথা শুনি পবনৰ মনত আনন্দ এখিনিয়ে দোলা দি গ'ল। সি টপৰাই সুধিলে—

ঃ এতিয়াইনে?

ঃ এনেকৈ নহয়। পাছত।

ঃ তাক ইয়াত বহিবলৈ মাতি দিওঁনেকি?

ঃ নালাগে। তই উঠি নাযাবি।

বাচত বিহুনাচ চলিছিল। উৎপতীয়া চিঞৰবোৰ বাঢ়ি আহিছিল। পানুচ নামৰ বিশিষ্ট কবিজনাই এক বিশিষ্ট ভংগিমাত নাচোন আৰম্ভ কৰিলে। বুদ্ধিবীৰেন্দ্ৰই সকলোকে জোৰাই জোৰাই বিহুনাম গালে। পবনকো নেৰিলে। অবশেষত পবনেও বিহুনামত যোগ দিবলগা হ'ল। মৌচুমী, ফাৰহানা, পাপৰি, ফাতেমাহতে বাচৰ কৰিড'ৰত নাচিবলৈ ধৰিলে। বাচখন মতলীয়া সুহুৰি এটা হৈ গৈ থাকিল।

সুৰঞ্জনাই আপোন মনে ভাবিলে— 'ঘূৰি আহোতে থাকিবনে দিগন্তৰ কাষত খালী চিট্ এটা।❑

"মধ্যমীয়া শিক্ষকে কয়,
ভাল শিক্ষকে ব্যাখ্যা কৰে,
উচ্চতৰ শিক্ষকে প্ৰদৰ্শন কৰে,
মহান শিক্ষকে অনুপ্ৰাণিত কৰে।"

— উইলিয়াম আৰ্থাৰ ৱাৰ্ড।

গল্প গুচ্ছ

# সেই ভালপোৱা এই ভালপোৱা

কুঁকি কল্পিতা বৰা
কমলাবাৰী, মাজুলী

সদায় ৰোৱা ঠাইতেই হালধীয়া ৰঙৰ বাছখন ৰ'লহি। বাছৰ পৰা নামি শাৰীপাতি খোজ লোৱা স্কুলৰ ল'ৰা-ছোৱালীজাকৰ পিছে পিছে অলংকৃতা গৈ থাকিল। গাৰ ক'লা স্কাৰ্ফখন খহি পৰাত তাই এটা সুকীয়া ষ্টাইলেৰে আকৌ মেৰিয়াই ল'লে। কপালৰ ৰঙা ফোঁটটোৰ কথা আনে জোখতকৈ বেছি ডাঙৰ বুলি ক'লেও তাই বেয়া নাপায়। মানুহৰ কথা শুনি থাকিলে শেষ নহয় আৰু নুশুনিলে কথা আৰম্ভই নহয়। কাৰোবাৰ নিয়মত চলি বেয়া পোৱা ছোৱালী হৈও তাই এই নিয়মটো মানি আহিছে।

আনদিনাতকৈ তাই আজি পুৱা সোনকালে উঠিছে। বেৰৰ ঘড়ীলৈ চাওঁতে সময় তেতিয়া ৪ বাজিছে। গা-মুৰ তিয়াই তাই গেছৰ ষ্ট'ভত চাহৰ চছপেনটো উঠাই দিলে। চাহ কৰি হয় মানে ডাইনিং ৰূমত ৰখা ফুলৰ সৰু সৰু টাবকেইটাত অকণমানকৈ পানী দি আছিল। অলংকৃতা দেখাত যিমান কোমল তাইৰ ভিতৰখন সিমানেই কঠিন। এই কথা এদিন তাইক ওচৰৰে দোকানী ৰাহুল দায়ে কৈছিল। কোনো পৰিস্থিতিতেই কোনেও বোলে তাইৰ অন্তৰখন গলাব নোৱাৰে। তাইৰ অলপতে দুখ নালাগে, কাকো কেতিয়াও তাই অন্তৰৰ পৰা মৰম নকৰে অনেক কথা তাইক লৈ চলি থাকে। আনকি সকলোৰে অভিযোগ যে তাই আনৰ কথা কেতিয়াও ভাবিয়েই পোৱা নাই। এনেকুৱাতে অলংকৃতাই ভাবে, সঁচাকৈয়ে তাইৰ কাৰো প্ৰতি অলপো দৰদ নাই নেকি! তাই কাকো গুৰুত্বই নিদিয়ে নে? হৃদয় নথকা মানুহে ফুলত পানী দিবলৈ সময় উলিয়ায়? হৃদয় নথকা মানুহে নিজক ইমান ভালপায়? বহু প্ৰশ্নৰ উত্তৰ তাই নিজেই নিজক দি থাকে। চাহ একাপ হাতলৈ লৈ নিজৰ ওপৰতে তাইৰ খং উঠি থাকিল। আগতে ঘৰত চাহ খাবলৈ মাতি থাকিলে তাই গমকেই নাপায়, নিজে কৰি খোৱা, আনক খুওৱাটো দূৰৰে কথা। আৰু এতিয়া নিজে চাহ কৰি খাইছে, লগত খাবলৈ কোনো নাই। মানুহৰ জীৱনৰ দৰে আশ্চৰ্যকৰ একোৱেই নাই!

ঃ মে'ম, মই লিখিব পৰা নাই।

— ক্লাছৰ আটাইতকৈ সৰু ল'ৰাটো মোৰ কাষ পালেহি।

ঃ কি হৈছে তোমাৰ? কোৱাচোন মোক।

— মই তাক বুকুলৈ চপাই আনিলোঁ ।

ঃ দেউতালৈ মোৰ খুব মনত পৰিছে মে'ম । মোৰ একো ভাল লগা নাই মে'ম।

মই আচৰিত হৈ তাৰ চকুলৈ চাই থাকিলোঁ। মই সকলোকে সমানে মৰম কৰোঁ যদিও তাক অলপ বেছি ভালপাওঁ। কোনোদিন মই তাৰ নামটোও সোধা নাই অথচ তাৰ প্ৰতি যে মোৰ অলপ সুকীয়া আদৰ আছে এই কথা মই মুখ ফুটাই নকলেও হয়। সিও চাগে মোক অলপ বুজে বাবেই মোক যিকোনো কথাই ভয় নকৰাকৈ কয়।

লগৰ ল'ৰা-ছোৱালীমখাই মই বেলেগ কথা এটাত ব্যস্ত থকা দেখা পাই নিজৰ মতে চিঞৰ-বাখৰ কৰাত লাগি গ'ল। সিহঁতক মনে মনে থাকিবলৈ কৈ মই তাৰ জগতখনলৈ ঘুৰি আহিলোঁ।

ঃ বাৰু কোৱাচোন দেউতালৈ এতিয়া কিয় মনত পৰিল?

ঃ সদায় মনত পৰে। দেউতা ক'ৰবলৈ ওলাই গৈছে মেম। দেউতাক যদি কোনোবাই মাৰি পেলায়! মোৰ বৰ ভয় লাগে মেম ...

সি মোক যেনেকৈ পাৰে তেনেকৈয়ে যিখিনি কথা ক'লে তাৰপৰা মোৰ এটাই ধাৰণা হ'ল যে তাৰ দেউতাকে কাকো নোকোৱাকৈ ক'ৰবালৈ গুচি গৈছে। এই কথাটো ক্লাছ ছিক্সত পঢ়া পুতেকৰ মনতো গভীৰভাৱে সোমাই পৰিছে। মই তাৰ লগত পাছত কথা পাতিম বুলি কৈ থ'লো।

জিৰণিৰ ঘণ্টা বজাত মই আমাৰ স্কুলৰে কৰ্মচাৰী হোমেন দাৰ হতুৱাই ল'ৰাটোক মতাই আনিলোঁ। ষ্টাফ ৰুমলৈ মাতিলে সি ভয় খাব পাৰে বুলি এবি মে'ম কৰিডৰতে ৰৈ আছে বুলি ক'বলৈও ক'লোঁ। স্কুলত আটাইবোৰে মোক এবি অৰ্থাৎ অলংকৃতা বৰুৱা বুলিয়েই জানে। আমাৰ ল'ৰা-ছোৱালীবোৰেও চমু নামেৰেই চিনি পায়।

ঃ মে'ম, মোক মাতিছিলে নেকি?

— ল'ৰাটোক দেখি মোৰ মনটো ভাল লাগি গ'ল।

ঃ ৰ'বাচোন তোমাৰ নামটো কি আছিল?

ঃ নমস্কাৰ। মোৰ নাম শ্ৰী মনোৰম প্ৰকাশ হাজৰিকা। মে'ম্ মোক ঘৰত সেউজ বুলিয়েই মাতে।

ঃ ঠিক আছে বাৰু মই তোমাক সেউজ বুলিয়েই মাতিম। ব'লা আমি তালৈকে যাওঁ।

আমাৰ স্কুলৰ পুৰণা জিৰণি ঘৰটোৰ ফালে লৈ গ'লোঁ। ঘৰটো খেৰ, বাঁহৰ যদিও কিবা ভাললগা চিন হিচাপে আজিও আছে।

সেউজে মোক বহু কথাই ক'লে। মোৰ এনে লাগিল সিও যেন কাৰোবাৰ লগত এইখিনি কথা পাতিবলৈ বিচাৰি আছিল। সি ল'ৰাটো বয়সতহে সৰু, তাৰ বয়সৰ আন ল'ৰাৰ তুলনাত সি বহুকথাই বেছিকৈ জানে। জীৱনে শিকোৱা কোনো কথাই সহজে পাহৰা নাযায়। সকলো মানুহকে জীৱনে শিকায়। কিন্তু কিছুমান মানুহক বেছিকৈ বুজায়। সেই মানুহবোৰ অকলেই শক্তিশালী। সেউজ মনৰ পৰা এটা শক্তিশালী ল'ৰা। সি মোক কোৱা মতে তাৰ মনোৰম প্ৰকাশ নামটো মাকে দিয়া আৰু সেউজ নামটো দেউতাকে ৰাখিছিল। দেউতাকে তাক মৰম কৰে যদিও ঘৰলৈ প্ৰায়ে নাহে। তাৰ স্কুল কোনখন, সি কোন শ্ৰেণীত পঢ়ে এইবোৰ কথাও নাজানে। তাৰ মাক তিনিবছৰ আগতে ঢুকাইছে। কেতিয়াবা তাক ককাকে

থৈ যায়হি, কেতিয়াবা ওচৰৰে ল'ৰা এটাৰ লগত টেম্পোত আহে। কথাবোৰ যে মই ভবাতকৈও জটিল বুজিলোঁ। তাক অভয় দি ক্লাছলৈ যাবলৈ ক'লোঁ।

দহদিন, বিশ দিন, পঁচিশ দিন পাৰ হ'ল। মনোৰম প্ৰকাশ হাজৰিকাৰ দেউতাকৰ কোনো খবৰ নাই। ময়ো বেলেগ কামত সোমাই পৰিলোঁ। অৱশ্যে ল'ৰাটোৰ সকলো খবৰ ৰাখোঁ। এই স্কুললৈ যাওঁ, কাৰোবাক বৰ্ণমালা, কাৰোবাক অংক, কাৰোবাক ছবি আঁকিবলৈ শিকাওঁ। মন গ'লে ওচৰৰে ৰুমী বাইদেউৰ হোটেলত বহি আড্ডা দিওঁ। আজিকালি ৰেস্তোৰাৰ নতুন নতুন খাদ্য, ন ন সুবিধা লোৱাত অভ্যস্ত ডেকা চাম পুৰণা হোটেললৈ নাহে। হোটেলখন চলাই নিবৰ বাবে আমি পুৰণা চামেই বাইদেউৰ শেষ ভৰষা! কিছুমান এনেকুৱা ঠাই থাকে, য'লৈ যোৱাত কোনো কাৰণ নাথাকে, য'ত থাকিলে লাভৰ চিন্তা মনলৈ নাহে। কেৱল ঠাইখনক ভাল পোৱাৰ বাবেও কেতিয়াবা কিছুমান মানুহে সেই ঠাইলৈ যোৱাৰ চল বিচাৰি ফুৰে। ঠাইবোৰত মোহ আছে বাবেই আমি ঠাই এৰিলে কষ্ট পাওঁ। সেয়া লাগিলে মানুহৰ বুকুৰ ভিতৰখনেই হওক নাইবা নৈৰ পাৰৰ সদায় বহা ঘাঁহনিডৰাই হওক।

ঃ আপুনি নিবলৈ আহিলে বুলিয়েই মই পঠিয়াই দিম নেকি?

ঃ এনেকৈ পাৰি নেকি? কি ক'বলৈ আহিছে হে ?

— ছাৰৰ মাতটো ডাঙৰকৈ ওলাইছে।

প্ৰিন্সিপাল ছাৰৰ খুব খং উঠিছে । ছাৰৰ সাধাৰণতে খং নুঠেই। উঠিলে ৰক্ষা নাই। ষ্টাফ ৰুমৰ প্ৰায় সকলো ওলাই আহিল। কথাৰ গুৰি ক'ত বিচাৰি তাৰে কোনোবাই কাণ উনাই শুনাত লাগিল। মই আমাৰ অফিচ ষ্টাফৰ জোনক মাতি সুধিলোঁ -

- 'কি হ'ল জোন? ছাৰৰ হঠাৎ ইমান খং উঠিল যে ! তুমি কিবা জানা নেকি?'

- 'হ'বলৈ কিটো আছে বাইদেউ! বাপেক আহিছে। সেই যে ল'ৰাটো, পঢ়াত মন নিদিয়া ল'ৰাটো, ছিক্সত পঢ়ে যে ... ছাৰৰ লগত খুব কাজিয়া লাগিছে। মানুহজনে মদ খাই আহিছে বাইদেউ, বৰ অভদ্ৰহে।

ঃ বুজিছোঁ। মানুহজন ক'ত আছে? মই তেওঁৰ লগত কথা পাতিব খোজোঁ।

সেউজৰ দেউতাকজন কেনেকুৱাধৰণৰ মানুহ তাক জানিবলৈ মই ব্যাকুল হৈ আছিলোঁ। সুযোগ পাই মই আৰু নৰ'লোঁ। 'ছাৰ সোমাব পাৰোঁনে?' বুলিও সোধা নহ'ল। প্ৰিন্সিপাল ছাৰে কেছ লৈ থাকোঁতে কোনো নোসোমাই বুলি জানিও মই ছাৰৰ ৰুমলৈ সোমাই গ'লোঁ। মানুহজনে ছাৰক এটা ঘোঁচা মাৰিবলৈ লোৱাত মোৰ আৰু সহ্য নহ'ল। খণ্ডত পিছফালৰ পৰা মই ডাঙৰকৈ মাত দিলোঁ।

ঃ ৰ'ব। শুনিছে? আপোনাক ভালকৈ কৈছোঁ।

মানুহজন পিছুৱাই আহিল আৰু মোলৈ চালে।

ঃ মিকু? মিকু?

কিবা এক উত্তেজনাত মোৰ বুকু কঁপি উঠিল, চকু ডাঙৰ হৈ আহিল। মই কি কৰিম কি নকৰিম একো নাভাবি মিকুৰ ফালে দুখোজ আগবঢ়াই তাৰ সন্মুখত ৰৈ চকুলৈ চাই থাকিলোঁ।

ঃ তুমি বলিয়া হৈছা নেকি অলংকৃতা? কি হৈছে তোমাৰ? এই অভদ্ৰ অসভ্যটোলৈ কি চাই আছা? কোন মিকু? ইয়াৰ নাম মাৰুত প্ৰকাশ হাজৰিকা। ই মদ খাই আহিছে। ঐ হোমেন, চিত্ৰ ক'ত গ'লি... এই মদপীটোক উলিয়াই দে।

ঃ ছাৰ, মোৰ ভুল হোৱা নাই ছাৰ। আৰু এওঁ মদ নাখায় ছাৰ। মিকু তুমি নামাতা কিয়?

মই মিকুক মানে মাৰুত প্ৰকাশ হাজৰিকাক ধৰি জোকাৰি দিলোঁ।

ঃ ছ'ৰী ... তুমি ইয়াত থাকা বুলি মই নাজানো। জনা হ'লে তোমাক ইমান লাজ পাবলৈ নিদিওঁ। মই মনোৰম ইয়াত পঢ়ে বুলি কালিহে জানিছোঁ। মই বহু দিন তাক দেখা নাই। লৈ যাবলৈ আহিছোঁ।ই চাল্লা মোক নিদিয়ে। মই মদ খাই অহা নাই। তুমি জানাই খং উঠিলে মই মদপীতকৈও বেয়া হৈ যাওঁ। ছ'ৰী মন...

মিকুৰ কথাত মই আৰু ৰ'ব নোৱাৰিলোঁ। আগতে তাৰ মুখত এই মন বুলি মতা মাতষাৰ শুনিলে মই খং উঠি থাকিলেও পমি গৈছিলোঁ। ইমানকৈ কান্দিছোঁ! ছাৰে আমালৈ চাই থাকিল। এইটো কোঠাতে বাকী আটাইবোৰ মানুহ! অলপ পৰ কন্দাৰ পাছত মই ছাৰৰ ভৰিত পৰিলোঁ।

ঃ ছাৰ, মিকু বেয়া মানুহ নহয়! আপুনি তাক ক্ষমা কৰি দিয়ক। মই নাজানো ছাৰ, তেওঁ কি পৰিস্থিতিত আজি এই ৰূপ ল'লে! তেওঁ সঁচাকৈয়ে ভাল মানুহ ছাৰ। মনোৰমক ক্লাছৰ পৰা মাতি ঘৰলৈ পঠিয়াই দিয়ক ছাৰ। সিও দেউতাকক লগ পাবলৈ ৰৈ আছে ছাৰ।

ঃ উঠা উঠা। পিছে এজন মানুহৰ বিষয়ে ভাল বুলি ইমান তুমি কেনেকৈ জানা? —ছাৰৰ প্ৰশ্নত মই তলমূৰ কৰিলোঁ।

ঃ ছ'ৰী ছাৰ। আমি ইজনে সিজনক ভালপাইছিলোঁ। কিবা কাৰণত আমাৰ এৰা এৰি হ'ল। মই বিয়া কৰালোঁ। মনোৰমৰ দেউতাক হ'লোঁ। তাই একে ঠাইতে ৰৈ গ'ল। অলংকৃতা বৰুৱা একেজনীয়েই হৈ থাকিল । মই যাওঁ ছাৰ।

ছাৰে মিকুক ৰখালে আৰু মনোৰমক ছাৰৰ কোঠালৈ মাতি আনিবলৈ পঠিয়ালে।

মিকুৰ কথাবোৰ শুনি মই আগৰ দিনবোৰলৈ ঘুৰি গ'লোঁ। সেই সময়ত মিকুৱে ইমান কথা ক'ব নাজানিছিল।

ঃ ব্যক্তিগত কথা প্ৰকাশ কৰিবলৈ বেয়া পোৱা মানুহৰ মুখত আজি ইমান কথা ওলালনে?

মোৰ কিবা খং এটা উঠি আহিল। চকুৰ পানী মচি মচিয়েই কৈ পেলালোঁ।

ঃ তুমি আজিকালি একেবাৰে কথা নোকোৱা হ'লা বাবে সেই দায়িত্ব তেওঁ ল'লে চাগে। নে কি কোৱা মাৰুত?

— ষ্টাফৰ আটাইতকৈ চিধা লিজা বাইদেৱে কথাষাৰ কৈ তাত থকা সকলোকে হঁহুৱাই দিলে। স্কুলবেগটোৰ সৈতে মনোৰম আহি হাজিৰ। প্ৰথমে ইমানবোৰ ছাৰ-মে'মক একেলগে প্ৰিঞ্চিপাল ছাৰৰ ৰূমত দেখি সি ভয় খালে। তাৰ চকুৱে মুখে সেয়া ফুটি উঠিছে। তাৰপাছত দেখিলে তাৰ প্ৰিয় এবি মে'ম আছে। দেউতাকক দেখি সি একেবাৰে আচৰিত হ'ল। মৰেই বাপেক-পুতেক দুয়ো সহজ হ'ব পৰাকৈ মাত

লগালোঁ।

ঃ সেউজ

ঃ তুমি তাৰ এই নামটো কেনেকৈ জানিলা?

— মিকুও আচৰিত হোৱাৰ পাল।

ঃ তোমাৰ ল'ৰাই মোক কি কোৱা নাই সোধা।

তাক মিকুৰ ফালে ঠেলি দিলোঁ।

ঃ বাৰু বাকী বাদ। মনোৰম, দেউতাই তোমাক নিবলৈ আহিছে।

—ছাৰে মাত লগালে।

ঃ ছাৰ, মই না... নাযাওঁ ছাৰ। এই স্কুল এৰি মই নাযাওঁ ছাৰ।

— সি কাতৰ ভাৱে মোলৈ চালে।

ঃ স্কুল এৰাৰ কথা কোৱা নাই এতিয়া। ঘৰলৈ যোৱা।

ঃ দেউতা, মই তোমাক এটা কথা কওঁ। তুমি বেয়া নাপাবা।

দেউতাকৰ আঙুলিত ধৰি মুখলৈ চাই থকা ল'ৰাটোলৈ মই চাই থাকিলোঁ।

ঃ কোৱা সোণ!

ঃ মই আৰু ঘৰলৈ নাযাওঁ। মোৰ তাত ভয় লাগে দেউতা। তুমিতো মন গ'লেই গুচি যোৱা। মই এবি মে'মৰ লগত থাকিম। মে'মৰ লগত থাকিলে মোৰ অলপো ভয় নালাগে। তোমাৰ লগত থকাৰ দৰেই লাগে। হ'ব ন দেউতা? মে'ম, মোক ৰাখিব ন আপোনাৰ লগত?

এইবাৰ সি মোৰ ওচৰলৈ চাপি আহিল। মই তাক বুকুলৈ সুমুৱাই আনিলোঁ।

ঃ এইবাৰ মোৰ ল'ৰাটোও.. মোৰ সকলো লোৱাৰ হেঁপাহ আছিল নহয়! লোৱা। মন গ'লে মোক চাবলৈ দিবা। আগতে মাকে তাক পেলাম বুলি কৈ ল'বলৈও নিদিয়ে। মই ল'বলৈ নোপোৱাকৈয়ে ল'ৰাটো ডাঙৰেই হ'ল।

তাৰ কথা একো নুবুজি সেউজে বাপেকলৈ তধা লাগি চাই আছে।

ঃ ই মোৰেই ল'ৰা।

মই আগৰ দৰেই দাবী কৰা আৰম্ভ কৰিলোঁ।

ঃ কেনেকৈ হা কেনেকৈ?

— সি মোক প্ৰশ্ন কৰিলে।

ঃ মাকহে বেলেগ, দেউতাক একেজনেই! মোৰ মনত আছে দিয়া, কেতিয়াবা আমাৰ বিয়া হ'লে আমাৰ প্ৰথম সন্তানৰ নাম আমি সেউজ ৰখাৰ কথা আছিল।

মই মিকুৰে প্ৰথম কন্দা দেখিলোঁ। আগতে সি মোক মাজে মাজে কান্দিবলৈ কয়। কান্দিলে বোলে ভাৰ কমে, মনত শক্তি বাঢ়ে। সিও কান্দি থাকিব পৰাকৈ মোৰ বুকুত সোমাই থকা উত্তৰটো তাক দি থৈ আহিলোঁ। ❑

# প্ৰয়োজন

✍ তুষাৰাণী হাজৰিকা
দ্বিতীয় ষাণ্মাসিক

সময়বোৰ সলনি হ'ল। লগৰ বন্ধুসকলৰ জীৱনৰো সলনি হ'ল। কোনোৱে বিয়া হ'ল, কোনোৱে চাকৰি পালে, কিন্তু সলনি নহ'ল ৰীমাৰ জীৱনৰ কাহিনী। সেই আগৰ দৰে এতিয়াও চলি আছে। যিমান চেষ্টা কৰিলেও এতিয়ালৈকে চাকৰি এটা স্থায়ীভাৱে ল'ব পৰা নাই। এফালে বয়সো বাঢ়িছে। মাষ্টাৰচ্ শেষ হোৱা আজি পাঁচ বছৰেই হ'ল। ঘৰখনৰো অৱস্থা একেবাৰে বেয়া। মাকে বহু কষ্ট কৰি তাইক মাষ্টাৰচ্‌টো পঢ়ালে। কিন্তু এতিয়া মাকেও কাম কৰিব নোৱৰা হ'ল, বেমাৰী হৈ আহিছে। ইপিনে ৰীমাৰ হাতত থকা পইচাকেইটাৰে মাকলৈ দৰৱেই আনিব নে কিবা খাবলৈ আনিব? সেয়ে কি কৰিব নকৰিব ভাবি নাপাই পেহীয়েকলৈকে ফোনটো লগালে—

— হেল্ল', আইজনী হঠাতে ফোন কৰিলি যে? ভালে আছ নে তহঁত?

— কি কচোন?

— মা, গাটো এইকেইদিন খুব বেয়া। দৰৱ আনিব পৰাকৈও হাতত পইচা নাই, আপুনি যদি পাৰে...

— আইজনী, তইটো জানই পৰহিলৈ ৰিমিৰ বিয়া। পেহাৱে যোগাৰ কৰা পইচাকেইটাৰে যেনেতেনে মেনেজ কৰিছোঁ। এইবাৰ নোৱাৰিম বুজিছ, তই বেয়া নাপাবি।

— বেয়া কিয় পাম পেহী, ৰিমিলৈ মোৰ ফালৰ পৰা বিয়াৰ শুভেচ্ছা দিব। বেয়া নাপাব, মাৰ গাটো বেয়া বাবে বিয়ালৈ যাব নোৱাৰিম।

এই বুলি কৈ ৰীমাই ফোনটো কাটি দিলে। ৰীমাই পেহীয়েকক দুখ দিব নোৱাৰে, কাৰণ তাই আৰু তাইৰ মাকক পেহীয়েকে বহুবাৰ সহায় কৰিছে।

উপাই নাই ৰীমাৰ হাতত। পেহীয়েকেই একমাত্ৰ ভৰষা আছিল। সঁচাকৈ সময়ে কেনি যে লৈ যায় জীৱনটোক।

— আইজনী, তই মোৰ কথা বৰকৈ চিন্তা কৰি নাথাক। এদিন দৰৱ নাখালে মই মৰি নাযাওঁ

নহয়। মাকে ক'লে।

— চুপ্ থাকা (খঙেৰে), আজিয়েই যি এইদৰে ক'লা, আগলৈ কিন্তু নক'বা।

— নকওঁ বাৰু। কিন্তু তই এতিয়া এইবোৰ ভাবি নাথাক। ভাত খাই ল'গৈ যা।

— তুমি খালা নহয়?

— তই ফোনত পেহীয়েৰৰ লগত কথা পাতি থাকোঁতেই খালোঁ, দৰৱো খালোঁ।

— হ'ব বাৰু মা..

মাকে ভাৱে, কি হ'ব বাৰু এই ছোৱালীজনী? মই নাথাকিলে নিজকে কেনেকৈ চম্ভালিব বাৰু? সঁচাকৈ মোৰ এই বেমাৰটোৱে সকলো শেষ কৰি দিছে, ইপাৰো নহয় সিপাৰো নহয়। প্ৰভু! সাহস দিয়া মোৰ ছোৱালীজনীক জীৱনত যুঁজিব পৰাকৈ।

— মা, ইমানকৈ কি ভাবিছা? ৰ'বা মই কিবা কাম বিচাৰি পাওঁৱেই নেকি ওলাই যাওঁ। তুমি এতিয়া অলপ শুৱা। মই আহোঁ।

— ৰীমাই টাউনৰ ফালে বাট লয় আৰু ভাবে যে কেনেকৈ মাকক ভাল ডাক্তৰক দেখুৱাই সুস্থ কৰি তুলিব পাৰে। এনেদৰে ভাবি গৈ থাকোতে এখন বাইক আহি অলপতে খুন্দা মাৰে।

— আৰে, আৰে... মানুহ মাৰিব নেকি আপুনি?

— ক্ষমা কৰিব... আৰে, ৰীমা তুমি?

— নয়ন তুমি... কেনি যোৱা?

— মই মামাৰ ঘৰলৈ আহিছোঁ। কাম এটা আছে। পিছে তুমি?

— মই কাম এটা বিচাৰি ওলাইছোঁ।

— কাম বিচাৰি মানে? সি আচৰিত হ'ল।

— পাছত কেতিয়াবা লগ পালে ক'ম দিয়া। এতিয়া দেৰি হৈছে মোৰ।

আচলতে নয়ন ৰীমাৰ সৰু কালৰ বন্ধু। মোমায়েকৰ ঘৰত থাকি পঢ়া নয়ন খুব চোকা বুদ্ধিৰ লগতে এজন ভাল ল'ৰা আছিল। ৰীমাক প্ৰতিটো সময়তে সহায় কৰা নয়ন মাষ্টাৰচ্ কৰিবলৈ গুৱাহাটীলৈ যোৱাৰ পৰা লগ নোপোৱাই হৈছিল। ৫ বছৰৰ মূৰত আজি লগ পাইছে।

প্ৰায় বেলি অস্ত যোৱাৰ সময়। ৰীমাই এঘৰ আভিজাত্য মানুহৰ ঘৰৰ পৰা হাতত দুটামান টকা লৈ ওলাই আহে।

— ধন্যবাদ প্ৰভু! আজি মাৰ দৰৱ নিব পৰাকৈ দুটামান টকা যে গোট খালে। পুনৰ ৰীমাই নয়নক লগ পালে।

— মামাৰ ঘৰৰ পৰা যাব ওলালাই নেকি?

— নাই, থাকিম দুদিনমান।

— ভালে আছা নে তুমি?
— ভাল মোৰ, পিছে তোমাক ভালে থকা যেন লগা নাই। কি হ'ল কোৱাচোন?
— নাই অ', ঘৰুৱা কিছুমান সমস্যা।
— মোকো নোকোৱা নে? ব'লা কি হৈছে তোমাৰ কৈয়ো যোৱা আৰু মই তোমাক ঘৰলৈকো আগবঢ়াই দিম।
— তুমি কিন্তু আগৰ দৰেই আছা।
— তুমিহে সলনি হৈছা। ফোন কৰিলেও নাপাওঁ।
— মোবাইলটো বিক্ৰী কৰিবলগীয়া হ'ল। দেউতা ঢুকুৱাৰ পাছত মাকো ডায়বেটিছ বেমাৰে লগ ল'লে। টকাৰ অলপ অভাৱ হোৱাৰ বাবে বিক্ৰী কৰি দিলোঁ।
— তোমাৰ মাৰ বেমাৰ হৈছে আৰু আজিলৈকে মোক কোৱা নাই।
— প্ৰতিটো বিপদতে লগ দিয়া, আৰুনো কিমান ক'ম।
— বন্ধু হৈছোঁ কিয়? বিপদত হাত এৰা মানুহ মই নহয় বুজিছা।
— বুজিছোঁ। সঁচা অৰ্থত এজন ভাল বন্ধু তুমি।
— পিছে তুমি এতিয়া কি কৰি আছা?
— চাকৰি বিচাৰি ভাগৰিছোঁ নয়ন। সেয়ে ঘৰে-ঘৰে সৰু ল'ৰা-ছোৱালীক মাজে মাজে টিউচন কৰাওঁ।
— ময়ো চাকৰি বিচাৰিছিলোঁ, কিন্তু তুমিটো জানাই মই বৰ বেছিদিন ধৈৰ্য ধৰিব নোৱাৰোঁ। সেয়ে হাতত থকা অলপ টকাৰে নিজাকৈ এটা সৰুকৈ ষ্টুডিঅ' খুলিলোঁ। এতিয়া ইয়াৰ পৰাই মোৰ চলিব পৰাকৈ পইচা ওলাই যায়।
— ভাল কৰিছা। নিজৰ ভাল লগা কাম কৰিছা আৰু আগুৱাই যোৱা।
— মই তোমাক উপায় এটা দিওঁ, শুনিবা নেকি?
— কোৱাচোন।
— তুমিটো বহুত ভাল ডান্স কৰিছিলা, সেইবোৰ এৰিলা নেকি?
— সময়ে নোপোৱা হ'লোঁ অ'...
— আচলতে সময় নোপোৱা কথাটো এটা অজুহাতহে। যদি মনৰ পৰা কৰিব বিচাৰা, সময় তেনেকৈয়ে ওলাব। চাকৰি চিন্তা বাদ দি এখন নাচৰ স্কুল খোলা। বাকীখিনি সহায় কৰিবলৈ মই আছোঁ।
— কিন্তু...
— একো কিন্তু নাই। চোৱা, তোমাৰ ঘৰৰ কাষতে এটা সৰুকৈ ঘৰ বনোৱা, বাঁহৰ হ'লেও একো

নাই। তোমাৰ ছবি থকা প'ষ্টাৰ দুখনমান বনাই 'Advertisement' দিয়া। চাবা ল'ৰা-ছোৱালী আহিবই।

— নাই নয়ন, মই নোৱাৰিম। বহুত পইচা লাগিব। ইমানবোৰ টকা ক'ত পাম?

— টকাৰ কথা চিন্তা নকৰিবা। মই দিম। মাথোঁ তুমি মন মেলা।

— ঘৰত গৈ ভাবিম বাৰু নয়ন।

— মোক জনাবা কিন্তু। ফোন নম্বৰটো লৈ লোৱা। কাৰোবাৰ পৰা হ'লেও ফোন কৰিবা।

— ধন্যবাদ তোমালৈ। ঘৰলৈকে আগবঢ়াই দিয়াৰ বাবে আৰু মোৰ সপোনক বাট দেখুওৱাৰ বাবে।

— তোমাৰ বাবে মই সদায় আছোঁ।

— যোৱা বাৰু....

নয়ন নিজৰ বাটে আগবাঢ়িলে। ৰীমায়েও ঘৰত সোমাল। তাই জানে সৰুৰে পৰাই নয়নে তাইক ভালপোৱাৰ কথা, কিন্তু তাইক এদিনো খুলি ক'ব নোৱাৰিলে। কেৱল লগৰবোৰৰ আগতহে কৈ থাকিল। কিন্তু আজিও চাগে নয়নে তাইকেই ভাল পায়। নয়নৰ কথাবোৰৰ পৰা এনে অনুভৱ হ'ল ৰীমাৰ। নহ'লেনো সি ইমানকৈ টকা দি তাইক সহায় কৰাৰ কথা কয় নে? যিয়ে নহওক নয়নৰ কথাত ৰীমাই আজি বহুখিনি সাহস পালে...। ❑

"শিক্ষাৰ কাম হৈছে গভীৰভাৱে
আৰু সমালোচনাত্মকভাৱে
চিন্তা কৰিবলৈ শিকোৱা।
বুদ্ধিমত্তাৰ লগতে চৰিত্ৰই হৈছে প্ৰকৃত শিক্ষাৰ লক্ষ্য।"
— মাৰ্টিন লুথাৰ কিং, জুনিয়ৰ।

"এটি শিশু, এজন শিক্ষক, এখন কিতাপ
আৰু এটা কলমে পৃথিৱীখন সলনি কৰিব পাৰে।"
— মালালা ইউছাফজাই।

# উপলব্ধি

ৰূপালী পেগু
চতুৰ্থ ষাণ্মাসিক
ধেমাজি মহাবিদ্যালয়

ৰাতিপুৱাৰ পৰা পূৰৱীৰ মনটো গোমা দেখিছিল সি। সুধিছিল এবাৰ, কিন্তু একো নাই হোৱা বুলি ক'লে। আবেলি স্কুলৰ পৰা অহাৰ পাছত যেতিয়া তাক চাহ দিবলৈ আহিল, সি তাইক পুনৰ সুধিলে— 'পুৰু' তোমাৰ গা বেয়া নেকি? 'নহয়'—তাই লাহেকৈ ক'লে। 'তেন্তে' —সি পুনৰ সুধিলে। তাই অলপ সময় তভক মাৰি ৰ'ল, তাৰপাছত লাহেকৈ যিটো কথা উলিয়ালে তনয়ৰ খং উঠি আহিল। তনয়ৰ ঘৰখনত মানুহ হৈছে ৬ জন। তনয়ৰ পৰিয়ালত পত্নী পূৰৱী আৰু সন্তান অয়ন। একমাত্ৰ ভায়েকৰ পৰিয়ালত ভায়েক অম্লান, পত্নী তৰালী আৰু কন্যা বিথীকা। ভায়েক অম্লান শাৰীৰিকভাৱে কিছু দুৰ্বল। অলপ অচৰপ খেতি-বাতি কৰে, তাৰবাদে উপাৰ্জনৰ বেলেগ পথ নাই। মানুহজনীৰ মাক-দেউতাক আৰু পূৰৱীৰো আপত্তি আহিছে এইটোৱে যে দিনে দিনে খৰচবোৰ বাঢ়ি আছে। গতিকে ভায়েকৰ পৰিয়ালটোক পৃথক কৰি দিব লাগে। কিন্তু তনয় অলপ বেলেগ চিন্তাধাৰাৰ মানুহ। সি কোনোপধ্যে ভায়েকক এৰিব নোখোজে। দেউতাকৰ অৰ্বতমানত ককায়েকেই তাক ডাঙৰ কৰিছে, প্ৰতিপালন কৰিছে। সি পূৰৱীক ক'লে, 'চোৱা পুৰু, আমাৰ পৰিয়ালটো নো কিমান ডাঙৰ, আমি মুঠতে ৬ জন হে। মোৰ কিবা এটা হ'লে ভাইটী মোৰ কাষত থাকিব বা তাৰ কিবা এটা হ'লে মই থাকিব লাগিব। আমাৰ ল'ৰা যদি পঢ়া-শুনা কৰি বাহিৰত চাকৰি কৰিবলৈ গুচি যায় আৰু সিহঁতৰ ছোৱালী যেতিয়া বিয়া হৈ বেলেগ এখন ঘৰলৈ গুচি যায় তেতিয়ানো ইয়াত কোন থাকিব? আমিকেইটাই এজন আনজনৰ সুখ-দুখৰ সমভাগী হৈ থাকিব লাগিব। হয়নে নহয় বাৰু? পূৰৱীয়ে লাহেকৈ ক'লে, "হয় বাৰু, কিন্তু তৰালীয়ে যে মোক সহায় কৰি নিদিয়ে, মোৰ কষ্ট হয়, বহুত খৰধৰ হয়। কিমান আৰু অকলে কৰিম।"

তনয়ে তেতিয়া ক'লে, 'তৰালী মাক-দেউতাক নোহোৱা ছোৱালী, তাইক শিকায় বুজায় লোৱাটো তোমাৰ দায়িত্ব। মৰমেৰে শিকাবা, বুজি পাব তাই। ময়ো অম্লানক ক'ম বাৰু। পূৰৱীয়েও হয় বুলি শলাগিলে। তনয়ে পূৰৱীক পুনৰ সুধিলে,

'পুৰু, তোমাৰ মনত এই চিন্তাবোৰ কোনে সোমোৱাই দিলে? সঁচা কথা কোৱাচোন।'

তনয়ে এনেই সোধা নাছিল। কেইবাদিনো সি ওচৰৰ ৰমলা খুৰী, পাহি পেহীক স্কুলৰ পৰা ঘূৰি আহি ঘৰ পাওঁতে সিহঁতৰ ঘৰৰ পৰা ওলাই যোৱা দেখিছিল। এই মানুহ দুজনী বৰ সুবিধাজনক নহয় আৰু লোকৰ ঘৰ ভঙাত পাকৈত। সি মাকৰ মুখত নিছিল। সি ভৱাটোৱে হয়। পূৰবীয়ে সকলো স্বীকাৰ কৰিলে। খুৰী, পেহীহঁতে পূৰবীৰ মনটো বেয়া কৰি দিছিল। তৰালীয়ে গোটৰ পৰা টকা কেইটামান পাইছিল, তাকো ক'বলৈ তেওঁলোকে পাহৰা নাছিল। তনয়ে সকলো বুজি পালে। পূৰবীয়েও তনয়ৰ কথাবোৰ মন দি শুনিলে। তাই বুজি পালে যে ঘৰৰ সমস্যাবোৰ ঘৰতে সমাধান কৰিব পাৰি। লাগে মাথোঁ অলপ বুজা-বুজি, আন্তৰিকতা, মৰম আৰু বিশ্বাস। সন্তোষিত মন এটা লৈ তাই তৰালীক বিচাৰি গ'ল। তনয়ৰো মনটো বহুত মুকলি লাগিব। পূৰবীয়ে যে উপলব্ধি কৰিলে সেইটো ভাবি তাৰ ভাল লাগি গ'ল। ❑



গল্প গুচ্ছ

# বান্ধোন

ৰিমঝিম ডেকা
দ্বিতীয় ষাণ্মাসিক

ঃ বাইদেউ ভাড়াটো দিয়ক।

আজিও চিলমিলীয়া টোপনি আহিছিল দিতিনন্দাৰ। ভাড়া বিচাৰি মাত লগোৱা কনডাক্টৰজনৰ মাততহে সাৰ পাই ভাড়াটো উলিয়াই তেওঁৰ হাতত দিয়ে। গাড়ীত যাত্ৰা কৰিলে প্ৰায়ে এনে হয় দিতিনন্দাৰ। কাষৰ চিটত বহি থকা মানুহজনীয়ে ফোনত কথা পাতি আছে। হয়তো তেখেতৰ ৬-৭ বছৰীয়া কন্যাৰ লগত। কণমানিজনীয়ে ফোনতে বিদ্যালয়ত কি কি কৰিলে তাৰ বৰ্ণনা দিছে। মানুহজনীয়েও বৰ আগ্ৰহেৰে ছোৱালীজনীৰ প্ৰতিটো কথা শুনি গৈছে।



দিতিনন্দাই নিজৰ মাক-দেউতাকলৈ মনত পেলাবলে চেষ্টা কৰিলে। কিন্তু মাক-দেউতাকৰ ছবিখন ধূসৰ হৈ অন্য দম্পত্তি এহালৰ ছবিহে চকুলৈ ভাঁহি আহিল। তাইৰ প্ৰতিটো খোজতে ছাঁৰ দৰে থিয় দিয়া মানুহহালৰ লগত তাইৰ কোনো তেজৰ সম্বন্ধ নাই। কিন্তু এক অনন্য বান্ধোনেৰে যেন বান্ধ খাই আছে তেওঁলোকৰ লগত তাইৰ হৃদয়ৰ জৰীডাল। এটা এক্সিডেণ্টত মাক-দেউতাকক হেৰুৱা ১০ বছৰীয়া ঘাটমাওৰা ছোৱালীজনীক তেওঁলোকে আশ্ৰয় দিছিল। তেতিয়াৰে পৰা সন্তান নথকা দম্পত্তিহালে তাইক বৰষুণে তিয়াব নোৱৰা মৰমৰ কটকটীয়া চালিৰে আবৰি ৰাখিছে। তাইৰ দুচকুৰ শূন্যতাখিনি পূৰ কৰিবলৈ যতপৰোনাস্তি চেষ্টা কৰি আহিছে। দিতিৰ প্ৰয়োজনীয় বস্তুবোৰ তাই কোৱাৰ আগতেই সন্মুখত দাঙি ধৰে মানুহহালে।

তাই দেখিছে, তাইৰ আনন্দত মানুহহালৰ চকুকেইটাও তিৰবিৰাই উঠে। মানুহহালক তাই খুৰা-

খুৰী বুলিয়ে সম্বোধন কৰে, কিন্তু অনুভৱ কৰিব পাৰে মানুহহালে তাইৰ মুখৰ পৰা অন্য কিবা এটাহে যেন শুনিবলৈ বিচাৰে। দিতিয়ে জানে আজিও ভাগৰ আৰু ভোকে-পিয়াহে ঘৰ সোমোৱাৰ লগে লগেই মানুহগৰাকীয়ে তাই ভাল পোৱা কোনোবা এখন ব্যঞ্জনেৰে তাইৰ আগত গৰম ভাতকেইটা যতনাই দিব।

দিতিৰ ভাবত যতি পেলাই কনডাক্টৰজনে আকৌ চিঞৰি আস্থান পোৱাৰ আগজাননী দিলে। বাছখন আস্থানত ৰখোৱাৰ লগে লগে তাই বাছৰ পৰা নামি ATM টোৰ ভিতৰলৈ সোমাই গ'ল। তাইৰ একাউন্টত আজি জমা হোৱা প্ৰথম দৰমহাৰ পৰা টকা কেইটামান উলিয়াই দোকান এখনৰ পৰা ছাৰ্ট এটা আৰু কপাহী কাপোৰ এযোৰৰ লগতে মিঠাইকেইটামানো লৈ ঘৰলৈ বাট ল'লে। মানুহজনে আনদিনাৰ দৰে আজিও তাইৰ অপেক্ষাত বাৰাণ্ডাত বহি বাৰে বাৰে পদূলিলৈ চাই আছিল। ঘৰ সোমোৱাৰ লগে লগেই তেখেতে চিঞৰি উঠিল— হেৰা, মাজনী পালেহি। তুমি ভাতকেইটা জল্‌দি বাঢ়ি দিয়া। দিতি মা তয়ো যা, ভৰি-হাত কেইটা তিয়াই ল'গৈ।

বাথৰুমৰ পৰা উলাই আহি দিতিয়ে বেগটোৰ পৰা উপহাৰকেইটাৰ লগতে মিঠাইৰ টোপোলাটো হাতত তুলি মানুহহালৰ ওচৰ পালেগৈ। স্বতঃস্ফুৰ্তভাৱে আজি ১৪ বছৰৰ মুৰত তাইৰ খুৰা-খুৰীৰ পৰিৱৰ্তে অইন দুটা শব্দহে ফুটি উঠিল।

ঃ দেউতা, মুখখন মেলাচোন মিঠাই আনিছোঁ মই। আৰু এয়া লোৱা মোৰ নিজৰ উপাৰ্জনেৰে তোমালোকলৈ বুলি অনা প্ৰথমটো উপহাৰ। মা, এইটো তোমাৰ।

মানুহহালৰ চকুকেইটা আগতকৈয়ো বেছি তিৰবিৰাই উঠিল। তাই দিয়া উপহাৰকেইটাৰ বাবে নহয়, অতবছৰে তাইৰ মুখৰ পৰা শুনিবলৈ ব্যাকুল হৈ থকা সেই বিশেষ শব্দ দুটাৰ বাবেহে। চকুৰ লোতক কেইটোপাল মচি মানুহহালে তাইক বুকুত সামৰি ল'লে। দিতিক মানুহহালৰ লগত বান্ধি ৰখা হৃদয়ৰ সেই অদৃশ্য জৰীডাল আগতকৈ আৰু বেছি কটকটীয়া হৈ উঠিল। ❑

> "প্ৰকৃত আৰু বৃহত্তৰ অৰ্থত,
> এটি শিশুক শিক্ষিত কৰাটো ৰাষ্ট্ৰ শাসন কৰাতকৈ মহান কাম।"
>
> — উইলিয়াম এলেৰী চেনিং।

অণুগল্প

# মৰম

দেৱব্ৰত চুতীয়া
দ্বিতীয় ষাণ্মাসিক

বৰ নৈয়ে সকলো নিয়াৰ পাছত নিঃসহায় হৈ পৰা কণপাই দাইটিয়ে পূৰ্বপুৰুষৰ বৃত্তিটো লোৱাটোকে সিদ্ধান্ত কৰিলে। ২৫ বছৰ আগৰ এই সিদ্ধান্তটোত আজিও অটল তেওঁ। নিঃসন্তান মানুহটোৱে শিৱসাগৰৰ পৰা মাটি কিনি আনি এঠালি, বলিয়া, খুন্দনা মাৰি, পিটোনেৰে বনাই টেঘালিত পুৰি টেকেলি, কলহ, ম'লাই চৰু, ঘাগৰী ইত্যাদি বনাই ভাৰ বৈ বৈ বিক্ৰী কৰি পোহপাল দি আছে কোনো ৰকমে দুজনীয়া পৰিয়ালটো..... আজি এমাহে বেপাৰলৈ আহি আছেহি দুখন জিলা পাৰ হৈ দূৰৈত, মানুহজনীক চিনাতলীত থৈ আহিছে। সন্ধিয়া ভাত কেইটা বনাওঁতে মোক কয়— আইতাৰে বা কি কৰিছে? খাইছে নে নাই খোৱা? মই কওঁ, "দেউ তুমি চিন্তা নকৰিবা।"মোক কয়, "দেউ, (ধেমালি কৰি মোকো দেউ বুলিয়ে মাতে) মানুহজনীৰ মোৰ বাহিৰেনো কোন আছে?" জুইৰ পোহৰত সেমেকা চকুহাল দেখি ভাবো মৰমবোৰ হয়তো এনেকুৱাই। মনে মনে ভাবো— কুশলে ৰাখক এই মানুহহালক, যান্ত্ৰিক পৃথিৱীয়ে টলাব পৰা নাই এতিয়াও এই মানুহহালক। মাজুলীৰ চিনাতলীৰ মথাউৰিৰ জুপুৰী ঘৰটোৰ সন্ধ্যাৰ বতাহজাকতো চাগে একেই মৰম, আৱেগৰ ঢল এচাকি বৈ গৈছে প্ৰতি সন্ধিয়া, উতলি থকা ভাতৰ চৰুটোৰ ধোঁৱাবোৰৰ সৈতে। ❑

# জীৱিকা

তন্ময় হাজৰিকা
দ্বিতীয় ষাণ্মাসিক

চৈধ্য বছৰীয়া মুনুৱে ওচৰৰে নদীৰ পাৰত বালিঘৰ সাজিছে। হঠাতে পাৰুলে এটা চিঞৰ মাৰি তাইক মাতিলে আৰু কাণত কিবা এষাৰ ক'লে। কথাষাৰ শুনি মুনু যেন শিলপৰা কপৌটোৰ দৰে হ'ল। বিধৱা মাকজনীৰ লগতে পঙ্গু ককায়েক লঘোনত নাথাকক বুলি প্ৰায়েই পুৱতি নিশা ঘৰ সোমাই তাই। গাঁওখনত জীয়েকৰ প্ৰতি ওলোৱা বদনামবোৰে বুকুত বিন্ধে মাকৰ। তেওঁ কয়, "দিনতেই কৰা কিবা এটা যোগাৰ কৰি ল'ব নোৱাৰনে?" দৰা বা কইনা ঘৰৰ অতিথি আপ্যায়ন বহু ৰাতিলৈ চলে। মাকে নাজানে শিক্ষাগত অৰ্হতা নথকা জীয়েকৰ চাকৰিটো। মসৃণ হাত দুখন আগতকৈ বহু ৰুক্ষ হৈছে তাইৰ। ❑

অণুগল্প

# সুৰাত মগন

চন্দন দত্ত
বি.এড, দ্বিতীয় ষাণ্মাসিক

"সুৰাত মগন ভয়াল ৰাতি মৌন কোলাহল......"

কোলাহলপূৰ্ণ ৰাজআলিত গিজ্‌গিজাই থকা অসংখ্য মানুহৰ মাজত পাকখোৱা ভৰিৰ খোজেৰে মুখত জয়ন্ত হাজৰিকাৰ সংগীতৰ লহৰ তুলি তেওঁ আগবাঢ়িল। সন্ধিয়া হ'লেই পঞ্চাছ টকাৰ সৰু মইনাৰ ধান্দাত থকা বুলনৰ কংক্ৰিটৰ নগৰীৰ সভ্য সমাজৰ লগত কোনো সম্পৰ্ক নাই। অলপ গৈ দেখে তীব্ৰ বাহনৰ খুন্দাত ৰাস্তাৰ কাষত চিটিকি পৰা এজন বাইক আৰোহীৰ তীব্ৰ আৰ্তনাদ, তেওঁক সহায় কৰিবলৈ কাৰো আহৰি নাই। যিকেইজন আছে তেওঁলোকেও পুলিচৰ কেছ বুলি আওকাণ কৰিছে। বুলনে ৰাগিয়াল দেহাৰেই তেজেৰে লুতুৰি-পুতুৰি হৈ থকা ল'ৰাজনক কান্ধত তুলি হস্পিতাল পোৱালেগৈ। অপাৰেশ্যন ৰুমলৈ যোৱাৰ পৰত থুকা-থুকি মাতেৰে ধন্যবাদ দি ল'ৰাজনে ক'লে— "আপুনি যাবকগৈ, আপোনাৰ বহু নিচা হৈছে।" বুলনে ডাঙৰকৈ হাঁহি মাৰি ক'লে— "নিচা মোৰ নহয়, নিচা হৈছে এই দুনিয়াৰ"। পুৱা হ'লে বুলনৰ নিচা শেষ হ'ব, কিন্তু এই কংক্ৰিটেৰে গঢ়া মানৱ মনৰ কেতিয়া....? ❑

'ডাৱৰে কি ক'লে ঃ দিয়া আৰু দিয়া, নিঃশেষকৈ দিয়া
আলিৰ কাণত গছপুলি ৰোৱা, এটা হাইস্কুল খোলা;
পথিক প্ৰিয় যে সদায় বাটত, কাঢ়া দুটা হুমুনিয়া।
উৰুখা পানীয়ে উটাই নিয়ক মৰা নকৰাৰ খোলা।
আমাৰ পলসে সাৰুৱা কৰক কলঙৰ দুটি কুল।'
— 'পলস', নৰকান্ত বৰুৱা

# পঁইতা ভাত

(এটা গণ আন্দোলনৰ খেও ধৰি...)

নিবেদিতা বড়া সন্দিকৈ
ধেমাজি

ডাঙৰ ডাঙৰ বেনাৰ লৈ ৰাজপথত হাজাৰজন বিক্ষোভকাৰী
হাতে হাতে প্লেকাৰ্ড
কাৰোবাৰ হাতত থাল
কাৰোবাৰ হাতত হেতা
কাৰোবাৰ হাতত গিলাচ
কাৰোবাৰ ডিঙিত ভৌগোলিক স্বীকৃতিৰে স্বাভিমানী গামোচা

ৰাজপথৰ বিক্ষোভকাৰীসকল আহি পথাৰত সমবেত
উদ্যোক্তাসকল তৎপৰ হৈ উঠিল

ইতিমধ্যে মাইক্ৰ'ফোনত ঘোষণা-
শৃংখলিতভাৱে আগবাঢ়ক
সকলোৱে নিয়মানুৱৰ্তিতা বজাই ৰাখক

চৌদিশে দলদোপ্ হেন্দোলদোপ্
বিক্ষোভকাৰী নেতাই পুনৰ চিঞৰিলে—
আপোনালোক এক হওক
আপোনালোক সংঘৱদ্ধ হওক

তাৰ মাজতে এদল বিক্ষোভকাৰীয়ে প্ৰাপ্যৰ বাবে সজোৰে চিঞৰি উঠিল—
লগে লগে আমিষ-নিৰামিষেও সমস্বৰে উচ্চাৰিল—

আজিৰ গণ সমাৰেশত ৰাইজেই ৰজা
আজিৰ গণ সমাৰেশত ৰাইজেই ৰজা
সমাৰেশত আভিজাত্য ঢং দেখুৱাই এদল নগৰীয়া বিক্ষোভকাৰী
ধৰাশায়ী তেওঁলোক— পোলাও, বিৰিয়ানী, কোপ্তা, ম'ম',
প্ৰত্যেকেই মুখৰোচক খাদ্য খোৱাত ব্যস্ত।

পুনৰ আন এদলে চিঞৰিলে—
ক'ত গ'ল... ক'ত গ'ল আমাৰ প্ৰাপ্য!
এনেকৈ থাকিম নে— ইমান বৈষম্য!!

পৰ্বতৰ পৰা ভৈয়ামলৈ
শদিয়াৰ পৰা ধুবুৰীলৈ
কাশ্মীৰৰ পৰা কন্যাকুমাৰীলৈ
গণ মাধ্যমত প্ৰচাৰিত হ'ল বাতৰি

লুচি, ভাজি, মাংস, পোলাও, পায়স, ৰসগোল্লা,
লালমোহন, দৈ, ক্ৰীমৰ দীঘলীয়া মিছিল

আন্দোলন তীব্ৰতৰ হ'ল—
প্ৰত্যেকেই ৰাখিলে নিজস্ব বক্তব্য
বাঙ্কোন চিঙি শ্লোগান দিলে বিক্ষোভকাৰীয়ে
চিঞৰি চিঞৰি সমস্বৰে ক'লে-
জুতি লগাই খালোঁ এসাঁজ
জুতি লগাই খালোঁ এসাঁজ

মনে-প্ৰাণে বিক্ষোভ কৰা খাটি খোৱা জনগণে গৰজি উঠিল-
আমাৰ প্ৰাপ্য ক'ত?
প্ৰাপ্য ক'ত?
লঘোনীয়া পেটত আজি হাজাৰ চিন্তাৰ উকমুকনি
গুৰু গম্ভীৰ স্বৰে ভাতে লাহেকৈ ক'লে—

শক্তি পুত্ৰহঁত
তহঁতৰ বাবে ময়ে বাহুৱলী
তহঁতৰ বাবে ময়ে হেঁপাহ আৰু আশা
তহঁত মোৰ অমৃতৰ সন্তান
এই মহাৰণত ময়ে দিম তহঁতক সঠিক পথৰ নিৰ্দেশ

আহ, আহ, আহ,
কান্দুদী, খাৰলি আলুপিতিকাৰে খা এমুঠি পঁইতা ভাত
জীৱনদায়িনী পঁইতা ভাত
শক্তিদায়িনী পঁইতা ভাত
মই তহঁতৰ শয়নে-সপোনে

ক্ৰমে ক্ৰমে খাটি খোৱা বিক্ষোভকাৰীসকল
পুনৰ সংঘৰদ্ধ হ'ল পথাৰত
থাল-বাতি লৈ প্ৰত্যেকেই সাজু
বুজি উঠিল পঁইতা ভাতৰ অপত্য স্নেহ

বিৰিয়ানী, পোলাও খোৱা বিক্ষোভকাৰীসকল
পঁইতা ভাতৰ বাবে হেতা ওপৰা লগালে
আহঃ তৃপ্তি-মাথোন তৃপ্তি
আন্দোলনৰ প্ৰস্তাৱ গৃহীত হ'ল
ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় বাতৰি-কাকতত
প্ৰকাশ পালে গণ আন্দোলনৰ বাতৰি

উজ্জ্বলিত দেশে দেশে পঁইতা ভাত
স্বীকৃতি পালে পঁইতা ভাতে
সোণালী আখৰেৰে খোদিত হ'ল পঁইতা ভাতৰ ইতিকথা। ❑

কবিতাৰ কুঁকি

# সময়ৰ দুঃখ

মৌচুমী চুতীয়া দাস
গ্ৰন্থাগাৰিকা

বিজ্ঞ-জ্ঞানী-গুণী সমাজৰ
সময়ৰ কুটিলতাৰ তাড়নাত
দিবং ভ্ৰষ্টা গতিত
আজি পৃথিৱী।
তই মৰ্ মই খাওঁ
ভাল বেয়া একো নাই
দুদিনৰ পাছত
সকলো তল পৰি যায়
এয়াই গতানুগতিক
বিধান।
চল-চাতুৰি, ধন-বল, জনবল
অস্ত্ৰ প্ৰধান
একো নাই একো নাই
নিজক বচাই ৰাখি
লুটি পুতি খাই
বৰ্তি থকাৰ
সময়ৰ গান।
নিলাজ দিন নিলাজ সময়
এই দৰেই এই দৰেই.....
পাৰ হয় দিন মাহ
ঠিক কৰাৰ কাৰো নাই সাহ
সময় এতিয়া
বিহ্বল...........। ❑

# অনুভৱ

মাধৱী দিহিঙ্গীয়া
দ্বিতীয় ষাণ্মাসিক

খিৰিকীৰ ফাকেৰে অহা ৰ'দজাক
দেখি ৰৈ গ'ল তেওঁ,
উজ্বলি উঠিছিল তেওঁৰ মুখখন
বেলিটোৰ দৰেই,
ফুলপাহৰ দৰে হাঁহি ৰৈছিল তেওঁ
বহু বিৰতিৰ অন্তত
এজাক ধুমুহাৰ অন্তত
প্ৰাপ্তিৰ হাঁহি।
কল্পনাৰ পৃথিৱীত বিলীন নোহোৱা
তেওঁৰ মনত অলেখ কাহিনী,
সপোন ৰচিব ধৰিছে তেওঁ
বাস্তৱ ধাৰণাক লৈ আৰু
অস্থায়ী ঠিকনাবোৰক লৈ,
যুঁজিব বিচাৰিছে যান্ত্ৰিকতাৰ মাজত
অকলশৰে,
নিৰৱে।
নদীৰ দৰে বৈ যায় তেওঁ
মনে মনে কথা পাতে শিলৰ সৈতে,
ঠেনুকা হৈ ৰৈ নাযায় তেওঁ
ৰৈ নাযায় তেওঁ কোনো বাটত,
মাথোঁ গতি কৰে বাধাৰ প্ৰাচীৰ ভাঙি
অস্থায়ী মনৰ সৈতে,
গোপনে।
এজাক বৰষুণৰ প্ৰয়োজন তেওঁক
দুখবোৰ আঁতৰাই নিবলৈ,
শান্তিৰ দুৱাৰ মুকলি কৰিবলৈ
আপ্ৰাণ চেষ্টা তেওঁৰ,
নতুনত্বৰ সুবাস বিচাৰি
ব্যস্তত মগ্ন তেওঁ।
ভাৱনাৰ বুৰত মতলীয়া
তেওঁ মাথোঁ নিজক বুজায়
অকলশৰে,
নিৰৱে,
বিচাৰি পায় আন্ধাৰৰ মাজত
শান্তিৰ সুবাস। ❑

কবিতাৰ কুঁকি

# শেৱালি ফুলৰ দৰে

গাৰ্ডিনা বুঢ়াগোহাঁই
প্ৰাক্তন প্ৰশিক্ষাৰ্থী

শৰতৰ শেৱালি পাহি হাঁহি হাঁহি ফুলিছে আজি
এটি নিশাৰ বাবে তোমাৰ বুকুত
চিৰদিনৰ বাবে ল'ম যেন আকোৱালি
তুমি আকৌ কেতিয়া ফুলিবা
ধুনীয়া এজুপি শেৱালি ফুল হৈ
আকৌ আহিবা তুমি আমাৰ জ্ঞানৰ পথলৈ
শেৱালি ফুলৰ স্নিগ্ধ সুবাস
তোমাৰ বাবে প্ৰতিটো পুৱাই তলসৰা
ফুলিবনে দুনাই এই ফুলনিত
এজুপি ধুনীয়া শেৱালি ফুল হৈ
আকৌ আছে আকৌ নাই
ফুলিলা আৰু সৰিলা।
এয়াই নেকি স্নিগ্ধ সুবাস থকা
মৰহি যোৱা এপাহি শেৱালি ফুল। ❑

# সমীকৰণ

স্মৃতি চিৰিং ফুকন
চতুৰ্থ ষাণ্মাসিক

কিনো এই সমীকৰণ?
জীৱনৰ সমীকৰণ
সপোনৰ সমীকৰণ
বহুতে জীৱন যুঁজৰ সেই সমীকৰণবোৰ
সমাধান কৰিবলৈ আধাতে এৰি দিয়ে
আৰু বহুতে যুঁজি থাকে।
আৰু যিয়ে যুঁজি থাকে
তেওঁৰেই এদিন সফলতাৰ মুখ দেখে।
সুখ-দুখ, সপোন, প্ৰতিযোগিতা....
এইবোৰৰ নামেইটো জীৱন! ❑

# অনুভৱ

শতৰূপা বৰা
প্ৰাক্তন প্ৰশিক্ষাৰ্থী

সেই যে গোমা বতৰটো, হঠাৎ নামি আহিছিল বৰষুণ জাক,
আৰু মই তিতিছিলোঁ। দৌৰি দৌৰি গৈছিলোঁ
মোৰ সপোনটোৰ কাষলৈ। আবতৰীয়া বৰষুণ জাকৰ
দৰেই মোক ঠগিলে সপোনটোৱে।
তেতিয়াই বুজি উঠিছিলোঁ পৰিধি ভাঙি দেখা
সপোনবোৰেহে দিয়ে প্ৰাপ্তিৰ সুখ।
অন্যথা বাস্তৱবোৰ কঠিন ধুলিয়ৰি।
প্ৰকাশ পোৱা সকলো অকথ্য হৈ পৰে আপোন।
সুখী হোৱাৰ অভিনয়ত অভিনেতা ভাগৰি পৰে।
ঠিকনাবিহীন সপোন এটাকে বুকুত লৈ শুই পৰে।
হেৰাই যোৱা প্ৰকৃত সত্ত্বাক বিচাৰি মাজৰাতি আৰ্তনাদ।
জীৱন হৈ পৰে তিক্ততাদায়ক অনুশীলন।
সপোনৰ সমাধিৰ কাষতে এতিয়া এজোপা বকুল ফুলিছে।
ফুলবোৰ বতাহত হালে-জালে আৰু ফুলৰ
সুগন্ধিয়ে চৌপাশে মতলীয়া কৰে।
বকুলৰ পাতবোৰ ফাগুনৰ চঞ্চলা বতাহত সৰি পৰে।
নতুনৰ আশাৰে আকৌ এটি সপোনে গজালি মেলে।
সৰাপাতৰো নিজা কাহিনী থাকে।
জী নুঠাকৈয়ে সৰাপাত সতেজ। কুঁহি পাতবোৰে
নোৱাৰে সৰাপাতৰ দৰে জীয়া কাহিনী বহন কৰিব। ❑

## কবিতাৰ কুঁকি

# অশান্ত

দুলুৰাণী বৰগোহাঁই
বি.এড, দ্বিতীয় ষাণ্মাসিক

অশান্ত মনৰ নিস্তব্ধতা কি?
হয়তো তুমিয়ো বুজা...
কেউকাষে ভাঁহি থকা—
সমাজৰ কৃত্ৰিমতাক নেওচি
পলে-পলে বুকুত লৈ ফুৰা—
ই এক মনৰ বিষণ্ণতা...
সমাজত বাঢ়ি অহা দুৰ্নীতি দেখিও
নেদেখাৰ ভাও জুৰা—
জীৱশ্ৰেষ্ঠৰ কপটতা...
ক'বলৈ, কৰিবলৈ অজস্ৰ থকা স্বত্তেও
দিশহাৰা হৈ পৰা—
ই যেন এক নিৰৱতা..
গভীৰ নিশাৰ দৰে আৱৰি ৰখা
ই জীৱনৰ জটিলতা
পোৱা, নোপোৱাৰ অজুহাত বিচাৰি
মনক অস্থিৰ কৰা—
ই এক জীৱনৰ মাদকতা... ❑

# ৰঙৰ সুবাস

পূৰ্বাশ্ৰী সন্দিকৈ
চতুৰ্থ ষাণ্মাসিক

হিয়াৰ ৰাগিণীত আজি ৰঙৰ সুবাস
তীব্ৰ মৰম তাতে এনাজৰী প্ৰভাৱ
হৃদয়ৰ বান্ধোনত জিলিকণি
নতুনৰ বিশ্বাসৰ
দুপৰৰ ৰ'দালিৰ আঁৰতো
তাৰে প্ৰকাশ।

মনৰ প্ৰেৰণাবোৰ স্তব্ধ হৈ পৰা
নিৰিবিলি ৰাতি
শৰীৰৰ আচলৰ ছাঁৰ মাজেৰেও
দেখা পাওঁ সপোন জোনাকী
নিভাঁজ শূণ্যতাৰ মাজত
দেখা দিয়া মনৰ কথাটি
আকাশলৈ চাই ৰ'ম এদিন
তোমাক দুবাহুত সাবতি। ❑

# আঘোণ

কৰিশ্মা বৰুৱা
দ্বিতীয় ষাণ্মাসিক

আঘোণৰ সোণোৱালী পথাৰৰ গোঁৰ ধৰা ধাননি
নতুন সপোনৰ পোখা মেলা
পিতাইৰ ছিঁৰাল ফটা হাত ভৰি
আৰু ৰ'দে পোৰা দেহাটি...
অব্যক্ত আনন্দত ফুটি উঠা
আইৰ মুখখনি আৰু
বহুদিনৰ মূৰত দেখা শেঁতা পৰা হাঁহিটি...
ভঁৰালৰ লখিমীক দান কৰাৰ বিনিময়ত
থকা আমাৰ বহুৰঙী হেঁপাহৰ আশাৰ ৰেঙনি...
শাওণৰ বাৰিষাৰ ঢল আৰু নাকত লাগি থকা
কেঁচা মাটিৰ গোন্ধেই এই আঘোণ...
যাৰ আগমনত নিগৰিত হয়
পকা ধানৰ মাজে মাজে পোৱা
বনগীতৰ বেদনাবোৰ...
হেঙুলী আভাৰ লগত ছন্দ মিলাই যোৱা
পিতাইৰ কান্ধৰ ডাঙৰীভাৰ...
পাছে পাছে যোৱা আমি ঘৰমুৱা পখী,
শেষলৈ হোৱা বিনিদ্ৰ নৰা পেঁপাৰ বিননি,
ৰবাব টেঙা জোপাৰ দুখৰ কাহিনী,
আৰম্ভ হোৱা ভগ্ন হৃদয়ৰ ৰিক্ত অথচ
চিনাকি কেঁচা ঘামৰ শেষ নোহোৱা যাত্ৰাৰ লগৰী।❑

# সপোন

পৰিস্মৃতা বৰা
দ্বিতীয় ষাণ্মাসিক

যন্ত্ৰণাময় জীৱনত
ভাবনাৰ সাগৰত ডুব গৈ
ৰচিছিলোঁ অনেক মধুৰ সপোন।
সপোনৰ সন্ধান বিচাৰি
জীৱনৰ জখলা বগাব নাজানি
ৰৈ গৈছোঁ থমকি।
সফলতাৰ বাটিত বাৰে বাৰে
জীৱনটোত খাইছোঁ উজুতি
তাৰ পিছতো কিয় জানো
সপোনবোৰে অগা-ডেৰা কৰেহি
মোৰ এই জীৱনৰ বাটটিত। ❑

কবিতাৰ কুঁকি

## ফাগুন

মধুস্মিতা দলে
দ্বিতীয় ষাণ্মাসিক

ফাগুন, তুমি আহিবা
এজাক পছোৱা বুকুত বান্ধি
ধূলিয়ৰী বাটে বাটে,
গা নচুৱাই।
তোমাৰ বুকুত বাউলি হোৱা
এজাক চেঙেলীয়া পছোৱাই
বাৰে বাৰে জোকাৰি যায়
মোৰ হৃদয়ৰ কোঠা।

ফাগুন, তুমি আহিলেই
লঠঙা শিমলুৰ ডালে ডালে
সেন্দুৰীয়া হৈ পৰে,
আকাশত ৰঙৰ আবিৰ সিঁচি
লুগাঙৰ বতৰা বিলাই
গুমৰাগ, ঐনিতমৰ সুৰত
বাজি উঠে মোৰ প্ৰেমৰ ছন্দ।
ফাগুন, তুমি এনেকৈয়ে আহিবা
এজাক পছোৱা বুকুত বান্ধি। ❑

## Dear Life

Karishma Baruah
2nd Semester

Dear life take it slow.
Play some games and let me grow.
Dear life have a steady flow.
The scorching sun gives a pleasant glow.

Dear life do not thrive
Treasure the moments in your glorious archeive.
Dear life value time.
Never leave any nickel or dime.

Dear life you are short.
Never let your focus distort.
Dear life strive for your goal.
Diamonds are also found in the mines of coal. ❑

কবিতাৰ কুঁকি

# ভ্ৰমবিলাস

বৰ্ণালী চাংমাই
দ্বিতীয় ষাণ্মাসিক

(১)

জীৱন জীৱন্ত প্ৰাণত, আবেগত তাৰ জীয়ন...
জীৱনৰ কোনো এক দুৰ্বল মুহূৰ্তৰ চৰম সীমা অতিক্ৰমি,
সেই সময় সকলোৰে আহে,
সকলোৰে নাহে।
মোৰ যদি ভুল হোৱা নাই
তেন্তে সেই ৰৌদ্ৰোজ্জ্বল বয়সৰ কোনো দোষ নাই।
নভবাকৈ যদি থকা নাই,
এই বয়সত ভাল-বেয়াৰ কোনো সংজ্ঞা নাই।

(২)

ই মোৰ মানস তীৰত জমা হোৱা
নিৰৰ্থক আৱেগ হ'ব পাৰে...!
নাইবা
গভীৰ অন্তৰীক্ষত সাঁতুৰি পাৰ নেদেখা সমুদ্ৰতীৰৰ ভ্ৰম ...!
ভ্ৰমত সকলো অচেতন....
ভ্ৰমত জী থকা মানুহৰ জীৱন বুলিবলৈ একো নাই।
অসত্য বুলিবলৈ কোনো সত্য নাই..
ভ্ৰমবিলাসীৰ পৃথিৱীত অস্পৃশ্যতাক বাদ দি সকলো সত্য। ❑

কবিতাৰ কুঁকি

# লিমাৰিক

এন্থনি বড়া
দ্বিতীয় ষাণ্মাসিক

সভাই সমিতিয়ে গহীন ভাষণ, দিয়ে অহিংসা নীতি
নিজগৃহে আকৌ বনকৰাক দিয়ে কিল, ভয়-ভীতি ।।
মুখত মিঠা, পেটত কপট
আঁতৰি থাকিবা বিদ্যা শপত ।।
ঘৰত চলে চিঞৰ-বাখৰ চিন নাই দিন-ৰাতি ।।

চাকৰিটো শুনিবলৈ ভাল, সকলোতে আতক নাতক।
মাহৰ শেষত মিলাব নোৱাৰি প্ৰাধান্য দিয়ে ধাৰক ।।
বাণিজ্যতহে বসতি লক্ষ্মী
ৰাইজখনেই দেখোন সাক্ষী
পিছে মাক-বাপেকে কন্যালৈ বিচাৰে চাকৰিজীৱী যুৱক ।।

সকলোৰে কাম্য এককেন্দ্ৰিক পৰিয়াল ।
সলনি হ'ল সকলো, সলনি হ'ল দিনকাল ।।
বিপদতহে সহোদৰ, আই-পিতাই
নহ'লে চাবলৈ অকণো সময় নাই ।
আই-পিতায়ে মাত নিদিলেহে লাগে পয়মাল ।। ❑

# ধেমাজিৰ জীয়াবান, ল'ৰালিৰ জীয়াছবি

কল্যাণী চাংমাই
চতুৰ্থ ষাণ্মাসিক

(১)

ধেমাজিৰ জীয়াবানে উৰ্বৰ কৰা আমাৰ ল'ৰালি। ল'ৰালিতে বানত উটি অহা কাঠবোৰ চাই আমি মখাই এক অজান পুলক অনুভৱ কৰিছিলোঁ। চৰাই, জন্তু আৰু কেতিয়াবা মানুহৰ শও দলঙবোৰৰ তলেৰে পাৰ হৈ গৈছিল। ধাননি পথাৰত নতুবা অন্য গছত লাগি ধৰিলে ডাঙৰ কোনোবাই সেইবোৰ খুচি উটুৱাই দিছিল। এতিয়াহে অনুভৱ কৰিছোঁ কাৰোবাৰ চকুটো জীয়াবান কোবাইছিল প্ৰতিটো শ'য়ে।

(২)

পানী বাঢ়িলেই আৰম্ভ হয় আমাৰ অযুত প্ৰাৰ্থনা। হে প্ৰভু! মাৰি নিয়া দ-পথাৰৰ ন-ৰোৱা। উটুৱাই দিয়া, ভাঙি দিয়া ভঁৰাল। নহ'লে যে এল.পি. স্কুল নতু খলিহামাৰী তিনিআলিত দিয়া ৰিলিফ চাউল, দালি, নিমখ আদি দেউতাৰ লগত আনিবলৈ গৈ খেলাৰ পৰা বঞ্চিত হ'ম। তেতিয়াৰ দিনত সৰুমখাৰ মাজত লিংগ পাৰ্থক্য কম; ল'ৰাও ছোৱালী, ছোৱালীও ল'ৰা। উভয় লিংগৰ পৃথিৱী।

(৩)

কলৰভুৰৰ সেই যাত্ৰা। দাদাহঁতৰ লগত সিহঁতে পাৰি দিয়া হেলচ খোৱা, জালৰ মাছ এৰোৱা, নাৱতে এঘৰৰ পৰা সিঘৰলৈ যোৱা ক'ত যে কি! এডাল লগি মাৰিকে সাৰথি কৰি আমাৰ কেইটামানৰ অদম্য সাহস, বিশাল জলৰাশি ফালি। ঘৰৰ প্ৰতিটো সামগ্ৰীৰ তলত ইটা, কাঠ আদি দি পানীয়ে ঢুকি নোপোৱা কৰিবলৈ কি যে ব্যস্ততা। পানী শেষ হোৱাৰ পাছত আকৌ এখন নতুন ঘৰ। মাৰ লগত ঘৰৰ ভিতৰৰ ঘেল উটুওৱা, বাহনী মৰা, ঘৰ মোচা..... হাজাৰটা কাম। মাহঁতৰ চকুত পানী, আমাৰ মুখত হাঁহি। ল'ৰালিৰ বিবেকে ঢুকি নাপায় দুখৰ পৃথিৱী। ❑

গ্ৰন্থ সমালোচনা

# ‘বকুল ফুলৰ দৰে’ঃ এক চমু অৱলোকন

অনিন্দিতা গগৈ
দ্বিতীয় ষাণ্মাসিক

নব্বৈ দশকৰ পিছত নিজস্ব শৈলীৰ মৌলিকতাৰে যিকেইজন তৰুণ প্ৰজন্মৰ প্ৰতিভাৱান গল্পকাৰ ওলাই আহিছে সেইসকলৰ ভিতৰত ড° মৃণাল কলিতা অন্যতম। ২০২১ চনৰ ৩০ ডিচেম্বৰত সাহিত্য অকাডেমিৰ ‘শিশু সাহিত্য বঁটা’ পাবলৈ সক্ষম হোৱা উপন্যাস ‘বকুল ফুলৰ দৰে’ ড° মৃণাল কলিতাৰ প্ৰথম উপন্যাস। লেখকৰ এই প্ৰথম উপন্যাসখনেই সকলো বয়সৰ পাঠকৰ মানসপটত এক সুকীয়া আসন লাভ কৰিবলৈ সক্ষম হৈছে।

‘বকুল ফুলৰ দৰে’ উপন্যাসখন মূলতঃ কিশোৰ চৰিত্ৰক কেন্দ্ৰ কৰি সেই সমাজখনৰ আৰ্থিক, সাংস্কৃতিক, শৈক্ষিক, ৰাজনৈতিক আদি দিশক দেখুৱাবলৈ যত্ন কৰাৰ লগতে জীৱনত উত্তৰণৰ দিশত আগবাঢ়ি যাবলৈ যে কঠোৰ সংগ্ৰামৰ লগতে অদম্য মনোবলৰ প্ৰয়োজন সেই সম্পৰ্কেও প্ৰতিফলিত কৰিছে। ইয়াৰ উপৰিও, শিশু আৰু কিশোৰৰ পৃথিৱীখনৰ সৰলতা, অকৃত্ৰিমতা আৰু নিৰ্ভেজাল উপলব্ধিবোৰ প্ৰাপ্তবয়স্কৰ হিচাপী, স্বাৰ্থ জড়িত জগতখনৰ লগত নিমিলে। সেই পৃথিৱীখনক আমি সদায় সঠিকভাৱে বুজিব পাৰোঁনে? তেওঁলোকৰ আৱেগ আৰু যন্ত্ৰণাক, বেলেগ বেলেগ ধৰণৰ সংঘাত আৰু মনৰ তৰপবোৰক? আমি কিমান আন্তৰিকতা আৰু সৰলতাৰে তেওঁলোকৰ সংবেদন জগতত টোকৰ দিওঁ? এই উপন্যাসখন পঢ়ি থকাৰ সময়ত আমাৰ মন-মগজুত এই প্ৰশ্নসমূহেই টোকৰ দিয়ে।

উপন্যাসৰ কাহিনীটো অসীম নামৰ এজন কিশোৰৰ সংশয়জড়িত মনৰ দ্বিধা তথা দ্বন্দ্বৰে আৰম্ভ হৈছে। পঢ়াৰ তীব্ৰ হেঁপাহ থকাৰ সত্বেও মদপী পিতৃ আৰু দৰিদ্ৰতাই কোঙা কৰা ঘৰখনৰ সমস্যাৰ বাবে পঢ়া এৰি বয়সৰ আগতেই প্ৰাপ্তবয়স্কৰ দৰে চিন্তা কৰি দুপইচা অৰ্জন কৰিবলৈ শিলৰ কুঁৱেৰীত কাম কৰিবলৈ লয়। আনফালে, অভাৱত পৰি স্কুল এৰা কথাটো অসীমৰ কোমল হৃদয়ৰ বন্ধু নিৰ্মলে সহ্য কৰিব নোৱাৰে। অসীমৰ পঢ়াৰ প্ৰতি ধাউতি কমি যোৱাৰ ফলত নিৰ্মলেই শ্ৰেণীত প্ৰথম হয় যদিও সেই সফলতাই নিৰ্মলক সন্তুষ্টি দিব নোৱাৰে। কাৰণ নিৰ্মলে জানে যে অসীম অতুলনীয় মেধাৰ অধিকাৰী। আনহাতে,

অসীমৰ আৰ্থিক অসুবিধাৰ দৰেই নিৰ্মলৰো শাৰীৰিক অসুস্থতাই শিক্ষাৰ ক্ষেত্ৰত বাধাৰ প্ৰাচীৰ হৈ আছে। কিন্তু মনত অদম্য হেঁপাহ থকাৰ বাবে নিৰ্মলে হাৰ নেমানে আৰু সেই বাবে অসীমকো হাৰ নেমানি আগবাঢ়ি যাবলৈ সহায় কৰিব বিচাৰে। অসীমৰ পঢ়াৰ প্ৰতি ধাউতি কমি অহাত বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, বিশেষকৈ অতি কাঢ়া মহেন্দ্ৰ মাষ্টৰো অসন্তুষ্ট হোৱাৰ লগতে চিন্তিত হৈ অসীমক যথেষ্ট গালি-শপনি পাৰি খং কৰিছিল। কিন্তু অসীমে স্কুল এৰা বা পঢ়াৰ প্ৰতি ধাউতি কমি যোৱাৰ আঁৰত কি কথা আছে, অসীমৰ মন-মগজুত কিহৰ চিন্তাই ইমান খেদি আছে সেই সম্পৰ্কে জানিবলৈ, বুজিবলৈ কোনোৱেই চেষ্টা নকৰিলে। কিন্তু সেই সময়তে বিদ্যালয়লৈ দেৱদূতসদৃশ অনুভৱ মাষ্টৰৰ আগমন ঘটিল, যি প্ৰথমতে ছাত্ৰ-ছাত্ৰীৰ সমস্যাসমূহ, তেওঁলোকৰ কোমল মনবোৰক বুজি তেওঁলোকৰ লগত বন্ধুত্বসুলভ মনোভাৱ ৰাখিবলৈ যত্ন কৰিছিল। এই বন্ধুত্বসুলভ মনোভাৱৰ বাবেই অনুভৱ মাষ্টৰে অসীমক পুনৰ বিদ্যালয়লৈ ওভোতাই আনিবলৈ সক্ষম হোৱাৰ লগতে অসীম আৰু নিৰ্মলে পোহৰৰ বাটত আগুৱাই গৈ মেট্ৰিক পৰীক্ষাত ৰাজ্যখনৰ ভিতৰতে স্থান লাভ কৰিবলৈ সক্ষম হ'ল। এইখিনিতে উল্লেখ কৰিব লাগিব যে অনুভৱ মাষ্টৰে কেৱল পৰীক্ষাত সফল হোৱা মেধা শিক্ষাৰ্থীসকলৰ লগতে পৰীক্ষাত বিফল হোৱা অথচ বাঁহী বাদনৰ দৰে বিশেষ প্ৰতিভাৰ অধিকাৰী সীমান্তহঁতৰ দৰে সকলো শিক্ষাৰ্থীৰে উত্তৰণৰ দিশত মনোনিৱেশ কৰিছিল। সীমান্তৰ আত্মবিশ্বাস জগাই তুলিবলৈ অনুভৱ মাষ্টৰে ক'ব পাৰে, "অকল তুমিহে ইমান ধুনীয়াকৈ বাঁহী বজাব পাৰা সীমান্ত, আমাৰ স্কুলৰ কোনেও তোমাৰ দৰে বাঁহী বজাব নাজানে।"

প্ৰকৃতাৰ্থত, লেখকে ইমান সুন্দৰ আৰু সাৱলীলভাৱে বাস্তৱ সমাজখনৰ লগত খাপ খুৱাই উপন্যাসখন উপস্থাপন কৰিছে যে পঢ়ুৱৈৰ মানসপটত উপন্যাসৰ দৃশ্যসমূহ ভাঁহি উঠাৰ লগতে শিক্ষক আৰু ছাত্ৰৰ মাজৰ সম্বন্ধক সজীৱ কৰি তুলিছে। পঢ়াৰ প্ৰতি বা কিবা এটা কাম কৰিবলৈ মনত তীব্ৰ হেঁপাহ থাকিলে শাৰীৰিক অসুস্থতা আৰু দৰিদ্ৰতা উত্তৰণৰ দিশত যে বাধাৰ প্ৰাচীৰ হ'ব নোৱাৰে সেই কথা নিৰ্মল আৰু অসীমে প্ৰমাণ কৰি দেখুৱালে। পৰীক্ষাত বিফল হ'লেও বহু ছাত্ৰ-ছাত্ৰীৰ পঢ়াৰ বাহিৰেও আন কোনো দিশত সুন্দৰ ভৱিষ্যত থাকিব পাৰে। সেয়েহে ছাত্ৰ-ছাত্ৰীৰ উজ্বল ভৱিষ্যতৰ সম্ভাৱনাৰ দিক্ নিৰ্ধাৰণৰ দায়িত্ব শিক্ষকৰ লগতে আমাৰ প্ৰত্যেকৰে থাকিব লাগে বুলি কাহিনীটোক সমাপ্তিৰ দিশেৰে লৈ যোৱা হৈছে।

সমাজৰ বাস্তৱ জীৱনভিত্তিক আধাৰত ৰচিত সৰল ব্যঞ্জনাময় বৰ্ণনা এই উপন্যাসখনৰ কিছুমান প্ৰেৰণাদায়ক সংলাপ বা কথাবোৰে পাঠকৰ মনত বাৰুকৈয়ে সাঁচ বহুৱাই থৈ যায়। তাৰেই ভিতৰত কেইটামান সংলাপ তলত আগবঢ়োৱা হ'ল—

⇨ "দুখ, ধুমুহা থাকিব সেইবোৰৰ মাজতে জীৱন, তাৰ মাজতেই জীয়াই থাকিব লাগিব। সেইবোৰৰ অৱসানৰ বাবে অপেক্ষা কৰি থাকিলে জীয়াই থকা আৰু নহ'ব।"

⇨ "তোমাৰ মনটো এখন মোনাৰ দৰে— সেই মোনাখন পেলনীয়া আৱৰ্জনাৰে ভৰ্তি কৰিবানে ধুনীয়া ধুনীয়া সম্পদেৰে ভৰ্তি কৰিবা সেয়া নিৰ্ভৰ কৰিব তোমাৰ ওপৰত।"

⇨ "আচলতে চৰকাৰে মানুহবোৰক কাম কৰি উপাৰ্জন কৰিব পৰাৰ ব্যৱস্থা কৰি দিব লাগিছিল। তেতিয়া মানুহবোৰৰো লাভ হয়, দেশখনৰো অৰ্থনীতি মজবুত হয়। সেই যে এটা চীনা প্ৰবচন আছে— আপুনি মানুহ এজনক মাছ এটা দিয়ক, তেওঁ মাছ খাব, মানুহজনক মাছ মাৰিবলৈ শিকাওক, তেওঁ গোটেই জীৱন মাছ মাৰি খাব।"

⇨ "সাংস্কৃতিক ক্ষেত্ৰত আমি কিমান সজাগ? অকল সাংস্কৃতিক সন্ধ্যা পাতি জানো সংস্কৃতি ৰক্ষা হ'বনে? বছৰি লাখ টকা খৰছ কৰি নানান সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন নকৰি এখন লাইব্ৰেৰী স্থাপন কৰিব নোৱাৰিনে?"

⇨ "আমি ধৰ্মৰ নামত যিমান দান বৰঙণি আগবঢ়াও ঠিক সেইধৰণে আন আন ক্ষেত্ৰত গুৰুত্ব সহকাৰে দান-বৰঙণি আগবঢ়াও নে?"

⇨ "দুখৰ সাগৰত বুৰি যাব খুজিলেও, আন্ধাৰত হেৰাই যাব খুজিলেও কেতিয়াবা বুৰি যাব নোৱাৰি, হেৰাই যাব নোৱাৰি।"

⇨ "মন এটা আছে যেতিয়া কেতিয়াবাতো বেয়া লাগিবই! মাত্ৰ দুখবোৰ ভিতৰত সাঁচি থ'ব নালাগে। তোমাৰ মনৰ লগত মিলা, তোমাক বুজি পোৱা, তোমাৰ আৱেগ অনুভূতিক বুজি পোৱা কাৰোবাৰ সৈতে কথাবোৰ পাতিবা।" ❑

প্ৰতিখন কিতাপৰ আঁৰত একোজন মানুহ আছে। মানুহজনৰ আঁৰত এটা জাতি আছে। জাতিটোৰ আঁৰত প্ৰাকৃতিক আৰু সামাজিক বাতাবৰণ আছে। অজ্ঞাতসাৰে এই সকলোবোৰ প্ৰভাৱ একোখন কিতাপত প্ৰতিফলিত হয়।

ভ্ৰমণ কাহিনী

# শ্বিলঙত এভুমুকি

পুবালীমা বড়া
বি.এড. চতুৰ্থ ষাণ্মাসিক

উত্তৰ পূৰ্বাঞ্চলৰ এখন অন্যতম পৰ্যটনথলী হৈছে শ্বিলং। এই ঠাইখন খাচী পাহাৰৰ অন্তৰ্গত মেঘালয় মালভূমিত অৱস্থিত। ভিন্ন ঠাইৰ পৰা ভিন্নজন শ্বিলঙৰ মনোৰম প্ৰাকৃতিক সৌন্দৰ্য উপভোগ কৰিবলৈ আহে। ব্যস্ততাৰে ভৰা জীৱনৰ পৰা আঁতৰি প্ৰকৃতিৰ মাজত পাৰ কৰে কিছু সময়। নিৰ্মল জলবায়ু আৰু প্ৰাকৃতিক সৌন্দৰ্যৰে মনোমোহা শ্বিলঙক 'প্ৰাচ্যৰ স্কটলেণ্ড' (Scottland of the East) হিচাপেও জনা যায়।

গুৱাহাটীৰ পৰা শ্বিলঙৰ দূৰত্ব প্ৰায় ৯৮ কিঃমিঃ। সদায় শুনি থকা আমাৰ ৰাজ্যখনৰ গাতে লাগি থকা এই মনোৰম ঠাইখন চোৱাৰ হাবিয়াস এটা সদায় মনৰ মাজত পুহি ৰাখিছিলো। সেয়ে ২০২৩ চনৰ জুলাই মাহৰ গৰমৰ বন্ধত শ্বিলং যোৱাৰ কথা ঠিক কৰিলো। জুলাই মাহৰ ২০ তাৰিখে আমি (মই, মোৰ স্বামী আৰু ল'ৰা) ধেমাজিৰ পৰা ৰে'লেৰে গুৱাহাটীলৈ বুলি যাত্ৰা আৰম্ভ কৰিলো। ২১ জুলাই তাৰিখে পুৱা প্ৰায় ৭ বাজি ৩০ মিনিটত আমি গুৱাহাটীত উপস্থিত হওঁ। মোৰ পেহীৰ ঘৰত আমি জিৰণী লৈ দুপৰীয়া আহাৰ গ্ৰহণ কৰি মোৰ স্বামীৰ এগৰাকী বান্ধৱীৰ সৈতে সেইদিনাই আমি শ্বিলঙলৈ বুলি এখন গাড়ী ভাড়া কৰি লৈ যাত্ৰা আৰম্ভ কৰিলো। দিনৰ ১ মান বজাত গুৱাহাটীৰ পৰা যাত্ৰা কৰি আবেলি ৪ মান বজাত শ্বিলঙত উপস্থিত হ'লো। আমি যোৱা গাড়ীখন শ্বিলঙৰে আছিল। গাড়ীচালক দাদাজনে আমাক প্ৰথমে শ্বিলঙৰ মূল টাউনৰ আশে-পাশে থকা শ্বিলং Golf Course, কেথেড্ৰে'ল গীৰ্জাঘৰ, Ward's Lake ইত্যাদি দেখুৱাই। ইয়াৰ পাছত আমি পূৰ্বতে বুক কৰি থোৱা হোটেললৈ যাও। হোটেল গৈ পাওঁতে সন্ধিয়া ৬ মান বাজিছিল। হোটেলত ফ্ৰেচ হৈ আমি কেয়াৰ টেকাৰ জনে দি যোৱা সামগ্ৰীৰে আটায়ে একাপ চাহ খাই ল'লো।

আমাৰ হোটেলখন শ্বিলঙৰ জনপ্ৰিয় পুলিচ বজাৰৰ ওচৰতে আছিল। ১০০ মিটাৰ মানহে দূৰত্ব হ'ব। আমি আটাইকেইজন পুলিচ বজাৰ চাবলৈ ওলাই আহিলো। ফাষ্টফুড খালো আৰু অলপ ফুৰিলো। হোটেললৈ ঘূৰি গৈ খাই বৈ আটায়ে শুই পৰিলো।

পুনৰ দ্বিতীয় দিনাৰ যাত্ৰা আৰম্ভ কৰিলো। একেখন গাড়ীৰে আমি শ্বিলং ভ্ৰমণৰ বাবে সাঁজু হ'লো। শ্বিলঙৰ একাবেকা ৰাস্তাৰে গৈ থাকোতে ইয়াৰ চৌপাশৰ ওখ পাহাৰৰ সেউজীয়াবোৰে মন পুলকিত কৰি তুলিছিল। প্ৰকৃতিৰ এক অপূৰ্ব ৰূপ, পাহাৰৰ মাজেৰে বৈ অহা পানীৰ ঝৰ্ণাৰ কুলুকুলু শব্দ আৰু প্ৰকৃতিৰ এক দৃষ্টিনন্দন দৃশ্য। প্ৰথমে আমি শ্বিলঙৰ এলিফেন্ট জলপ্ৰপাত (**Elephant fall**) চালো। এই জলপ্ৰপাত অতি মনোমোহা। গাড়ীৰ দাদাজনে আমাক শ্বিলঙৰ পৰ্যটনথলী সমূহ ক্ৰমান্বয়ে দেখুৱাই আগবাঢ়িছিল। **Shillong Peak**, লাইটলাম কেনিয়ন (**Laitlum Canyons**) আদি বহুতো।

ইয়াৰ পাছত আমি চেৰাপুঞ্জীলৈ বুলি যাত্ৰা কৰিলো। মেঘালয় প্ৰদেশৰ এক অন্যতম পৰ্যটনথলী হৈছে চেৰাপুঞ্জী। শ্বিলঙৰ পৰা ইয়াৰ দূৰত্ব প্ৰায় ৬০ কিঃমিঃ। চেৰাপুঞ্জীৰ জলপ্ৰপাত আৰু গুহা সমূহে পৰ্যটকসকলক সদায় আকৰ্ষিত কৰে। ইয়াৰ প্ৰাকৃতিক সৌন্দৰ্য একেদিনাই উপভোগ কৰি শেষ কৰিব নোৱাৰি। আমি যিমান সম্ভৱ ইয়াৰ ভিন্ন সৌন্দৰ্য উপভোগ কৰিবলৈ চেষ্টা কৰিছিলো।

নোহকালিকাই জলপ্ৰপাত (**Nohkalikai Falls**), ছেভেন চিষ্টাছ জলপ্ৰাপাত (**Seven Sisters Falls**), মাওচমাই গুহা (**Mawsmai Cave**) আদিৰ সৌন্দৰ্যই মন পুলকিত কৰি তুলিছিল। চেৰাপুঞ্জীৰ আন আন পৰ্যটনথলী সমূহ হৈছে ডাবল ডেকাৰ লিভিং ৰুট ব্ৰীজ (**Double Decker Living Root Bridge**), মাওচিনৰাম ভিলেজ (**Mawsynram Village**) যিখন হৈছে শান্তিপূৰ্ণ এখন সৰু গাঁও। ইকো পাৰ্ক (**The Eco Park**), দাওকি (**Dawki**), ৱাকাবা জলপ্ৰপাত (**Wakaba Falls**), আৰৱাহ গুহা (**Arwah Cave**), এছিয়াৰ আটাইতকৈ পৰিস্কাৰ গাঁও মাওলিননং (**Mawlynnong Village**) ইত্যাদি।

উত্তৰ পূৰ্বৰ অতি মনোমোহা প্ৰাকৃতিক পৰিৱেশৰ সৌন্দৰ্য উপভোগ কৰি শ্বিলঙত দুটা দিন কটাই আমি ২৩ জুলাই তাৰিখে গুৱাহাটী পালোহি। শ্বিলং-চেৰাপুঞ্জীৰ যি প্ৰাকৃতিক সৌন্দৰ্য সেয়া কৈ বা লিখি বৰ্ণনা কৰিব নোৱাৰি। ইয়াৰ সৌন্দৰ্য চকুৰে চাইহে অনুভৱ কৰিব পাৰি। এই পাহাৰীয়া ঠাইখনৰ ভ্ৰমণে আমাক অতি সুখ আৰু আনন্দ প্ৰদান কৰিলে। ❑



নাটক

# অন্যৰ প্ৰতি ব্যৱহাৰ

গীতাশ্ৰী চুতীয়া
চতুৰ্থ ষাণ্মাসিক

**চৰিত্ৰঃ**

অজিত (স্বামী)
পদ্মিনী (স্ত্ৰী)
পাপৰি (কন্যা)
পদ্মনাভ (পুত্ৰ)
সুশান্ত হাতীবৰুৱা (বন্ধু)

(মঞ্চত সম্ভ্ৰান্ত পৰিয়ালৰ কোঠালি দেখা যাব। ভিতৰত পদ্মিনীয়ে নিজৰ কামত ব্যস্ত থাকে। এনেতে অজিত বজাৰৰ পৰা আহিব।)

অজিত ঃ (ঘৰৰ পৰিৱেশলৈ লক্ষ্য কৰি) বাঃ! আজি কি সুন্দৰ পৰিৱেশ। যেন এক নন্দন কানন। (ঘৈণীয়েকক উদ্দেশ্য কৰি) হেৰা আজি কি মন গ'ল হে? ভিতৰত সোমাই মনটো কিবা নষ্টালজিক হৈ পৰিছে।

পদ্মিনী ঃ কি হ'ল! বজাৰৰ পৰা আহিয়ে ইমান চিঞৰ-বাখৰ।

অজিত ঃ আঃ হাঃ, চিঞৰ-বাখৰ কৰা নাই।

পদ্মিনী ঃ মানে কি ক'ব বিচাৰিছা?

অজিত ঃ আজিৰ ঘৰখনৰ পৰিৱেশে মোক মোহিত কৰিছে। এইবোৰ তোমাৰ বাবে সম্ভৱ হৈছে। সেয়েহে তুমি শলাগৰ পাত্ৰী।

পদ্মিনী ঃ হ'ব, হ'ব, কাম কৰিলে শলাগ লোৱা। এইবিলাক কোনো প্ৰয়োজন নাই। নিজৰ দায়িত্ব পালন কৰা। বাৰু বজাৰৰ পৰা কি আনিছা?

অজিত ঃ অলপ বৰলীয়া মাছ আৰু শাক-পাচলি।

পদ্মিনী ঃ (খঙেৰে) কি ক'লা? বৰলীয়া মাছ? ভাল মাছ আৰু বজাৰত দেখি নাপালা? বজাৰত আড়ি,

চিতল, শ'ল আদি মাছবোৰ নাই নেকি?

অজিত ঃ আছে। সকলো মাছেই আছে। মানে আজি আবেলি মোৰ বন্ধু হাতীবৰুৱা আমাৰ ঘৰলৈ আহিব। সেয়েহে...

পদ্মিনী ঃ সেয়েহে কি? তোমাৰ বন্ধু আহিলে ভাল মাছ আনিবা নহয় জানো? (ঠাট্টা সুৰত)

অজিত ঃ হাঃ হাঃ হাঃ। তুমি বৰ ধেমেলীয়া মানুহ। বুজাই নাছিলোঁ মই তুমি ইমান ধেমালি কৰিব পাৰা বুলি। ভাল কথা।

পদ্মিনী ঃ **Mind your language**; নিজৰ পত্নীক গুৰুত্ব দিয়াতকৈ আনক গুৰুত্ব দি কি লাভ? জীৱনত তুমি মোক কি দিছা? বাহিৰত ফুৰাবলৈ নিছা নে? মোৰ ইচ্ছা মতে কাপোৰ কিনি দিছানে?

অজিত ঃ নিজৰ অৰ্দ্ধাংগিনী সদায় নিজৰ। সেয়েহে কথাবোৰ চিঞৰি নকৈ সজ আচৰণৰ ওপৰত গুৰুত্ব দি মিঠা কথাৰে নিজৰভাৱ সমূহ প্ৰকাশ কৰিলে একেবাৰে নিজৰ হৈ পৰে।

পদ্মিনী ঃ তাৰ মানে মই আনৰ?

অজিত ঃ কথাবোৰে আঁতৰাই দিয়া যেন লাগে।

পদ্মিনী ঃ নিজৰ পত্নীক এনেদৰে ক'ব পাৰিলা।

অজিত ঃ কুকুৰে ভোকা নিচিনাকৈ কথা ক'লে নিজৰ বুলি ভবা হয় জানো? নিজৰ বা আন ব্যক্তিৰ সৈতে কথোপকথনৰ সময়ত মিঠা মাত আৰু নম্ৰ ব্যৱহাৰৰ ওপৰত গুৰুত্ব দিব লাগে। কথাটো অলপ ভাবি চাবা।

পদ্মিনী ঃ তেন্তে, মই তোমাৰ আলহী অহাৰ সময়ত একো কাম কৰিব নোৱাৰোঁ।

পাপৰি ঃ মাঃ অ' মাঃ। কিনো কাজিয়া কৰিছা। আমাৰ তাঁৰৈদেউ আহিব। আমি আনন্দ কৰিম। একেলগে ভাত এসাঁজ খাম।

অজিত ঃ হ'ব মাজনী। আবেলিলৈ তাঁৰৈ আহিব। তুমি আৰু মই মিলি ভাত ৰান্ধি সকলোকে এসাঁজ তৃপ্তিৰে খোৱাম। (এনেতে পদ্মনাভ)

পদ্মনাভ ঃ দেউতা কিনো কথা পাতিছা। ইমান হুলস্থুল হৈছে যে।

অজিত ঃ তোমাৰ মাৰাই এইবোৰ কৰিছে।

পদ্মনাভ ঃ দেউতা, অনবৰতে খঙেৰে কথা ক'লে যিমানেই মৰম নাথাকে সি অথলে যায় বুলি মায়ে নাজানে। আনক ভাল আচৰণ কৰি যে নিজে শান্তি অনুভৱ কৰিব পাৰি, সেই কথা মাক ময়েই বুজাই দিব লাগিব।

অজিত ঃ হ'ব বাচাহঁত, এতিয়া নিজৰ কামত লাগো।

পদ্মনাভ আৰু পাপৰি ঃ (একেলগে) হ'ব দেউতা।

পদ্মিনী ঃ আই ঐ, কি যে ভাগ্যৰ লিখন। নিজৰ মানুহজনে আনকহে গুৰুত্ব দিয়ে। এনেকুৱা মানুহক

ভুকুৰাই ভুকুৰাই মাৰিব লাগে।
(সুশান্ত হাতীবৰুৱাই মাত লগাই।)

সুশান্ত ঃ হেৰা বন্ধু, ঘৰত আছানে?

অজিত ঃ অ' বন্ধু, আহা। সোমাই আহা।

সুশান্ত ঃ কি কামত ব্যস্ত বন্ধু?

অজিত ঃ নাই, নাই। ভাত খাই উঠিছোহে।
(এনেতে পদ্মিনীয়ে মাত লগাই)

পদ্মিনী ঃ হেৰী বন্ধু আহিলে। ভালনে আপোনাৰ?

সুশান্ত ঃ ভালেই। আপোনাৰ কেনে?

পদ্মিনী ঃ আছোঁ আৰু। আমিতো আপোনাৰ নিচিনা নহয়।

অজিত ঃ বাৰু বন্ধু, তুমি অলপ কথা পাতা মই বজাৰৰ পৰা আহোঁগৈ।

সুশান্ত ঃ হ'ব। তেন্তে, দেৰি নকৰিবা।

পদ্মিনী ঃ কি যে হ'ব। আমাৰ এওঁ বৰদামী। নিজতকৈ আনকহে গুৰুত্ব দিয়ে।

সুশান্ত ঃ হয়, তেখেতৰ এইটো ল'ৰালিৰ স্বভাৱ।

পদ্মিনী ঃ সেইটোৱে তেওঁৰ দুৰ্বলতা। এই কথাটোৰ বাবেই আমাৰ দুজনৰ মাজত কাজিয়া।

সুশান্ত ঃ তাৰ মানে? (আচৰিত হৈ) মই বুজা নাই। (এনেতে অজিত বজাৰৰ পৰা আহি পায়)

অজিত ঃ হেৰা, মই আহিলোঁ। এয়া বজাৰ কৰি আনিছোঁ- ঔটেঙা আৰু কচু দি মাছ ৰান্ধা।

পদ্মিনী ঃ হ'ব দিয়ক, কোনো দিন খাই নোপোৱা মাছ দুয়ো বন্ধুৱে খাবা (ভিতৰত যায়)

অজিত ঃ মানুহবোৰে যে আনক ইতিকিং কৰা স্বভাৱটো এৰিব নোৱাৰে। এইবোৰে আচৰণ বেয়া কৰে। কি কোৱা বন্ধু?

সুশান্ত ঃ এইটো সৰু কথা। লোকৰ কথা খোঁচৰি ফুৰা এবিধো আছে। এই লোকসকলৰ মনটো লেতেৰা, মুখখন চাফা।

অজিত ঃ হাঃ হাঃ হাঃ। হয় হয়। এই লোকসকলকে 'বগলী ভকত' বুলি কয়।
(পদ্মিনীৰ প্ৰৱেশ)

পদ্মিনী ঃ (খঙত) হেৰি ভাত আনিছোঁ।

অজিত ঃ বন্ধু আহা। (সকলো ভাত খাবলৈ বহে)

সুশান্ত ঃ বৰধুনীয়া হৈছে। আড়িমাছ চাগৈ?

পদ্মিনী ঃ হয়। দকচি খাওক। ঘৰত কোনো দিন খোৱাই নাই চাগৈ।

সুশান্ত ঃ তেনেকে নক'ব। খাইছোঁ দিয়ক।

পদ্মিনী ঃ খাইছে চাগে, বেলেগ মাছ। (সুশান্তই ভাত খাবলৈ এৰি চিন্তিত হয়)

সুশান্ত ঃ মোৰ খোৱা হ'ল আৰু।

অজিত ঃ (সকলোৰে সুশান্তলৈ চাই) কিয়?

সুশান্ত ঃ মোৰ পেট ভৰিল। মই আহিছোঁ সুশান্তই খৰ-ধৰকৈ হাত ধোৱে। মই আহিলোঁ, তোমালোকে খোৱা।

অজিত ঃ (খঙত) মই কৈছিলোঁ নহয় আনক শ্ৰদ্ধা কৰিব লাগে। আনক নীচ বুলি ভবাতকৈ আনৰ গুণ বখানিব লাগে। এতিয়া কি হ'ব? নিজৰ সন্মান হানি হ'ল। তেওঁ ভাত নোখোৱাকৈ গুচি গ'ল।

পদ্মনাভ ঃ মা, তুমি আনক কিয় ভেঙুচালি কৰিছা। ময়ো ভাত নাখাওঁ।

পাপৰি ঃ মানুহক অপমান বা অমান্য কৰি তেওঁৰ মান ৰখাব নোৱাৰি। বৰঞ্চ, নিজৰহে ক্ষতি হয়। (পদ্মিনী চিন্তিত হয়।)

পদ্মিনী ঃ এতিয়াহে বুজিছোঁ। আনক বেয়া আচৰণ কৰিব নালাগে। আজি মই ডাঙৰ ভুল কৰিলোঁ। মই এনে কাম আৰু কেতিয়াও নকৰোঁ। তাঁৰৈক মই নিজে মাতি আনি ভুল স্বীকাৰ কৰিম আৰু একেলগে এসাঁজ খাম।

অজিত ঃ তেন্তে, আমি সকলোৰে একেলগে পণ কৰোঁ, আনৰ প্ৰতি সজ ব্যৱহাৰ, নম্ৰ আচৰণ মানুহৰ পৰম ধৰ্ম।

(সকলোৰে একেলগে কয় আৰু পট পৰে)

❑ ❑

"আমি এনে শিক্ষা বিচাৰোঁ যি শিক্ষাই আমাক চৰিত্ৰবান হ'বলৈ শিকাব,
মনৰ দৃঢ়তা বৃদ্ধি কৰিব, মেধাৰ প্ৰসাৰ ঘটাব
আৰু নিজৰ ভৰিত থিয় হ'বলৈ সক্ষম কৰাব।"
— স্বামী বিবেকানন্দ।

ভিন্ন লেখ

# “সকলো শক্তি তোমাৰ ভিতৰতে আছে, তুমি যিকোনো কাম আৰু সকলো কৰিব পাৰা”

সুৰেন্দ্ৰ বৰুৱা
চতুৰ্থ ষাণ্মাসিক

"ALL POWER IS WITHIN YOU,
YOU CAN DO ANYTHING AND EVERYTHING"

স্বামী বিবেকানন্দৰ উক্ত উক্তিটোৰ বাবে প্ৰাথমিক চৰ্ত বা আচল কথাটো হ'ল— 'তুমি মানুহ'। আন জীৱ-জন্তুৰ লগত মানুহৰ পাৰ্থক্য ক'ত বুলি সুধিলে কোনোৱে ক'ব বুদ্ধিমত্তা, কোনোৱে ক'ব দূৰদৰ্শিতা, কোনোৱে ক'ব অন্তঃদৃষ্টি আৰু আন কোনোৱে হয়তো ক'ব শ্ৰম বা পৰিশ্ৰম। এই আটাইবোৰ উপাদানকে মানুহে সংস্কৃতিৰ মাধ্যমতে নিজৰ লক্ষ্যবোৰ বুজিব পাৰে বা স্থিৰ কৰে নতুবা অন্য প্ৰাণীৰ দৰে শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিবলৈ নিৰলস প্ৰচেষ্টা অব্যাহত ৰাখে।

তুমি মানুহ হয় বাবেই তোমাৰ মাজত নিহিত হৈ আছে অজস্ৰ শক্তি, বুদ্ধি আৰু অদম্য উৎসাহ। তোমাৰ আছে একান্ত সাধনাত ব্ৰতী হ'ব পৰা বাসনা, ধ্বংসৰ মাজতে সৃষ্টিৰ ৰূপান্তৰ ঘটাব পৰা সক্ষমতা, হাজাৰ ভুলৰ মাজত গুপুতে লুকাই শুদ্ধটোক বিচাৰি পোৱাৰ বিচক্ষণতা। তুমি তোমাৰ নিজৰ সুখ-দুখ, আশা-আকাংক্ষাকো নেওচি গঢ়ি তুলিব পৰা তোমাৰ আছে বৈজ্ঞানিক মানসিকতা বা এটা বৈজ্ঞানিক মন। এই পুঞ্জীভূত শক্তিবোৰে, তুমি গম নোপোৱাকৈয়ে তোমাক কৰি তুলিছে— একক, অনন্য আৰু অদ্বিতীয়। গতিকে তুমি ইচ্ছা কৰিলে যিকোনো কাম বা সকলো কৰিব পাৰা।

কিন্তু, তুমি তোমাৰ অফুৰন্ত শক্তি সামৰ্থ্যৰ প্ৰভাৱ ভাবি চোৱা নাই বা উপলব্ধি কৰিবলৈ শিকা নাই। কাৰণ, তুমি কেৱল তোমাৰ মাজত থকা বা তুমি সাধাৰণভাৱে অনুভৱ কৰা ক্ষমতাখিনিক লৈয়ে ব্যস্ত আছা, আৰু সীমিত ক্ষমতাখিনিৰ মাজতেই তোমাৰ লক্ষ্য স্থিৰ কৰিছা। ইয়াৰ বাবে তুমি এক নিৰাপদ সীমা সৃষ্টি কৰি লৈছা, যাতে তোমাৰ সম্ভাৱনাৰ ভিতৰত যিবোৰ বাধা দেখিছা, তাক স্পৰ্শ নকৰাকৈ

থাকিব পাৰা। তুমি এক আৰামদায়ক ক্ষেত্ৰ (Comfortable Zone) -ত সহাৰস্থান কৰি আছা আৰু তাৰ পৰা বঞ্চিত হ'ব নোৱাৰাকে তোমাৰ লক্ষ্যসমূহকো একাকাৰ কৰি পেলাইছা।

তোমাক প্ৰয়োজন আত্ম-বিশ্বাসৰ যিয়ে তোমাৰ ইচ্ছা শক্তি (Will Power)-ক প্ৰবল কৰি তুলিব পাৰে। তুমি উপলব্ধি কৰিব পাৰিবা যে সকলো শক্তি তোমাৰ ভিতৰতে আছে, তুমি যিকোনো কাম কৰিব পাৰা। কাৰণ, তোমাৰ ইচ্ছা শক্তিয়ে তোমাক, তোমাৰ আৰামদায়ক ক্ষেত্ৰখনৰ পৰা উলিয়াই আনি এক পৰিশ্ৰমী জগতত বিচৰণ কৰাব, য'ত তুমি এক উচ্চ পৰ্যায়ৰ লক্ষ্যৰ সৈতে সংযুক্ত হৈ পৰিবা। ইয়েই হ'ব তুমি কৰিব পৰা যিকোনো কাম।

তুমি হয়তো ভাবিব পাৰা যে হনুমানে গন্ধমাদন পাহাৰটো দাঙি অনাৰ দৰে তুমিও পাৰিবা নেকি? যদিওবা এই প্ৰশ্ন মানুহৰ বাবে অবান্তৰ, কিন্তু বাস্তৱিক ক্ষেত্ৰত (Reality) প্ৰযোজ্য হোৱাকে ভাবিব পাৰা যে- UPSC/APSC-ৰ দৰে পৰীক্ষাত টপাৰ (Toper) হ'ব পাৰিম নে? এই প্ৰশ্নৰ উত্তৰ তোমাৰ ভিতৰতে নিহিত হৈ আছে। তোমাৰ সম্ভাৱনীয়তাখিনি তোমাৰ সামৰ্থ্যতাখিনি তুমি কেনেধৰণে উপলব্ধি কৰিব পাৰা, যিয়ে তোমাৰ ইচ্ছা শক্তি প্ৰয়োজনীয় শ্ৰমৰ সংপৃক্ত কৰি তুলিব পাৰে। তোমাৰ শ্ৰমৰ মানদণ্ডই হ'ব তোমাৰ সফলতা আহৰণৰ দিশত উপযুক্ত সম্বল।

স্বামী বিবেকানন্দই আকৌ কৈছে— "নিজৰ ওপৰত কেতিয়াও বিশ্বাস নেহেৰুৱাবা। এই বিশ্ব-ব্ৰহ্মাণ্ডত তুমি যিকোনো কাম কৰিব পাৰা। তুমি দুৰ্বল নহ'বা, সকলো ক্ষমতা তোমাৰ।" তেওঁ আৰু কৈছে— "আত্মাৰ বাবে কোনো অসম্ভৱ কথা কেতিয়াও নাভাবিবা। তেনেকৈ ভবাটো আটাইতকৈ ডাঙৰ পাষণ্ডতা। যদি পৃথিৱীত পাপ আছে, তেন্তে এইটোৱেই একমাত্ৰ পাপ যে তুমি দুৰ্বল বা আনক দুৰ্বল বুলি কোৱা।" ❑

"শিক্ষাৰ লক্ষ্য হৈছে ব্যক্তিৰ দেহ আৰু
আত্মাৰ সৌন্দৰ্য আৰু পূৰ্ণতা দান কৰা"
— প্লেটো।

"নজনাটো ডাঙৰ কথা নহয়,
শিকিবলৈ ইচ্ছা নকৰাটোহে লাজৰ কথা।"
— বেঞ্জামিন ফ্ৰেংকলিন।

# হাঁহো আহক

হৰিপ্ৰসাদ গগৈ
চতুৰ্থ ষাণ্মাসিক

শাহু ঃ গ্ৰহণ লগা সময়ত ৰন্ধা খাদ্যবস্তুবোৰ বৈ গ'লে পেলাই দিব লাগে। যা জুৰি বৈ যোৱা ভাতখিনি পেলাই দে।

তগৰ ঃ আজি খোৱা মাছখিনিও পেলাই দিম নেকি মা?

শাহু ঃ মাছখিনি নালাগে দিয়া, মাছখিনি পিছত খালেও একো নহয়।

তগৰ ঃ গাখীৰখিনি?

শাহু ঃ গাখীৰখিনি নেপেলাবি, পাছত গ্ৰহণ ভঙাৰ পাছত খাব লাগিব।

তগৰ ঃ আচাৰখিনি পেলাই দিব লাগিব নেকি? আচাৰখিনিও দেখোন গ্ৰহণ লাগি থাকোতেই বনোৱা, মা?

শাহু ঃ (বুজি পাই) কোনে কথা কয় ঐ এইসৱৰ লগত? ❑



# সাধাৰণ সমন্বয়কৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল মহান মনীষীৰ অক্লান্ত ত্যাগ, প্ৰচেষ্টা তথা একান্ত শ্ৰমৰ বিনিময়ত ধেমাজি জিলাখনৰ এখন আদৰ্শপূৰ্ণ তথা সমাজৰ পথপ্ৰদৰ্শকস্বৰূপ শিক্ষক প্ৰস্তুতৰ জ্ঞানৰ মন্দিৰ সৃষ্টি কৰিলে, সেইসকল মহান পুৰুষৰ প্ৰতি সশ্ৰদ্ধ প্ৰণিপাত জনালোঁ। পৰৱৰ্তী সময়ত কেতবোৰ পাণ্ডিত্যপূৰ্ণ ব্যক্তিৰ অৰিহণাই আজিৰ যিটো স্তৰত উপনীত কৰালেহি তেওঁলোকলৈও অন্তৰৰ গভীৰতাৰ পৰা কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। মহাবিদ্যালয়ৰ সাধাৰণ সমন্বয়ক হিচাপে এটা বৰ্ষ সেৱা কৰিবলৈ সুযোগ দিয়াৰ বাবে এই আপাহতে শ্ৰদ্ধাৰ শিক্ষাগুৰুবৃন্দ আৰু সমূহ প্ৰশিক্ষাৰ্থীৰ ওচৰত চিৰকৃতজ্ঞ।

ধেমাজি স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয়ৰ সাধাৰণ সমন্বয়ক হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰিয়ে মহাবিদ্যালয়ৰ বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰাৰ সুবিধা পাইছিলোঁ। সেইসমূহৰ ভিতৰত — সৰস্বতী পূজা, মহাবিদ্যালয় সপ্তাহ, শিক্ষক দিৱস, মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস, নৱাগত আদৰণি সভা, শিক্ষামূলক ভ্ৰমণ, ৰাষ্ট্ৰীয় শিক্ষা দিৱস উদ্‌যাপন আদি।

প্ৰতিটো কাৰ্যসূচী সুচাৰুৰূপে পৰিচালনা কৰাৰ ক্ষেত্ৰত তথা বিভিন্ন দিহা-পৰামৰ্শ প্ৰদান কৰি যোৱাত সহযোগিতা আগবঢ়োৱাৰ বাবে মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ শ্ৰীযুত প্ৰদীপ কুমাৰ দাস ছাৰ, শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল, মোৰ সহপ্ৰশিক্ষাৰ্থীসকল আৰু মহাবিদ্যালয়ৰ অনাশিক্ষক কৰ্মচাৰীবৃন্দলৈ অশেষ ধন্যবাদ জনালোঁ। মহাবিদ্যালয়ৰ প্ৰতিটো অনুষ্ঠান তথা কাৰ্যসূচী সাফল্য হোৱাৰ ক্ষেত্ৰত সদায় চেষ্টা অব্যাহত ৰাখিছিলোঁ। তথাপিও অজানিতে হৈ যোৱা ভুলৰ বাবে ক্ষমা প্ৰাৰ্থনা বিচাৰিছোঁ।

সদৌ শেষত, ৰূপালী জয়ন্তী বৰ্ষ গৰকা মহাবিদ্যালয়খনৰ গৌৰৱ গাথা যাতে সময়ৰ সোণালী পাতত জিলিকি উঠে তাৰে কামনা কৰিছোঁ। মহাবিদ্যালয়খনে অতিক্ৰম কৰক দিগন্ত বিদাৰি, উজ্জ্বলাই তোলক লুইতৰ দুয়োপাৰ আৰু সৃষ্টি কৰক মানৱ সম্পদৰ, যি সমাজত প্ৰশস্ত কৰিব পাৰে পোহৰৰ বাট আৰু সেই বাটেৰে নৰ প্ৰভাত জী উঠিব বুলি আশা কৰি প্ৰতিবেদন সামৰিলোঁ।

জয়তু ধেমাজি স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয়

জয়তু সমন্বয়ক গোট।

কল্যাণ গগৈ

সাধাৰণ সমন্বয়ক

# আলোচনী তৰ্ক আৰু সাহিত্য শাখাৰ সমন্বয়কৰ প্ৰতিবেদন

যি সকল নমস্য ব্যক্তিৰ ত্যাগ আৰু নিঃস্বাৰ্থ সেৱাৰ ফলত ধেমাজিৰ প্ৰথমখন অগ্ৰণী শিক্ষক প্ৰশিক্ষণ প্ৰতিষ্ঠান "ধেমাজি স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয়" প্ৰতিষ্ঠা হৈছিল তেখেত সকললৈ এই প্ৰতিবেদনৰ আৰম্ভণিতে সশ্ৰদ্ধ সেৱা আৰু কৃতজ্ঞতা জনালোঁ।

বহুতো আশা বুকুত বান্ধি এদিন এই মহাবিদ্যালয়ত প্ৰথম বৰ্ষৰ ছাত্ৰী হিচাপে নামভৰ্তি কৰিছিলো, লাহে লাহে মহাবিদ্যালয়খনে এনেদৰে আকৰ্ষণ কৰিলে যে ছাত্ৰ-একতা সভাই মোক আলোচনী আৰু সাহিত্য শাখাৰ সম্পাদিকাৰ দৰে গুৰু দায়িত্বভাৰ অৰ্পণ কৰি সেৱা আগবঢ়াবলৈ সুযোগ দিলে।

**দি ফ্ৰেগনেনছঃ** প্ৰথম পদক্ষেপ হিচাপে "দি ফ্ৰেগনেনছ" মহাবিদ্যালৰ প্ৰাচীনতম ধাৰাবাহিক প্ৰাচীৰ পত্ৰিকাখনি মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱসৰ দিনা (৩ মাৰ্চ) যথাসাধ্যে আটক ধুনীয়াকৈ ন-ৰূপত সজাই উন্মোচন কৰা হয়। প্ৰাচীৰ পত্ৰিকাখনি প্ৰকাশৰ ক্ষেত্ৰত, আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত প্ৰদীপ কুমাৰ দাস মহোদয়, শ্ৰদ্ধাৰ শিক্ষাগুৰু ববী দত্ত নেওগ বাইদেউ প্ৰমুক্ষে শিক্ষাগুৰু সকলক কৃতজ্ঞতা জ্ঞাপন কৰিলো তেওঁলোকৰ পৰামৰ্শত ন-ৰূপত প্ৰাচীৰ পত্ৰিকাখনি সজাব পাৰিলো।

সহ-প্ৰশিক্ষাৰ্থী আশা কোঁৱৰ, জাহ্নবী বৰা, নিতুস্না চমুৱা, লাকী সোনোৱাল, ডায়মণ্ড সোনোৱাল, পূৰ্বাশ্ৰী সন্দিকৈক ধন্যবাদ জনালোঁ লগতে অকপটে স্বীকাৰ কৰো তেওঁলোকৰ সহায় অবিহনে যথাসময়ত প্ৰাচীৰ পত্ৰিকাখনি সম্পূৰ্ণ কৰিবলৈ যথেষ্ট কঠিন হ'ল হেঁতেন ।

**মহাবিদ্যালয় সপ্তাহ ২০২২-২০২৩**

মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ শাৰীৰিক মানসিক আৰু বৌদ্ধিক দিশত বিকাশ সাধন কৰিবলৈ খেল-ধেমালি, সাহিত্য তৰ্ক, কলা, যোগদান আদি অতি প্ৰয়োজন তৰ্ক আৰু সাহিত্য শাখাৰ দায়িত্ব পালন কৰি বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিলো প্ৰতিযোগিতাত দিন ধৰি অনুষ্ঠিত হৈছিল আমাৰ সংস্কৃত ভাষাত এষাৰী কথা আছে,

"সাহিত্য সংগীত কলা বিহীন
সাক্ষাৎ পশুহি পুচ্ছ বিহীন"

গতিকে সাহিত্য সংগীত, কলা বাদ দি মানৱ জীৱন পশুতল্য হয়, এনে ব্যক্তি হয়তু নুলাব যি গান, নাচ, কলা, সংগীত বেয়া পায়, গীতে মানুহৰ অৰ্ন্তৰ জয় কৰিব পাৰে।

**প্ৰজ্ঞান্বেষা আৰু Epiphany**

অসমীয়া আৰু ইংৰাজী বিভাগৰ প্ৰথম আৰু তৃতীয় ষাণ্মাসিকৰ প্ৰশিক্ষাৰ্থী সকলে ক্ৰমে প্ৰজ্ঞানেষা আৰু Epiphany শীৰ্ষক হাতে লিখা আলোচনীখন জাকত-জিলিকাকৈ প্ৰস্তুত কৰি শিক্ষক দিৱসৰ দিনা উন্মোচন কৰা হয়।

**প্ৰবাহিনীঃ**

বিশ্বাস কৰো যে মহাবিদ্যালয় এখনক মহাবিদ্যালয়খনৰ মুখপত্ৰ খনে প্ৰতিনিধিত্ব কৰে। মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি বাৰ্ষিক আলোচনীখন প্ৰকাশ কৰা হয়।

২০২২-২০২৩ বৰ্ষৰ আলোচনীখন সম্পাদনাৰ দৰে গুৰু দায়িত্ব ল'বলৈ নিজকে অযোগ্য যেন অনুভৱ হোৱাৰ সময়তে অধ্যক্ষ মহোদয়া ড° কিলোমণি চুতীয়া বাইদেউ, তত্ত্বাৱধায়িকতা তথা শিক্ষাগুৰু ববী দত্ত নেওগ, মৌচুমী হাজৰিকা বাইদেউ আৰু শিক্ষাগুৰু সকলৰ দিহা-পৰামৰ্শৰে আলোচনীখন প্ৰকাশৰ বাবে সাহস আৰু উৎসাহ পালোঁ।

অতি কম সময়ৰ ভিতৰতে প্ৰস্তুত কৰিব লগীয়া হোৱাত প্ৰথম অৱস্থাত লিখা সমূহ যুগুতুৱাত যথেষ্ট সমস্যা হৈছিল। লিখা সমূহ সংগ্ৰহ কৰাৰ ক্ষেত্ৰত ভাতৃ পবিত্ৰ দিহিঙীয়া আৰু দেৱব্ৰত চুতীয়াক ধন্যবাদ জনাইছো।

সম্পাদনাৰ ক্ষেত্ৰত, পৰাগজ্যোতি শইকীয়া, বৰ্ণালী চাংমাই, তুষাৰাণী হাজৰিকা, পূবালীমা বড়া, পাৰিজাত শইকীয়া, ৰিমঝিম বুঢ়াগোহাঁই, আশা কোঁৱৰ, কাবেৰী গগৈ, কল্যাণী চাংমাইক ধন্যবাদ জনালো।

আমাৰ অনুৰোধ ৰক্ষা কৰি ব্যস্তাপূৰ্ণ সময়ৰ মাজতো লিখাসমূহ প্ৰেৰণ কৰি আলোচনীখন পূৰ্ণ কৰাত যি সকল ব্যক্তিয়ে সহায় কৰিলে তেওঁলোকক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

এই আপাহতে, প্ৰবাহিনীৰ জন্ম লগ্নৰে পৰা জড়িত থকা ব্যক্তিসকল যাৰ আশাশুধীয়া প্ৰচেষ্টাত হাতে লিখা প্ৰবাহিনীয়ে ছপা মাধ্যমৰ ৰূপ পাবলৈ সক্ষম হ'ল সেই ব্যক্তিসকললৈ শ্ৰদ্ধা আৰু সন্মান যাচিলোঁ।

সদৌ শেষত ধেমাজি স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয়খনি সবাংগসুন্দৰ হৈ উজ্বলি উঠক। আমাৰ আদৰৰ প্ৰবাহিনীখনে মহাবিদ্যালয়ৰ গৌৰৱ গাঠা বুকুত কঢ়িয়াই চিৰ প্ৰবাহিত হৈ থাকক আমাৰ হৃদয়ত।

জয়তু ধেমাজি স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয়

উপাসনা দেৱী
আলোচনী সম্পাদক

# মহাবিদ্যালয় সপ্তাহৰ ফলাফলঃ (সাহিত্য শাখা)

**— কবিতা আবৃত্তি**

প্ৰথম ঃ জিতাঞ্জলী শইকীয়া
দ্বিতীয় ঃ শতৰূপা বৰা
তৃতীয় ঃ ৰিমঝিম বুঢ়াগোহাঁই

**— আকস্মিক বক্তৃতা**

প্ৰথম ঃ স্বৰ্ণালী কোঁৱৰ
দ্বিতীয় ঃ শতৰূপা বৰা
তৃতীয় ঃ জিতাঞ্জলী শইকীয়া

**— গল্প প্ৰতিযোগিতা (ঘৰত)**

প্ৰথম ঃ শতৰূপা বৰা
দ্বিতীয় ঃ জিতাঞ্জলী শইকীয়া
তৃতীয় ঃ পুবালীমা বড়া

**— প্ৰবন্ধ (ঘৰত)**

প্ৰথম ঃ কল্যাণী চাংমাই
দ্বিতীয় ঃ শতৰূপা বৰা
তৃতীয় ঃ স্বপ্না বৰুৱা

**— থিতাতে**

প্ৰথম ঃ বিমৃশা কলিতা
দ্বিতীয় ঃ শতৰূপা বৰা
তৃতীয় ঃ স্বৰ্ণালী কোঁৱৰ

**— কবিতা লিখা প্ৰতিযোগিতা (ঘৰত)**

প্ৰথম ঃ পুবালীমা বৰা
দ্বিতীয় ঃ শতৰূপা বৰা
তৃতীয় ঃ জিতাঞ্জলী

**— থিতাতে**

প্ৰথম ঃ পাৰিজাত শইকীয়া
দ্বিতীয় ঃ শতৰূপা বৰা
তৃতীয় ঃ দুলাল ভূএগা

**— নীলা খামৰ চিঠি (ঘৰত)**

প্ৰথম ঃ স্বপ্না বৰুৱা
দ্বিতীয় ঃ জিতাঞ্জলী শইকীয়া
তৃতীয় ঃ শতৰূপা বৰা

**— ৰস ৰচনা (থিতাতে)**

প্ৰথম ঃ জিতাঞ্জলী শইকীয়া
দ্বিতীয় ঃ তুষাৰ গগৈ
তৃতীয় ঃ শতৰূপা বৰা

**— ৰস ৰচনা (ঘৰত)**

প্ৰথম ঃ শতৰূপা বৰা
দ্বিতীয় ঃ স্বপ্না বৰুৱা
তৃতীয় ঃ জিতাঞ্জলী শইকীয়া

**— অনুভৱতা স্বৰ**

প্ৰথম ঃ শতৰূপা বৰা আৰু
প্ৰিয়ম শইকীয়া
দ্বিতীয় ঃ কল্যাণী চাংমাই

**— চিত্ৰাংকণ প্ৰতিযোগিতা স্থিৰচিত্ৰ (থিতাতে)**

প্ৰথম ঃ ডায়মণ্ড সোনোৱাল
দ্বিতীয় ঃ লাকী সোনোৱাল
তৃতীয় ঃ তুষাৰ গগৈ

**— ৱাটাৰ কালাৰ (থিতাতে)**

প্ৰথম ঃ ডায়মণ্ড সোনোৱাল
দ্বিতীয় ঃ লাকী সোনোৱাল

**— পেঞ্চিল ছেদিং (ঘৰত)**

প্ৰথম ঃ ডায়মণ্ড সোনোৱাল
দ্বিতীয় ঃ আশা কোঁৱৰ
তৃতীয় ঃ লাকী সোনোৱাল

**— পেঞ্চিল ছেদিং (থিতাতে)**

প্ৰথম ঃ লাকী সোনোৱাল
দ্বিতীয় ঃ ডায়মণ্ড সোনোৱাল

**— বাতৰি পৰিৱেশন (অসমীয়া)**

প্ৰথম ঃ পাৰিজাত শইকীয়া
দ্বিতীয় ঃ জিতাঞ্জলী শইকীয়া
তৃতীয় ঃ তুষাৰ গগৈ

**— লিমাৰিক প্ৰতিযোগিতা (ঘৰত)**

প্ৰথম ঃ পূবালীমা বৰা
দ্বিতীয় ঃ শতৰূপা বৰা
তৃতীয় ঃ জিতাঞ্জলী শইকীয়া

**— লিমাৰিক (থিতাতে)**

প্ৰথম ঃ শতৰূপা বৰা
দ্বিতীয় ঃ জিতাঞ্জলী শইকীয়া
তৃতীয় ঃ গায়ত্ৰী শইকীয়া

শ্ৰেষ্ঠ সাহিত্যিক ঃ শতৰূপা বৰা
শ্ৰেষ্ঠ তাৰ্কিক ঃ শতৰূপা বৰা

# সাংস্কৃতিক সমন্বয়কৰ প্ৰতিবেদন

✍ ৰিম্‌ঝিম্ বুঢ়াগোহাঁই
সাংস্কৃতিক সমন্বয়ক
ধেঃ স্নাঃ প্ৰঃ মঃ

"..... আজি শিল্পী প্ৰাণৰ প্ৰণতি
আজি শিল্পী প্ৰাণৰ ভকতি...।"
(ৰূপকোঁৱৰ)

প্ৰতিবেদনৰ পাতনিতে যিসকল সমাজহিতৈষী মহান ব্যক্তিৰ আশাশুধীয়া প্ৰচেষ্টাৰ ফলশ্ৰুতিত ধেমাজি স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয়ে আজিৰ পৰ্যায়ত উপনীত হৈছে সেইসকল ব্যক্তিৰ গঠনমূলক চিন্তা, চেষ্টা আৰু অসীম ত্যাগক কৃতজ্ঞতাৰে সোঁৱৰিছোঁ। এই সুযোগতে ধেমাজি স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয়ৰ প্ৰতিসেৰা আগবঢ়াবলৈ মহাবিদ্যালয়ৰ সমন্বয়ক গোটৰ সাংস্কৃতিক বিভাগৰ সমন্বয়ক হিচাপে মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষ মহোদয়, শিক্ষাগুৰু আৰু সমূহ শিক্ষক-শিক্ষাৰ্থীয়ে মোক বিবেচনা তথা সুবিধা দিয়াৰ বাবে সদৌটিলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

সাম্প্ৰতিক সময়ৰ শিক্ষাত শিক্ষাৰ্থীৰ ব্যক্তিত্বৰ সৰ্বাংগীণ বিকাশৰ লক্ষ্যই শাৰীৰিক, মানসিক, নৈতিক, সামাজিক ইত্যাদি সৰ্বদিশকে সাঙুৰি লৈছে। শিক্ষাৰ্থীৰ পাঠ্যক্ৰমিক আৰু সহপাঠ্যক্ৰমিক দুয়োটা দিশৰে সুষম বিকাশৰ প্ৰয়োজনীয়তা আছে। এই দিশৰ প্ৰতি লক্ষ্য ৰাখি বিদ্যালয়, মহাবিদ্যালয়সমূহত পাঠ্যক্ৰমৰ সমান্তৰালভাৱে বিভিন্ন ক্ৰীড়া, সংগীত, সাহিত্য ইত্যাদি চৰ্চাৰ বাবে এখন উপযুক্ত মঞ্চ শিক্ষাৰ্থীসকলক দিয়াতো খুবেই প্ৰয়োজন। শিক্ষক-শিক্ষাৰ প্ৰতিষ্ঠান হিচাপে আমাৰ মহাবিদ্যালয়তো এই সুবিধা শিক্ষাৰ্থীসকলক দিয়া হৈছে। শিক্ষক-শিক্ষাৰ্থীসকলে যাতে সাংস্কৃতিক দিশত থকা তেওঁলোকৰ সুপ্ত প্ৰতিভাসমূহ সুন্দৰকৈ প্ৰকাশ কৰিব পাৰে তাৰ বাবে সাংস্কৃতিক সমন্বয়কৰ যথেষ্ট কৰণীয় থাকে। শিক্ষাগুৰু তথা অগ্ৰজ শিক্ষক-শিক্ষাৰ্থীসকলৰ পৰামৰ্শ গ্ৰহণ কৰি সাংস্কৃতিক সমন্বয়ক হিচাপে দায়িত্ব পালন কৰি যাবলৈ মোৰ তৰফৰ পৰা যথাসম্ভৱ প্ৰয়াস কৰিছিলোঁ।

কাৰ্যকালৰ কালছোৱাত অনুষ্ঠিত হোৱা কাৰ্যসূচীসমূহত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিবলৈ চেষ্টা

কৰিছিলোঁ। কাৰ্যসূচীসমূহৰ ভিতৰত মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস, বাৰ্ষিক ক্ৰীড়া সমাৰোহ, শিক্ষক দিৱস ইত্যাদিয়ে প্ৰধান। তাৰে ভিতৰত বাৰ্ষিক ক্ৰীড়া সমাৰোহৰ স্মৃতি মোৰ মনত সদায় সজীৱ হৈ ৰ'ব। ২০২২-২৩ বৰ্ষৰ মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সমাৰোহত সাংস্কৃতিক শাখাৰ পৰা বিভিন্ন শিতানত প্ৰতিযোগিতাসমূহ অনুষ্ঠিত কৰিছিলোঁ। সেইসমূহ হ'ল— জ্যোতি সংগীত, ৰাভা সংগীত, ভূপেন্দ্ৰ সংগীত, লোকগীত, আধুনিক গীত, বিয়ানাম, বিহুনাম, দলীয় নৃত্য, একক অভিনয়, অন্তাক্ষৰী ইত্যাদি। ২০২২-২৩ বৰ্ষৰ শ্ৰেষ্ঠ গায়কৰ খিতাপ তুষাৰ গগৈয়ে লাভ কৰিবলৈ সক্ষম হয়।

প্ৰতিবেদনৰ জৰিয়তে কাৰ্যকালৰ সময়ছোৱাত সাংস্কৃতিক সমন্বয়ক হিচাপে কাৰ্যসমূহ নিয়াৰিকৈ কৰি যোৱাত দিহা-পৰামৰ্শ তথা উচিত পথ দেখুৱাই প্ৰতিটো সময়ত সহায়-সহযোগিতা আগবঢ়োৱা শিক্ষাগুৰু, সহ-শিক্ষক-শিক্ষাৰ্থী, সমন্বয়ক সমিতিৰ প্ৰতিজন সমন্বয়ক সদস্য, কৰ্মচাৰী সকলোকে ধন্যবাদ জনালোঁ। বাৰ্ষিক ক্ৰীড়া সমাৰোহত মোক প্ৰতিটো দিশতে কামখিনি আগবঢ়াই নিয়াত উৎসাহ যোগোৱা তত্বাৱধায়কৰ দায়িত্বত থকা ববী দত্ত নেওগ বাইদেউক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

কাৰ্যকালৰ কালছোৱাত অজানিতে যদি ভুল কৰিছোঁ তাৰ বাবে মহাবিদ্যালয়ৰ ওচৰত ক্ষমাপ্ৰাৰ্থী। আগন্তুক দিনত ধেমাজি স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয়ৰ উত্তৰোত্তৰ কামনাৰে প্ৰতিবেদন সামৰিছোঁ।

'জয়তু ধেমাজি স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয়।'

❑ ❑

# আন্তঃক্ৰীড়া বিভাগৰ সমন্বয়কৰ প্ৰতিবেদন

আন্তঃক্ৰীড়া বিভাগৰ প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল মহান ব্যক্তিৰ শ্ৰম আৰু ত্যাগৰ বলত অসমৰ এখন অন্যতম শিক্ষক-প্ৰশিক্ষণ মহাবিদ্যালয় হিচাপে ধেমাজি স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয় স্থাপিত হৈ বৰ্তমান সময়ত সফলতাৰ ধ্বজা উৰুৱাইছে, সেই মহান ব্যক্তিসকললৈ সশ্ৰদ্ধ প্ৰণাম জনাইছোঁ। লগতে মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষা মহোদয়া, পূজনীয় শিক্ষাগুৰুসকল, পৰিচালনা সমিতি, কাৰ্যালয়ৰ সমূহ কৰ্মচাৰীবৃন্দলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। আন্তঃক্ৰীড়া বিভাগৰ সমন্বয়কৰ দায়িত্ব মোৰ হাতত অৰ্পণ কৰা বাবে মহাবিদ্যালয়ক কৰ্তৃপক্ষ আৰু সহ-প্ৰশিক্ষাৰ্থীসকললৈ মই শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ।

ধেমাজি স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয়ৰ ২০২২-২০২৩ বৰ্ষৰ আন্তঃক্ৰীড়া বিভাগৰ সমন্বয়ক হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰাৰ দিনৰে পৰা মহাবিদ্যালয়ৰ সৰ্বাংগীণ উন্নয়নৰ হ'কে কাম কৰি যাম বুলি সংকল্প লৈছিলোঁ আৰু মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা প্ৰতিটো কাৰ্যসূচীতেই সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছিলোঁ।

কাৰ্যকালৰ সময়ছোৱাত মোৰ বিভাগৰ খেলসমূহ পৰিচালনা কৰাত মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত প্ৰদীপ কুমাৰ দাস ছাৰ, বিভাগীয় উপদেষ্টা শ্ৰীযুত পাৰ্থপ্ৰতিম চেতিয়া, শ্ৰীযুত মনোৰঞ্জন চিৰিং ছাৰৰ সহায় আৰু পৰামৰ্শৰ বাবে মই চিৰকৃতজ্ঞ। মহাবিদ্যালয়ৰ সকলো বিষয়ববীয়া, শিক্ষক-প্ৰশিক্ষাৰ্থীসমূহ, শিক্ষক-শিক্ষয়িত্ৰীবৃন্দৰ লগতে খেলসমূহ পৰিচালনা কৰাত প্ৰতিজন সহ-প্ৰশিক্ষাৰ্থীয়ে আগবঢ়োৱা সহায়-সহযোগিতাৰ বাবে মই তেওঁলোকক গভীৰ শ্ৰদ্ধা কৃতজ্ঞতা আৰু সেৱা যাছিলোঁ।

প্ৰতিবেদনৰ শেষত মোৰ কাৰ্যকালত অজানিতে হোৱা ভুল-ভ্ৰান্তিৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিলোঁ। লগতে ধেমাজি স্নাতকোত্তৰ মহাবিদ্যালয় অনাগত সময়ত আগুৱাই যাওক, তাৰেই কামনা কৰিলোঁ।

"জয়তু ধেমাজি স্নাতকোত্তৰ মহাবিদ্যালয়"

কেশৱ বড়া
সমন্বয়ক, আন্তঃক্ৰীড়া বিভাগ




লাকী সোনোৱাল
চতুৰ্থ ষাণ্মাসিক




ত্ৰিবেণী ৰাইদঙ্গীয়া
দ্বিতীয় ষাণ্মাসিক




পবিত্ৰ দিহিঙ্গীয়া
দ্বিতীয় ষাণ্মাসিক




ডায়মণ্ড সোনোৱাল
চতুৰ্থ ষাণ্মাসিক



দুলুৰাণী বৰগোহাঁই
দ্বিতীয় ষাণ্মাসিক

শিক্ষাগুৰুৰ সৈতে ২০২২ বৰ্ষৰ অসমীয়া শিক্ষণ বিভাগৰ প্ৰশিক্ষাৰ্থী সকলৰ একাংশ



শিক্ষাগুৰুৰ সৈতে ২০২৩ বৰ্ষৰ অসমীয়া শিক্ষণ বিভাগৰ প্ৰশিক্ষাৰ্থী সকলৰ একাংশ



শিক্ষাগুৰুৰ সৈতে ২০২২ বৰ্ষৰ ইংৰাজী শিক্ষণ বিভাগৰ প্ৰশিক্ষাৰ্থী সকলৰ একাংশ



শিক্ষাগুৰুৰ সৈতে ২০২৩ বৰ্ষৰ ইংৰাজী শিক্ষণ বিভাগৰ প্ৰশিক্ষাৰ্থী সকলৰ একাংশ



মহাবিদ্যালয়ৰ প্ৰাতঃ সভাৰ দৃশ্যাংশ

